শকবিলাকৰ ধৰ্ম্ম কি আছিল? এ. কে. মজুমদাৰে কয়—প্ৰাচীন শকবিলাক হিন্দু আছিল (২১)। এইছ জি ৱেলছেও শকবিলাকক আৰ্য্য, Aryan Scythians বুলি কৈছে (২২)। মহাভাৰত পঢ়িলেও পৰিস্কাৰকৈ বুজা যায় যে শকবিলাকৰ ধৰ্ম্ম আৰু আৰ্য্যবিলাকৰ ধৰ্ম্ম প্ৰায়ে একে আছিল। শক আৰু

শক-বিলাক হিন্দু আছিল

(খ) "A grand Scythic race extended from the Caspian to the Ganges":—Pinkerton as quoted by Todd in his Annals of Rajasthan.

২১। A.K. Majumdar—Hindu History P 76

২২। H.G. Wells—Outline of History. "of what remains of the Scythian language, on the other hand, furnished Xeuss with clear proof that they were Aryans and nearly akin to the settled Iranians" Encyclo Paedia Brittanica 9th. ed. vol xxi p 576.

আৰ্য্যৰ মাজত মুকলি ভাবে সংমিশ্ৰণ ঘটিছিল। শক বাসুকীৰ ভনীয়েক জৰৎকাৰুৰে সৈতে আৰ্য্য ঋষি কুমাৰ জৰুৎকাৰুৰ বিয়া এটা যুগান্তৰকাৰী ঘটনা। মনুৱে কয়—পৌণ্ড, ত্তদ্ৰ, দ্ৰাবিড়, কাম্বোজ, যাৱন, শক, পাৰদ পহ্লৱ, চীন, কিৰাট, দৰদ আৰু খস বিলাক ক্ষত্ৰিয় আছিল আৰু 'ব্ৰাহ্মণ অদৰ্শনৰ' কাৰনে 'বৃষল' হয়। পতঞ্জলিৰ মহাভাষ্যই কয় যে শকবিলাক অস্পৃশ্য নহয় আৰু সহভোজনৰ পৰা বঞ্চিত হোৱা উচিত নহয়। ঐতিহাসিক যুগত অহা শকবিলাকো হিন্দু আছিল। হিৰদটাসে কয় যে শকবিলাক সূৰ্য্য উপাসক আছিল। সকলো পুৰাণে কৈছে শকৱিলাকে 'সূৰ্য্য ৰূপং যজন্তি"। শকবিলাক ভাৰতলৈ অহাৰ আগতেই আৰ্য্য ধৰ্ম্মগ্ৰহণ কৰিছিল। যিবিলাক ভাৰতৰ বাহিৰত বাস কৰিছিল, সেইবিলাক শকৰ ধৰ্ম্মত্ত আৰ্য্য ধৰ্ম্মতকৈ সম্পূৰ্ণ বেলেগ নাছিল। সপ্তসিন্ধুৰ পৰা মধ্য এচিয়ালৈকে বিস্তৃত অঞ্চল আৰ্য্য ধৰ্ম আৰু সংস্কৃতিৰ দ্বাৰা প্লাৱিত হৈ আছিল। অকৃসাস নদী ব্ৰাহ্মণ, বৌদ্ধ সকলৰ নদী আছিল। এইখন নদী বেলেগ বেলেগ কালত চক্ষু, বক্ষু, ইক্ষু, ৰসা, সীতা, মৃগ আদি নামে জনাজাত আছিল (২৩)। বৰ্ত্তমান সিৰদৰিয়া নামে অভিহিত। ঈক্ষু নদীৰ পাৰত বাস কৰিছিল, সেইকাৰণে ৰামৰ আদি পুৰুষ ঈক্ষাকু নামে বিখ্যাত হৈছিল। শকৰ

(শক আৰ্য্যৰ বৈবাহিক সম্বন্ধ)

(সপ্ত সিন্ধুৰ পৰা মধ্য এচিয়ালৈকে আৰ্য্য ধৰ্ম্ম সংস্কৃতি বিস্তৃত আছিল)

পিচত হুণে ভাৰত আক্ৰমণ কৰে। হুণ সকলৰ প্ৰধান শাখা সাতোটা আছিল। অকৃসাস নদীৰ অঞ্চলত সাতোটা শাখাৰ নামেৰে সাতখন ৰাজ্য হয়। নন্দলাল দেই কয়, এই সপ্তৰাজ্য সপ্ত পাতাল নামে জনাজাত হয় (২৩)। তেওঁৰ মতে—

(হুণ জাতিৰ সপ্ত শাখাৰ নাম)

(১) অ তেলাইট (A-Telite) হুণৰ নামত অতল
অৱ-তেলাইট (Av-Telite) " বিতল
(৩) নেৱ-তেলাইট (Neph-Telite) " নিতল
(৪) তোচাৰি বাক্ষক (Tochar) " তলাতল
(৫) হৈ-তেলাইট " মহাতল
(৬) চি-দৰিতেছ বা/সুজাতি (Cidarites) " সুতল
(৭) বৰ্ত্তমান চিৰ দৰিয়া, পুৰণি ৰসা, জক্ষৰতেছ নদীৰ উপত্যকা আছিল—ৰসাতল।

(সপ্ত পাতাল)

নন্দলাল দেৱ মতে সুজাতিৰ মানুহবিলাকক ভাৰতীয় আৰ্য্যই সুৰভি নাম দিছিল। সুৰভিসকলে চিৰদৰিয়া আৰু আমুদৰিয়া নদীৰ মাজৰ ভু-খণ্ডত বাস কৰিছিল। তেওঁ কয় যে গৰুড় বা সুপৰ্ণবিলাক শকজাতিৰ মানুহ আছিল, এই অঞ্চলতে বাস কৰিছিল। অন্য এটা শক শাখা নাগ নামে জনাজাত হৈছিল।

আমুদৰিয়া প্ৰাচীন মৃগ, অক্সাস নদী আছিল। বহুকাল পিচত মৃগ এখন স্বতন্ত্ৰ নদী হয় আৰু শেহলৈ মৰ্গুস, মৰ্ঘ-অব নামে জনাজাত হয়। মৃগ নদীৰ

২৩। Dey—Rasatala

পৰা মৰ্গিয়ানা (Margianana) নাম হয়। মৃগ ই সূৰ্য্য।

Eratosthenes (খৃঃ পূঃ ২২০)ৰ মতে অক্সাস নদী আৰু জেক্সাৰটেছ নদী কাশ্যপ হ্ৰদত পৰিছিল। বৰ্ত্তমান এই দুয়োখন নদী আৰল হ্ৰদত পৰিছে। আৰল হ্ৰদেই ক্ষীৰোদ সাগৰ আছিল বুলি কোৱা হয়। বোধহয় প্ৰাচীন কালত কাশ্যপ সাগৰ আৰু ক্ষীৰোদ সাগৰ একেখন আছিল আৰু পিচত দুভাগ হয়।

প্ৰাচীন হূণৰ সভ্যতা সংস্কৃতি উন্নত আছিল

যিবিলাক হূণে গুপ্ত সাম্ৰাজ্য ধ্বংস কৰে সেইবিলাক হূণক অসভ্য, বৰ্ব্বৰ, দস্যু ৰূপেই বৰ্ণনা কৰা হৈছে। কিন্তু প্ৰাচীন হূণ সকলৰ বহু শাখা আৰ্য্যবিলাকতকৈ সভ্যতা সংস্কৃতিত বেচি উন্নত নহলেও হীন নাছিল। নাৰদৰ মতে পাতাল স্বৰ্গতকৈও ৰমণীয় আছিল।

নাৰদৰ ৰমণীয় পাতাল দৰ্শন

স্ব ৰ্লোকাদপি ৰম্যাণি পাতালানীতি নাৰদঃ॥
প্ৰাহ স্বৰ্গসদোমধ্যে পাতালেভ্যো গতো দিৱম্।
আহ্লাদকাৰিনঃ শুভ্ৰ সণলো ময়ো যত্ৰ সুপ্ৰভাঃ॥

নাৰদে পাতালৰ পৰা স্বৰ্গসভলৈ গৈ ক'লে—"স্বৰ্গ লোকতকৈও পাতাল অধিক ৰমণীয়। আহ্লাদকাৰী বগা প্ৰভাযুক্ত মণেৰে ভৰপূৰ"।

পাতালৰ ধৰ্ম

সপ্তপাতালতো আৰ্য্য ধৰ্মই প্ৰচলিত আছিল। মহাভাৰতে কয়ঃ—পাতালৰ ব্ৰাহ্মণ সকলে "গো-ব্ৰত" পালন কৰিছিল, পাতাল শব্দটোৰ অৰ্থ "মহান পতন" বেদমন্ত্ৰৰ ধ্বনি যেতিয়া আকাশ চোৰেগৈ তেতিয়া

চন্দ্ৰ আৰু অন্যান্য উপগ্ৰহ আদি গলি গৈ ৰৰসুণৰ নিচিনাকৈ পৰিছিল, আৰু সেই ৰৰসুণ পৰাৰ শব্দৰ পৰাই পাতাল নাম হৈছে (২৩)।

মধ্য এচিয়াৰ সৌৰ সূৰ্য্যাগণ সভ্যতা

আধুনিক পুৰাতত্ত্ববিং সকলৰ খননে প্ৰমাণ কৰিছে যে, পঞ্জাবৰ পৰা মধ্য এচিয়ালৈকে সুবিস্তৃত এলেকাত যি সভ্যতা-সংস্কৃতি উদ্ধাৰ কৰা হৈছে, সেই সভ্যতা সংস্কৃতি মূলতঃ সৌৰ ধৰ্ম প্ৰধান আছিল আৰু ইয়াক "সূৰ্য্যাগণ সভ্যতা" বুলি কোৱা হয়। চমুকৈ বিভিন্ন শকজাতিবিলাকে আৰ্য্যধৰ্ম পালন কৰিছিল।

শক বিলাক নাগ জাতি বুলি জনাজাত

শকবিলাক সৰ্প নামেও জনাজাত আছিল। নন্দলাল দেৱ মতে শক বিলাক ক্ৰূৰকৰ্মা, বিশ্বাসঘাতক সৰ্পৰ নিচিনা কুটিল স্বভাৱৰ আছিল কাৰণেই তেওঁ লোকক সৰ্পৰ বিভিন্ন নাম উৰগ, ভুজঙ্গম, তক্ষক, কালনাগ আদি দিয়া হৈছিল। এইটো বিশ্বাস যোগ্য নহয়। শকবিলাকৰ অধিকাংশই সূৰ্য্যক, অন্যবিলাকে হাটকেশ্বৰ শিৱক পূজা কৰিছিল। সূৰ্য্য আৰু শিৱ উভয়ৰে বিভূতি সৰ্প। সৰ্প এওঁলোকৰ প্ৰতীক বা এক প্ৰকাৰ totem আছিল। সেই কাৰণে এওঁলোক সৰ্প নামে জনাজাত হৈছিল।

২৩। Dey— Rasatala

শাক-দ্বীপী কোন আছিল

কোনো কোনোৱে জ্ঞানিবলৈ বিচাৰে, শাকদ্বীপী কোন আছিল? অসমৰ অধিবাসী মাত্রেই অসমীয়া কিন্তু অসমত নানা বৰ্ণৰ নানা ভাষী মানুহ আছে। তেনেকৈ পুৰাণ মহাভাৰত আদিয়ে শাকদ্বীপত চাৰি-বৰ্ণ প্ৰকাৰ কথা উল্লেখ কৰে। নামৰ মিল নাই। সাধাৰণতে এই চাৰিটা শ্ৰেণী আছিল বুলি কোৱা হয়—মগ, মশক, মানস, মন্দগ। পুৰাণ আৰু মহা-ভাৰতৰ পাঠান্তৰত মগৰ পৰিৱৰ্তে, মৃগাঃ, মঙ্গাঃ, মশকৰ পৰিৱৰ্ত্তে মস্ সগঃ, মগসঃ, মাগধাঃ পোৱা গৈছে। ভৱিষ্যৎ পুৰাণে মগৰ লগতে মগু, মৰ্গু, মৰ্গৰ উল্লেখ কৰিছে। ভাগৱত পুৰাণে আনহাতে এই চাৰিজাতি আছিল বুলি কৈছে—ঋতব্ৰত, সত্যব্ৰত, দানব্ৰত আৰু অনুব্ৰত। এওঁলোকৰ উপাস্য দেৱতা আছিল বায়ু (৫ ম স্কন্ধ ২০শ অ ২৭)। মগ আছিল ব্ৰাহ্মণ, মশক ক্ষত্ৰিয়, মানস বৈশ্য, মন্দগ শূদ্ৰ। ভাৰতবৰ্ষত আজিও মগ আছে, মশক আছে, কিন্তু মানস আৰু মন্দগৰ কোনো অস্তিত্ব পোৱা নাযায়।

শাক-দ্বীপী চাৰি বৰ্ণ

মগ ব্ৰাহ্মণ

মগ শাকদ্বীপী ব্ৰাহ্মণ নামে জনাজাত। কোৱা হয় যে মশক বা মস্ সগ (Massagetae)ৰ পৰা জাট ক্ষত্ৰিয়ৰ উৎপত্তি হৈছে। অসমীয়া বুলিলে অসমীয়া ভাষা-ভাষীক বুজায়, তেনেকৈয়ে শাকদ্বীপী বুলিলে মগ ব্ৰাহ্মণক বুজায়।

মগ ব্ৰাহ্মণনো কোন আছিল? এই বিষয়ে বিৰাট মতভেদ আছে। ৱেবাৰে (Weber) এ অনুমানৰ ওপৰত কলে যে মগবিলাক ইৰাণী মগী আছিল, ভাৰতলৈ সৌৰধৰ্ম প্ৰচাৰ কৰিবলৈ আহিছিল আৰু কালৰ সোঁতত ব্ৰাহ্মণ সমাজত গৃহীত হয়। ডঃ ৰাম কৃষ্ণ ভাণ্ডাৰকাৰ, আৰু ডঃ দেৱদত্ত ভাণ্ডাৰকাৰে ইয়াতে হয় ভৰ দিলে (২৪)।

মগ পৰম ব্ৰাহ্মণ

কিন্তু এই মতৰ সত্যতাৰ বিষয়ে কোনো কোনো স্কলাৰে সন্দেহ প্ৰকাশ কৰিবলৈ ধৰিছে। মগৰ বিষয়ে চণ্ডেশ্বৰ তন্ত্ৰই কয়:—

সৰ্বেষাং ৱৰ্ণানাং গৃহিনাং দ্বিজন্মনাম্।
ব্ৰাহ্মণঃ পৰমঃ শ্ৰেষ্ঠঃ ব্ৰাহ্মণানাং মগঃ পৰঃ॥

= সকলো বিলাক বৰ্ণৰ, গৃহিবিলাকৰ, দ্বিজবিলাকৰ পৰম শ্ৰেষ্ঠ ব্ৰাহ্মণ, ব্ৰাহ্মণৰ ভিতৰত পৰম শ্ৰেষ্ঠ মগ।

গৰুত্ম সংহিতাই কয়:—

সামগানাং চ ৱিপ্ৰানাং শাকদ্বীপনিৱাসীনাম্।
দৰ্শনাৎ স্পৰ্শনাৎ সদ্যঃ পাপ নাশো ভৱেদ ধ্ৰুৱম্॥

২৪। (ক) Chanda : Indo-Aryan Races.
(খ) R. G. Bhandarkar : Vaishnavism, Saivismetc.
(গ) D. D. Bhandarkar : Indian Antiquary 1911 দ্ৰষ্টব্য।

=শাকদ্বীপ নিৱাসী সামগ ব্ৰাহ্মণ সকলৰ দৰ্শনত, পৰশনত নিশ্চয় তৎক্ষণাৎ পাপ নাশ হয়।

লাট্যায়ণ সূত্ৰৰ মতে ঃ—

দৰ্শনাৎ শোকনাশ ঃ স্যাৎ শাকদ্বীপনিৱাসিনামিতি।

=শাকদ্বীপনিৱাসী সকলৰ দৰ্শণত শোক নাশ হয়।

এই তিনিখন নিজে পঢ়িবলৈ পোৱা নাই, শাকদ্বীপী ব্ৰাহ্মণ বন্ধু নামে এখন আলোচনীত পাইছো। মগৰ লগৰে, ভোজক ব্ৰাহ্মণৰ বিষয়ে ভৱিষ্যৎ পুৰাণে কৈছে ঃ—

অৰ্থৱিদ্ সকলৰ ভিতৰত জ্ঞানী শ্ৰেষ্ঠ ; জ্ঞানী সকলৰ ভিতৰত যোগী শ্ৰেষ্ঠ। যোগীসকলতকৈও কোটি কোটি গুণে শ্ৰেষ্ঠ ভোজক। ভৱিষ্যৎ পুৰাণ, ব্ৰাহ্ম, অ ১৭২।

মগ ব্ৰাহ্মণৰ দেশ পঞ্জাব

"মগ"ৰ জন্ম ক'ত হ'ল ? অধিকাংশ স্কলাৰে আৰ্য্য সকল ভাৰতলৈ বাহিৰৰ পৰা অহামতকে ধৰি আছে কিন্তু স্বীকাৰ কৰিছে ভাৰতলৈ অহাৰ পিচত বহু আৰ্য্য দলে দলে বাহিৰলৈ গৈছিল আৰু পঞ্জাবৰ পৰা মধ্যএচিয়া আৰু ইৰাণৰ বিশাল অঞ্চলো বৃহত্তৰ ভাৰতৰ ভিতৰত পৰিছিল আৰু আৰ্য্য ধৰ্ম-সংস্কৃতিৰ দ্বাৰা নিমজ্জিত হৈছিল। ঐতৰেয় ব্ৰাহ্মণে কয় ঃ—

উত্তৰ মদ্ৰ

হিমৱানৰ সিপাৰত উত্তৰ ফালে উত্তৰ কুৰ আৰু উত্তৰ মদ্ৰ নামে জনপদ আছে, সেই জনপদৰ লোক-সকলে বৈৰাজ্যত অভিষিক্ত কৰে। ৮/১৪

পঞ্জাব মদ্ৰ দেশত আছিল

মদ্ৰদেশ পঞ্জাৱত অৱস্থিত আছিল আৰু একালত গোটেই পাঞ্জাৱখন মদ্ৰদেশ বা শাকদ্বীপ নামে জনাজাত হৈছিল। মদ্ৰসকলৰ পুৰোহিত আছিল মগ। এইটো সকলো স্কলাৰে মানি লৈছে যে Medea ই মদ্ৰদেশ আৰু মিদিয়াৰ পুৰোহিত মগী আছিল। Encyclopaedia Brittanica ই কয় ঃ—

মদ মিদ জাতিৰ জন্ম

The people of Mada, Medes appear in history first in 836 B.C. when Assyrian conqueror Shalmeneser ii in his wars against the tribes of Zagrus received the tribute of the Amadai (Vol. 15, 1960 ed p. 171)

সিদিয়া

ঐতৰেয় ব্ৰাহ্মণৰ কাল ৮০০ খৃঃ পূঃ ধৰা হয়। উত্তৰ শব্দটোৰ অৰ্থ পিচৰ কালৰ। পঞ্জাবৰ পৰা গৈ গৈ মদ্ৰবিলাকে সৰ্ব্বশেষত ঐতিহাসিক মিদিয়াত ৰাজ্য স্থাপন কৰা কথা অবিশ্বাস যোগ্য নহয়। সাধাৰণতে মানুহে নিজৰ পুৰণি ঠাইৰ নামকে ন ঠাইত থই দিয়ে। সেইকাৰণে উত্তৰ মদ্ৰসকলে নতুন ৰাজ্যৰ নামো মদ্ৰদেশ তথা শাকদ্বীপ ৰখাটো আচৰিত নহয়।

টদে (Todd) কয় ঃ—

Ajamida had by his wife Nila five sons who spread their (Sachae) on both sides of the Indus. Regarding these the

মদ্ৰ বিলাক যযাতিৰ বংশ ধৰ

Puranas are silent which implies their migration to distant regions. Is it possible they might be the origin of the Medes ? These Medes are the descendants of Yajati, third son of Patriach Manu, and Madai founder of the Medes was of Japhet's time. (২৫)

শকী বিলাক শকৰ শাখা আছিল

সোগ দিয়ানা (স্থু-ডুঙ্ক) ৰ উত্তৰ পূৱে শক বিলাক শকী (Sachae) নামে জনাজাত আছিল। শক বিলাকৰ শাখাৰ পৰাই শকী হৈছে (২৬)। মগী ভাৰতৰ পৰাই বাহিৰলৈ গৈছিল।

মিদিয়াৰ মদ্ৰ আৰু ভাৰতৰ মদ্ৰৰ ধৰ্ম সংস্কৃতি আৰু সভ্যতা একে আছিল।

মগ শব্দৰ অৰ্থ

মগ শব্দটো কেনেকৈ সিদ্ধ হ'ল ? সাম গাই দেখি সামগ, ছন্দঃ গাই দেখি ছন্দোগ। তেনেকৈ মং গাই দেখি মগ, মংগ হৈছে।

"ম"ৰ অৰ্থ কি ? উপনিষদে কয়, "ম"ই আদিত্য, সূৰ্য্য। "ম" শব্দটোৰ অৰ্থ তন্ত্ৰশাস্ত্ৰই এইদৰে দিছেঃ—

Bindu..............is described as the state of the letter "M" before manifestation, consisting of the Shiva—Skati tattva enveloped by Maya or Parama Kundalini.

২৫। Todd—Annals of Rajasthan.

২৬। Smith—Atlas p. 11 দ্ৰষ্টব্য

Woodroffe—Serpent power P. 44.

বিন্দু আৰু ম কাৰ

=বিন্দুৱেই "ম" কাৰৰ পূৰ্বাৱস্থা, বিন্দুতে শিৱ-শক্তি তত্ব নিহিত, মায়া বা পৰম কুন্দলিনী দ্বাৰা আবৃত। বাস্তৱপক্ষে বিন্দু বা ম একেই। এতিয়া বিন্দু কি ?

It denotes the state of active consciousness or shakti, in which the "I" or illuminating aspect of consciousness identifies itself with the total "This." It subjectifies the "This." there by becoming a point (Bindu) of consciousness with it. When consciousness apprehends an object different from itself, it sees that object as as extended in space But when that objcet is completely subjectified, it is experienced as an unextended point. This is the universe-experience of the Lord-experiencer as Bindu.

Woodroffe—Serpent power p. 34.

মগসকল সূৰ্য্য উপাসক আছিল। সেইকাৰণে "ম"ৰ ধ্যান কৰিছিল, "ম"ৰ গান কৰিছিল আৰু

সেই কাৰণে "মগ" নাম পালে। প্ৰাচীন কালত উপাস্য, উপাসক, দেশ একে হৈ পৰিছিল। সেই কাৰণে "মগ" এজন দেৱতাত পৰিণত হ'ল আৰু দেশৰো নাম মগ হল।

জৰথুষ্ট্ৰ

জৰথুষ্ট্ৰৰ কাল লৈ মতভেদ আছে। কিন্তু এইটো মানি লোৱা হৈছে যে মগী বংশতেই মিদিয়াত জৰথুষ্ট্ৰৰ জন্ম হৈছিল। জৰথুষ্ট্ৰই প্ৰবৰ্ত্তন কৰা ধৰ্ম্মটো নতুন নাছিল (২৭)। স্কলাৰ সকলে কয় যে এইটো ধৰ্ম্ম আগৰে পৰা প্ৰচলিত আছিল। ম'লটনে (Moulton) কয় :—

The Cult of Ahura Majdah is not a mark of Zarathustra's teaching, having been hereditary in a small aristocratic caste long before his time. (Early Zoroastrianism p ix)

মিদিয়াৰ মগ দেৱতা

মিদিয়াত মগ দেৱতা (ইলু) অস্-সৰ (ইলু) ম-জ-অস্ নামে পূজিত হৈছিল। শতেম ভাষাৰ "গ" কেন্তাম্ ভাষাত "জ" হয়। মিদিয়াৰ ভাষা আছিল তুষাৰ (Tocharian)।

তুষাৰ ভাষাটো কেন্তাম্ ভাষা। সেই কাৰণে শতেমৰ "মগস্" মিদিয়াৰ ভাষাত "মজস্" হল। আদি কালত সৰ্ব্বশ্ৰেষ্ঠ দেৱতাৰ বিশেষণ আছিল

২৭। A.B. Keith—The Magi, Journal of The Royal Asiatic Society 1915, p. 798 দ্ৰষ্টব্য।

অসুৰ। সাৰ্ব্বভৌম স্বয়ম্ভু অদ্বিতীয় সৰ্বশক্তিমান পৰমেশ্বৰৰ শক্তিক অসুৰত্ব বুলি কোৱা হৈছিল, "মহদ্দেৱানাম্ অসুৰত্বমেকম্"। সেইকাৰণে মিত্ৰাৱৰুণ সূৰ্য্য আনকি ইন্দ্ৰকো, অসুৰ মিত্ৰাবৰুণ, অসুৰ সূৰ্য্য, অসুৰ ইন্দ্ৰ বুলি কোৱা হৈছিল। ইলু শব্দটোৰ অৰ্থ ভগৱান। (ইলু) অস্-স-ৰ (ইলু) ম-জ-অস্ = ভগৱান অসুৰ ভগৱান মগঃ। জৰথুষ্ট্ৰই মদ্ৰ (মিদীয়) সকলৰ পৰাই মজসক নিজৰ পৰম ঈশ্বৰ স্বৰূপে গ্ৰহণ কৰিছিল। তুষাৰ ভাষাৰ "স" শতেম ভাষাত "দ" হয়। সেইকাৰণে জৰথুষ্ট্ৰৰ ধৰ্ম্মত ম-জ-অস্, মজদ হ'ল। মগবিলাকৰ অসুৰ মগদেৱতাই জৰথুষ্ট্ৰীয় ধৰ্মত অসুৰ মজদ।

জৰথুষ্ট্ৰ দীপ্তিমান সূৰ্য্য পুত্ৰ

জৰথুষ্ট্ৰ নামটো ইংৰাজীত He of the old camels, Camel driver ইত্যাদি বুলি অনুবাদ কৰা হৈছে। মুল সংস্কৃত নামটো আছিল জ্বলৎ= জ্বৰৎ = ত্বষ্টৃ = ষ্ণু = জ্বলত্বাষ্ট্ৰ = জৰত্বাষ্ট্ৰ = জৰথাষ্ট্ৰ = জৰথুষ্ট্ৰ Zarathustra। জৰথুষ্ট্ৰৰ মূলগত অৰ্থ হৈছে জ্বলন্ত বা দীপ্তিমান সূৰ্য্যপুত্ৰ। ভৱিষ্যৎ পুৰাণৰ মতে ঋষি ঋজিশ্বাৰ জীয়েক হাৱনীৰ গৰ্ভত জৰথুষ্ট্ৰৰ জন্ম হয় (২৭)। এইখন পুৰাণে বা পুৰাণখনৰ নকলকাৰে প্ৰমাদ বশতঃ

২৭ (ক) ভৱিষ্যৎ পুৰাণ অ ১৩৭

জৰথুষ্ট্ৰৰ পৰিৱৰ্তে জৰশস্ত, জৰ শব্দ লেখিছে। নন্দলাল দেৰ মতে ঋগবেদৰ ঋষি জৰুথ সেই জৰুথুষ্ট্ৰ। ঋগ বেদৰ ৭/১/৭, ৭/৯/৭ আৰু ১০/৮০/৩৩ জৰুথ ঃ আছে কিন্তু এই মতটো বিদ্বান মণ্ডলীয়ে গ্ৰহণ কৰিছে নে নাই কোনো সমালোচনা পোৱা নাই। ঋষি ঋজিশ্বা এজন বৈদিক ঋষি।

ঋষি জৰুথঃ ঋষি ঋজিশ্বা

জৰথুষ্ট্ৰৰ ধৰ্মশাস্ত্ৰক ইংৰাজীত Zend Avesta (জেন্দ আৱেস্তা) বুলি কোৱা হয়। আদিতে এই শাস্ত্ৰৰ কোনো বৰ্ণমালা নাছিল। প্ৰায় ৬ষ্ঠ শতিকাত মধ্য পাৰ্সিয়াৰ বৰ্ণমালাৰ ওপৰত ভিত্তি কৰি আৱস্তাৰ বৰ্ণমালা ৰচনা কৰা হয়। পজন্দ (pazand) ভাষাত এই শাস্ত্ৰৰ নাম আছিল Avesta (অৱস্তা)। পাৰ্সিয়ান ভাষাত কোৱা হৈছিল আ পস্তক আৰু আপিস্তাক। মধ্য পাৰ্সিয়া ভাষাত আছিল a pastak va zand (আ পস্তাক ৱ জন্দ)। ১৭০০ শতিকাত Hyde (হাইদে) এই ধৰ্মশাস্ত্ৰৰ নামাকৰণ কৰিল, Zend-Avasta আৰু Anquetil du Perron (আকুঁৱেটিলডুপেৰেঁই) ১৭৭১ চনত এই নামটোকে গ্ৰহণ কৰি প্ৰচাৰ কৰে। পাৰস্যৰ শাসন ৰজা সকলৰ দিনত (২২৬-৬৪১চন) আৱেস্তা সংকলন কৰা হয় আৰু লগতে টীকা-টিপ্পনী যোগ দি প্ৰকাশ কৰা হয়। সেই কাৰণে Zend Avesta ৰ অৰ্থ ইংৰাজীত Commentary and Avesta বুলি কৰা হয়।

জেন্দ আৱে-স্তাৰ সঙ্কলন

জেন্দ অৱস্তা = ছন্দ অৱস্তা

Zendৰ অৰ্থ Commentary বুলি গ্ৰহণ কৰা হৈছে। এইটো ব্যাখ্যা আচল ব্যাখ্যা নহয়। আচলতে Zend Avesta ৰ অৰ্থ ছন্দ অৱস্তা ঃ জেন্দ = ছন্দ, আৱেস্তা = অৱস্তা। অৱস্তা এজন বৈদিক ঋষি। শাকল ঋষিৰ নামত শাকল সংহিতা হৈছে, তেনেকৈ অৱস্তা ঋষিৰ নামত ছন্দ অৱস্তা, অৰ্থাৎ Verse of Avasta, অৱস্তা সংহিতা হৈছে। A Pastak va Zand= A Book of verse = কৱিতাৰ কিতাপ বা পুথি। পুস্তক, va = ৱ, জন্দ = ছন্দ। va = of = du = de।

আজিকালি স্কলাৰ সকলৰ কোনো কোনোৱে কয় যে আলেকজেন্দাৰে অৱস্তা শাস্ত্ৰ পুৰি পেলোৱা কথাটো সঁচা নহয়। কোনোৱে কোনোৱে কয় যে, আলেকজেণ্ডাৰৰ আক্ৰমণৰ ফলত যি বিপৰ্য্যয় ঘটিছিল, সেই বিপৰ্য্যয়ত অৱস্তা শাস্ত্ৰৰ কিছু অংশহে হেৰাইছিল। শাসন ৰজা কজৰো একৰ(Chosroes I (531-579)ৰ দিনত অৱস্তা শাস্ত্ৰ সংকলন কৰোঁতে সপ্তসিন্ধুৰ (পঞ্জাৱৰ) পৰা বহুখিনি সমল লোৱা হৈছিল। সেইকাৰণে অৰ্থৰ্বাঙ্গিৰসী শাস্ত্ৰৰ ভালেখিনি কথা জেন্দ অৱস্তাতো পোৱা যায়। ভাৰতীয় শাস্ত্ৰ বিদ, বিদাদকো অৱস্তাই গ্ৰহণ কৰিছে।

জেন্দ অৱস্তাই-অথৰ্ৱা-ঙ্গৰসী বিষয় বস্তু গ্ৰহণ কৰিছে

জৰথুষ্ট্ৰৰ কাল লৈ বহুত মত ভেদ আছে। কোনোৱে এওঁৰ কাল ৯০০-৬০০ খৃঃ পূৰ ভিতৰত ধৰিছে। অন্য স্কলাৰে কয় এওঁৰ জন্ম ৬৩০/৬১৮

জৰ-থুষ্ট্ৰৰ জন্ম

খৃঃ পূঃ আৰু মৃত্যু ৫০৩/৫৪১ খৃঃ পূঃ। পুৰণি পাৰস্য ভাষাত এওঁৰ নাম জৰে উষ্ট্ৰ; অৱদোবৰ Hecataeus (হেকাটৱেউস) ৰ বানান আছিল জৰথুষ্ট্ৰেস, ইয়াৰ পৰাই জৰথুষ্ট্ৰেস হয়। এওঁৰ জন্মস্থান ৰাঘি (Raghae), বহি ৰাগ বুলি কোৱা হয়। আগতে অনুমান কৰা হৈছিল যে এই ঠাই মদ্ৰৰাজ্য, মিদিয়াৰ ভিতৰত আছিল কিন্তু এতিয়া সংশোধিত মত দাঙ্গি ধৰা হৈছে যে ৰাগ পূৱ আফগানিস্তানৰ ভিতৰত আছিল। এই অঞ্চল প্ৰাচীন কালত সপ্তসিন্ধুৰ আৰু পিচৰ কালত শুভ্ৰ ভাৰতৰ ভিতৰত পৰিছিল। প্ৰাচীন কালত প্ৰাচীন ইৰাণৰ পূৱসীমা সিন্ধু নদীৰ পশ্চিম পাৰলৈকে বিস্তৃত আছিল (২৮)।

জৰথুষ্ট্ৰৰ জন্মস্থান ৰাগ ভাৰতৰ অন্তৰ্গত আছিল

এইটো কথাও মনত ৰাখিবলগীয়া যে যদিও বহুত ডাঙৰ ডাঙৰ স্কলাৰে জৰথুষ্ট্ৰৰ ধৰ্মটো এটা বেলেগ ধৰ্ম বুলি মত প্ৰকাশ কৰিছে, এই ধৰ্ম আৰু ভাৰতীয় আৰ্য্য ধৰ্ম মুলতঃ একেটাই (২৯)। দুই ধৰ্মৰ মাজৰ তফাৎ একান্তই উপৰুৱা। এওঁলোকে কয় যে ভাৰতীয় আৰ্য্যই বহুকথা ইৰাণীৰ পৰা ধাৰ কৰিছে, এইটো একেধাৰে ভ্ৰান্ত। কোনেও কাৰো পৰা ধাৰ

২৮। এইটো স্কলাৰ সকলে মানি লৈছে। D P Mishra's Studies in Proto History of India. P ৩৭ দ্ৰষ্টব্য।

২৯। The Vedic Age P. 227 দ্ৰষ্টব্য।

কৰা নাই, উভয়ে একেটা প্ৰাচুৰ্য্য পূৰ্ণ সংস্কৃতি, দৰ্শন, চিন্তাধাৰা আৰু ঐতিহ্যৰ অধিকাৰী। মেক্স-মুলাৰৰ মতে ইৰাণী সকল পঞ্জাৱৰ পৰা ইৰাণীলৈ গৈছিল (৩০)।

শাকদ্বীপ, শক ধৰ্ম্ম, মগ জৰথুষ্ট্ৰ আৱেস্তা আদি আমাৰ আলোচ্য বিষয় নহয়। বৃহদ্ধৰ্ম পুৰাণৰ শাকদ্বীপীৰ প্ৰসঙ্গতহে এইবিলাক কথা আলোচনা কৰা হ'ল। এইটো মন কৰিবলগীয়া যে শকব্ৰাহ্মণে ভাৰতক বহু বৰঙণি দিছে। শক ঋষিৰ নামতেই ঋগ্ বেদৰ নাম শাকল সংহিতা। গৃৎস (চতুৰ) মদই (মদ্ৰ) ঋগ্ বেদৰ মন্ত্ৰ ৰচনা কৰিছে। শক জাতৰ মশক ঋষিয়ে মশক শ্ৰৌত সূত্ৰ ৰচনা কৰিছে। বৈদিক যুগ আৰু বৈদিকোত্তৰ যুগত বহুত ব্ৰাহ্মণ গুৰু শক আছিল। ৱংশ ব্ৰাহ্মণে শাকদাস ভাদিতায়নৰ উল্লেখ কৰিছে। কাঠক সংহিতাই শাকায়নীয় জাতৰ কথা কৈছে। শতপথ ব্ৰাহ্মণে শাকায়নীনৰ উল্লেখ কৰিছে। মৈত্ৰায়নী উপনিষদত দেখা যায় যে এজন শাকায়নীয়ই ঈক্ষ্বাকু বংশৰ বৃহদ্ৰথক ধৰ্ম শিক্ষা দিছে (৩১)। এই সকল ব্ৰাহ্মণ শক আছিল নে

৩০। Max Muller—Science of Language.

৩১। Chanda : Indo-Aryan Races P 240

আৰ্য্য আছিল? এই প্ৰশ্ন নিৰৰ্থক। প্ৰাচীন কালত এনে প্ৰশ্নৰ মূল্য নাছিল। ব্ৰাহ্মণ হবলৈ আৰ্য্য হোৱাৰ প্ৰয়োজন নাছিল আৰু আজিও নাই। শাস্ত্ৰত দৈৱজ্ঞৰ ভূৰি ভূৰি উচ্চ প্ৰশংসা আছে। তথাপিও যি সকল বৰেণীয়, যি সকললৈ আমি শ্ৰদ্ধা আগ বঢ়াও, তেওঁলোকৰা কোনো কোনোৱে দৈৱজ্ঞ ব্ৰাহ্মণৰ 'বৰ damning কথা" (৩২) বিচাৰিফুৰে। এই বিলাকৰ ৰহস্য আমি বুজি নাপাওঁ,।

আনহাতে দৈৱজ্ঞ ব্ৰাহ্মণে আনক উন্নত স্তৰলৈ উঠাত উৎসাহ দিছে; যিসকলৰ বিষয়ে আনে নিন্দা সূচক মন্তব্য কৰিছে তেওঁলোকক সন্মানৰ স্থান দিছে। কলিতা আৰু কায়স্থৰ বিষয়ে হেমকোষে আৰু কায়স্থৰ বিষয়ে ব্যাস সংহিতাৰ ১ম অধ্যায়ৰ ১১শ শ্লোকে (৩৩)কি কৈছে চাব পাৰে। এইটো শ্লোক হয়তো একেবাৰে জাল। দৈৱজ্ঞ ব্ৰাহ্মণে কি কৰিছে চাওক। যেতিয়া কলিতা ক্ষত্ৰিয় বুলি আন্দোলন কৰা হৈছিল, তেতিয়া দৈৱজ্ঞ শ্ৰীশ্ৰীঅনন্ত নাৰায়ণ গোস্বামী প্ৰভুৱে কলিতা সকল ক্ষত্ৰিয় বুলি স্পষ্ট মত দাঙ্গি ধৰিছিল। দৈৱজ্ঞ ৰজনী কান্ত বৰদলৈয়ে কায়স্থক ক্ষত্ৰিয় বুলি কৈছে আৰু কৈছে, "মায়ামৰা সত্ৰৰ গোসাই সকল আগৰ আদি ভূঞা বংশৰ বিশুদ্ধ কায়স্থ" আৰু

অনন্ত নাৰায়ণ গোস্বামী ৰজনী কান্ত বৰদলৈ

৩২। ডঃ মহেশ্বৰ নেওঁগ সম্পাদিত পত্ৰলেখা পৃঃ ২২৮

৩৩। উনবিংশ সংহিতাৰ অন্তৰ্গত বঙ্গবাসী সংস্কৰণ।

মিনতি কৰিছে,—"আন আন সম্পদায়ৰ সকলকো মিনতিৰে জনাওঁ যেন মায়ামৰা সকলৰ বিষয়ে সম্পূৰ্ণ কথা শুনিবলৈ এৰি আগৰ কথা পাহৰি, মায়ামৰীয়া সকলক নিজৰ ভাতৃ বিবেচনা কৰি আকোঁৱালি ধৰে (৩৪)। দৈৱজ্ঞ ব্ৰাহ্মণসকলে কাৰো প্ৰতি কোনো অসন্তাৱ নাৰাখে, সকলোৰে মঙ্গল কামনা কৰে লোকৰ সেৱা শুশ্ৰূষা কৰিয়েই আনন্দ পায়। সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাই সেৱা শুশ্ৰূষাৰ প্ৰাচুৰ্য্যৰ মাজতেই দৈৱজ্ঞ ৰোহিনী কুমাৰ বৰুৱাৰ ঘৰত স্বৰ্গী হয়। তেনেকৈয়ে শ্ৰীমতী প্ৰজ্ঞা সুন্দৰী দেৱীয়েও দৈৱজ্ঞ নৃপেন্দ্ৰ কুমাৰ বৰুৱাৰ অহৰ্নিশ অক্লান্ত পৰিচৰ্য্যাৰ মাজত আৰু তেওঁৰ নিজ হাতে মুখত দিয়া পানী পান কৰি ইহ সংসাৰ পৰিত্যাগ কৰে।

আমি ব্ৰাহ্মণ বুলি কোনো মৰ্য্যাদা দাবী নকৰোঁ। আজি ব্ৰাহ্মণৰ মৰ্য্যাদাই বা কি আছে? বিশ্বজুৰি ব্ৰাহ্মণৰ তেজৰ পৱিত্ৰতা, ব্ৰাহ্মণৰ ত্যাগ, তিতিক্ষা, চৰিত্ৰৰ মহত্ব প্ৰচাৰিত হোৱা নাই, প্ৰচাৰিত হৈছে বৰ্ণ সঙ্কৰত্ব, ভণ্ডামি, লোলুপতা, আত্মম্ভৰিতা। কৌতুহলী পাঠকে Hindu World ৰ Brahmin, Miscegenation, Promiscuity আৰু Encyclopaedia of Religion And Ethics ৰ Hinduism পঢ়ি চাব।

দেৱদত্ত ভাণ্ডাৰকাৰ

ভাৰতীয় স্কলাৰ দেৱদত্ত ভাণ্ডাৰ কাৰে কয়ঃ—

৩৪। অ: শৰ্ম্মা—ৰজনী বৰদলৈ ৰচনামালা পৃঃ ২৬৪ আৰু পৃঃ ২৭৭

All castes and classes have contributed to the formation of the Brahmana caste i.e. the caste now recognised to be the highest and purest in India.

Indian Antiquary 19 11 P. 10

Hindu World এ গৱেষণা কৰি পাইছেঃ—

ব্ৰাহ্মণ বহু জাতিৰ সং-মিশ্ৰণ

A curiously obstinate survival from the traditional acccunts of Hinduism is the notion concern!ng the racial purily of the brahmins. This notion persists in the face of incontestable evidence that the brahmins were, of all castes, the most thoroughly mixed. They were the product of a long pericd of continuous miscegenaticn, and the Sacred texts ascribed to them are the work of multi-racial antcedents. P.169

চমুকৈ দীৰ্ঘকাল ধৰি সংমিশ্ৰণৰ ফলত ব্ৰাহ্মণ জাতৰ উৎপত্তি হৈছে আৰু তথা কথিত ব্ৰাহ্মণে লেখা ধৰ্মশাস্ত্ৰবিলাকো বহুজাতিৰ লোকৰ ফল।

অসমৰ ব্ৰাহ্মণৰ বিষয়ে যোগেন্দ্ৰ নাথ ভট্টাচাৰ্য্যই কয়,

The majority of the Brahmanas of Assam profess to be Vaidakas, though in fact they practise either the Tantric

ar the Visnuvite cutt. The inferior families among them appear to be of the Mongolian race while even among their most aristocratic classes there appears to have been a copious admixture with non-Aryan blood.

Hindu Castes and Sects P. 45.

এইজন ভট্টাচাৰ্য্যৰ মতে আনকি অভিজাত্য সম্পন্ন ব্ৰাহ্মণ সকলৰো মঙ্গলীয় সকলৰ সৈতে তিতি-বুৰি যোৱা কৈ সংমিশ্ৰণ ঘটিছে। যোগেন্দ্ৰ ভট্টা-চাৰ্য্য

Hindu World আৰু কৈছেঃ—

In recent years the power and prestige of the brahmins have declined considerably and continue to wane and their pretensions have been mercilessly assaulted from all sides, even from within their own ranks. In the light of modern criticism, which is extremely harsh, any man laying claim to brahminhood on the strength of th 'purity'' of his own 'Aryan blood,' is the victim innocent or willing, of an epic hoax of monumental proportions that should be ex- হিন্দু ৱাৰ্ল্ড

ploded for the good of his own soul, for the general welfare of India, and the advancement of humanity. P-173.

= ব্ৰাহ্মণৰ তেজৰ পৱিত্ৰতাৰ দাবীৰ ভণ্ডামিৰ যিমান সোণকালে বিস্ফোৰণ ঘটে, সিমানেই নিজৰ কাৰণে মঙ্গল, ভাৰতৰ কাৰণে মঙ্গল আৰু মানৱতাৰ কাৰণে মঙ্গল।

তথাচ আমি ব্ৰাহ্মণ বুলি দাবী কৰিছো কেলেই? আমাক সন্মান কৰক বা নকৰক, আমি ব্ৰাহ্মণ, সেই কাৰণে ব্ৰাহ্মণ বুলি কৈছোঁ। সত্য সংস্থাপনৰ বাবেহে আগ বাঢ়িছোঁ।

যি প্ৰমাণ পাইছোঁ, তাৰ ওপৰত ভিত্তি কৰিয়েই এই কিতাপখন লেখিছোঁ। কব পাৰে যে আটাই বিলাক প্ৰমাণ বিশ্বাস যোগ্য নহয়। কিন্তু কোনটো গ্ৰহণ যোগ্য কোনটো নহয়, সেইটো কোৱা টান। বহুত কৃতৱিদ্য লেখকে বহু কথা বিদ্বেষৰ বশীভূত হৈ কৈছে। এইবিলাক গ্ৰহণ যোগ্য নহয়। যিমান দূৰ পৰা যায় প্ৰমাণ লৈহে কোৱা কথা কৈছোঁ। এইটো স্বীকাৰ কৰোঁ যে আমাৰ নিচিনা লেখকৰ কাৰণে এই ধৰণৰ কিতাপ লেখা বৰ টান। প্ৰথম লাইব্ৰেৰীৰ অভাৱ। তাৰ পিচত জনাবুজা মানুহৰ অভাৱ। আলোচনা কৰিবলৈ বিচাৰিলেও কাকো নাপাওঁ কিয়নো অধিকাংশই বিদ্বেষ পোষণ কৰিছে,

কিন্তু তেওঁলোকৰ পোহৰ দেখুৱাব পৰা যোগ্যতা নাই, কোন কিতাপ পঢ়িলে সহায় পোৱা যাব তাৰো দিহা দিওঁতা নাই। বহুত পঢ়িব লগীয়া কিতাপ বিলাতত বিচাৰিও কিনিবলৈ পোৱা নগল। সেই কাৰণে কিতাপত ভুল সোমোৱাটো স্বাভাৱিক। কাকো আক্ৰমণ কৰিবলৈ বিচৰা নাই। এই কিতাপ খন পঢ়ি কোনোবাই দুখ পালে ক্ষমা কৰে যেন। আমি দুখ পাইছোঁ, কাকো দুখ দিব নোখোজোঁ। লাচিত বৰফুকনত পঢ়িছোঁঃ—

এনেস্থলত কেম্ব্ৰিজৰ প্ৰাচ্য পণ্ডিত প্ৰফেচাৰ ব্ৰাউনৰ কথাষাৰে মোক উদ্গণি দিছে,—"যি জনে নিৰ্ভুল আৰু নিখুঁত গ্ৰন্থ ৰচনা কৰিবলৈ অভিলাষ কৰে, তেওঁ একো কৰিবলৈ সমৰ্থ নহয়। কোনো গ্ৰন্থৰ পৰা যদি নতুন গৱেষণাৰ সূত্ৰপাত হয়, তেন্তে সেই গ্ৰন্থই, অতিশয় দোষযুক্ত হলেও, তাতোকৈ ভাল গ্ৰন্থ প্ৰণয়নৰ বাট মুকলি কৰি দিব পাৰে। যদিও এনে অৱস্থাত পূৰ্বৰ গ্ৰন্থৰ অস্তিত্ব পৰ্য্যন্ত পাহৰণিৰ সোঁতত বিলীন হৈ যোৱাৰ সম্পূৰ্ণ সম্ভাৱনা। পাতনি পৃঃ ১২

ডঃ সূৰ্য্য কুমাৰ ভূঞা

এই কিতাপখন নিৰ্ভুল বুলি দাবি নকৰোঁ। অন্য কোনো সুযোগ্য গৱেষণাশীল লেখকে নতুন এখন কিতাপ লেখিলে সুখী হম আৰু কৃতাৰ্থ হম।

এই কিতাপত দৈৱজ্ঞ ব্ৰাহ্মণক তন্ত্ৰ মন্ত্ৰজ্ঞ বুলি কৈছোঁ। তন্ত্ৰৰ নাম শুনিবলৈ পালে বহুতে ভয়

খাই উঠে। ভয় বা চক খোৱাৰ কথা নহয়। দৈৱজ্ঞ যে মন্ত্ৰজ্ঞ আছিল তাত অকণো সংশয় নাই। শ্ৰীকৰুণাময় হৰি পদ দেৱগোস্বামীৰ সৌজন্যত ব্ৰহ্ম যামল ৰ জ্যোতিষখণ্ড পাইছোঁ, ইয়াত কেইবা ঠাইতো কৈছে, "দৈৱজ্ঞোমন্ত্ৰ পাৰগঃ"। গ্ৰহ পূজা, গ্ৰহশান্তি তন্ত্ৰৰ অন্তৰ্গত। স্বৰোদয় তন্ত্ৰ শাস্ত্ৰ। শৰাইঘাটৰ যুদ্ধত অচ্যুতানন্দ দলৈয়ে লাচিত বৰফুকনক কৈছিল— "স্বৰোদয়ত উত্তম পাইছোঁ। (৩৫)।" জ্যোতিষ আৰু চিকিৎসা প্ৰধানতঃ তন্ত্ৰই শিকাইছে। তান্ত্ৰিক দৰ্শন বহু ওখ থাপৰ দৰ্শন। এই দৰ্শনৰ বিষয়ে জানিব খুজিলে Woodroffe ৰ Introduction To Tantra, Shakta And Shakti, Serpent Power, Garland of Letters আদি কিতাপ পঢ়ি চাব। এই কেইখন কিতাপ পঢ়িলেহে সৌৰ দৰ্শনৰ মূল কথা বুজিব পাৰিব। তন্ত্ৰই ভক্তি ধৰ্মৰো সাধনা কৰিছে। সেইকাৰণে অসমৰ বৈষ্ণৱ কৱি সকলে অসমীয়ালৈ তন্ত্ৰ শাস্ত্ৰ অনুবাদ কৰিছে। সাত্বত তন্ত্ৰত তন্ত্ৰই যি ভয়ৰ সৃষ্টি কৰে সেই ভয় নাই, আছে ভক্তি শিক্ষা। তন্ত্ৰৰ মূল শিক্ষা মানুহে পাহৰি ব্যভিচাৰত লিপ্ত হৈছিল।

দৈৱজ্ঞ মন্ত্ৰ পাৰগ

যোগিনী তন্ত্ৰই কৈছেঃ—

কুল কুণ্ডলিনীৰ মিলনৰ পৰা বিন্দুৰ পৰা যি

৩৫। লাচিত বৰ ফুকন পৃঃ ৭৭ আৰু অসম বুৰঞ্জী পৃ ১২২

উৎকৃষ্ট অমৃত বয়, সেই অমৃত যোগী সকলে পান কৰিব। মই তোমাক সত্যে সত্যে কলোঁ, হে পৰেশি, এই মহাপানকে কুলযোগ বুজি জানিবা। হে শাম্ভৱি, জ্ঞান ৰূপ খড়্গ দ্বাৰা পাপ পুণ্যৰূপ পশু হনন কৰি চিত্তৰূপ মাংস পৰমাত্মাত নিয়োজিত কৰিব লাগে, নিজৰ ইন্দ্ৰিয়বিলাকক সংযত কৰি আত্মাৰ সৈতে একেলগ কৰিলে, সেই মৎস্যাশী (মাছ খোৱা) যোগী বন্ধন মুক্ত হৈ তোমাৰ প্ৰিয় হয়। হে প্ৰিয়ে, অশেষ ব্ৰহ্মাণ্ড ভাণ্ড পৰম ব্ৰহ্মক সমৰ্পণ কৰিবা। পৰা শক্তিৰ সৈত্যে আত্মাৰ সংযোগেই মৈথুন; বীৰ্য্যদ্বাৰা-মৈথুন, মৈথুন নহয়। ৬ষ্ঠ পটল, ৬৯—৭৩

পঞ্চ ম কাৰৱ অৰ্থ

তন্ত্ৰই শিকাইছে মানুহৰ দেহ ঐশ্বৰিক শক্তিৰ আধাৰ। এই শক্তি সৰ্পাকাৰ কুণ্ডলিনী ৰূপে মূলাধাৰ চক্ৰত শুই থাকে আৰু পৰমেশ্বৰ শিৱ ৰূপে সহস্ৰসাৰ চক্ৰৰ উৰ্দ্ধত বাস কৰে। কুণ্ডলিনী শক্তিক জাগ্ৰত কৰাই কেনেকৈ শিৱৰ লগত মিলন ঘটাব পাৰি, তন্ত্ৰই সেই শিক্ষা দিছে (৩৬)।

ব্ৰাহ্মণৰ বিষয়ে ১৭১৪ চনৰ পৰা ইমান শক্তিশালী অপপ্ৰচাৰ চলি আহিছে যে আমাৰ শুভাকাঙ্ক্ষী সকলেও আমাৰ আঁতিগুৰি, স্থান, মৰ্য্যাদাৰ বিষয়ে

৩৬। Dr. H. R. Zimmer—Hindu Medicine PP. 109—111 আৰু P. 155 দ্ৰষ্টব্য।

শুদ্ধ, সুস্থ, বিদ্বেষমুক্ত, নির্মল ধাৰণা লবলৈ সক্ষম হোৱা নাই। সেইকাৰণে মোক কেইবাজনো সদাশয় পুৰুষে আমাৰ সমাজৰ বুৰঞ্জী এখন লেখি প্ৰকাশ কৰিবলৈ কৈছে। পৃথিৱীত এতিয়াও সত্যানুৰাগী মানুহ বহুত আছে। সত্যব্ৰতসকলে এই কিতাপ খন পঢ়ি নিশ্চয় সুখী হব আৰু মোৰ বিশ্বাস যিবিলাক ভুলে ইয়াত ঠাই পাইছে সেই বিলাক সংশোধনৰ কাৰণে আঙুলীয়াই দিব আৰু তেওঁলোকৰ ওচৰত কৃতজ্ঞ থাকিম। এইখিনিতে কব পাৰি, ডঃ বাণী কান্ত কাকতিয়ে কলিতা জাতিৰ ইতিবৃত্ত লেখিছে, সাহিত্যৰত্ন হৰি নাৰায়ণ দত্ত বৰুৱাই কামৰূপীয় কায়স্থৰ ইতিবৃত্ত লেখিছে। তেনেকৈয়ে আমাৰ এই কিতাপখন লেখা হৈছে।

এই কিতাপখনত কবি ৰাম সৰস্বতী, কবি অনন্ত কন্দলী, কবি গোবিন্দমিশ্ৰক দৈৱজ্ঞ ব্ৰাহ্মণ বুলি কোৱা হৈছে। এওঁলোকৰ বংশধৰ এতিয়াও মঙ্গলদৈ মহকুমাত বাস কৰি আছে। একে সময়তে তিনি জনা গোপাল আতা, তিনিজনা যদুমণি তিনিজনা শ্ৰীৰাম আতাৰ আৱিৰ্ভাৱ হৈছিল। এজন ৰাম আতা সূৰ্য্যৱিপ্ৰ আছিল। একে কালতে একাধিক অনন্ত কন্দলীৰ আৱিৰ্ভাৱ হোৱাটো একো আচৰিত কথা নহয়। যি গৰাকী অনন্ত কন্দলীৰ কথা কথাগুৰু চৰিতে কৈছে সেই গৰাকী অনন্ত কন্দলী "জ্যোতিষত পাৰ্গত" আছিল (পৃঃ ৪১

দ্ৰষ্টব্য)। যি সকল চন্দ্ৰৱিপ্ৰ জ্যোতিৰ্বিদ হৈছিল, চিকিৎসক হৈছিল তেওঁলোক পংক্তিপাৱন নাছিল (৩৭)। সেইকাৰণে এইটো নিঃসন্দেহ যে এই গৰাকী অনন্ত কন্দলী সূৰ্য্যৱিপ্ৰ আছিল। ৰাম সৰস্বতীয়ে কৈছেঃ—

কালগ্ৰহ ৰূপ সূৰ্য্যৱিপ্ৰ নিৰন্তৰ।
আসম্বাক দিয়ো ধনৰত্ন বহুতৰ॥ ২৬২১
মহাভাৰত, বিজয় পৰ্ব।

অৰিয়া অৰি সত্বেও সূৰ্য্যৱিপ্ৰৰ আৰু চন্দ্ৰৱিপ্ৰৰ মাজত সদায় সৌহাৰ্দ্য আছিল আৰু আজিও আছে। কিন্তু মাজে মাজে সৌহাৰ্দ্য ভঙ্গ হৈছিল। চিৰকাল দৈৱজ্ঞই বিশ্বদেৱৰ থালী গ্ৰহণ কৰি আহিছে কিন্তু মাজে মাজে কোনো কোনো চন্দ্ৰৱিপ্ৰই বিশ্বদেৱৰ থালী লৈ কাজিয়া কৰিছে। এবাৰ দৈৱজ্ঞই দেৱানী আদালতৰ আশ্ৰয় লবলৈ বাধ্য হয়। দেৱানী আদালতে ঘোষণা কৰে যে বিশ্বদেৱৰ থালী পোৱাৰ অধিকাৰী দৈৱজ্ঞহে। অসমৰ বাহিৰতো দৈৱজ্ঞ আৰু চন্দ্ৰৱিপ্ৰৰ মাজত কাজিয়া লাগে। চন্দ্ৰৱিপ্ৰই অপ-প্ৰচাৰ কৰে যে দৈৱজ্ঞৰ যাগ-যজ্ঞাদি কৰাৰ অধিকাৰ নাই আৰু নানা কুৎসা ৰটনা কৰে। জলপাইগুৰিৰ আদালতত দুজনমান

৩৭। জ্যোতিৰ্বিদো হ্যসৰ্ব্বাণঃ কীৰাঃ পৌৰাণ পাঠকাঃ। শ্ৰাদ্ধে যজ্ঞে মহাদানে ৱৰণীয়াঃ কদাচন॥ ৩৮৩ অত্ৰি সংহিতা।

দৈৱজ্ঞই ১৩০৬ ছালত কেইজনমান চন্দ্ৰবিপ্ৰৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৫০০ ধাৰাত মোকৰ্দমা কৰে আৰু আদালতে দৈৱজ্ঞ ব্ৰাহ্মণ আৰু চন্দ্ৰবিপ্ৰ ব্ৰাহ্মণ সমান বুলি ৰায় দিয়ে। ৰাম সৰস্বতী নিজে সূৰ্যবিপ্ৰ নোহোৱা হলে ৰজাক সূৰ্যবিপ্ৰক বহুতৰ ধনৰত্ন দিবলৈ উপদেশ নিদিলেহেঁতেন।

সূৰ্য্যৰ এটা নাম ধৰ্ম-কন্দলী। তাৰে পৰাই অসমীয়াত কন্দলী বা কন্দলি শব্দটোৰ উৎপত্তি হৈছে। বিদ্বান গুণী জ্ঞানী তেজস্বী পুৰুষ সকলক সূৰ্য্যৰ লগত তুলনা কৰা হয়, যেনে শ্ৰীশ্ৰীশঙ্কৰ সূৰ্য্য। অসমত ৰজাসকলে তেজস্বী জ্ঞানী লোক সকলক কন্দলী, কন্দলি অৰ্থাৎ সূৰ্য্য উপাধি দিছিল। আহোম ৰজাৰ কটকী সকলৰ উপাধি সাধাৰণতে কন্দলি আছিল। এই কন্দলি উপাধিধাৰী বহু সংখ্যক কটকী দৈৱজ্ঞ ব্ৰাহ্মণ আছিল।

দৈৱজ্ঞ সমাজে বহু কৃতবিদ্য পুৰুষৰ জন্ম দিছে। দৈৱজ্ঞ সমাজৰ ভাৰত ৰত্ন কানেৰ নিচিনা এজন সংস্কৃতজ্ঞ মনিষীৰ প্ৰয়োজন। আশা ৰাখিছোঁ, দৈৱজ্ঞ সমাজৰ পৰা এনে এজন পুৰুষ ওলাব, তেতিয়া দৈৱজ্ঞ সমাজৰ সকলো অভাৱ পূৰ্ণ হব।

সকলোৰে প্ৰতি শুভ ইচ্ছা আগ বঢ়াই, সকলোৰে মঙ্গল কামনা কৰি এই পাতনিৰ সামৰণি মাৰিলোঁ।

গুৱাহাটী-৩
১।১২।৭২ গোলোকেশ্বৰ বৰুৱা

আদিত্যোপাসিতা জগৎ পূজাঃ

পৰম ব্ৰহ্ম অকলে আছিল। তেওঁৰ মন গল, "বহু হম"। লগে লগে কুৰি লক্ষ শ্ৰেণী জীৱৰ সৃষ্টি হল আৰু সৃষ্টি হল ভাৰতৰ জাতি ভেদ। জাতিভেদ পৃথিৱীৰ এটা আচৰিত বস্তু। জাতিভেদৰ মাজত ব্ৰাহ্মণৰ ব্ৰাহ্মণত্ব আৰু আচৰিত বস্তু। পণ্ডিত স্কলাৰসকলে গণনা কৰি পাইছে ভাৰতত প্ৰায় তিনি হাজাৰ জাত আৰু পঁচিশ হেজাৰৰো অধিক উপজাত আছে। (১ পৃঃ ২০৩)। ব্ৰাহ্মণৰ মূল ভাগেই আঠশৰো বেচি ব্লুমফিল্ডৰ মতে ব্ৰাহ্মণৰ দুই সহস্ৰতকৈও অধিক উপশাখা আছে। উইলছনে অকল সাৰস্বত ব্ৰাহ্মণৰে চাৰিশ উনসত্তৰতকৈয়ো অধিক উপশাখা পাইছিল।

প্ৰধানতঃ ব্ৰাহ্মণক ভৌগোলিক ভিত্তিত পঞ্চগৌড় আৰু পঞ্চম দ্ৰাবিড় এই দুই ভাগত বিভক্ত কৰা হয়। (১পৃ ১৬৯ : পৃত)।

পুনৰ পঞ্চ গৌড়ক তলৰ পাঁচটা শ্ৰেণীত ভগোৱা হৈছে :—

(১) কান্যকুব্জ—এওঁলোক কনৌজৰ ব্ৰাহ্মণ। এওঁলোকৰ উপশাখা শতধা বিভক্ত বাৰেন্দ্ৰ আৰু ৫৬ খণ্ডৰ ৰাঢ় বা ৰাঢ়ী। কুলিন ব্ৰাহ্মণ এওঁলোকৰ অন্তৰ্ভুক্ত। পঞ্চগৌড়

(২) সাৰস্বত—উত্তৰ পশ্চিমৰ সৰস্বতী নদীৰ পাৰত বাস কৰা কাৰণে এই সকল ব্ৰাহ্মণৰ সাৰস্বত নাম হল। এওঁলোকে নিজকে পৱিত্ৰতম বুলি ভাবে। উত্তৰ আৰু দক্ষিণৰ বহুত ব্ৰাহ্মণে সাৰস্বত বুলি দাবি কৰে।

(৩) গৌড়—বঙ্গ আৰু দিল্লী অঞ্চলত বাস কৰে, সংখ্যাত গধূৰ। বঙ্গ অৰু বিহাৰৰ মিশ্ৰ ব্ৰাহ্মণসকলে নিজকে গৌড় বুলি কয়। এই শ্ৰেণীৰ মাজত শৰ্ম্মা ব্ৰাহ্মণৰ সংখ্যাই আটাইতকৈ বেচি।

(৪) মিথিলা—অন্যান্য কুলৰ সৈতে সংমিশ্ৰণ ঘটিছে।

পঞ্চ দ্ৰাৱিড়ৰ মাজত তলৰ পাঁচটা ভাগ আছে। পঞ্চদ্ৰাবিড়

(১) মহাৰাষ্ট্ৰ:—মৰাঠা দেশৰ। চিৎপাৱন সকলেই প্ৰধান। গুজৰাটী ব্ৰাহ্মণো অন্তৰ্ভুক্ত।

(২) তেলঙ্গ:—তেলেগু দেশৰ মক, ৰিনাহ্, ৱেলনাহ্ আৰু নিয়োগী এওঁলোকৰ অন্তৰ্ভুক্ত।

(৩) দ্ৰাবিড়:—তামিল দেশৰ। এওঁলোকৰ অন্তৰ্গত অয়্যৰ (বা আইয়াৰ) অৰ্থাৎ (অৰ্য্যন) ভড়ম আৰু গুৰুক্কল।

(৪) কৰ্ণাট:—কানাড়া দেশৰ হৱিগ, শিৱালী আৰু কোট।

(৫) মলাবাৰ:—মলাবৰ দেশৰ ব্ৰাহ্মণ। এওঁলোকৰ ভিতৰত নামবুদ্ৰীসকল প্ৰখ্যাত।

প্ৰত্যেক শাখা-উপশাখাৰ ব্ৰাহ্মণে বিশ্বাস কৰে যে তেওঁ কোনো এজন মহৰ্ষিৰ বংশৰ পৰা নামি আহিছে আৰু তেওঁৰ প্ৰত্যক শিৰা-উপশিৰাত কলুষহীন পৱিত্ৰতম তেজ বৈ আছে!

অসমত ব্ৰাহ্মণৰ শাখা মাত্ৰ দুটা:—সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ আৰু চন্দ্ৰৱিপ্ৰ ব্ৰাহ্মণ। সাহিত্যত সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰবিপ্ৰ এই দুয়োটা শব্দৰে উল্লেখ সুলভ নহয়। হেমকোষ আৰু চন্দ্ৰকান্ত অভিধানত সূৰ্য্যবিপ্ৰৰ উল্লেখ আছে, চন্দ্ৰৱিপ্ৰৰ উল্লেখ নাই। "দীপিকা ছন্দই" ব্ৰাহ্মণৰ বিভাজনৰ উপলক্ষে সূৰ্য্যবিপ্ৰৰ আৰু চন্দ্ৰৱিপ্ৰৰ কথা বহলাই বৰ্ণনা কৰিছে। "কথা-গুৰু চৰিতে" কেইবা ঠাইতো যথা ১৬২, ৫৭৬ আৰু ৬০৮ পৃষ্ঠাত চন্দ্ৰৱিপ্ৰৰ উল্লেখ কৰিছে। সূৰ্য্যৱিপ্ৰই দৈৱজ্ঞ বা গণক। এই শ্ৰেণী ব্ৰাহ্মণক দৈৱজ্ঞ বা দৈৱজ্ঞ ব্ৰাহ্মণ বুলি বেলেগে বেলেগে সাহিত্যই উল্লেখ কৰিছে। আনকি দৈৱজ্ঞই লেখা কিতাপেও এনেদৰে উল্লেখ কৰিছে। সূৰ্য্যখৰি দৈৱজ্ঞই দৰংৰাজবংশৱলীৰ ৬১৯ পদত কৈছে— সূৰ্য্যৱিপ্ৰ চন্দ্ৰবিপ্ৰ

ধন ৰত্ন দিলা যত লেখ জোখ নাই।
দৈৱজ্ঞ ব্ৰাহ্মণগণ অনাইলা মতাই॥

অসম বুৰঞ্জীত পোৱা যায়, স্বৰ্গদেৱে কৈছে, "ব্ৰাহ্মণ দৈৱজ্ঞই আশীষ্ হে কৰে।" (৩ পৃ ৩৩)।

দৈৱজ্ঞও ব্ৰাহ্মণ, বেলেগে দৈৱজ্ঞৰ উল্লেখ কৰা হয় কেলেই? দৈৱজ্ঞৰ স্বকীয় মৰ্য্যাদা আছিল।

ওপৰে ওপৰে চালে ব্ৰাহ্মণ আৰু দৈৱজ্ঞ দুটা বেলেগ জাতি যেন লাগে। প্ৰকৃতপক্ষে দুটিকৈ চন্দ্ৰৱিপ্ৰ ব্ৰাহ্মণ=ব্ৰাহ্মণ, আৰু দৈৱজ্ঞ ব্ৰাহ্মণ=দৈৱজ্ঞ আৰু ইয়াৰ পৰাই হ'ল ব্ৰাহ্মণ দৈৱজ্ঞ। "ব্ৰাহ্মণ দৈৱজ্ঞই আশীষ্‌হে কৰে।" এইটোৱেই নিকপ-কপীয়াকৈ প্ৰমাণ কৰে যে দৈৱজ্ঞ ব্ৰাহ্মণ। শাস্ত্ৰই কয়—

ব্ৰাহ্মণ : এৱ অভিৱাদ্য :
নাভিৱাদ্যাস্তু বিপ্ৰেণ ক্ষত্ৰিয়াদ্যা : কদাচন।
ব্ৰাহ্মণ : সৰ্ব্বৰ্ণানাং স্বতি কুৰ্য্যাদিতি স্থিতিঃ।

স্মৃতি চন্দ্ৰিকাৰ ১ম কাণ্ডৰ যথাক্ৰমে পৃঃ ১০১, ১০২ আৰু ৯০ দ্ৰষ্টব্য।

দৈৱজ্ঞ ব্ৰাহ্মণ নোহো হলে ৰজাই দৈৱজ্ঞক অভিবাদন নকৰিলেহেঁতেন আৰু দৈৱজ্ঞৰো ৰজাক স্বস্তি বুলি আশীৰ্ব্বাদ দিয়াৰ অধিকাৰ নাথাকিলেহেঁতেন।

দীপিকাই-ছন্দই কৈছে, সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰৱিপ্ৰ দুয়োৰো ভিন্নাভিন্ন নাই, এওঁলোকে কাকো বন্দনা কৰিব নেপায়, সেৱা কৰিব নেপায়।

জানিবাহা দেবি দুইৰো নাই ভিন্নাভিন্ন।
শ্ৰুতি শাস্ত্ৰ জ্যৌতি দুয়ো একয়ে সমান॥ ১১৪
দুহানো হৈবেক বেদ ধৰ্ম্ম অধিকাৰ।
এক কৰ্ম্ম এক বিধি আচাৰ বিচাৰ॥ ১১৫

ইতো দুই লোকক বন্দিবে নপাৰয়।
আৰ সেৱা লৈলে শিৰ ছেদিব লাগয়॥ ১১৬
পাৰ্ব্বতী বদতি প্ৰভু দেব ত্ৰিলোচন।
আসম্বাৰ বন্দনীয় নাহি এক জন॥

মাধৱ চন্দ্ৰ বৰদলৈ সম্পাদিত দীপিকা-ছন্দ পৃ ১৭।

দীপিকা ছন্দই দৈৱজ্ঞক শিৱৰ পৰা জাত বুলি কৈছে, কিয়নো দৈৱজ্ঞসকল তন্ত্ৰজ্ঞ আৰু তন্ত্ৰৰ পৰমব্ৰহ্ম মহাযোগী শিৱ।

সকলো ব্ৰাহ্মণৰে দৈৱজ্ঞ, গণক উপাধি লিখিবলৈ অধিকাৰ নাছিল। যিসকল শ্ৰুতাধ্যয়ন সম্পন্ন ব্ৰাহ্মণ জ্যোতিজ্ঞানৰ অধিকাৰী হৈছিল তেওঁলোকেহে দৈৱজ্ঞ, গণক ব্ৰাহ্মণ পদবী লাভ কৰাৰ অধিকাৰী হৈছিল। প্ৰাচীন কালত ব্ৰাহ্মণৰ বাহিৰে অন্য কুলৰ কোনো পুৰোহিত হব নোৱাৰিছিল। ঐতৰেয় ব্ৰাহ্মণে কৈছে :—

যি জন ৰজাৰ পুৰোহিত নাই, সেইজন ৰজাৰ অন্ন দেৱতাই ভোজন নকৰে। সেই কাৰণে যজ্ঞ কাৰ্য্যত ৰজাই এজন ব্ৰাহ্মণ পুৰোহিত নিযুক্ত কৰা উচিত। (৪)। ঐতৰেয় ব্ৰাহ্মণ পুৰোহিত

চিৰকাল ৰজাই ব্ৰাহ্মণক পুৰোহিত বৰণ কৰি আহিছে। সেইকাৰণে যাজ্ঞৱল্ক্যাই যেতিয়া কয় যে "ৰজাই দৈৱজ্ঞক পুৰোহিত বৰণ কৰিব" (৫), দৈৱজ্ঞ যে ব্ৰাহ্মণ এইটো কোৱাৰ প্ৰয়োজন নাছিল।

তেনেকৈয়ে প্ৰাচীন কালত ব্ৰাহ্মণৰ বাহিৰে অন্যৰ জ্যোতিষ অধ্যয়ন কৰাৰ অধিকাৰ নাছিল। ভাস্কৰা-

জ্যোতিষ বেদাঙ্গ

চাৰ্যই কয়:—"বেদসমূহ যজ্ঞ কৰ্ম্ম প্ৰবৃত্ত, যজ্ঞসমূহ কাল আশ্ৰয় কৰি সম্পন্ন হৈ থাকে। জ্যোতিষ শাস্ত্ৰ কালবোধক শাস্ত্ৰ। সেই কাৰণে জ্যোতিষ বেদাঙ্গ। প্ৰাচীন জ্ঞানী লোকসকলে কৈছে, শব্দশাস্ত্ৰ ব্যাকৰণ বেদৰূপ পুৰুষৰ মুখ, জ্যোতিষ চকু, নিৰুক্ত কাণ, কল্প হাত, শিক্ষা ছন্দ পাদপদ্ম। দৰাচলতে জ্যোতিষ বেদৰ চকু বুলি সকলো অঙ্গৰ প্ৰধান যি হেতুকে কাণ নাক আদি সংযুক্ত কিন্তু চকু বিযুক্ত হলে কোনো কাম কৰিব পৰা নাযায়, সেই কাৰণে এই পুণ্য ৰহস্য পৰম তত্ব দ্বিজ সকলৰ অধ্যয়নীয়, (শূদ্ৰাদিৰ নহয়)।"

(৬) দৈৱজ্ঞ বা গণক মাত্ৰেই ব্ৰাহ্মণ আছিল। যিসকল শ্ৰোত্ৰিয় ব্ৰাহ্মণ দ্বিজবিলাকৰ অগ্ৰণী আছিল তেওঁবিলাকেহে দৈৱজ্ঞ বা গণক হব পাৰিছিল। তলত দুটমান উদাহৰণ দাঙ্গি ধৰা হল।

ভাস্কৰাচাৰ্য্য

ভাস্কৰাচাৰ্য্যই (১০৩৬) নিজৰ পৰিচয়ত কৈছে:—

আসীৎ সহ্যকুলাশ্ৰিতপুৰে ত্ৰৈবিদ্যবিদ্বজ্জনে
নানা সজ্জন ধাম্নি বিজ্জড়বিড়ে শাণ্ডিল্য গোত্ৰোদ্বিজঃ
শ্ৰৌতস্মাৰ্ত্তবিচাৰসাৰ চতুৰো নিঃশেষবিদ্যানিধিঃ।
সাধূনামৱধি ৰ্মহেশ্বৰ কৃতী দৈৱজ্ঞচূড়মণিঃ ॥ ৭)।

ভাস্কৰাচাৰ্য্যৰ পিতা কৃতী দৈৱজ্ঞ চূড়ামণি মহেশ্বৰ আছিল, শ্ৰৌত-স্মাৰ্ত্ত বিচাৰসাৰ চতুৰ, সকলো বিদ্যা নিঃশেষ কৰি বিদ্যানিধি হৈছিল আৰু সাধুসকলৰ শ্ৰেষ্ঠ আছিল। তেওঁ নিজেও আছিল অগাধ পণ্ডিত

কেশৱাৰ্ক

কেশৱাৰ্কই (১১৬৪) নিজ পৰিচয়ত কৈছে—

অভূদ্ভৰদ্বাজ মহৰ্ষিবংশে বিখ্যাতবংস শ্ৰুতিতত্ত্ববেদী।
ঔদীচ্য চাৰিত্ৰ পথ প্ৰৱৰ্ত্তী জনাৰ্দনো যাজ্ঞিক চক্ৰৱৰ্ত্তী॥
অস্তি শ্ৰিয়াদিত্য ইতি স্ম তস্য সূনুঃশ্ৰিয়াদিত্য ইৱদ্বিতীয়ঃ।
ত্ৰিস্কন্ধ পাৰঙ্গত ৰঙ্গমল্ল স্তদাত্মজো ৰাণগ ইত্যু দীৰ্য্যে।
শ্ৰীকেশৱঃ সুকৱিৰধ্যয়নাধ্বনীন্ ব্ৰ্যহান্ প্ৰতৰ্পয়িতুমৰ্থ প্ৰৱাহৈঃ
দৈৱজ্ঞৰাণগ সুতঃ সুতপঃ শ্ৰয়েস্মিন্ বৃন্দাৱনে মুনিগৱী নিৱহং দুদোহ॥

ৰাণগৰ পুত্ৰ কেশৱ দৈৱজ্ঞৰ পূৰ্ব্বপুৰুষসকল কেনেকুৱা আছিল? এওঁৰ ককাকৰ ককাক জনাৰ্দন আছিল শ্ৰুতিতত্ত্ববেদী যাজ্ঞিক চক্ৰৱৰ্ত্তী। এওঁৰ আজু ককাক শ্ৰিয়াদিত্য আছিল দ্বিতীয় শ্ৰিয়াদিত্য। ককাক ৰঙ্গমল্ল আছিল ত্ৰিস্কন্ধ-পাৰঙ্গত।

বলভদ্ৰ মিশ্ৰ

(৩) বলভদ্ৰমিশ্ৰ (১৪১৪)

এওঁৰ বংশ পৰিচয়ত কৈছে—

ভাগীৰথী তীৰবিৰাজমানে শ্ৰীকান্যকুব্জ নগৰো তিৰমো
অভূদ্ভৰদ্বাজ মহৰ্ষিবংশে শ্ৰীলাল নাম গণকোগ্ৰধাম॥(৯)

এওঁৰ পূৰ্ব্ব পুৰুষ শ্ৰীলাল গনক আছিল গনক-উগ্ৰধাম।

শ্ৰীলাল শিৱ দৈৱজ্ঞ

শিৱদৈৱজ্ঞই (১৫১৩) পূৰ্ব্ব পুৰুষৰ পৰিচয় দিওঁতে কৈছে—

বেদান্ত বেদিতিলকো গণকো বভূব।
শ্ৰীমান্ দিৱাকৰ ইতি প্ৰথিতঃ পৃথিব্যাম্ ॥ (১০)

দিবাকৰ গণক দৈৱজ্ঞ গণক শ্ৰৌত স্মাৰ্ত্ত বিচাৰ সাৰ চতুৰ শ্ৰুত তত্ত্ব বেদী দ্বিজবৰ তিলক, দ্বিজোত্তম

দিৱাকৰ গণক আছিল শ্ৰীমান ৱেদান্ত ৱেদিসকলৰ তিলক।

বুৰঞ্জীৰ কালত অসমলৈ দৈৱজ্ঞ আহিছিল কান্য-কুব্জ ৰাজ্যৰ পৰা। এওঁলোকৰ পূৰ্ব্বপুৰুবিলাকো আছিল শ্ৰৌত স্মাৰ্ত্ত বিচাৰসাৰ চতুৰ শ্ৰুতি-তত্ত্ব-ৱেদী যাজ্ঞিক চক্ৰৱৰ্ত্তী দৈৱজ্ঞ, গণকোষ্ণ-ধাম। প্ৰত্যেকজন আছিল দ্বিজৱৰ তিলক, দ্বিজোত্তম, দ্বিজন্মাগ্ৰণী। সেই কাৰণেই কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ নিচিনা বিগদ্ধ পণ্ডিতকো তৰ্কত হৰুৱাই বিজয়ী হৈছিল। গণক বা দৈৱজ্ঞ মাত্ৰেই ব্ৰাহ্মণোত্তম।

ৰজাই কেনেকুৱা গণক নিযুক্ত কৰিব?

ত্ৰিস্কন্ধজ্যোতিষাভিজ্ঞং স্ফুট নিৰ্ণয় কাৰকম্।
শ্ৰুতাধ্যয়ন সম্পন্নং গণকং যোজনেন্নৃপঃ॥
স্মৃতি চন্দ্ৰিকা, ব্যৱহাৰ খণ্ড পৃ ৩৮।

ৰজাৰ গণক ত্ৰিস্কন্ধ জ্যোতিষাভিজ্ঞ শ্ৰুতধ্যায় সম্পন্ন

ৰজাই ত্ৰিস্কন্ধজ্যোতিষাভিজ্ঞ স্ফুট নিৰ্ণয় কাৰক আৰু শ্ৰুতাধ্যয়ন সম্পন্ন গণক নিযুক্ত কৰিব। দেৱান ভট্টই মন্তব্য কৰিছে,

শ্ৰুতাধ্যয়ন সম্পান্নমিতি বিশেষণং দ্বিজাতিত্ব ইতি স্থাপনাৰ্থম্।

স্মৃতি চন্দ্ৰিকা ব্যবহাৰ খণ্ড পৃঃ ৩৯।

গণকৰ দ্বিজাতিত্ব স্থাপন কৰাৰ কাৰণে শ্ৰুতাধ্যয়ন সম্পন্ন বিশেষণ ব্যৱহাৰ কৰা হৈছে। ব্ৰাহ্মণ নহলে গণক হব নোৱাৰিছিল।

বৰ্ত্তমান সময়ত অসমৰ বাহিৰে ভাৰতত সূৰ্য্যবিপ্ৰ বা

অসমীয়া সমাজত গণক মাত্ৰেই ব্ৰাহ্মণ

দৈৱজ্ঞ নামে ব্ৰাহ্মণৰ শাখা নাই। ১৩শ/১৪শ শতিকাৰ পৰাশৰ তন্ত্ৰই কৈছে, ৰজাই শূদ্ৰ গণকৰ পৰা নৱ পঞ্জিকা শুনা উচিত নহয়। শূদ্ৰ গণক কৰবাত থাকিব পাৰে। অসমীয়া সমাজত ব্ৰাহ্মণৰ বাহিৰে অন্য শ্ৰেণীৰ গণক নাই। তথাপিও অসমীয়া সাহিত্যই দৈৱজ্ঞক ব্ৰাহ্মণ বা বামুণ গণক বুলি স্পষ্টকৈ কৈছে। তলত কেইটামান উদাহৰণ দিয়া হল।

দৈৱজ্ঞ ব্ৰাহ্মণ

উপজিলা পুত্ৰ পাচে দেখি গোপনন্দে।
কৰিল সপতে স্নান পৰম আনন্দে॥
দৈৱজ্ঞ ব্ৰাহ্মণগণ অনাইলা অনেক।
জাত কৰ্ম্ম কৰাইলা পুনৰ অনেক॥ ১১

একে কথা অগ্নি পুৰাণতো পোৱা যায়।

কংস ভয়ে বাসুদেৱে গোকুলত থৈলা।
গোবিন্দৰ জাতকৰ্ম্ম নন্দয়ো কৰিলা॥
দৈৱজ্ঞ ব্ৰাহ্মণ আনি মঙ্গল কৰাইলা।
সকল লক্ষণে বাসুদেৱ নাম থৈলা॥ (১২)

ব্ৰহ্মবৈৱৰ্ত্তপুৰাণে কয়, কৃষ্ণৰ জাত কৰ্ম্ম গৰ্গ ঋষিয়ে কৰিছিল। (১৩)। গৰ্গ ঋষি দৈৱজ্ঞ আছিল।

সণ্টৰা গৰ্গ

'সণ্টৰা গৰ্গে শ্ৰীশ্ৰীশঙ্কৰ গুৰুৰ সোঁৱৰণী কৰিছিল। এওঁ সন্তৰাম সোণাধৰ আদি নামে জনাজাত হৈছিল। আচল নাম আছিল সিদ্ধিৰাম বৰদলৈ এওঁ ব্ৰজ্বথৰি বংশৰ।

হুতিৰাম হাজৰিকাৰ পদ্য বুৰঞ্জী

টঙ্গা বৰদঁলৈ

হুতিৰাম হাজৰিকাৰ বুৰঞ্জীয়ে কৈছে,
দৈৱজ্ঞ দেখা পায় ।
গছৰে ওপৰে ছত্ৰ ছায়া পৰি যায় ॥
কহিল দৈৱজ্ঞ জানো তই বৰলোক ।
নৰপতি হইবে যোগ্য দেখিছোঁহো তোক ॥
শুনি গদাধৰে টঙ্গা তলত বসিয়া ।
ভাল কৰি চাহা বাপু বেদক মেলিয়া ॥
চাহি কহিলেক মোৰ বাণী সত্য হুই ।
নহলে মোহৰ বেদ পুৰিবোহোঁ জুই ॥ ১১৮
কৈলা গদা যদি মই ৰজা হইব পাৰি ।
দিবো টঙ্গা দলৈ নাম সবাৰো উপৰি ॥
এহি বুলি গদাধৰ পান্থে চলি যায় ।
ব্ৰাহ্মণেও ৰহিল আপোন ঘৰ পাই ॥ ১১৯

মন্ত্ৰজ্ঞ সূৰ্য্যব্ৰিপ্ৰ ব্ৰাহ্মণ দৈৱজ্ঞ বুলি সন্মানিত

দৈৱজ্ঞ মাত্ৰেই ব্ৰাহ্মণ । পঙ্কজ বুলিলে অকল পদুম ফুলকহে সকলোৱে বুজে, যদিও পঙ্কত নানা ফুল ফুলে । বহুত দেৱতা আছে, দেওবাৰ বুলিলে ৰবিবাৰ বুজায় । ভট্টাৰক বাৰ বুলিলেও ৰবিবাৰ বুজায় । তেনেকৈয়ে দৈৱজ্ঞ বা গণক বুলিলে মন্ত্ৰজ্ঞ সূৰ্য্যব্ৰিপ্ৰ ব্ৰাহ্মণক বুজায় ।

অন্য সকল সূৰ্য্যবিপ্ৰ

আনহাতে সকলো সূৰ্য্যব্ৰিপ্ৰ ব্ৰাহ্মণ দৈৱজ্ঞ বা গণক বুলি পৰিচিত নাছিল । যি সকল প্ৰকৃত দৈৱজ্ঞ, গণক পদবীৰ অধিকাৰী তেওঁলোকহে দৈৱজ্ঞ গণক বুলি

ব্ৰাহ্মণ মাত্ৰ অনন্ত কন্দলী

অভিহিত হৈছিল । অন্য সকল ব্ৰাহ্মণ নামেই সুৱিদিত আছিল ।

গোবিন্দ মিশ্ৰ চন্দ্ৰখড়ি সূৰ্য্যখড়ি ৰত্নখড়ি সূৰ্য্যব্ৰিপ্ৰ

"অনন্ত কন্দলি, মহেন্দ্ৰ কন্দলি, গোবিন্দ মিশ্ৰ, খৰা মিশ্ৰ, অৰা মিশ্ৰ, গৰা মিশ্ৰ, চন্দ্ৰ সৰস্বতী, ৰামসৰস্বতী, ঠেঙাল সৰস্বতী, বাণী ভট্টাচাৰ্য্য (১) হৰি ভট্টাচাৰ্য্য, বাগী ভট্টাচাৰ্য্য (২) তৰ্ক বাগীশ, ভানু বাগীশ, কবিৰত্ন, বিদ্যাৰত্ন, হেমৰত্ন, চন্দ্ৰখড়ি, সূৰ্য্যখড়ি, বিজয়খড়ি, ৰত্নখড়ি, ৰত্নভাৰতী * * * অনেক । গুৰুজনে গৈ বোলে বিপ্ৰসব এই জ্ঞান ঘৰ শান্তী হলেহে বান্ধিব পাৰি । পাছে ব্ৰাহ্মণে বোলে আমাৰ ঘৰে সতি শান্তি আছে, কাইলৈ অনা হব ।"

কথা গুৰু চৰিত পৃঃ ৩৮ ।

অনন্ত কন্দলি, গোবিন্দ মিশ্ৰ, চন্দ্ৰখড়ি, সূৰ্য্যা খড়ি, ৰত্নখড়ি, সূৰ্য্যব্ৰিপ্ৰ আছিল । গুৰুজনে এওঁলোককো বিপ্ৰ অৰ্থাৎ ব্ৰাহ্মণ বুলিয়েই কৈছে ।

শ্ৰীশ্ৰীশঙ্কৰ গুৰুৱে "বোলে"

"বৰা পো আৰু পূব দেশৰ দুই ব্ৰাহ্মণ আমাৰ পিচত আহিব । জানু পৰাই জ্ঞান কৰা আশ্ৰম, ভাগৱতী ধৰ্ম্ম প্ৰৱৰ্ত্তাই জীৱ নিস্তাৰিব" ।

কথা গুৰু চৰিত পৃঃ ২১২ ।

শ্ৰীশ্ৰীবংশী গোপাল দেৱ

"ইয়াত বংশী গোপালৰ কথা কোৱা হৈছে ।" ডঃ মহেশ্বৰ নেওগৰ শ্ৰীশ্ৰীগোপাল দেৱৰ চৰিত্ৰ, ৰমানন্দ

দ্বিজ ৰচিত, পাতনি পৃঃ ১১। বংশী গোপাল দেৱৰ বিষয়ে ৰমানন্দ দ্বিজই কৈছে :

উত্তম ব্ৰাহ্মণ এন্তে হৈৱো মহন্ত।
শৰীৰত অনেক লক্ষণ ধৰিছন্ত ॥ ৫৫
এমন ব্ৰাহ্মণ মঞি নতু দেখো আগে।

শ্ৰীশ্ৰীবংশীগোপাল গুৰু সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ আছিল।

দৈত্যাৰি ঠাকুৰ

দৈত্যাৰি ঠাকুৰে কয়,
ৰত্নাকৰ কন্দলী পঢ়ন্ত গীতা ত্ৰয়।

ব্যাস কলাই

বিয়াস কলাই নামে জনৈক আছয় ॥
তাঙ্ক সমে গুণী নাই জাতিত ব্ৰাহ্মণ।
শঙ্কৰ দেৱতা তেহোঁ লৈলেক শৰণ ॥ (১৪)

ব্যাস কলাই

বিয়াস কলাই=ব্যাস কলানিধি। এইটো উপাধিহে, নাম নহয়। ব্যাস সকল সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ।

মাধৱ কন্দলী, অনন্ত কন্দলী, ৰামস্বৰস্বতী আদি সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ আছিল; এওঁলোক ব্ৰাহ্মণ বুলিয়েই সন্মানিত হৈ আছে।

বামুণৰ জোলোঙ্গা

সমাজেও দৈৱজ্ঞৰ জোলোঙাক বামুণৰ জোলোঙ্গা বুলি ৰসিকতা কৰে। (১০)। আগছোৱাত যিসকল সূৰ্য্যৱিপ্ৰ দৈৱজ্ঞ বা গণক হিচাবে নিযুক্ত হৈছিল তেওঁ-লোককহে বুৰঞ্জীয়ে দৈৱজ্ঞ বা গণক বুলি কৈছে শেহতীয়া কালতহে সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ মাত্ৰেই দৈৱজ্ঞ বা গণক নামে পৰিচিত হ'ল। অকল ব্ৰাহ্মণ বুলি কলে সূৰ্য্যৱিপ্ৰ

সূৰ্য্য পৰম ব্ৰহ্ম

আৰু চন্দ্ৰৱিপ্ৰ উভয়কে বুজায়। সূৰ্য্যৱিপ্ৰই জ্যোতিষৰ সাধনা কৰি, জ্যোতি-জ্ঞানৰ অধিকাৰী হৈ গণক দেৱতাক বশ কৰি দৈৱজ্ঞ আৰু সূৰ্য্য-ব্ৰহ্মৰ উপাসনা কৰি সূৰ্য্যৱিপ্ৰ হ'ল।

শুক্ল যজুৰ্বেদে কৈছে :

দীপ্যমান প্ৰাণস্বৰূপ

কিৰণমালাই ব্ৰহ্মাৰ পুত্ৰ আদিত্যক জন্ম দি প্ৰথমে কলে "ব্ৰাহ্মো জাতো" ব্ৰহ্ম অৰ্থাৎ সূৰ্য্যৰ জন্ম হ'ল,

আদিত্য ব্ৰাহ্মো জাতো

হে আদিত্য তুমি এনেকৈ জন্ম লাভ কৰিছা বুলি যি ব্ৰাহ্মণে জানে, সেই ব্ৰাহ্মণৰ বশত সকলো দেৱতা থাকে (৩১/২১)।

পৰম ব্ৰহ্ম আদিত্যক সূৰ্য্য-উপাসক সূৰ্য্যৱিপ্ৰই জানিবলৈ পালে।

"আদিত্যোপাসিতা জগৎ পূজ্যাঃ" (১৬)।

প্ৰমাণাৱলী

১। Benjamin Walker : Hindu World.
২। ব্ৰাহ্মণ উৎপত্তি মাৰ্ত্তণ্ড
৩। অসম বুৰঞ্জী (DHAS)
৪। ন হৱা অপুৰোহিতস্য ৰাজ্ঞো দেৱা অন্নমদন্তি,
তস্মাদ্ ৰাজা যক্ষ্যমাণ ব্ৰাহ্মণং পুৰোদধীত।
ঐতৰেয় ব্ৰাহ্মণ অ ৪০

৫। পুৰোহিতং চ কুৰ্ব্বীত দৈৱজ্ঞমুদিতোদিতম্ ।
দণ্ডনীত্যাং চ কুশলমথৰ্ব্বাঙ্গিৰসে তথা ॥৩১৩

৬। ডঃ যোগেশচন্দ্ৰ ৰায় বিদ্যানিধিঃ আমাদেৰ জ্যোতিষ ও জ্যোতিষী পৃ ১৩৯

৭। পঃ সুধাকৰ দ্বিৱেদী : গণক তৰঙ্গিণী পৃ ৩৮

৮। ঐ পৃ ৪৫

৯। ঐ পৃ ৮৯

১০। ঐ পৃ ৮৭

১১। শ্ৰীমদ্ভাগৱত পৃ ৮৩৯

১২। ৰজা মধুনাৰায়ণ দেব : অগ্নি পুৰাণ পৃ ৭

১৩। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, কৃষ্ণ জন্ম খণ্ড, ৪।৩৮

১৪। শ্ৰীশ্ৰীশঙ্কৰদেৱ—মাধৱদেৱ চৰিত

১৫। বামুণৰ জোলোঙ্গা—: বিং বামুণ শব্দে এই স্থলত দৈৱজ্ঞ বামুণ বুজাইছে ।
বেণুধৰ ৰাজখোৱা : অসমীয়া খণ্ড বাক্য কোষ পৃ ১৯৮

১৬। যো ব্ৰাহ্মণঃ হে আদিত্য, ত্বা ত্বামেৱমুক্তৱিধিনা উৎপন্নং ৱিদ্যা জ্ঞানীয়াৎ তস্য ব্ৰাহ্মণস্য দেৱা ৱশে অসন্ ৱশ্যা ভৱন্তি। আদিত্যো পাসিতো জগৎ পূজ্যা ভৱতীত্যৰ্থঃ ।

মহীধৰ ভাষ্যঃ— শুক্ল যজুৰ্বেদ, ৩১।২১

[২]

ইন্দো-য়ুৰোপী-য়ৰ দ্যাৱা পৃথিৱী

ঐতিহাসিক সকলে কয়, ভাৰতৰ আৰ্য্য ইন্দোয়ুৰোপীয় বিলাকৰ এটা শাখা। আৰ্য্যবিলাকে ইন্দোয়ুৰোপীয় আদিম যুগত দ্যোঃক পূজা কৰিছিল। দ্যৌৰ ভাৰ্য্যা আছিল পৃথিৱী দেৱী। এই দম্পতিক "দ্যাৱা-পৃথিৱী" বুলি কোৱা হয়। দ্যাৱা পৃথিৱীয়েই বিশ্বসংসাৰৰ জনক-জননী। ইন্দোয়ুৰোপীয় বিলাকে দ্যাৱা পৃথিৱীৰ বাহিৰেও নৈসৰ্গিক দেৱতাবিলাকক পূজা কৰিছিল। এওঁলোক ইন্দোইৰাণীয় আৰু ইন্দো-আৰ্য্য, এই দুটা ভাগত বিভক্ত হয়। দুভাগ হোৱাৰ আগতে ইন্দো-ইৰাণীয় আৰু ইন্দো-আৰ্য্যই দ্যাৱা পৃথিৱী আৰু নৈসৰ্গিক দেৱতা-বিলাকক পূজা কৰাৰ উপৰিও অগ্নি-যাগ আৰু সোম-যাগ কৰিছিল। ভাৰতলৈ অহাৰ পিচত আৰ্য্যবিলাকৰ ধৰ্ম্মৰ ক্ৰমবিকাশ ঘটিবলৈ ধৰে। এই ক্ৰমবিকাশৰ বহুত স্তৰ আছে। ডঃ কে এম মুন্সীয়ে কয় যে, বৈদিক সাহিত্যত প্ৰধানতঃ ইয়াৰ ছটা স্তৰ দেখা যায়। স্তৰ ছটা তলত দিয়া হল।

ইন্দো আৰ্য্য ইন্দো ইৰাণী

বৰুণ যুগ প্ৰাগ বৰুণ যুগ

"প্ৰথমটো প্ৰাগ্-বৰুণ যুগ। এইটো যুগত দ্যাৱা পৃথিৱীয়ে ৰাজত্ব কৰে। পৃথিৱীয়েই অদিতি। পৃথিৱী বা অদিতিয়ে আঠোতা উত্তম সন্তানৰ জন্ম দিয়ে। এই সন্তানবিলাকৰ সাতজন অমৰ হয়। এওঁলোক মিত্ৰ, ৱৰুণ, অৰ্য্যমা, ভগ, দক্ষ, অংশ। সপ্তম জন অমৰ সন্তানৰ নাম কোৱা হোৱা নাই। এওঁ সূৰ্য্য হব লাগিব। ইন্দ্ৰ নহয়।

বৰুণ যুগ

দ্বিতীয়টো বৰুণ যুগ। এইটো যুগত বৰুণে ৰাজত্ব কৰে। এইটো যুগত ইন্দ্ৰই আৰ্য্যবিলাকৰ দেৱতাৰ শাৰীত ঠাই পোৱা নাছিল; ঠাই পাইছিল যদিও ইন্দ্ৰৰ প্ৰাধান্য নাছিল।

সুদূৰ অতীত যুগ

তৃতীয়টো সুদূৰ অতীত যুগ। এইটো যুগত সপ্ত-সিন্ধুক আশ্ৰয় কৰি নানা আখ্যান ৰূপায়িত হৈ উঠিছে।

(ক) মাতৃ সৰস্বতীয়ে ইন্দ্ৰক বৃত্ৰক বধ কৰোঁতে সহায় কৰিছে।

(খ) মুঞ্জৱত পৰ্ব্বতৰ পৰা আহৰণ কৰা সোমে পূজা পাইছে, আৰু কৰ্মসমূহৰ মাজত প্ৰধান স্থান অধিকাৰ কৰিছে।

(গ) ইন্দ্ৰই বৃত্ৰক বধ কৰি সপ্ত-সিন্ধুক প্ৰৱাহিত কৰিছে।

মধ্য অতীত যুগ

চতুৰ্থটো মধ্য অতীত যুগ। এইটো যুগত সপ্তসিন্ধুৰ পৰাক্ৰমী ভৰতবিলাকৰ নামতে ভাৰতী নাম হৈছে। আৰু সৰস্বতীয়ে জ্ঞান মন্দিৰ বুলি সুযশ লাভ কৰিছে।

অনতি দূৰ অতীত যুগ

পঞ্চমটো অনতি-দূৰ অতীত যুগ। এইটো যুগত ৰজা, ঋষি আৰু প্ৰাদাতৃসকল প্ৰাচীন বুলি স্বীকৃত হৈছে। এইটোও মানি লোৱা হৈছে, বেদৰ কোনো কোনো মন্ত্ৰ প্ৰাচীনবিলাকৰ পৰাই লৈ নতুন ভাষাৰ সাজ পিন্ধোৱা হৈছে।

বৈদিক যুগ

ষষ্ঠটো বৰ্ত্তমান বৈদিক যুগ। এই যুগত ৱশিষ্ঠ আৰু বিশ্বামিত্ৰই বেদৰ মন্ত্ৰ ৰচনা কৰিছে। এওঁলোক উভয়ে দশ নৃপতিৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল। ইয়াতেই বৈদিক যুগৰ অন্ত হয়।" (১)

ভৃগু অঙ্গিৰস

অগ্নিযাগ

প্ৰাগ্-বৰুণ যুগৰ আগতেই মূল ইন্দোয়ুৰোপীয় ঘৰৰ পৰা অবিভক্ত ইন্দো-ইৰাণীয় আৰু ইন্দো-আৰ্য শাখাটো ফাটি আহে। এই যুগত আৰ্য্যবিলাকে দ্যাৱা-পৃথিৱীক পূজা কৰিছিল। আৰু এই যুগতেই অগ্নি পুৰোহিত, যাদুকৰ, ভৃগু আৰু অঙ্গিৰসৰ আৱিৰ্ভাৱ। ভৃগু আৰু অঙ্গিৰসবিলাক আথৰ্বণ আছিল। এওঁলোক পূৰ্বতে একে ঘৰৰ আছিল। পিচৰ কালত আঁতৰি দুঘৰ হয়। (২)। অগ্নিযাগ আছিল অথৰ্ব্বণ আৰু ভৃগু বিলাকৰ বিশেষ ধৰ্ম। প্ৰথমতে ঋষি অথৰ্ব্বাই অগ্নি সৃষ্টি কৰে। (৩)

ঋষি অথৰ্ব্বা

অথৰ্ববেদ

অথৰ্ব্বা বা অথৰ্বণ ভৃগুৱে আৰু অঙ্গিৰসে যি শাস্ত্ৰ শিকায়, সেই শাস্ত্ৰ অথৰ্ব্বাঙ্গিৰস আৰু ভৃগ্বাঙ্গিৰস নামে জনাজাত হয়। এই শাস্ত্ৰই অথৰ্ববেদ।

মিত্ৰা-ৱৰুণৰ উপাসনা

দ্যাৱা-পৃথিৱীয়ে প্ৰথমতে সৰ্ব্বোত্তম তিনিজন সন্তানৰ জন্ম দিয়ে। এওঁলোক মিত্ৰ, ৱৰুণ আৰু অৰ্য্যমা। মিত্ৰ আৰু বৰুণ যুগ্ম দেৱতা। বেদত অকল এটা মাত্ৰ সূক্তত মিত্ৰক গাই গুটীয়াকৈ স্তুতি কৰা হৈছে। দ্যাৱা-পৃথিৱীৰ আধিপত্য লোপ পোৱাৰ পিচত আৰ্য্যবিলাকে মিত্ৰাৱৰুণক শ্ৰেষ্ঠ দেৱতা বুলি উপাসনা কৰে। এইটো যুগক ইন্দো-ইৰাণীয় যুগ বুলি কোৱা হয়।

সৌৰ দেৱতা ৱৰুণ

আদিতে ৱৰুণ আছিল সৌৰ দেৱতা, দ্বাদশাদিত্যৰ মাজৰ এজন প্ৰধান আদিত্য। ৱৈদিক যুগত আকাশক সাগৰ বোলা হৈছিল। আকাশ সাগৰৰ দেৱতা আছিল বৰুণ। পিচৰ কালত আৰ্য্যবিলাকে এইটো কথা পাহৰি গল আৰু এই কাৰণেই বৰুণ হল ভৌম সাগৰৰ অধিপতি, সলিল ৰাজ।

সলিল ৰাজ

চমুকৈ, ইন্দো-ইৰাণীয় যুগত আৰ্য্যবিলাকে মিত্ৰাৱৰুণৰ পূজা আৰু অগ্নিযাগ কৰিছিল। কিন্তু ইয়াতেই ক্ষান্ত নাথাকি তেওঁলোকে আন এটা যজ্ঞৰ উদ্ভাৱন কৰিলেঃ সেইটো সোম যাগ। এতিয়াও তেওঁলোক অথৰ্বণ। কিন্তু তেওঁলোকৰ একাংশই সোম-যাগকে ভিত্তি কৰি এটা বেলেগ ধৰ্ম্মৰ পাতনি মেলে। এইটো ধৰ্ম পিচৰ কালত ৱৈদিক ধৰ্ম্ম নামে প্ৰবল হৈ উঠে। ৱৈদিক ধৰ্মই মিত্ৰাৰৰুণৰ অৰ্থাৎ সূৰ্য্যৰ আধিপত্য নামানি ইন্দ্ৰক প্ৰধান দেৱতা বুলি পূজা কৰিছিল।

সোম-যাগ

ৱৈদিক ধৰ্ম্ম ইন্দ্ৰ

স্কলাৰ সকলৰ এটা শিৱিৰে বিশ্বাস কৰে যে বৰুণ শ্ৰেষ্ঠ দেৱতা নে ইন্দ্ৰ শ্ৰেষ্ঠ দেৱতা, এইটো লৈয়ে আৰ্য্য-সকলৰ মাজত বিৰোধ ওপজে আৰু ইন্দ্ৰ উপাসক সকলে তেওঁলোকৰ ইষ্ট দেৱতাৰ অপমান সহ্য কৰিব নোৱাৰি ভাৰতলৈ গুচি আহে। এইটো শিবিৰৰ নেতা মেক্সমুলাৰ। (৬)

আৰ্য্যৰ ভাৰত আগমনৰ কাৰণ

স্কলাৰ সকলৰ আনটো শিবিৰে এইটো এক মাত্ৰ কাৰণ বুলি মানি লব নোখোজে, আৰু কয় যে আচল কাৰণটো অজ্ঞাত। (৭ পৃ ৭১)।

ভাৰতত মিত্ৰা-ৱৰুণৰ পূজা

যি কি কাৰণেই আৰ্য্যসকল ভাৰতলৈ গুচি নাহক মিত্ৰাবৰুণৰ উপাসক সকলো ভাৰতলৈ আহিছিল আৰু তেওঁলোকে ভাৰতত সৌৰধৰ্ম আৰু সূৰ্য্য পূজা প্ৰৱৰ্ত্তন কৰে।

ধ্যান ধাৰণাৰ মূল সূৰ্য্য

ভাৰতীয় সংস্কৃতি-সাধনাৰ, ধ্যান-ধাৰণাৰ মূল সূৰ্য্য ব্ৰহ্মা-বিষ্ণু মহেশ্বৰো আদিতে আছিল সৌৰ দেৱতা। ৱেদত মিত্ৰাবৰুণ, অন্যান্য আদিত্য, সূৰ্য্য, সৱিতাই প্ৰধান দেৱতা। প্ৰথমতে আদিত্য আছিল আঠজন। সূৰ্য্য পূজাৰ প্ৰাধান্যই আৰু চাৰিজন আদিত্যৰ জন্ম দিয়ে; তাৰে পৰা আদিত্য হল বাৰ জন। এওঁলোক ধাতা, মিত্ৰ, অৰ্য্যমা, শক্ৰ, বৰুণ, সোম, ভগ, বিৱস্বান, পূষা, সৱিতা, ত্বষ্টা আৰু বিষ্ণু। এওঁলোকৰ আটাইতকৈ নুমলীয়া হলেও বিষ্ণু-সূৰ্য্যই প্ৰধান দেৱতা হয়। বেদত সৌৰ দেৱতাবিলাক বেলেগ বেলেগ ৰূপত বা নামত পূজিত হলেও তেওঁবিলাকৰ মূল সূৰ্য্য। সূৰ্য্যই আছিল সৌৰ দেৱতাবিলাকৰ মাজত আটাইতকৈ প্ৰত্যক্ষ দেৱতা। সূৰ্য্য আছিল সৰ্বদ্ৰষ্টা, সৰ্বসাক্ষী। সূৰ্য্যই সৌৰ দেৱতাৰ মাজত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰে আৰু তেওঁৰ উপাসক-সকল অসমত সূৰ্য্যৱিপ্ৰ নামে জনাজাত হয়।

সূৰ্য্য উপাসক সূৰ্য্যৱিপ্ৰ

দেৱ উপাসক বা ইন্দ্ৰ উপাসকসকল অসমত চন্দ্ৰৱিপ্ৰ নামে খ্যাত হয়। অৱশ্যে তেওঁলেকে চন্দ্ৰৰ উপাসনা কৰিছিল বুলি চন্দ্ৰৱিপ্ৰ নাম পোৱা নাই। তেওঁলোকে সোমৰ ৰসেৰে সোম যজ্ঞ কৰিছিল।

চন্দ্ৰৱিপ্ৰ

সোমযাগকে শ্ৰৌত যজ্ঞ বুলি কোৱা হৈছিল। সোমৰ অধিপতি দেৱতা আছিল চন্দ্ৰ। সেইকাৰণে সোমযাজী ইন্দ্ৰ উপাসক অসমত চন্দ্ৰবিপ্ৰ নামে প্ৰখ্যাত হয়।

সূৰ্য্যবিপ্ৰ মন্ত্ৰজ্ঞ ব্ৰহ্মজ্ঞানী

সূৰ্য্যবিপ্ৰসকলেও সোমৰসৰ ব্যৱহাৰ কৰিছিল। কিন্তু সোমযাগে তেওঁলোকৰ ধৰ্ম্মীয় অনুষ্ঠানত প্ৰাধান্য অধিকাৰ কৰিব পৰা নাছিল। তেওঁলোক "অথৰ্ব্বনিধি" মন্ত্ৰ আৰু ব্ৰহ্মজ্ঞানী।

গ্ৰহযজ্ঞ জ্যোতিষিক ধৰ্ম্ম

সূৰ্য্য উপাসকৰ অথৰ্ৱণ ধৰ্ম্মৰ পৰাই সৌৰ ধৰ্মৰ আৰু আন আন পিচৰ কালৰ তান্ত্ৰিক বা আগমনিগমৰ ধৰ্মৰ উৎপত্তি হয়। সৌৰ ধৰ্মৰ পৰা গ্ৰহযজ্ঞৰ আৰু জ্যোতিষিক ধৰ্ম্মৰ জন্ম হয়। অথৰ্ৱণসকলে মানুহ আৰু দেৱতাৰ মাজৰ যোগসূত্ৰ নিজৰ কৰি লব পাৰিছিল, দেৱতাৰ ৰহস্য-ৰূপ জানিছিল আৰু তেওঁলোকক বশ কৰিব পাৰিছিল। সেইকাৰণে এওঁলোকক 'দৈৱজ্ঞ' বুলি সন্মান কৰা হৈছিল। অথৰ্ৱণ ধৰ্ম্মৰ পিচত বৈদিক ধৰ্ম্মৰ উৎপত্তি; প্ৰথমে সূৰ্য্যবিপ্ৰ, তাৰ পিচত চন্দ্ৰবিপ্ৰৰ জন্ম। সেইকাৰণে সূৰ্য্যবিপ্ৰই চন্দ্ৰবিপ্ৰৰ আগতে জন্ম গ্ৰহণ কৰিছে বুলি কোৱা হয়।

নৰোত্তম ঠাকুৰ

অসমীয়া বৈষ্ণৱ কৱি নৰোত্তম ঠাকুৰে ঐতিহাসিক সত্যকে ঘোষণা কৰিছে:

প্ৰথমতে মই স্ৰজিলো দৈৱজ্ঞ
জ্যোতিষ গুণে পণ্ডিত।
ধৰ্ম্মতো সত্তম যাক নাহি সম্
সত্যৱন্ত পূণ্যৱন্ত ॥
ভক্তি প্ৰেমাৱলী পৃ ৫০।

প্ৰমাণাৱলীঃ—

১। Dr. K. M. Munshi : The Glory that was Gurjaradesa Vol 1 (olded) পৃ-৪৭

২। ,, পৃ ৫৮

৩। ঋগ্‌বেদ ৩।৫৫।১১ ১০।২১।৫

৪। অথৰ্ৱবেদে ব্ৰহ্মজ্ঞান শিকাইছে, সেইকাৰণে অথৰ্ৱবেদক ব্ৰহ্মবেদ বুলি কোৱা হয়। অথৰ্ৱবেদৰ অন্তৰ্গত মণ্ডুক আৰু মাণ্ডুক্য উপনিষদেও ব্ৰহ্মজ্ঞান শিকাইছে। অথৰ্ৱবেদৰ গোপথ ব্ৰাহ্মণক উপনিষদ বুলিয়েই কব পাৰি।

৫। In the Indus valley and the west coast, the Atharvan tradition flourished over laid by growing importance of Varuna worship. The Section of these people living in the Saptasindhu, sheltered by the Hindukush, later evolved the Indra cult and the purer Vedic culture which also came to predominate the Atharvan tradition. ১পৃ-৮৭

৬। Max Muller : Science of Language.

৭। Hindu World পৃ-৭১

(৩) অথৰ্ৱবেদৰ ধৰ্ম ॥

অথৰ্ৱবেদৰ ধৰ্মই সৌৰ ধৰ্ম। সৌৰ ধৰ্মই দৈৱজ্ঞৰ ধৰ্ম। অথৰ্ৱবেদে কি সাধনা শিকাইছে তলত চমুকৈ আলোচনা কৰা গ'ল।

প্ৰথম অথৰ্ব্বেদ

শ্ৰীশঙ্কৰ গুৰুৱে কৈছে

প্ৰথমে অথৰ্ব্বেদ ঋগ যজু সাম ॥

অনাদি পাতন ১৯২ ।

ৰুদ্ৰ যামলেও কয় প্ৰথমে অথৰ্ব্বেদ, তাৰ পিচত অন্যান্য বেদৰ জন্ম হয়।

অথৰ্ব্বণ অঙ্গিৰস আৰু ভৃগু এই তিনিজন ঋষিয়ে অথৰ্ব্বেদ প্ৰবৰ্ত্তন কৰিছিল। এওঁলোক ঋগ্বেদৰ বহুকাল আগৰ।

অথৰ্ব্ববেদৰ প্ৰাচীনতা বিদ্বান মণ্ডলীয়েও মানি লৈছে ইয়াৰ কিছুমান কথা ইন্দো-য়ুৰোপীয় যুগৰ। The materal itself is of widely diflerent ages, Some of it cannot be much older than the time of redaction, other parts may be among the eariest products of vedic literary activity as some of the practices go back even to Indo-European times (১পৃ ৯৩১)।

অথৰ্ব্ব-বেদৰ প্ৰাচীনতা

অথৰ্ব্ববেদে শিকাইছে:—

অথৰ্ব্ব-বেদৰ শিক্ষা

(১)ওঁ কাৰ সূৰ্য্য পৰম ব্ৰহ্ম। অথৰ্ব্ববেদে ব্ৰহ্মবিদ্যা শিকাইছে সেইকাৰণে এইখন বেদক ব্ৰহ্মবেদ বুলি কোৱা হয়, পিচৰ কালৰ মায়াবাদো এই বেদত আছে।

(২) যোগ সাধনা

(৩) ৰাজ কৰ্ম—ৰজাৰ অভিষেক নিৰ্বাচন, শত্ৰু দমন, আধ্যাত্মিক মঙ্গল, ৰাজ্য ৰক্ষা, যুদ্ধ জয় ইত্যাদি।

৪) মায়া আৰু সুৰ বিদ্যা—অভিচাৰিকাণি, কৃত্যা প্ৰতি হৰণানি ইত্যাদি।

৫) মন্ত্ৰ বিদ্যা—সাংমনস্যানি, পৌষ্টিকাণি, নানা প্ৰকাৰ শান্তি স্বস্ত্যয়ন।

৬) আয়ুৰ্বেদ—ভৈষজ্যাণি, আয়ুষ্যাণি।

৭) জ্যোতিৰ্বেদ—অঙ্ক জ্যোতিষ, ফলিত জ্যোতিষ।

৮) অৰ্থ শাস্ত্ৰ—বেপাৰ বাণিজ্য, (৯) কাম শাস্ত্ৰ।

১০) ন্যায়—দণ্ডনীতি, (১১) সমাজ বিদ্যা।

১২) গৃহকৰ্ম, স্ত্ৰী কৰ্ম—গৃহ্যসূত্ৰৰ মূল অথৰ্ব্ববেদ।

১৩) জন্মান্তৰ বাদ, (১৪) প্ৰায়শ্চিত্ত, (১৫) প্ৰেতত্ত্ব।

১৬) দেহ আৰু আত্মাৰ পাৰ্থক্য, স্থূল দেহ, সূক্ষ্ম দেহ।

১৭) যমৰাজ। (১৮) পিতৃগণ। (১৯) স্বৰ্গ, স্বৰ্গ সুখ।

২০) নৰক। (২১) পাপ-পুণ্যৰ ধাৰণা ইত্যাদি।

অথৰ্ব্ববেদেই ভাৰতক প্ৰথম জাতীয় সঙ্গীত শিকাইছে। এই বেদৰ ১২শ কাণ্ডৰ পৃথিৱী সূক্তটো এটা শ্ৰেষ্ঠ জাতীয় সঙ্গীত। পৃথিৱীৰ এইটোৱেই আটাইতকৈ পুৰণি জাতীয় সঙ্গীত।

অথৰ্ব্ব বেদৰ জাতীয় সঙ্গীত

আৰু অথৰ্ব্ববেদেই ভাৰতক সৰ্ব্বপ্ৰথম বৈজ্ঞানিক দৃষ্টি-ভঙ্গী শিকাইছে।

বৈজ্ঞানিক দৃষ্টি ভঙ্গী

অথৰ্ব্ববেদখন সৌৰ বেদ। এইটো ১৩শ কাণ্ডৰ ৰোহিত সূক্ত পাঠ কৰিলেই পৰিষ্কাৰ কৈ বুজা যায়।

ঋগবেদস্য সমস্তস্য সংস্ফলং ধ্ৰুৱম্ ।
সামবেদ ফলং সাম যজুৰ্বেদ ফলং যজুঃ ।
অথৰ্ব্বাঙ্গিৰসো নিখিলং যচ্ছতে ৱৰিঃ ॥
ভৱিষ্যৎ ১০৬, ৯—১০ ।

সৌৰ ধৰ্ম্মই ভাৰতৰ প্ৰকৃত ধৰ্ম্ম

ড: ভট্টাচাৰ্য্যই কয় :— "উপনিষদ পূৰ্ব্বযুগৰ উচ্চতম দাৰ্শনিক ধ্যানধাৰণা এই সংহিতাতেই পোৱা যায়, আৰু সমগ্ৰ ত্ৰয়ীত একেলগে যি নাই, সিমানখিনি দাৰ্শনিক উপাদান অকল অথৰ্ব্ববেদেই সংগ্ৰহ কৰি থৈছে। অথৰ্ব্ববেদে ভাৰতীয় সংস্কৃতি চাব।

অথৰ্ব্ববেদৰ সৌৰধৰ্মৰ ধাৰক আৰু বাহক দৈৱজ্ঞ ব্ৰাহ্মণ।

সৌৰ ধৰ্মই ভাৰতৰ প্ৰকৃত ধৰ্ম।

Solar worship has been described as the real religion of India (২ পৃঃ ৮৩)।

ওঁ

সূৰ্য্য পূজাই ভাৰতৰ আচল ধৰ্ম। ভাৰতীয় সংস্কৃতিৰ ধ্যান-ধাৰণাৰ মূল সূৰ্য্য। সূৰ্য্য বা মিত্ৰই প্ৰণৱ।

সূৰ্য্যই প্ৰণৱ

As mitra Sun was associated as a member with an early triad, symbolised by the sacred Om, Agni or fire, Vayu, the wind and Mitra. This aspect also was manifested in the Sun as the heavenly fire, and bore corresponding epithets or titles as tripad, "three footed," trivikrama

ত্ৰিদেৱ সূৰ্য্য অগ্নি বায়ু

'three stepping' and others. The last name was appropriated more particularly to Visnu, the Sun as the all pervader, who in three strides traverses the three worlds, earth, heaven and hell. He is invoked also as Pusan, the guardian and preserver of the cattle, the companion of the travellers, and guide of the soul on its perilous way to the lower world. (৩ পৃ-৮৩)

=সূৰ্য্য-মিত্ৰ, অগ্নি আৰু বায়ুৰ সমাহাৰেই ওম্। সূৰ্য্যই স্বৰ্গৰ অগ্নি, ত্ৰিপাদ, ত্ৰিবিক্ৰম। বিষ্ণু-সূৰ্য্যই ত্ৰিবিক্ৰম, তিনি ত্ৰৈলোক্য, স্বৰ্গ, মৰ্ত্ত্য, পাতাল পৰিভ্ৰমণ কৰে। সূৰ্য্য পূষণে গো-ৰক্ষা কৰে। তেওঁ বাটৰুৱাৰ বন্ধু। তেওঁ আত্মাক বিপদসঙ্কুল বাটেদি আধোজগতলৈ লৈ যায়।

অথৰ্ব্ববেদে ওঁ মন্ত্ৰ শিকাইছে

অথৰ্ব্ববেদে "ওঁ" মন্ত্ৰ শিকাইছে।

অনন্ত শয্যাত শুতিয়া আচন্ত চাৰিবেদ বাজ ভৈল নিশ্বাসত হন্তে। ওঙ্কাৰ শবদে অথৰ্ব্ববেদ ভৈলা (৪, পৃ ৯০)।

প্ৰণৱেই সূৰ্য্য

প্ৰণৱেই সূৰ্য্য

যজু জ্যোতিঃ স আদিত্যঃ
এষ ওঁ ইতি এতদ্ আত্মাভৱং, স ত্ৰেধা
আত্মানং ব্যাকুৰত, ওঁ ইতি তিস্ৰ মাত্ৰা,
এতাভিঃ সৰ্ব্বং ইদং ওতং প্ৰোতং

চৈৱাস্মীতি, এৱং হি আহৈতদ্ ৱা আদিত্য
ওঁ ইতি এৱং ধ্যায়ত আত্মানং যুযঞ্জীতেতি।
মৈত্ৰী উপনিষদ ৬ ৪।

সৌ জ্যোতিয়েই আদিত্য। আদিত্যই ওঁকাৰক আত্মা স্বৰূপে গ্ৰহণ কৰিলে। তেওঁ নিজ আত্মাক তিনি ভাগ কৰিলে। (ওঁ ৰ তিনিটা মাত্ৰা অ, উ, ম্)। ইয়াৰেই পৃথিবীক দীঘে পুতলে আদিত্যক আশ্ৰয় কৰি ৰচনা কৰা হৈছে। সেই কাৰণে কোৱা হৈছে, "সাধকে ওঁ ধ্যান কৰি ওঁ তে আত্মলীন হোৱা উচিত"।

অথৰ্ব্ব-বেদৰ দুটা ভাগ ভৃগু আৰু অঙ্গিৰস শান্তঘোৰ

অথৰ্ৱৱেদৰ দুটা ভাগ। এটা ভাগ অথৰ্ৱ আৰু আনটো অঙ্গিৰস। পূৰ্বতে অথৰ্ৱৱেদ অথৰ্ৱাঙ্গিৰস বা ভৃথাঙ্গিৰস (ভৃগু + অঙ্গিৰস) নামে জনাজাত আছিল। ভৃগু গণক বুলিয়েই বিখ্যাত। এওঁৰ ভৃগুসংহিতাত প্ৰত্যেক মানুহৰ সোঁৱৰণী আছে (৫ পৃ ১৫১)। অথৰ্ৱ ভাগক শান্ত বা শুভ আৰু আঙ্গিৰস ভাগক ঘোৰ বুলি কোৱা হয়। ঘোৰ শব্দটোৰ অৰ্থ কলা বা কালান্তক যাদু। আচলতে অঙ্গিৰস ভাগত 'হুইট্‌নিৰ' মতে এটাৰ বাহিৰে অন্য কোনো কালান্তক মন্ত্ৰ নাই (৬ পৃ-১০৩৯)।

পঞ্চৰূপী সৌৰধৰ্ম

পুৰণিৰ নতুনৰ সৈতে মিলন ঘটে। পুৰণিয়ে ত্যাগৰ মাজেদি ন ন ৰূপত আত্মপ্ৰকাশ কৰে। অথৰ্ৱাঙ্গিৰসৰ সৰ্ব্বস্ব সৌৰ ধৰ্ম্মৰ সৈতে মিলিত হয় আৰু সৌৰ ধৰ্মই এই পাচোঁটা ৰূপেৰে প্ৰকাশ পায়।

(১) ওঁকাৰ সূৰ্য্যব্ৰহ্ম সাধনা

(২) যোগ সাধনা

(৩) মন্ত্ৰ সাধনা। মায়া বিদ্যা, মূৰ বিদ্যা। অৰ্থাৎ কুহক, যাদু, মেজিক। Occult Sciences. গুপ্ত সাধনা মন্ত্ৰ সাধনাৰ অন্তৰ্গত।

(৪) জ্যোতিষ তথা গ্ৰহ সাধনা।

(৫) আয়ুৰ্ৱেদ সাধনা।

দৈৱজ্ঞ ব্ৰাহ্মণে সৌৰ ধৰ্ম্মৰ পাঁচোটা ৰূপৰে সাধনা কৰিছিল।

ধ্যান

সৌৰ ধৰ্ম্মৰ মূল, ধ্যান। সেই কাৰণে কোৱা হয় সত্য যুগৰ ধ ধ্যান। সৌৰ ধৰ্ম সত্য যুগৰ ধৰ্ম।

নামে কলি যুগ ধৰ্ম্ম দুৰ্ব্বল নিশ্বয় ॥
সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ কৰে।
দ্বাপৰত সেৱা পূজা কষ্ট ব্ৰত ধৰে ॥ ৭ (৭)।

সৌৰধৰ্মৰ আগম ধৰ্ম্মত পৰিণতি ঘটে।

বৈদিকী শ্ৰুতি তান্ত্ৰিকী শ্ৰুতি

সেই কাৰণে শ্ৰীৰাম আতাই শ্ৰীশ্ৰীশঙ্কৰ গুৰুক কৈছে—
সত্য যুগেও আগম কৰাই চকালা, ত্ৰেতাটো যজ্ঞ, দান তীৰ্থ; ব্ৰত মন্ত্ৰ.......... (৮)।

সৌৰ ধৰ্ম্মৰ পৰাই তান্ত্ৰিক ধৰ্মৰ উৎপত্তি হৈছে। তন্ত্ৰও শ্ৰুতিৰ এটা ভাগ।

শ্ৰুতিশ্চ চ দ্বিৱিধা— ৱৈদিকী তান্ত্ৰিকী চ (৯)।
শুক্ৰ নীতিসাৰে কয়, তন্ত্ৰ অথৰ্ৱৱেদৰ উপৱেদ। যোগ সাধনা, গ্ৰহ সাধনা, মন্ত্ৰ সাধনা, জ্যোতিষ আৰু আয়ুৰ্ৱেদ সাধনা, সকলো শ্ৰুতি অনুমোদিত সাধনা

অৰ্থাৎ মূলতঃ বৈদিক সাধনা।

তন্ত্ৰৰভাগ শুভ ঘোৰ

তন্ত্ৰৰ ভাগ দুটা, এভাগ শুভ বা শান্ত, আনটো ঘোৰ বা বাওঁহতীয়া। দৈৱজ্ঞ ব্ৰাহ্মণৰ সাধনা শুভ তন্ত্ৰৰ ভিতৰুৱা। শুভ তন্ত্ৰই ভক্তি ধৰ্ম্মও শিকাইছে। সেইকাৰণে অসমীয়া বৈষ্ণৱ কৱি সকলে তন্ত্ৰ শাস্ত্ৰ বৈষ্ণৱ শাস্ত্ৰ বুলি প্ৰচাৰ কৰিছিল।

ভক্তি ধৰ্ম্ম

ভাৰতৰ ৰাজনৈতিক পৰিৱৰ্ত্তনৰ লগে লগে দৈৱজ্ঞৰ ভাগ্যৰো বহু পৰিৱৰ্ত্তন ঘটিছে। ইংৰাজ অহাত দৈৱজ্ঞ ব্ৰাহ্মণ ৰাজপুৰোহিত, ৰাজমন্ত্ৰী, ৰাজ সভা পণ্ডিত, ৰাজ জ্যোতিষী আদি হোৱাৰ প্ৰশ্ন নুঠা হ'ল। ইংৰাজৰ কালত দৈৱজ্ঞ ব্ৰাহ্মণৰ থাকি গ'ল :—

১) সূৰ্য্য নাৰায়ণৰ সাধনা
২) যোগ তথা মন্ত্ৰ সাধনা
৩) জ্যোতিষ তথা গ্ৰহ সাধনা
৪) আয়ুৰ্ৱেদ সাধনা
৫) ৰজা ঘৰীয়া বিষয় বাব।

সূৰ্য্য নাৰায়ণ

সূৰ্য্যক বৈষ্ণৱ ধৰ্মৰ বিষ্ণু বা নাৰায়ণৰ সৈতে একে কৰা হ'ল। সেইকাৰণে সূৰ্য্যক সূৰ্য্যৱিপ্ৰই সূৰ্য্য নাৰায়ণ বা বিষ্ণু-সূৰ্য্যৰূপে পূজা কৰিবলৈ ধৰিলে। কোনো কোনো ঘৰ অন্য দেৱ-দেৱী ভক্ত হল।

যোগ সাধনা

যোগ সাধনা নহলে মন্ত্ৰ আৰু জ্যোতিষ সাধনা নিস্ফল। সেই কাৰণেই দৈৱজ্ঞই বাধ্য হৈ যোগ সাধনা কৰিছিল।

আগছোৱাত আয়ুৰ্ৱেদ জ্যোতিষৰ অন্তৰ্গত আছিল। জ্যোতিষী নহলে ভাল চিকিৎসক হব নোৱাৰিছিল। সেইকাৰণে দৈৱজ্ঞ আয়ুৰ্ৱেদ বিপ্ৰই জ্যোতিষ অধিকাৰ কৰি লৈছিল।

গ্ৰহ সাধনা এতিয়াও দৈৱজ্ঞৰ হাতত আছে।

ৰাশি চক্ৰ চিৰন্তন সত্য ঈশ্বৰৰ প্ৰত্যা-দেশ

"ৰাশি চক্ৰই আদিৱেদ, বিস্ময়পূৰ্ণ বৃহত্তম বেদ.... প্ৰকৃত পক্ষে এই ৰাশিচক্ৰই মানৱাত্মাৰ আধ্যাত্ম জগতৰ চিৰন্তন সত্য মাথো ঘোষণা কৰিছে। ....

নভোমণ্ডলত ঈশ্বৰে লেখিলে বাণী নিজ আঙ্গুলিৰে ....ৰাশিচক্ৰৰ চিত্ৰসমূহেই ঈশ্বৰৰ প্ৰত্যাদেশক ভাষাদিছে।"

ৰুদ্ৰ যামলে কয় :—

বৰ্ণামালা সমাক্ৰান্তং ৰাশি নক্ষত্ৰ সংযুতম্।
গ্ৰহ চক্ৰং ভাৱয়িত্বা সৰ্ৱং জয়তি সাধকঃ॥

উত্তৰাৰ্দ্ধ ১৯।২৭

গ্ৰহচক্ৰ সাধনা মুক্তি

= বৰ্ণমালা সমাক্ৰান্ত ৰাশি নক্ষত্ৰ সংযুক্ত গ্ৰহচক্ৰক ধ্যান কৰি সাধকে সৰ্বজয় কৰে। গ্ৰহচক্ৰ প্ৰসাদতেই সাধক জীৱন মুক্ত হয়।

বৃহৎ পৰাশৰ স্মৃতিয়ে কয়ঃ

গ্ৰহাধীনমিদং সৰ্ৱমুৎপত্তি প্ৰলয়াত্মকম্।
জগত্য ভাৱ-ভাৱৌ চৈতস্মাৎ পূজ্যতমা গ্ৰহাঃ॥ ১১।৯৩

= সকলোৰে উৎপত্তি, প্ৰলয়, জগতৰ জন্ম, নাশ সকলো গ্ৰহৰ অধীন। সেইকাৰণে গ্ৰহই পূজ্যতম।

৩০

মোক্ষ দায়ক গ্ৰহ চক্ৰৰ সাধনা এতিয়াও দৈৱজ্ঞৰ একচেতীয়া সাধনা। পূজ্যতম গ্ৰহক আজিও দৈৱজ্ঞই পূজা কৰি আছে।

জন সাধাৰণে দেখিছে সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰবিপ্ৰৰ শাস্ত্ৰ একে, সংস্কাৰ একে, দশকৰ্ম্ম একে অথচ এওঁলোক দুঘৰ আৰু প্ৰশ্ন কৰে এওঁলোক দুঘৰ কেনেকৈ হল ? এই প্ৰশ্নৰ উত্তৰ এইটো—

সূৰ্য্যৱিপ্ৰ	চন্দ্ৰৱিপ্ৰ
১) সৌৰ ধৰ্ম্ম পালন কৰে। অগ্নি সূৰ্য্যৰ ৰূপ। সূৰ্য্যৰ ৰূপ স্বৰূপে অগ্নিযাগ কৰি— শ্ৰৌত যজ্ঞৰ স্থান উঠে। অগ্নিক এজন স্বতন্ত্ৰ দেৱতা বুলি পূজা কৰে, সূৰ্য্য বুলি নহয়।	(১) সৌৰ ধৰ্ম্ম এৰি সোম-যাগত ধৰে। সোমযাগ শ্ৰৌতযজ্ঞ নামে প্ৰৱল হৈছিল। এই ধৰ্ম্মত উচ্চ নাছিল। সোমৰসেৰে অগ্নিত আহুতি আৰু সামগান গাই সূৰ্য্য পূজা কৰা হৈছিল।
২) উপাস্য দেৱতা সূৰ্য্য। সূৰ্য্য পৰম ব্ৰহ্ম।	(২) প্ৰথমতেই ইন্দ্ৰ প্ৰধান দেৱতা বুলি মানিছিল। পিচত সোমক ৰজা বুলি গ্ৰহণ কৰে।
৩) মন্ত্ৰ সাধনা, সকলো প্ৰকাৰ গুপ্ত সাধনা, মায়া বিদ্যা, মূৰ বিদ্যা, সৰ্ব প্ৰকাৰ Occult Science, গুপ্ত সাধনা।	(৩) চন্দ্ৰৱিপ্ৰৰ ধৰ্ম্মত এই বিলাকৰ স্থান নাছিল। চন্দ্ৰৱিপ্ৰই এইবিলাকৰ বিৰোধিতা কৰিছিল।
৪) জ্যোতিষ সাধনা।	৪) চন্দ্ৰৱিপ্ৰৰ ধৰ্ম্মত ত্ৰিস্কন্ধ জ্যোতিষৰ স্থান নাই।
৫) গ্ৰহ যাগ।	৫) গ্ৰহ যাগৰ স্থান নাছিল।
৬) আয়ুৰ্বেদ সাধনা।	৬) আয়ুৰ্বেদ সাধনাৰ স্থান নাছিল।
৭) বিজ্ঞান (Science)ৰ সাধনা কৰিছিল।	৭) কলা (humanities)ৰ সাধনা কৰিছিল।
৮) গৃহকৰ্ম স্ত্ৰীকৰ্ম সম্পাদন। এইবিলাকৰ গুপ্ত সাধনাৰ সৈতে ওত প্ৰোত সম্বন্ধ	৮) পৌৰাণিক দেৱ-দেৱীৰ পূজা কৰিছিল।
৯) জনগণৰ বন্ধু।	৯) আঢ্যৱন্ত জনৰ বন্ধু।
১০) বৈদিক কৰ্ম কৰে।	১০) প্ৰেত কৰ্ম কৰে।

সূৰ্য্য-ৱিপ্ৰৰ অগ্নি সূৰ্য্যৰ প্ৰতীক

স্কলাৰৰ মতে সোমযাগৰ জন্ম ইন্দো-ইৰাণীয় যুগতে হৈছিল। ইৰাণী অগ্নিযাগ আৰু চন্দ্ৰৱিপ্ৰৰ অগ্নিযাগৰ মাজত প্ৰভেদ সামান্য। ইৰাণী অগ্নিযাগ আৰু সূৰ্য্যৱিপ্ৰৰ অগ্নিযাগৰ মাজত বহুত পাৰ্থক্য আছে। সূৰ্য্য-ৱিপ্ৰই অগ্নিক সূৰ্য্যৰ ৰূপ বা প্ৰতীক বুলি পূজা কৰিছিল।" ইৰাণীসকলে আৰু চন্দ্ৰৱিপ্ৰই অগ্নিক

বৰ্ণাশ্ৰম ধৰ্ম্ম

এজন স্বতন্ত্ৰ দেৱতা বুলি পূজা কৰিছিল। সোমযাগ আৰু অগ্নিযাগ ইন্দো-ইৰাণৰ বস্তু, ভাৰতত জন্ম লোৱা বস্তু নহয়। স্কলাৰে কয় ব্ৰাহ্মণ্য ধৰ্মটোৱেই বিদেশী বস্তু।[১২] আনকি বৰ্ণাশ্ৰম ধৰ্মটো নেকি অসুৰ কপিলে প্ৰৱৰ্ত্তন কৰিছিল।[১৩] প্ৰথমতে আৰ্য্যবিলাকে ইয়াৰ বিৰোধিতা কৰে কিন্তু পিচত অসুৰৰ পৰা গ্ৰহণ কৰে।

অথৰ্ৱৱেদৰ বিষয়ে আনকি শিক্ষিত মানুহৰ মাজতো অতি ভ্ৰান্ত ধাৰণা শিপাইছে। এওঁলোকেও বিশ্বাস কৰে যে অথৰ্ৱৱেদখন ভূত-প্ৰেতৰ বেদ। এই বেদৰ শিক্ষা কিমান উচ্চস্তৰৰ ওপৰত স্পষ্টকৈ দাঙ্গি ধৰা হৈছে। হিন্দুৰ আচল বেদ অথৰ্ৱৱেদ। "ত্ৰয়ী"ৰ বিষয়ে মানুহৰ মাজত যি ধাৰণা প্ৰচলিত সেই ধাৰণাও ভ্ৰান্ত।[১৪]

হিন্দুৰ আটাইবিলাক গৃহ্যকৰ্ম্ম অথৰ্ববৈদিক, দশ-সংস্কাৰ অথৰ্ববৈদিক। এশতকৈয়ো অধিক গৃহ্যসূত্ৰ ৰচনা কৰা হৈছিল। আটাইবিলাক অথৰ্ৱৱেদৰ ওপৰত প্ৰতিষ্ঠিত। য'তেই ৰহস্য আছে, গুহ্য কৰ্ম আছে, কুহক আছে, অতি মানৱীয় শক্তিৰ প্ৰয়োগ আছে, ত'তেই অথৰ্ৱৱেদ আছে। আজি যিবিলাক বৈদিক বুলি জনসাধাৰণে বিশ্বাস কৰি আহিছে, সেইবিলাকৰ অধিকাংশই অথৰ্ৱবৈদিক বা তান্ত্ৰিক। কোনখিনি বৈদিক কোনখিনি অথৰ্ৱবৈদিক বা তান্ত্ৰিক সিপৃষ্ঠাত উল্লেখ কৰা হ'ল।

বৈদিক	অথৰ্ৱবৈদিক বা তান্ত্ৰিক
১। সোম বা শ্ৰৌতযজ্ঞ	১। যন্ত্ৰ ২। মন্ত্ৰ ৩। প্ৰতিমা
২। সোম ৰসৰ ব্যৱহাৰ	৪) লিঙ্গ ৫) শালগ্ৰাম ৬) ন্যাস
৩। মাংস বলি	৭) জপ ৮) পূজা ৯) স্তোত্ৰ
৪। বেদ মন্ত্ৰ আবৃত্তি	১০) কৱচ ১১) যোগ ১২) ধ্যান ১৩) শান্তি-স্বস্ত্যয়ন

তেন্তে বৈদিক বুলিবলৈ কি আছে? আজি বৈদিক পূজা বুলিবলৈ একো নাই। আজিৰ হিন্দু ধৰ্মৰ বৈশিষ্ট্য এইটোৱেই যে পৌৰাণিক পূজাৰ বাহিৰে, অন্য সকলো পূজা হোম বেদ-মন্ত্ৰেৰে সম্পাদন কৰা হয় কিন্তু প্ৰয়োগ অথৰ্ৱবৈদিক তথা তান্ত্ৰিক। তন্ত্ৰয়ো "বেদ প্ৰমাণ" বুলি মানি লৈছে।

দৈৱজ্ঞ সকলোৰে বন্ধু

সকলোৰে কি ৰজা, কি প্ৰজা, কি ধনী, কি দুখীয়া দৈৱজ্ঞৰ প্ৰয়োজন আছিল। চন্দ্ৰৱিপ্ৰ নহলে মানুহৰ হয়তো চলিছিল কিন্তু সূৰ্য্যৱিপ্ৰ নহলে প্ৰাচীন লোকৰ জীৱন অচল হৈ পৰিছিল। দৈৱজ্ঞ সকলোৰে পৰম বন্ধু আছিল। সেইকাৰণে দৈৱজ্ঞৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী আছিল। প্ৰাচীন ভাৰতবৰ্ষক গ্ৰহই আৰু গ্ৰহ সাধক দৈৱজ্ঞই শাসন কৰিছিল বুলি কলে অত্যুক্তি কৰা নহয়। সেইকাৰণে অথৰ্ৱাঙ্গিৰস সকলৰ দিনৰ পৰাই সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰৱিপ্ৰৰ মাজত অৰিয়া-অৰি চলি আহিছিল। অৰিয়া অৰিৰ মূলত অৰ্থনৈতিক স্বাৰ্থও আছিল। শ্ৰৌত যজ্ঞবিলাক অত্যন্ত ব্যয়-সাধ্য

আছিল আৰু বহুকাল ধৰি চলিছিল। সেইকাৰণে শ্ৰৌত যজ্ঞ কমকৈ হৈছিল আৰু শেষত লোপ পালে। কিন্তু গৃহ্য-কৰ্ম্ম গ্ৰহযাগ যি কোনো গৃহস্থই কম খৰচতে কৰিব পাৰিছিল। আৰু এইবিলাকৰ লগতে জ্যোতিষ চৰ্চ্চা দৈৱজ্ঞৰ নিত্য-নৈমিত্তিক কৰ্ত্তব্য আছিল। সত্য যুগৰ পৰাই মন্ত্ৰ-পৰাগ, গ্ৰহ সাধক আৰু জ্যোতিষ সাধক আৰু ভক্তি ধৰ্ম সাধক দৈৱজ্ঞক সকলোৱে সাদৰে বৰণ কৰি আহিছে আৰু অকাতৰে ভক্তি শ্ৰদ্ধা আগবঢ়াই আহিছে। সকলোৰে সমাদৰ লাভ কৰিছে

প্ৰমাণৱলী :—

১। Encyclopaedia Americana vol. 27, 1969ed
২। Encyclopaedia of Religion and Ethics Vol. 12, 1969
৩। ঐ
৪। অসমীয়া সাহিত্যৰ চানেকি ১ম খণ্ড পৃ-৯০। বিশ্বাসৰ ঠাইত নিশ্বাস হব লাগে।
৫। Benjamin Walker : Hindu World
৬। Whitney : Atharva Veda পৃ ১০৩৯
৭। সাৰ্ব্বভৌম ভট্টাচাৰ্য্য : পদ্মপুৰাণ, স্বৰ্গখণ্ড পৃ-২
৮। কথা গুৰু চৰিত।
৯। (ক) প্ৰঃ সত্যেন্দ্ৰ নাথ সেন : মনুসংহিতা-২ অ পৃ-২
(খ) Dr. Radhakrisnan : Religion And Society পৃ—১০৯।

১০। H. B. Hannah : Indo-Aryan origins. Journal of The Dept. of Letters Vol. III, 1920, পৃ-১০৮ আৰু পৃ-১১৬।

১১। যথা ঋগ্ বেদ ১।৯৮।২

১২। Todd : History of Rajput Races পৃ-৩৪।

১৩। Kane, History of Dharmasastra. Vol. II পৃ-৪১৭। বৌধায়ন স্মৃতি ৬।৩১।

১৪। (ক) অথৰ্ব্ববেদ সংহিতা ১ম ভাগ, ভূমিকা পৃ-১ পৃ-৫ দ্ৰষ্টব্য। ভাষ্যকাৰ, পঃ শ্ৰীজয়দেৱ শৰ্ম্মা বিদ্যালঙ্কাৰ, মীমাংসাতীৰ্থ; প্ৰকাশক, আৰ্য্য সাহিত্য মণ্ডল, অজমেৰ।

১৪। (খ) অমূল্য চৰণ বিদ্যাভূষণঃ ভাৰত-সংস্কৃতিৰ উৎস-ধাৰা পাদটীকা পৃ ১৯১-২ দ্ৰষ্টব্য।

১৫। Dr. Karambelkar : The Atharva Vedic Civilization pp 234—5.

(৪) ৰাজপুৰোহিত দৈৱজ্ঞ

দৈৱজ্ঞ ব্ৰাহ্মণৰ অথৰ্বাঙ্গিৰস শাস্ত্ৰত একচেতীয়া অধিকাৰ আছিল। সেইকাৰণে ৰজাই দৈৱজ্ঞক পুৰোহিত বৰণ কৰিছিল।

"The king who rules the country shall seek a wise Brahmana. He verily is wise who is skilled in the Bhrgvangirasas for the Bhrigu and Angiras act as a charm against all ominous occurrences and protect every thing." Rajkarmani, kingly functions were the special charge of the Atharvanas performing s'rauta ritual but as a subordinate duty. (১-পৃ ৫৩)।

ৰাজ কৰ্মাণি

"ৰাজকৰ্ম্মাণি" একমাত্ৰ অথৰ্বণ দৈৱজ্ঞ ব্ৰাহ্মণে জানিছিল। চাণক্যই অৰ্থশাস্ত্ৰত নিৰ্দেশ দিছে,

"যিজন উচ্চ বংশজাত আৰু বেদাঙ্গত সুপাৰঙ্গত দৈৱ আৰু আকস্মিক উৎপাত চোৰাত পটু, দণ্ড নীতিত সুপণ্ডিত আৰু অথৰ্ববেদোক্ত বিধানেৰে দৈৱ আৰু মানুষিক উৎপাত প্ৰশমন কৰিব জানে, ৰজাই তেওঁক বৰ পুৰোহিত কৰা উচিত। ছাত্ৰই যেনেকৈ শিক্ষকক, পিতাই যেনেকৈ পুত্ৰক, দাসে প্ৰভুক, তেনেকৈ ৰজাই তেওঁক মানি চলিব।" (২)।

চাণক্যৰ নিৰ্দেশ

দৈৱজ্ঞৰ আৰু গুণ আছিল। যাজ্ঞৱল্ক্যই নিৰ্দ্দেশ দিছে—

পুৰোহিতঙ্কুৰ্ব্বীত দৈৱজ্ঞ মুদিতোদিতম্।
দণ্ডনীত্যাঞ্চ কুশলমথৰ্বাঙ্গিৰসে তথা ॥
যাজ্ঞৱল্ক্য স্মৃতি ১, ৩১৩।

যাজ্ঞৱল্ক্যই দৈৱজ্ঞক পুৰোহিত কৰিবলৈ নিৰ্দ্দেশ দিছে

বীৰমিত্ৰদেয় টীকাই কৈছে—

পুৰোহিতং সৰ্বত্ৰ দৃষ্টে অদৃষ্টে চ কাৰ্য্যে পুৰতো নিহিতং দান সংকাৰাদিভিৰাত্মীয়ং কুৰ্ব্বীত। কীদৃশং দৈৱজ্ঞং গ্ৰহোৎপত্তি তচ্ছ শমনাদেঃ জ্ঞাতাৰং উদিতৈঃ শাস্ত্ৰোক্তৈৰ-ৰধ্যায়নানুষ্ঠানদিভিৰুদিতম ভ্যূদয়শালিনং দণ্ডনীত্যামৰ্থ-শাস্ত্ৰা থৰ্বাঙ্গিৰসে অভিচাৰ শান্তিক প্ৰধানোথৰ্বভাগ বিশেষে চ কুশলং নিপুণম্। তথা শব্দেন ত্ৰয়ীসমূচ্চয়ঃ প্ৰথম চকাৰেণ. মন্ত্ৰিযুক্তযা গুণস্য দ্বিতীয় চকাৰেণা হহ ন্বীক্ষিক্যাঃ সমুচ্চয়ঃ।

এইবিলাক গুণৰ অধিকাৰী হৈ হে দৈৱজ্ঞ পুৰোহিত হৈছিল—

১। গ্ৰহ উৎপাত প্ৰশমন কৰাত সিদ্ধহস্ত।
২। অথৰ্বাঙ্গিৰসপ্ৰোক্ত অভিচাৰ শান্তি কৰাত কুশল
৩। ঋগ্-যজুঃ-সাম-অথৰ্ব চাৰিও বেদত পাৰ্গত।
৪। আন্বীক্ষিকী, ন্যায় দৰ্শন, সাংখ্য, যোগত পাৰঙ্গত
৫। দণ্ডনীতিত নিপুণ।

দৈৱজ্ঞ সৰ্বশাস্ত্ৰ বিশাৰদ

প্ৰাচীন কালত পুৰোহিতৰ স্থান অতি উচ্চ আছিল। ডঃ বসুৱে কয়—

Every king or noble had his domestic priest or chaplain who also functioned as the chief adviser or Prime Minister of the king in matters both temporal and spiritual. He used to precede the king both physically and metaphorically. He used to advise the king on important social, political and religious issues and show the way ……….

ডঃ যোগী ৰাজ বসুৰ মত

The Brahmana texts constantly stress the importance of a Brahmin minister or purohita for the purposes of administration ; he was indispensable to the king and the king had to seek his advice in all important matters relating to govt. in times of both peace ane war. In the post vedic age Canakya or Kautilya the Chief Minister of Emperor Chandragupta Maurya is a glowing instance of this system of Govt. He was a brahmin and in fact, he was the chief architect of the Maurya empire—(3)

ডঃ বসুৱে কয় পুৰোহিত প্ৰধান

—প্ৰত্যেক ৰজা বা ডাঙ্গৰীয়াৰ নিজাকৈ একোজন পুৰোহিত আছিল। তেওঁ ৰজাৰ প্ৰধান উপদেষ্টা বা প্ৰধান মন্ত্ৰী আছিল। তেওঁ ৰজাক ইহলৌকিক আৰু আধ্যাত্মিক সকলো বিষয়ে উপদেশ দিছিল। তেওঁ

ৰজাৰ আগে আগে ফুৰিছিল। তেওঁ সকলো মুখ্য সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় সমস্যাৱলীৰ বিষয়ে দিহা দিছিল আৰু বাট দেখুৱাইছিল। ব্ৰাহ্মণ সাহিত্যই অনুক্ষণ ৰাজ্য শাসনাৰ্থে ব্ৰাহ্মণ মন্ত্ৰী বা পুৰোহিত ৰখাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। তেওঁ ৰজাৰ অপৰিহাৰ্য্য অছিল আৰু ৰজাই যুদ্ধ আৰু শান্তি আদি গুৰুত্বপূৰ্ণ বিষয়ত তেওঁৰ উপদেশ লব লগাত পৰিছিল। বৈদিকোত্তৰ যুগৰ সম্ৰাট চন্দ্ৰগুপ্তৰ প্ৰধান মন্ত্ৰী চাণক্য বা কৌটিল্য এনেকুৱা ৰাজ্য শাসন পদ্ধতিৰ জ্বলন্ত উদাহৰণ। তেওঁ ব্ৰাহ্মণ আছিল আৰু মৌৰ্য্য সম্ৰাজ্যৰ মূখ্য স্থপতি আছিল…………

উপদেষ্টা বা প্ৰধান মন্ত্ৰী আছিল

পুনৰ দৈৱজ্ঞবিলাক আছিল জ্যোতিষত পাৰ্গত, ত্ৰিকালজ্ঞ। ত্ৰিকালজ্ঞ নহলে কোনো ৰাজপুৰোহিত হব নোৱাৰিছিল। ত্ৰিকালজ্ঞ দৈৱজ্ঞ নহলে ৰাজকাৰ্য্যও চলোৱা সম্ভৱপৰ নাছিল। সেইকাৰণে ৰজাই সদায় ৰাজ সভাত ত্ৰিকালজ্ঞ আৰু শ্ৰুতাধ্যয়ন সম্পন্ন দৈৱজ্ঞ ৰাখিছিল। বিষ্ণুৱে কৈছে—

"ৰজা সকলো কামত দৈৱজ্ঞৰ অধীন হৈ থকা উচিত।" (৪)।

দৈৱজ্ঞ আছিল দণ্ডনীতিত নিপুণ, সৰ্ব্বশাস্ত্ৰ বিশাৰদ, "ৰাজ কৰ্ম্মত" দক্ষ, দৈৱোৎপাতক চিন্তক মায়াজাল ৰচনা কৰাত কুশল আৰু ত্ৰিকালজ্ঞ। অদিতে জ্যোতিষৰ লগত আয়ুৰ্ব্বেদ ওতপ্ৰোত ভাবে জড়িত অছিল।

অধীন হৈ থকা উচিত

সেইকাৰণে দৈৱজ্ঞই আয়ুৰ্বেদো জানিছিল। সেই কাৰণেই বিষ্ণুৱে ৰজাক দৈৱজ্ঞৰ কথা মানি চলিবলৈ নিৰ্দ্দেশ দিছে। হিন্দু ৰাজত্বৰ অভ্যুত্থানৰ পৰাই ৰজাৰ কোনোদিন দৈৱজ্ঞ নোহোৱাকৈ চলা নাছিল। ঐতিহ্য মতে বৃদ্ধগৰ্গ পৃথুৰজাৰ দৈৱজ্ঞ আছিল। যুধিষ্ঠিৰৰ ৰাজ-সভা দৰ্শন কৰোঁতে নাৰদে যুধিষ্ঠিৰক সুধিছে :—

নাৰদ যুধিষ্ঠিৰৰ ৰাজসভা

"তোমাৰ দৈৱজ্ঞ অঙ্কবিদ্যাত, জ্যোতিষত, আৰু উৎপাত শান্তি কৰাত পাৰ্গতনে? হোৰা, গণিত আৰু সংহিতাত সুপণ্ডিত দৈৱজ্ঞ বিজয়াকাঙ্খী ৰজাৰ পূজনীয়।"

দৈৱজ্ঞৰ স্থান অদ্বিতীয়

(৫) দৈৱজ্ঞৰ স্থান আছিল সমাজত অদ্বিতীয়, কিয়নো ৰজাও আছিল দৈৱজ্ঞাধীন, প্ৰজাও আছিল দৈৱজ্ঞাধীন। সমাজত দৈৱজ্ঞৰ অনুজ্ঞা বিনা কোনো কাম সম্পন্ন হব নোৱাৰিছিল। আনকি যুদ্ধ-বিগ্ৰহ, সন্ধি-শান্তি ৰজাই দৈৱজ্ঞৰ নিৰ্দ্দেশমতেহে কৰিছিল। দৈৱজ্ঞ আছিল সৰ্ব্বত্ৰ বৰণীয়, সৰ্ব্বত্ৰ পূজিত।

বহু সাধনৰ ফলত দৈৱজ্ঞ হোৱাৰ সৌভাগ্য লাভ কৰিছিল

চমুকৈ বহু সাধনাৰ বলতহে ব্ৰাহ্মণ দৈৱজ্ঞ হব পাৰিছিল। এই বিলাক বিষয়ত অধিকাৰী হব নোৱাৰিলে কোনো দৈৱজ্ঞ হব নোৱাৰিছিল।

১) অথৰ্বাঙ্গিৰস বা ভৃগ্বাঙ্গিৰস
২) ঋগ্-যজুঃ— সামবেদ
৩) গ্ৰহ-উৎপাত শাসনত পাৰ্গত
৪) অথৰ্ব্ববেদোক্ত অভিচাৰ শান্তিত সিদ্ধহস্ত।

৫) দণ্ডনীতিত কুশল
৬) আন্বীক্ষিকি, ন্যায়দৰ্শন, সংখ্যা, যোগ
৭) জ্যোতিষ
৮) আয়ুৰ্বেদ

সেই কাৰণে দৈৱজ্ঞ হব পৰা বৰ টান আছিল। যি সকলে সিদ্ধিলাভ কৰিছিল তেওঁলোকহে দৈৱজ্ঞ হোৱাৰ সৌভাগ্য লাভ কৰিছিল।

ৰাজমন্ত্ৰীও দৈৱজ্ঞ হলেহে হব পাৰিছিল। চাণক্য এনেয়ে ৰাজমন্ত্ৰী হোৱা নাছিল। দৈৱজ্ঞৰ গুণাৱলীৰ তেওঁ অধিকাৰী আছিল। তেওঁ জ্যোতিষী আৰু চিকিৎসক আছিল।

"Chanakya appears in our horizon in Taxila, where I am told, he is found practising medicine, when the curtain lifts. For a Brahman of his distinguished rank these are suspicious circumstances" ৬

চাণক্যই এইবিলাক বিষয়ৰ শিক্ষাদিয়াৰ ব্যৱস্থা দিছিল :— (১) আন্বীক্ষিকি (২) ত্ৰয়ী (৩) বাৰ্ত্তা (৪) দণ্ডনীতি (৫) সামুদ্ৰিক বিদ্যা (৬) যাদু বিদ্যা (৭) বৰ্ণাশ্ৰম ধৰ্ম (৮) দৈৱোৎপাত ইত্যাদি। অৰ্থশাস্ত্ৰ দ্ৰষ্টব্য।

আয়ুৰ্বেদ, জ্যোতিষ, সামুদ্ৰিক বিচাৰ, বাৰ্ত্তা যাদু, দৈৱোৎপাত, যোগ সাধনা অথৰ্ববেদৰ ভিতৰুৱা বস্তু। বিজয় চন্দ্ৰ ঘোষ চৌধুৰীয়ে কয়, চাণক্য দৈৱজ্ঞ আছিল।

অকণো সংশয় নাই, চাণক্য দৈৱজ্ঞৰ ঘৰৰ পৰা ওলাই আহিছিল, নহলে ৰাজমন্ত্ৰী হব নোৱাৰিলেহেঁতেন ।

দৈৱজ্ঞ শব্দটোৰ প্ৰথম উৎপত্তি কেতিয়া হ'ল সঠিক জনা নাযায় । চাণক্যই "দৈৱ উৎপাতৰ" কথা উল্লেখ কৰিছে । গৌতম স্মৃতিয়ে কৈছে " দৈৱোৎপাতক চিন্তকৰ কথা ৰজাই সাদৰে শুনা উচিত " (৭) । এইখন স্মৃতি অতি প্ৰাচীন, ৬০০—৪০০ খৃঃ পূঃ ৰ হব পাৰে । বুদ্ধ জন্মৰ আগতো " দৈৱজ্ঞ " নামেৰে " দৈৱ-ৱিপ্ৰ " জনাজাত আছিল । শুক্ল যজুৰ্বেদে যথাক্ৰমে ৩০।১০, ৩০।২০ আৰু ৩০।১৫ মন্ত্ৰত " নক্ষত্ৰ দৰ্শ ", " গণক " আৰু "সাংৱৎসৰিক" ৰ উল্লেখ কৰিছে । শুক্ল যজুৰ্বেদৰ কাল খৃঃ পূঃ ৮০০ অব্দ ধৰা হয় । সেই কাৰণে অন্ততঃ খৃঃ পূ: ১০০০ অব্দত " দৈৱজ্ঞ " শব্দটোৰ জন্ম হৈছে বুলি ধৰিব পাৰি । পুৰাণত " দৈৱজ্ঞ" শব্দটো সুলভ । বায়ুপুৰাণ এখন প্ৰাচীনতম পুৰাণ বুলি গৃহীত। বায়ু পুৰাণৰ মতে,

ছন্দোজাত, যজ্ঞভাগৰ অধিকাৰী দেৱতাতকৈয়ো পৰম দেৱতা, সাধ্য নামৰ মহাভাগ সকলেই দৈৱজ্ঞ আছিল । (৮) ।

দৈৱজ্ঞসকল দৈৱবিদ, দৈৱৱিপ্ৰ, দৈৱক ৱিপ্ৰ (৯) নামেও জনাজাত আছিল । ব্যাঘ্ৰপদ স্মৃতিয়ে দৈৱৱিপ্ৰ, অথৰ্বণৱিপ্ৰ বুলি কৈছে :—

যথাক্ৰমে দৈৱৱিপ্ৰ, অথৰ্বণৱিপ্ৰ আৰু ঋগ-যজুঃ সামবেদীক শ্ৰাদ্ধত নিযুক্ত কৰা উচিত । (১৭) ।

বৰঙ্গী ৰজাসকলৰ পুৰোহিত অথৰ্বাঙ্গিৰসনিপুণ দৈৱজ্ঞ আছিল । আহোম ৰজা সকলৰ ৰাজমন্ত্ৰী আৰু ৰাজপুৰোহিত আহোমৰ বাহিৰে অনা আহোম হব নোৱাৰিছিল । তথাপিও মজিন্দাৰ বৰুৱা মন্ত্ৰীকল্প আছিল । দৈৱজ্ঞৰ কথা সকলোৱেই বেদবাক্যৰ দৰে মানিছিল । [১১] ।

দৈৱজ্ঞ শ্ৰেষ্ঠ ব্ৰাহ্মণ ।

প্ৰণামাৱলী ঃ=

(১) Dr. K. R. Munshi : The Glory That was Gurjarades'a Vol. I. old. ed.

(২) (ক) Shamashastry : Kautilya' Arthas'astra

পুৰোহিত মুদিত কুলশীলং ষড়ঙ্গে বেদে দৈৱ নিমিত্তে দণ্ডনীতাং চাভিৱীনীতমাপদাং দৈৱ মানুষীনামৰ্থৱভি ৰুপায়ৈশ্চ প্ৰতিক ৰং কুৰ্ৱীত । তমাচাৰ্য্যং শিষ্যঃ পিতৰং পুত্ৰো ভৃত্যঃ স্বামিনমিৱ চানুৱৰ্ত্তেত ।

(খ) Dr. Karambelkar : The Atharva Vedic Civilization. P. 231. দ্ৰষ্টব্য ।

৩। Dr. J.R. Basu : India in The Age of The Brāhmaṇas p p 25–26,

৪। ৰাজা চ সৰ্ৱেষু কালেষু সংৱৎসৰাধীনঃ স্যাৎ ।
ৱিষ্ণু-৫৩ ।

৫। কচ্চিদঙ্গেষু নিষ্ণাতো জ্যোতিষাং প্ৰতিপাদকঃ ।
উৎপাতেষু হি সৰ্ৱেষু দৈৱজ্ঞঃ কুশলস্তৱ ।।

যস্তু সম্যগ্ ৱিজানাতি হোৰা-গণিত-সংহিতাঃ।
অভৰ্চ্চাঃ স নৰেন্দ্ৰেণ স্বকৰ্ত্তৱ্য জয়ৈষিণা।

মহাভাৰত সভা, ৫।

৬। Dr. Spooner : The Zoroastrian Period Of Indian History JR AS 1915 P 418 ff.

৭। যা'নি চ দৈৱোৎপাতক চিন্তকাঃ প্ৰব্ৰুয়ুস্তান্য দ্ৰিয়েত তদধীনমপি হি একো যোগক্ষেমং প্ৰতিজানতে শান্তিপুণ্যাহ স্বস্ত্যয়না য়ুষামঙ্গল সংযুক্তানি অভ্যু-দয়িকানি ৱিদ্বেষিণাং সম্বলনমভিচাৰ দ্বিষদ্ ৱ্যাধি সংযুক্তা'নি চ শালাগ্ৰৌ কুৰ্য্যাৎ।

গৌতম স্মৃতি, ১১ অধ্যায়।

৮। সাধ্যা নাম মহাভাগা ছন্দোজাঃ যজ্ঞভাগিনঃ ॥
দেৱেভ্যস্তান্ পৰান্ দেৱান্ দেৱজ্ঞাঃ পৰিচক্ষিৰে ॥

বায়ু ৮, ৪৪।

৯। Daivka or Daivajna Astrologer class of Brahmanas, Balfour : The Cyclopaedia of India And of Eastern And Southern Asia,

১০। দ্বৌ দৈৱাথৰ্ৱণৌ ৱিপ্ৰৌ ঋগ্‌যজুঃ সামৱেদিনঃ।
ক্ৰমাৎ শ্ৰাদ্ধে নিযুংক্তেচ ৱ্যাঘ্ৰস্য ৱচনং তথা ॥

ৱ্যাঘ্ৰপদস্মৃতি--১৮৩।

১১। চলিহা : মহাবীৰ লাচিত বৰফুকন পৃ-১৯।

প্ৰাচীন ভাৰতত সূৰ্য্য পূজা

সৌৰকৃষ্টিয়েই পৃথিৱীৰ আটাইতকৈ পুৰণি কৃষ্টি। এইটো কৃষ্টিক ইলিয়ট স্মিথে (Elliot Smith) হেলিয় লিথিক (Helio lithic) কৃষ্টি নাম দিছে। এইটো নতুন প্ৰস্তৰ যুগ (Neolithic)ৰ কৃষ্টি। এই কৃষ্টিয়ে ভূমধ্য সাগৰৰ অধিবাসীসকলৰ মাজেদি ভাৰত সুদূৰ ভাৰত অতিক্ৰম কৰি প্ৰশান্ত সাগৰ পাৰ হৈ মেক্সিকো আৰু পেৰু প্লাৱিত কৰিছিল। এইছ জি ৱেলছে এই কৃষ্টিৰ বৈশিষ্ট্যৰ বিষয়ে এই বুলি কৈছে— সৌৰ শৈল কৃষ্টি

It reached through all the regions inhabited by the brunet Mediterrancan race, and beyond through India, Further India, upto the Pacific Coast of China, and it spread at last across the Pacific and to Mexico and Peru.

This peculiar development of the Neolithic culture, which Elliot Smith called the heliolithic ("Sun-stone") culture, included many or all of the following odd practices : (1) circum-cision, (2) the queer custom of sending the father to bed when a child is born known as couvade, (3) the practice of massage, (4) the making of mummies, (5) mega lithic monuments (e. g. stonehenge) (6) artificial deformation of the heads of the young

by bandages, (7) tatooting, (8) religious association of the sun and the serpent, (9) the use of the symbol known as the swastick for good luck.

Elliot Smith traces these associated practices in a sort of constellation all over this great Mediterrancan-Indian Ocean-Pacific area.

For thousands of years, from 15,000 at 1000 B.C. such a heliolithic Neolithic culture and its brownish possessor may have been oozing round the globe through the warmer regions of the world, drifting by canoes often across wide stretches of sea. It was then the highest culture in the world ; it sustained the longest, most highly developed communities.

The first civilizations in Egypt and the Euphrates - Tigris Valley probably developed directly out of the widespread culture.

=এই কৃষ্টিৰ এইবিলাক বিশেষত্ব আছিল :

সৌৰ শৈল কৃষ্টিৰ বৈশিষ্ট্য

(১) জননেন্দ্ৰিয়ৰ চাল কটা (২) সন্তান ওপজা কালত পিতৃৰ শয্যা গ্ৰহণ (৩) গা-টিপা (অঙ্গ মৰ্দন) (৪) মৃত দেহ ৰক্ষণ (৫) ববশিলৰ স্মৃতি স্তম্ভ (৬) পটি বান্ধি কেচুৱাৰ মূৰ বিকৃত কৰণ (৭) বেজিৰে দেহাত ছবি আঁকা (৮) সূৰ্য্য আৰু সৰ্পৰ ধৰ্মীয় সংসৰ্গ (৯) সৌভাগ্যৰ অৰ্থে স্বস্তিকৰ ব্যৱহাৰ। হাজাৰ হাজাৰ বছৰ ধৰি ১৫০০০ খৃঃ পূঃৰ পৰা ১০০০ খৃঃ পূঃ লৈকে এই সৌৰ কৃষ্টিৰ কপিল বৰণীয়া অধিকাৰীসকলে বিস্তৃত

সাগৰ অতিক্ৰম কৰি পৃথিৱী পৰিভ্ৰমণ কৰিছিল। সেই কালত এইটো পৃথিৱীৰ উচ্চতম কৃষ্টি আছিল আৰু দীৰ্ঘকাল ধৰি আটাইতকৈ উন্নত সমাজ বিলাকক পুষ্টি যোগাইছিল।

মিছৰৰ আৰু ইউফ্ৰেটিছ-টাইগ্ৰিছ উপত্যকাৰ সভ্যতা বোধকৰো এই বহল ভাবে ব্যাপ্ত সৌৰ কৃষ্টিৰ পৰাই জন্ম লাভ কৰিছিল।

সৌৰ কৃষ্টি ভাৰতৰ প্ৰাচীনতম কৃষ্টি

ভাৰতবৰ্ষৰো প্ৰাচীনতম্ কৃষ্টি সৌৰ কৃষ্টি। ইয়াৰ বহু প্ৰমাণ পোৱা গৈছে। আদিতে সূৰ্য্যক মানুহ বুলি কল্পনা কৰি মূৰ্ত্তি সাজি পূজা কৰা নহৈছিল। নানাটা প্ৰতীকৰ আলমলৈ সূৰ্য্য পূজা কৰা হৈছিল। নৱ প্ৰস্তৰ যুগত সূৰ্য্যৰ প্ৰতীক আছিল প্ৰধানতঃ (১) উঠি অহা বেলিৰ ছবি (২) ৰশ্মিযুক্ত তৰা (৩) স্বস্তিক আৰু (৪) চকা।

শিলত অঙ্কিত সূৰ্য্যৰ চিত্ৰ

মধ্যপ্ৰদেশৰ ৰায়গড়ৰ কাষৰ সিঙ্ঘনপুৰ গাৱঁৰ ওচৰৰ শিলা এখনত উদিত সূৰ্য্যৰ ছবি পোৱা হৈছে।

বেলাৰি জিলাৰ কপগল্লু পাহাৰত পোৱা ন-প্ৰস্তৰ যুগৰ যন্ত্ৰত এটা ৰশ্মিযুক্ত তৰা পোৱা গৈছে।

সূৰ্য্য প্ৰজনন দেৱতা স্বস্তিক

স্কলাৰ সকলে কয় যে এই কালত সূৰ্য্যক প্ৰজনন শক্তিৰ দেৱতা বুলি পূজা কৰা হৈছিল আৰু স্বস্তিকো প্ৰজনন শক্তিৰ প্ৰতীক আছিল।

সিন্ধু উপত্যকাতো সূৰ্য্যক পূজা কৰা হৈছিল আৰু মেকেৰ (Mackay) মতে সূৰ্য্য শ্ৰেষ্ঠতঃ দেৱতা আছিল। সিন্ধু উপত্যকাৰ সভ্যতাৰ কালৰ বিষয়ে

সিন্ধু উপত্যকাত সূৰ্য্য প্ৰধান দেৱতা

মতভেদ আছে :— ৩০০০ খৃ: পূ: ৰ পৰা ১৭৫০ খৃ: পূ: লৈকে ধৰিব পাৰি। এই কাল ছোৱাৰ ভিতৰত সূৰ্য্যক এই বিলাক প্ৰতীকেৰে পূজা কৰা হৈছিল :—

সূৰ্য্যৰ প্ৰতীক

(১) স্বস্তিক (২) চক্ৰ (৩) ৰশ্মি বিকিৰণ কৰি থকা মণ্ডল (৪) চকু (৫] শেন, মৌৰা আদি চৰাই [৬] ষাঁড় [৭] তৰা [৮] ৰশ্মি বিকিৰণ কৰি থকা বস্তু।

এই যুগতো সূৰ্য্যক সৌভাগ্য আৰু প্ৰজননৰ দেৱতা বুলি পূজা কৰা হৈছিল।

সিন্ধু সভ্যতা গঢ়োতা সকলে সুমেৰীয় সভ্যতা গঢ়িছিল

সিন্ধু উপত্যকাৰ সভ্যতা কোনে গঢ়িছিল? এই বিষয়ে মতৰ মিল নাই। কোনোৱে কয়, সুমেৰীয় বিলাকে সভ্যতা গঢ়িছিল। আনহাতে হলে (Hall) এইটো মতো দিছে যে সঙ্কৃতিৰ উচ্চ শিখৰত উঠাৰ পিচত সিন্ধু উপত্যকাৰ সভ্যতা গঢ়োঁতাসকলে পৰিপুষ্ট সংস্কৃতি লৈ সুমেৰলৈ গৈ সুমেৰুৰ সভ্যতা গঢ়ি তোলে।[২]

মিশ্ৰই কয় অসুৰ বিলাকে সিন্ধু সভ্যতা গঢ়িছিল

মিশ্ৰয় কয় যে আচলতে অসুৰবিলাকে সিন্ধু উপত্যকাৰ সভ্যতা ৰচনা কৰিছিল। এওঁ কয় যে আৰ্য্যসকলৰ আদি ঘৰ মধ্য এচিয়াত আছিল, এই ঘৰ খনক আৰ্য্যবিলাকে দেৱলোক বুলি কৈছিল, আৰ্য্যবিলাকৰ ঘৰুৱা কন্দল লগাত আৰ্য্যবিলাক অসুৰ আৰু দেৱ এই দুটা দলত বিভক্ত হয় আৰু যুদ্ধ কৰে, যুদ্ধত অসুৰবিলাক হাৰি দক্ষিণলৈ আহি আহি সপ্তসিন্ধু

সিন্ধু সভ্যতাৰ কাল খৃঃ পূঃ ৩০০০ খৃঃ পূঃ ১৭৫০

সোমাই খৃঃ পূঃ ৩০০০ৰ পৰা সিন্ধু উপত্যকা, গুজৰাট লৈকে জয় কৰে আৰু সিন্ধু উপত্যকাৰ সভ্যতা স্থাপন কৰে আৰু খৃঃ পূঃ ১৭৫০ চনত দেৱলোকত থকা দেৱ নামৰ আৰ্য্যৰ দলটো ভাৰতবৰ্ষ সোমাই অসুৰক যুদ্ধত হৰুৱাই সিন্ধু সভ্যতা ধ্বংস কৰে।[৩]

অসুৰ সূৰ্য্য উপাসক আছিল

মিশ্ৰৰ এই মত কিমানে গ্ৰহণ কৰিছে জনা নাযায়। কিন্তু এই মত গ্ৰহণ কৰিলে এইটো বুজাত সহজ হৈ পৰিব যে সিন্ধু সভ্যতাই সূৰ্য্যক অত্যুচ্চ স্থান দিছিল। কিয়নো অসুৰবিলাক ঐতিহ্যমতে সূৰ্য্য উপাসক আৰু মায়াৱী আছিল।

বায়ু পুৰাণৰ মতে সূৰ্য্য অসুৰৰ দেৱতা

বায়ু পুৰাণে কয় :—

শৰভঃ শলভশ্চৈৱ সূৰ্য্যাচন্দ্ৰম সাবু ভৌ।
অসুৰাণাং সুৰাৱে তৌ সুৰাণাং সাম্প্ৰতমিমৌ॥

অসুৰ দেৱতাৰ দায়াদ, পূৰ্ব-দেৱতা

এই মতে ভাৰতীয় আৰ্য্যই সূৰ্য্য আৰু চন্দ্ৰ অসুৰৰ পৰা গ্ৰহণ কৰিছিল। প্ৰশ্ন উঠে, বায়ু পুৰাণে কাক অসুৰ বুলি কৈছে? বৈদিক সাহিত্যই অসুৰক দেৱৰ "দায়াদ," "পূৰ্ব দেৱাঃ," সুৰতকৈ অসুৰবিলাক সভ্যতাত বহু গুণে শ্ৰেষ্ঠ বুলি সহস্ৰবাৰ ঘোষণা কৰিছে। বায়ু পুৰাণে কি এই "পূৰ্ব দেৱাঃ," "দায়াদ" অসুৰৰ কথা কৈছে? খাটাংকৈ একো কব নোৱাৰি? অথৰ্ববেদে যি সূৰ্য্যক পূজা কৰিছে, সেই সূৰ্য্যও কি অসুৰৰ পৰা লোৱা হৈছে? এই প্ৰশ্নৰ কোনো সন্তোষজনক আলোচনা পোৱা নেযায়, সেইকাৰণে একো কব

নোৱাৰি। এইটো অৱশ্যে কব পাৰি যে ইন্দো-ইয়ুৰোপীয় যুগত অসুৰ আৰু ভাৰতীয় অথৰ্ৱণ উভয়ে মিত্ৰাৱৰুণক শ্ৰেষ্ঠ দেৱতা বুলি গ্ৰহণ কৰিছিল কিয়নো ইৰাণী অসুৰসকলৰ পুৰোহিতো আথৰ্ৱণ বা আথ্ৰৱ নামে জনাজাত আছিল। স্কলাৰৰ মতে বৰুণেই জৰথুস্ত্ৰৰ অহুৰমজদ দেৱতা।

মিত্ৰা-বৰুণ

ইয়াৰ পিচত বৈদিক যুগ আৰম্ভ হয়। এই যুগত এইবিলাক সূৰ্য্যৰ প্ৰতীক আছিল :—

বৈদিক যুগৰ সূৰ্য্যৰ প্ৰতীক

(১) চকা (২) অশ্ব সপ্তাশ্ব, অনিৰ্দ্দিষ্ট সংখ্যক অশ্ব (৩) বগা আৰু উজ্জ্বল যুদ্ধ ঘোৰা (৪) উৰন্ত চৰাই (৫) শ্যাপৰ্ণ (৬) সুপৰ্ণ (৭) বৃষভ (৮) আকাশ ৰত্ন (৯) দীপ্ত ৰথ।

এই যুগত সূৰ্য্যক পৰম ব্ৰহ্ম বুলি পূজা কৰা হৈছিল। সূৰ্য্যৰ ওচৰত ধন-ঐশ্বৰ্য্য আৰু দৈহিক আদি সৰ্ব্ব প্ৰকাৰ ৰোগৰ পৰা আৰোগ্য প্ৰাৰ্থনা কৰা হৈছিল। এই যুগতো সূৰ্য্য প্ৰজননৰ দেৱতা আছিল আৰু ভক্তই সূৰ্য্যৰ ওচৰত পুত্ৰ সন্তান প্ৰাৰ্থনা কৰিছিল।

সূৰ্য্য পৰম ব্ৰহ্ম প্ৰজননৰ দেৱতা

বৈদিক যুগত আদিত্য আঠজন আছিল, সৱিতা পূষণ, বিষ্ণু, মিত্ৰ বৰুণ, ভগ, অংশ, অৰ্য্যমন। ইয়াৰ পিচতহে আদিত্য বাৰজন হয় গৈ।

আদিত্য

বৈদিক যুগতেই অশ্বমেধ যজ্ঞৰ আৰম্ভ হয়। এই যজ্ঞ আচলতে সূৰ্য্যৰ উদ্দেশ্যে কৰা হৈছিল।

অশ্বমেধ সৌৰ যজ্ঞ

বৈদিকোত্তৰ যুগতো সূৰ্য্যক বৈদিক যুগৰ প্ৰতীকেৰে আৰু একে উদ্দেশ্যেৰে পূজা কৰা হয়।

ছান্দোগ্য উপনিষদৰ পৰা ভালকৈ বুজা যায়, এই যুগত সূৰ্য্য পূজাৰ পয়োভৰ আছিল, সূৰ্য্যই প্ৰধান দেৱতা, পৰম ব্ৰহ্ম আছিল। এইখন উপনিষদে কয়, আদিত্য দেৱ মধু[৪], অসৌ আদিত্য ব্ৰহ্ম।[৫] সমগ্ৰ উপনিষদ খনক সূৰ্য্যৰ উপনিষদ বুলি কব পাৰি। এই উপনিষদে উদ্গীথ, ওঁৰ আৰু সূৰ্য্যৰ জয়গান গাইছে। ওঁকাৰ ব্ৰহ্ম প্ৰকৃততে সূৰ্য্য—অথ খলুয উদ্গীথঃ স প্ৰণৱো যঃ প্ৰণৱঃ স উদ্গীথ ইত্যসৌ ৱা আদিত্য উদ্গীথ এষ প্ৰণৱ ওমিতি হ্যষ স্বৰ-ন্নেতি।

ছান্দোগ্য উপনিষদৰ কালত সূৰ্য্য পূজাৰ পয়োভৰ

এই উপনিষদে সাক্ষ্য দিয়ে যে দেৱকীপুত্ৰ কৃষ্ণ সূৰ্য্য উপাসক আছিল, তেওঁৰ গুৰু আছিল ঘোৰ আঙ্গিৰস। ঘোৰ আঙ্গিৰসে যেতিয়া কৃষ্ণক কলে যে আদিত্যই আতমা, আৰু মৃত্যু কালত এই তিনিটা মন্ত্ৰ গোৱা উচিত "অক্ষিতমসি, অচ্যুতমসি, প্ৰাণসং শিতমসি" (তুমি ক্ষয়হীন, তুমি অপৰিৱৰ্ত্তন শীল, তুমি প্ৰাণৰ সাৰ), তেতিয়া কৃষ্ণৰ অন্য জ্ঞান গোটোৱাৰ হেপাহ লুপ্ত হল। গীতাটো কৃষ্ণই অৰ্জ্জুনক আঙ্গিৰসৰ পৰা পোৱা শিক্ষাকে দিছে :-

ঘোৰ আঙ্গিৰস দেৱকী পুত্ৰ কৃষ্ণ

আদিত্য বন্দনা

কৱিং পুৰাণমনুশাসিতাৰমণোৰণীয়াংসমনুস্মৰেদযঃ
সৰ্ব্বস্য ধাতাৰমচিন্ত্য ৰূপমাদিত্যৱৰ্ণং তমসঃ পৰস্তাৎ।[৯]
প্ৰয়াণকালে মনসাচলেন ভক্ত্যা যুক্তো যোগবলেন চৈৱ।
ভ্ৰুৱোৰ্মধ্যে প্ৰাণমাৱেশ্য সম্যক্ স তং পৰং পুৰুষমুপৈতি দিৱ্যম্ ॥[১০]

গীতাত সূৰ্য্য স্মৰণ

গীতা অ ৮

অসুৰ সূৰ্য্য

কৃষ্ণ স্বয়ং ভগৱান বুলি পূজিত হলেও অসুৰ, দৈত্য, দানৱ বুলি গালিও খাইছে। স্বলাবে ব্যাখ্যা কৰে যে কৃষ্ণ তেওঁৰ যুগৰ বাবে অতিমাত্ৰা প্ৰগতিশীল আছিল। তেওঁৰ সংস্কাৰবিলাক সেই যুগৰ মানুহে গ্ৰহণ কৰিবলৈ টান পাই তেওঁক অসুৰ, দৈত্য, দানৱ বুলি গালি পাৰে। এইটো ব্যাখ্যা কিমান দূৰ গৃহীত হৈছে জনা নাযায়। এইটো মনত ৰাখিবলগীয়া যে "অসুৰ" দেৱতাসকলৰ বিশেষ বিশেষণ তথা উপাধি আছিল, বিশেষকৈ মিত্ৰাৱৰুণক অসুৰ মিত্ৰাৱৰুণ বুলি কোৱা হৈছিল আৰু তাৰে পৰাই সূৰ্য্য উপাসক

কৃষ্ণ সূৰ্য্য উপাসক

সকলক অসুৰ উপাসক বুলি কোৱা হৈছিল। কৃষ্ণ সূৰ্য্য উপাসক অৰ্থাৎ অসুৰ উপাসক আছিল। বোধকৰো সেইকাৰণে তেওঁকো অসুৰ বুলি কোৱা হৈছিল। পিচৰ কালত এইটো কথা শাস্ত্ৰকাৰসকলে পাহৰি গৈ কৃষ্ণক দৈত্য, দানৱ বুলি কবলৈ ধৰিলে। কৃষ্ণই যোগৈশ্বৰ্য্য, যোগমায়া, আদি সৌৰ সাধনাৰ পৰা লাভ কৰিছিল।

কৃষ্ণৰ গুৰুক ঘোৰ আঙ্গিৰস বুলি কোৱা হৈছে। ঘোৰ আঙ্গিৰস নাম নহয়, উপাধিহে। অথৰ্ৱণ আৰু

অথৰ্বাঙ্গিৰস

আঙ্গিৰস ঋষিয়ে অথৰ্ব বেদ প্ৰৱৰ্ত্তন কৰিছিল। আঙ্গিৰসৰ দুটা ভাগ আছিল, এটা ভাগ শুভ আৰু আনটো ঘোৰ। কৃষ্ণৰ গুৰু জনা ঘোৰ আঙ্গিৰস শাখাৰ আছিল দেখি তেওঁক ঘোৰ আঙ্গিৰস বুলি কোৱা হৈছে।

ছান্দোগ্য উপনিষদৰ পিচৰ কালতো সূৰ্য্য পূজাৰ প্ৰাধান্য কমা নাছিল। সূৰ্য্যক কেতিয়াৰ পৰা মানৱ মূৰ্ত্তি সাজি পূজা কৰিবলৈ আৰম্ভ কৰা হ'ল, এইটো নিৰ্ণীত হোৱা নাই। কিন্তু ধৰিলোৱা হৈছে যে অন্ততঃ যাস্কৰ দিনলৈকে মূৰ্ত্তি সাজি পূজা কৰা হোৱা নাছিল। ডঃ কানেৰ মতে যাস্কৰ কাল ৮০০ খৃঃ পূঃ ৰ পৰা ৫০০ খৃঃ পূঃ। কিন্তু পুৰাতত্ত্বই প্ৰমাণ কৰিছে যে বুদ্ধ জন্মৰ বহু কাল আগৰে পৰা ভাৰতবৰ্ষত সূৰ্য্য মন্দিৰ আছিল। সেইকাৰণে ধৰি লব পাৰি যে অন্ততঃ ৭০০ খৃঃ পূঃ ৰ পৰা ভাৰতবৰ্ষত সূৰ্য্য মূৰ্ত্তি প্ৰচলিত হৈছিল। বৈদিকোত্তৰ যুগৰ পৰা ৭০০ খৃঃ পূঃ লৈকে সূৰ্য্যক তলত লিখা প্ৰতীকেৰে পূজা কৰা হৈছিলঃ-

সূৰ্য্য মূৰ্ত্তি পূজাৰ প্ৰচলন খৃঃ পূঃ ৭০০ৰ পৰা

(১) সুপৰ্ণ (২) শ্যাপৰ্ণ (৩) শেন (৪) স্বৰ্ণ চক্ৰ (৫) ৰসনা (৬) বগাঘোৰা (৭) যি কোনো চক্ৰাকাৰ বস্তু (৮) চকা (৯) স্বৰ্ণ থালী (১০) জোৰ (মশাল) (১০) পদুম ইত্যাদি।

বৈদিকোত্তৰ যুগৰ সূৰ্য্যৰ প্ৰতীক

বুদ্ধদেৱৰ কালতো সূৰ্য্য পূজা প্ৰবল আছিল। সেই কাৰণে বুদ্ধদেৱক জনপ্ৰিয় কৰি তোলাৰ উপায় হিচাবে বুদ্ধদেৱক আদিত্য বন্ধু বুলি কোৱা হৈছিল। ৰামায়ণ-মহাভাৰতেও সূৰ্য্য পূজাৰ জনপ্ৰিয়তাৰ সাক্ষ্য দিয়ে।

বুদ্ধদেৱ আদিত্য বন্ধু

আলেকজেণ্ডাৰ, তেওঁৰ পিচৰ ইন্দো-গ্ৰীক ৰজা সকল মৌৰ্য্য, সুঙ্গ, শক, কুষাণ আদি ৰজা সকলৰ

গ্ৰীক মৌৰ্য্য

শক কুশাণৰ যুগত সূৰ্য্য পূজাৰ পয়োভৱ

গুপ্ত মৌখাৰী বৰ্দ্ধন, মৈত্ৰক প্ৰতিহাৰ ৰাষ্ট্ৰকুট পল্লৱ, সাতৱাহন সেন, পাল গহড়ৱাল ৰজা-সকল সূৰ্য্য ভক্ত আছিল।

দিনতো সূৰ্য্য-পূজাৰ পয়োভৱ চলে। সূৰ্য্য পূজাৰ পূৰ্ণ বিকাশ ঘটে গুপ্ত আৰু গুপ্তোত্তৰ যুগত। স্কলাৰ সকলে গুপ্তযুগটোক সূৰ্য্য পূজাৰ সোণালী যুগ তথা 'ক্লাচিকেল' যুগ বুলি কৈছে। মৌখাৰী, বৰ্দ্ধন, প্ৰতিহাৰ বলভীৰ মৈত্ৰক, ৰাষ্ট্ৰকূট, পল্লৱ ৰজা সকল, গহড়ৱাল সাতৱাহন, সেন, পাল আদি ৰজা সকলো সূৰ্য্য ভক্ত আছিল আৰু সূৰ্য্য পূজাৰ অকল পৃষ্ঠপোষকতাই নহয়, হাতে কামে লাগি সূৰ্য্যক অপ্ৰতিদ্বন্দী দেৱতা কৰি তুলিছিল। পুষ্যমিত্ৰ, আদিত্যসেন, সৱিতৃগুপ্ত আদিত্য-বৰ্দ্ধন আদি নাম বিলাক মন কৰিবলগীয়া। বহু ৰজাই মিত্ৰ, আদিত্য আদি উপাধি ব্যৱহাৰ কৰিছিল। বহু ৰজাই নিজকে পৰম আদিত্য ভক্ত বুলি কৈ গৌৰৱ কৰিছিল।

১৩শ শতিকা-লৈকে সূৰ্য্য সৰ্বঃশ্ৰেষ্ঠ দেৱতা আছিল

প্ৰগৈতিহাসিক যুগৰ পৰাই খৃষ্টৰ ১৩ শ শতিকালৈ সূৰ্য্যাই অখণ্ডপ্ৰতাপী, সৰ্ব্ব শ্ৰেষ্ঠ দেৱতা ৰূপে ভাৰতবৰ্ষ শাসন কৰিছিল। পূৱে শদিয়াৰ পৰা পশ্চিমে সিন্ধু-গুজৰাট, উত্তৰে হিমালয়, কাশ্মীৰ গান্ধাৰৰ পৰা দক্ষিণে কেৰেলা কুমাৰিকালৈ সূৰ্য্য পূজা বিজয় গৌৰৱেৰে সম্পাদন কৰা হৈছিল আৰু সহস্ৰলক্ষ সূৰ্য্য ভক্তই এইবিলাক মন্দিৰত অভীষ্ট কামনা পূৰ্ণ কৰাৰ কাৰণে প্ৰাৰ্থনা কৰিছিল।

পুৰাণত

মাৰ্কেণ্ডেয়, অগ্নি, গৰুড়, ব্ৰহ্মাণ্ড, পদ্ম স্কন্দ, ব্ৰহ্মা, মৎস্য, ৱামন, নাৰদ, ব্ৰহ্মবৈৱৰ্ত্ত, বায়ু ভবিষ্যৎ আদি

সূৰ্য্য পূজা

পুৰাণে সূৰ্য্যমাহাত্ম্য বিশেষকৈ বৰ্ণনা কৰিছে। এই বিলাক পুৰাণৰ পৰা সূৰ্য্যৰ বিভিন্ন নাম আৰু সূৰ্য্যক্ষেত্ৰ আৰু সূৰ্য্যকুণ্ডৰ বিষয়ে জানিব পৰা যায়। স্কন্দ পুৰাণে সূৰ্য্য ক্ষেত্ৰৰ বিশদ বিৱৰণ দিছে। সূৰ্য্যৰো সহস্ৰ নাম আছিল। সূৰ্য্যৰ বেলেগ বেলেগ নাম আৰু সূৰ্য্য ক্ষেত্ৰৰ নাম পৰিশিষ্টত দিয়া হ'ল। ভৱিষ্যৎ পুৰাণক চমুকৈ ভৱিষ্য পুৰাণ বুলি কোৱা হয়। এই খন মহাপুৰাণ বুলি গৃহীত হলেও, ইয়াৰ ব্ৰাহ্মৰ বাহিৰে অন্য বিলাক শেহতীয়া বুলি ধৰা হৈছে। কোনো কোনো স্কলাৰৰ মতে এইখন মহাপুৰাণ জাল কিন্তু প্ৰকৃততে ৮০০ খৃঃ পূঃ ত ৰচিত এখন ভৱিষ্য পুৰাণ আছিল। এইখন হেৰাল। যি কি নহওক ব্ৰহ্ম পৰ্ব্বটো সৌৰ পৰ্ব্ব বুলিয়েই কব পাৰি। ইয়াৰ উপৰিও ভৱিষ্যোত্তৰ, মাৰ্ত্তণ্ড, আদিত্য, ভাস্কৰাহৱ, সূৰ্য্য, সৌৰ, উত্তৰ সৌৰ, সৌৰ ধৰ্ম্ম, সাম্ব (শাম্ব) আদি কেইবাখনো সৌৰ পুৰাণ ৰচিত হৈছিল। মাৰ্ত্তণ্ড, আদিত্য আৰু সৌৰ পুৰাণ বিচাৰি পোৱা নায়। গৃহ্যসূত্ৰ, স্মৃতি পুৰাণ আদি ধৰ্ম শাস্ত্ৰৰ বাহিৰেও অন্যান্য সাহিত্যই সূৰ্য্য পূজাৰ জনপ্ৰিয়তাৰ যথেষ্ট সাক্ষ্য দিয়ে। বৌদ্ধ সাহিত্যতো সূৰ্য্যই ঠাই পাইছে। বহুত জৈন মন্দিৰতো সূৰ্য্য মূৰ্ত্তি তথা নৱগ্ৰহ মূৰ্ত্তি সজা হৈছিল। অন্যান্য ধৰ্মীয় সম্প্ৰদায় বিলাকেও নিজৰ ধৰ্ম জনপ্ৰিয় কৰাৰ উদ্দেশ্যেৰে নিজ নিজ ধৰ্মীয় অনুষ্ঠানত সূৰ্য্যক ওখ স্থান দিছিল।

সৌৰ উপপুৰাণ

বৌদ্ধ সাহিত্যত সূৰ্য্য পূজা

জৈন মন্দিৰত সূৰ্য্য মূৰ্ত্তি

যদিও ত্ৰয়োদশ শতিকাৰ পিচৰ পৰাই সূৰ্য্য ৰ প্ৰাধান্য হ্ৰাস পাবলৈ ধৰিলে, আজিলৈকে কোনো হিন্দুৱে সূৰ্য্যক বাদ দি ধৰ্ম-কৰ্ম সম্পাদন কৰিব পৰা নাই, আজিও সূৰ্য্য নিতৌ পূজিত হৈ আছে।

মোক্ষ, সকলো মনোবাঞ্ছা ধন, জন আৰোগ্যৰ কাৰণে সূৰ্য্য পূজা

আদিতে সূৰ্য্যক পৰম ব্ৰহ্ম বুলিয়েই পূজা কৰা হৈছিল। সূৰ্য্যই মোক্ষ দান কৰিছিল। লগতে সূৰ্য্যই মানুহৰ সৰ্বপ্ৰকাৰ মনোবাঞ্ছা পূৰণ কৰিছিল। শৌৰ্য্য, বীৰ্য্য, যুদ্ধ, বিজয়, ধন, ঐশ্বৰ্য্য সম্পত্তি, পুত্ৰ-কন্যা পৰিবাৰ দিছিল। বৈদিক যুগৰে পৰাই সূৰ্য্যই সৰ্ব্বপ্ৰকাৰ ৰোগৰ পৰা মানুহক মুক্তি দিছিল। শেষলৈ সূৰ্য্যক মানুহে আৰোগ্যৰ কাৰণে "সৰ্ব্বৰোগ হৰ" বুলি পূজা কৰিছিল। আজি কালি সূৰ্য্য গ্ৰহৰাজ ৰূপে "সৰ্ব্বৰোগ হৰ" বুলি পূজিত হৈছে আৰু সূৰ্য্য নাৰায়ণ ৰূপে পৰম ব্ৰহ্ম বুলি সূৰ্য্যই সকলোৰে ভক্তি-অৰ্ঘ্য গ্ৰহণ কৰিছে।

সৌৰ-শৈল কৃষ্টিয়ে ভাৰতক কি দিলে? ভাৰতীয় সূৰ্য্যৰ পূজাত সৰ্পৰ আৰু স্বস্তিকৰ স্থান আছে। সৌৰ-শৈল কৃষ্টিৰ সৰ্প আৰু স্বস্তিক আহি ভাৰতীয় সূৰ্য্য পূজাত ঠাই লব পাৰে কিন্তু ইয়াৰ বাহিৰে সৌৰ-শৈল কৃষ্টিৰ কোনো বৈশিষ্ট্য ভাৰতীয় সূৰ্য্য পূজাত পোৱা নাযায়। আগতে কোৱা হৈছে যে পাণিনি সূৰ্য্য-ব্ৰাহ্মণ আছিল, সেইকাৰণে তেওঁক আহিক বুলি কোৱা হৈছিল। Ramkrishna Mission

দ্বাৰা প্ৰকাশিত The Cultural Heritage of Indiaৰ তৃতীয় খণ্ডৰ (১৯৬৯ মুদ্ৰণ) পৃ-৫৩ লৈ মুখ কৰি এখন পতঞ্জলিৰ ছবি আছে। এই ছবি চাব, দেখা পাব, পতঞ্জলিৰ মূৰৰ ওপৰত অহিচ্ছত্ৰ অৰ্থাৎ সাপে ছত্ৰাকাৰে ফণা তুলি আছে। পতঞ্জলি সূৰ্য্য-ব্ৰাহ্মণ আছিল। সেইকাৰণে এই অহিচ্ছত্ৰ। সূৰ্য্য পূজাই পিচৰ কালত ভাগৱত ধৰ্ম্মত পৰিণত হৈছে আৰু সূৰ্য্যই কৃষ্ণলৈ ৰূপান্তৰিত হৈছে। কৃষ্ণৰ এটা ৰূপ শ্যাম, সূৰ্য্যও শ্যাপৰ্ণ অৰ্থাৎ শ্যাম। গীতাত কৃষ্ণই সৌৰ ধৰ্ম্মকে শিক্ষা দিছে (৪ . ১)।

প্ৰমাণাৱলী :—

১। H. Wells :– Outline of History.
২। H.R. Hall:— An Ancient History of The Near East. pp 173-4.
৩। D.P. Mishra:— Studies of Proto Indian History.
৪। ছান্দোগ্য উপনিষদ ৩, ১, ১
৫। ঐ ৩, ১৯, ১
৬। ঐ ১, ৫. ১

এই অধ্যায় লেখাত ডঃ ললতা প্ৰসাদ পাণ্ডেৰ Sun worship In Ancient Indiaৰ পৰা বিশেষ সহায় লোৱা হৈছে।

৬

সৌৰ ভাস্কৰ্য্য

আনকি ভাৰতীয় স্কলাৰেও মত দাঙ্গি ধৰিছিল যে ভাৰতবৰ্ষই মন্দিৰ সুমেৰীয়ৰ পৰা গ্ৰহণ কৰে আৰু সূৰ্য্য-মূৰ্ত্তি গ্ৰীক, হেলেন, ইৰাণী, কুষাণ আদিৰ পৰা লয়। এতিয়াৰ কোনো কোনো ভাৰতীয় স্কলাৰে কবলৈ ধৰিছে যে যদিও যাস্কৰ কাললৈকে ভাৰতবৰ্ষত মন্দিৰত মূৰ্ত্তি স্থাপন কৰি পূজা কৰাৰ প্ৰমাণ পোৱা নাই, ভাৰতৰে কোনো কোনো লোকে মূৰ্ত্তি সাজি পূজা কৰিছিল। কোনো কোনো স্কলাৰে বিশ্বাস কৰে যে সিন্ধু সভ্যতাই মন্দিৰত পূজা কৰিছিল। অৱশ্যে সিন্ধু উপত্যকাত সূৰ্য্যৰ মানৱ মূৰ্ত্তি মন্দিৰত স্থাপন কৰি পূজা কৰা হৈছিল নে নাই, এই বিষয়ে স্কলাৰে থাটাংকৈ একো কব পৰা নাই। সিন্ধু উপত্যকাৰ এটা মন্দিৰক অগ্নি মন্দিৰ বুলি স্কলাৰে ধৰি লৈছে। তেনেকৈয়ে তক্ষশিলাৰ ওচৰত ঝাণ্ডিবালা নামে ঠাইত মাটি খান্দি এটা মন্দিৰ বাহিৰ কৰা হৈছে। ডঃ মোদি (Dr. Modi) আৰু স্যাৰ জন মাৰ্শালে (Sir John Marshall) এইটো মন্দিৰক জৰথুস্ত্ৰীয় সূৰ্য্যাগ্নি মন্দিৰ বুলি স্থিৰ কৰিছিল। বিহাৰৰ অচলাগামত সূৰ্য্য আৰু চন্দ্ৰৰ দুটা মন্দিৰ উদ্ধাৰ কৰা হৈছে। এই দুটা মন্দিৰ বুদ্ধদেৱৰ আগৰ বুলি স্থিৰ কৰা হৈছে।

ইয়াৰ পৰা প্ৰমাণ হয় যে খৃঃ পূঃ ৬০০ৰ পৰাই ভাৰতবৰ্ষত মন্দিৰত দেৱতাৰ বিগ্ৰহ সাজি পূজা কৰা হৈছিল। তলত উল্লেখ কৰা ঠাইবিলাকত খৃষ্টৰ আগৰ কালৰ সূৰ্য্য মূৰ্ত্তি পোৱা গৈছে :—

১। পাটনা — মৌৰ্য্য যুগৰ
২। বোধগয়া — খৃঃ পূঃ ২০০
৩। অনন্ত গুম্ফা } খৃঃ পূঃ ২৫০—১০০ খণ্ডগিৰি উৰিষ্যা
৪। তত্ব গুম্ফা }
৫। ভাজা (দাক্ষিনাত্য) খৃঃ পূঃ ২০০

বাল্মীকিৰ ৰামায়ণে কয় যে সুৰাষ্ট্ৰত (সৌৰাষ্ট্ৰ সূৰ্য্য-পূজা ব্যাপক ভাৱে কৰা হৈছিল। ১ম শতিকাৰ পেৰিপ্লাসেও অৰ্কপুৰৰ কথা উল্লেখ কৰিছে। ইয়াৰ পৰাই প্ৰমাণিত হয় যে খৃষ্ট জন্মৰ দুশ বছৰৰ আগৰে পৰাই সূৰ্য্য পূজা গুজৰাট অঞ্চলত জনপ্ৰিয় আছিল।

এতিয়ালৈকে উদ্ধাৰ কৰা প্ৰাচীনতম মন্দিৰ হৈছে সূৰ্য্য মন্দিৰ আৰু প্ৰাচীনতম বিগ্ৰহো সূৰ্য্যৰ বিগ্ৰহ। মূৰ্ত্তি সজা শিল্পক ভাস্কৰ্য্য আৰু মূৰ্ত্তি সাজোঁতা জনক ভাস্কৰ বুলি কোৱা হয়। এইবিলাকেই প্ৰমাণ কৰে যে সূৰ্য্য পূজাক আশ্ৰয় কৰিয়েই মন্দিৰ আৰু মূৰ্ত্তি পূজাৰ জন্ম হৈছে।

আৰু এইটো বিশেষকৈ মন কৰিবলগীয়া, প্ৰাচীনতম সূৰ্য্য মন্দিৰ আৰু সূৰ্য্য-মূৰ্ত্তি আৰ্য্যাবৰ্ত্তৰ বাহিৰত মন্দিৰত মূৰ্ত্তি পূজা

সৌৰ ধৰ্ম্মৰ অৱদান

পোৱা গৈছে। আৰ্য্যাৱৰ্ত্তই বহুকাললৈকে মন্দিৰ আৰু মূৰ্ত্তি পূজা গ্ৰহণ কৰা নাছিল। মন্দিৰত যিবিলাক ব্ৰাহ্মণে মূৰ্ত্তি পূজা কৰিছিল তেওঁলোকক দেৱল, দেৱলক ব্ৰাহ্মণ বুলি কোৱা হৈছিল। মনুৰ মতে দেৱল ব্ৰাহ্মণ শ্ৰাদ্ধত নিমন্ত্ৰণ পোৱাৰ যোগ্য নহয়। মনুৰ কাল খৃঃ পূঃ ২০০ – ১০০ শতিকা বুলি ধৰা হয়। আৰ্য্যাৱৰ্ত্তত যিবিলাক দেৱমন্দিৰ আৰু বিগ্ৰহ পোৱা গৈছে সেইবিলাক খৃষ্টৰ প্ৰথম শতিকাৰ আগৰ নহয়। আৰ্য্যাৱৰ্ত্তত পোৱা প্ৰাচীনতম সূৰ্য্যৰ মন্দিৰ আৰু বিগ্ৰহ শক-কুশাণৰ দিনত নিৰ্ম্মাণ কৰা হৈছিল।

মন্দিৰ আৰু মূৰ্ত্তি-পূজা সৌৰ ধৰ্মৰ অৱদান।

সূৰ্য্য মূৰ্ত্তি শিল্প শাস্ত্ৰ

সূৰ্য্য পূজা অতি জনপ্ৰিয় আছিল। সেইকাৰণে জনপ্ৰিয় কৰিবলৈ অনান্য দেৱ-দেৱীৰ বিগ্ৰহো কল্পিত আৰু নিৰ্মিত হবলৈ ধৰিলে।

ভাস্কৰ সকলৰ প্ৰয়োজন অনুসৰি বহু শিল্প-শাস্ত্ৰ ৰচনা কৰা হ'ল। সূৰ্য্য-মূৰ্ত্তি কেনেকৈ সাজিব লাগে তাৰ দিহা নানাখন শিল্পশাস্ত্ৰ, তন্ত্ৰ শাস্ত্ৰ, পুৰাণ আৰু বৰাহ মিহিৰৰ বৃহৎ সংহিতাত দিয়া হৈছে। প্ৰধান প্ৰধান শাস্ত্ৰ কেইখনমানৰ নাম তলত দিয়া হ'ল।

১। অংশু ভেদাগম ২। সুপ্ৰভেদাগম ৩। মহা নিৰ্ব্বান-তন্ত্ৰ ৪। যোগিণী তন্ত্ৰ ৫। শিল্পৰত্ন ৬। বিশ্বকৰ্মা শাস্ত্ৰ ৭। ৰূপমণ্ডল ৮। ৱিশ্ব কৰ্মাৱতাৰ শাস্ত্ৰ ৯। ৱিশ্বকৰ্মাশিল্প ১০। মানসোল্লাস ১১। অগ্নি পুৰাণ ১২। মৎস্য পুৰাণ

১৩। ৱিষ্ণুধৰ্মোত্তৰ পুৰাণ ১৪। পদ্ম পুৰাণ ১৫। ব্ৰহ্ম পুৰাণ ১৬। সাম্ব পুৰাণ ১৭। ভৱিষংত্তোৰ পুৰাণ ১৮। ভৱিষ্য পুৰাণ ১৯। চতুৰ্বৰ্গ চিন্তামণি ২০। যাজ্ঞৱল্ক্য স্মৃতি ২১। পৰাশৰ স্মৃতি ২২। বৌধায়ন গৃহ্য সূত্ৰ পৰিশিষ্ট।

বৰাহ মিহিৰ বৃহৎ সংহিতা সূৰ্য্য মূৰ্ত্তি

এথন শাস্ত্ৰৰ মূৰ্ত্তি কল্পনা আন এখন শাস্ত্ৰৰ লগত নিমিলে। বিশেষজ্ঞ সকলে সূৰ্য্য-মূৰ্ত্তিক প্ৰধানতঃ উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰত, এই দুটা ভাগত ভগাইছে। উদীচ্য মূৰ্ত্তিৰ বৰ্ণনা বৰাহমিহিৰে বৃহৎসংহিতাত এই দৰে দিছে :—

নাসাললাট জংঘোৰুগণ্ডৱক্ষাংসি চোন্নতানি ৰৱেঃ।
কুৰ্য্যাদুদীচ্যৱেষং গূঢ়ং পাদাদুৰো যাৱং॥
বিভ্ৰানঃ স্বকৰৰুহে বাহুভ্যাং পঙ্কজে মুকুটধাৰী।
কুণ্ডল ভূষিতৱদনঃ প্ৰলম্বহাৰো ৱিয়দ্গবৃতঃ॥
কমলোদৰদ্যুতিমুখঃ কঞ্চুকগুপ্তঃ স্মিতপ্ৰসন্নমুখঃ।
ৰত্নোজ্জ্বল প্ৰভামণ্ডলশ্চ কৰ্ত্তুঃ শুভকৰোঽৰ্কঃ॥

সূৰ্য্যৰ উদীচ্য বেশ

সূৰ্য্যৰ কপাল, নাক, গাল, মুখ, বুকু, উৰু, জংঘা উন্নত। সূৰ্য্যক ভৰিৰ পৰা বুকুলৈকে উদীচ্য বেশ পিন্ধাই গাটো নেদেখা কৰিব লাগে। সূৰ্য্যই দুহাতে দুটা সম্পূৰ্ণভাৱে ফুলা বাহুলৈকে ঢাকি পোৱা মৃনালৰ দুটা পদুম ফুল ধাৰণ কৰে, মুকুট পিন্ধে, প্ৰলম্বহাৰ পিন্ধে। সূৰ্য্যৰ ককাল বিয়দ্গ অৰ্থাৎ, অৱ্যঙ্গ বা অহ্যঙ্গৰ দ্বাৰা আবৃত। সূৰ্য্যৰ মুখ কমলজ্যোতিৰে উজ্জ্বল, হাঁহিৰে প্ৰসন্ন। সূৰ্য্যই বৰ্ম পৰিধান কৰে। সেইকাৰণে দেহটো দেখা নেযায়। সূৰ্য্যৰ প্ৰভামণ্ডল ৰত্নোজ্জ্বল।

অব্যঙ্গ

ইয়াত বিশেষকৈ মন কৰিবলগীয়া যে সূৰ্য্য উদীচ্য বেশ পৰিধান কৰে, সূৰ্য্যৰ কাপোৰ ভৰিৰ পৰা বুকুলৈকে ঢাক খোৱা, দেখা নাযায়। সূৰ্য্যই দুহাতে লৈ থকা পদুম দুটা সম্পূৰ্ণ ফুলা আৰু মৃণাল ইমান দীঘল যে বাহু পৰ্য্যন্ত পাইছেগৈ। এই সূৰ্য্য দ্বিভুজ। বৰাহ মিহিৰে কোৱা উদীচ্য বেশৰ দ্বাৰা সজ্জিত সূৰ্য্যই অব্যঙ্গ বা অহ্যঙ্গ পিন্ধিছে। অব্যঙ্গ এক প্ৰকাৰ টঙ্গালি।

উদীচ্য বেশৰ বৈশিষ্ট্য

বহুজন কৃতবিদ্য স্কলাৰে কয় যে উদীচ্য বেশনো কি কনিষ্কৰ মূৰ্ত্তি দেখিয়েই সহজে বুজা যায়। কনিষ্কৰ নিচিনাকৈ উদীচ্য বেশী সূৰ্য্যাই মধ্য এচীয় বুট জোতা পিন্ধিছে, ডিঙ্গিলৈকে দীঘল চোলা পিন্ধিছে, ককাঁলত টঙ্গালি বান্ধিছে, এখন তৰোৱাল একালে ওলমি পৰিছে, দীঘলীয়া টুপী পিন্ধিছে। এওঁলোকে মত প্ৰকাশ কৰিছে যে এই উদীচ্য বেশ ইৰাণী মগীয়ে আনি ভাৰতবৰ্ষত প্ৰৱৰ্ত্তন কৰে আৰু অব্যঙ্গই জৰ-পুষ্টিয় অৱিয়োৱঘংন বা কুষ্টি।

উদীচ্য বেশ ইৰাণী নহয়

ডঃ ললতা প্ৰসাদ পাণ্ডেই ফঁহিয়াই দেখুৱাইছে যে বৰাহমিহিৰে বৰ্ণনা কৰা উদীচ্য বেশটো ইৰাণী বেশ নহয় আৰু ইৰাণীয়ে উদীচ্য বেশ প্ৰৱৰ্ত্তন কৰা কথাটো সত্য নহয়।[২] ভাৰতীয় আৰ্য্যায়ো অব্যঙ্গ বা কুষ্টিৰ ব্যৱহাৰ কৰিছিল। কৃষ্ণৰ এটা নাম দামোদৰ। কৃষ্ণই পিন্ধা দাম অব্যঙ্গৰ বাহিৰে অন্য বস্তু নাছিল। কৃষ্ণই দাম ধাৰণ কৰিছিল কিয়নো তেওঁ সূৰ্য্য উপাসক আছিল। আনহাতে দাক্ষিণাত্যৰ সূৰ্য্য মূৰ্ত্তিৰ এই-বিলাক বিশেষত্ব পোৱা গৈছে :—

দাক্ষিণাত্যৰ সূৰ্য্য মূৰ্ত্তি

১) সূৰ্য্যাই কুষাণ যুগৰ দীঘল চোলা পিন্ধিবলৈ এৰি দিলে, গা উদং (২) ভৰিত জোতা নাই, ভৰিৰ আঙ্গুলি বিলাকো সুন্দৰকৈ কটোৱা (৩) পদুম ফুল দাক্ষিণাত্যৰ সূৰ্য্যই ধাৰণ কৰা পদুম ফুলৰ দৰে আধা ফুলা নহয় আৰু মৃণাল চুটি নহয়। পূৰ্বৰ দৰেই পদুম ফুল সম্পূৰ্ণ ফুলা আৰু বাউসীলৈকে মৃণাল দীঘলীয়া।

সূৰ্য্য দ্বিভুজ

সাধাৰণতে সূৰ্য্য মূৰ্ত্তি দ্বিভুজ পদ্মধৃক্ আৰু বেদীৰ ওপৰত দণ্ডায়মান, দীপ্তোজ্জ্বল, নানা অলংকাৰৰ দ্বাৰা সুশোভিত। কিন্তু সূৰ্য্যৰ জনপ্ৰিয়তা বঢ়াৰ লগে লগে বহু প্ৰকাৰ সূৰ্য্য মূৰ্ত্তি তৈয়াৰ কৰা হৈছিল। তলত কেইটামান উদাহৰণ দিয়া হল।

নানা প্ৰকাৰ সূৰ্য্য মূৰ্ত্তি

(১) সূৰ্য্য দ্বিভূজ, পদ্মধৃক্ পদ্মপীঠৰ (পদুম ফুলৰ) ওপৰত থিয় হৈ আছে।

(২) সূৰ্য্য দ্বিভুজ, পদুম ফুল দুই হাতে লৈছে, পদুম ফুলৰ ওপৰত বহিছে।

(৩) সূৰ্য্য দ্বিভুজ, অৰুণে ৰথ চলাইছে, সূৰ্য্য ৰথত থিয় হৈ আছে।

(৪) সূৰ্য্য দ্বিভুজ, অৰুণে ৰথ চলাইছে, সূৰ্য্য ৰথত বহি আছে।

চতুৰ্ভুজ সূৰ্য্য মূৰ্ত্তি

(৫) সূৰ্য্য দ্বিভুজ। পদ্মাসনস্থ। সূৰ্য্যৰ চাৰিহাত কল্পনা কৰা হল, বহু শ্ৰেণীৰ চতুৰ্ভুজ সূৰ্য্য মূৰ্ত্তিও তৈয়াৰ কৰা হল।

সূৰ্য্যৰ প্ৰাধান্য ইমান বাঢ়িল যে সূৰ্য্যকো দহখন হাতেৰে সজোৱা হ'ল আৰু সহস্ৰবাহু বুলি কল্পনা কৰা হ'ল।

উপবীতান্বিত সূৰ্য্য মূৰ্ত্তি

সূৰ্য্য মূৰ্ত্তিক লগুণ পিন্ধাই সূৰ্য্যৰ মাহাত্ম্য আৰু বঢ়োৱা হ'ল।

দ্বাদশ শতিকালৈকে সূৰ্য্যৰ প্ৰভুত্ব ইমান বাঢ়িল যে সূৰ্য্যভক্তই সূৰ্য্যক এখন মুখ দিয়েই সন্তুষ্ট নাথাকিল, সূৰ্য্যও চতুৰ্মুখ বুলি সূৰ্য্যক বন্দনা কৰিবলৈ ধৰিলে আৰু সূৰ্য্যৰ চতুৰ্মুখ মূৰ্ত্তি সাজিবলৈ ধৰিলে।

চতুৰ্মুখ সূৰ্য্য মূৰ্ত্তি

আগতীয়া কালৰে পৰাই সূৰ্য্য মূৰ্ত্তিৰ লগতে সূৰ্য্যৰ পৰিবাৰ সংজ্ঞা বা দিব্ৰ নিক্ষুভা বা ছায়া, পুত্ৰ সকল, উষা, প্ৰত্যুষা, পৰিষদ, দণ্ড, পিঙ্গল, অৰুণৰ মূৰ্ত্তি সজা হৈছিল আৰু একেবাৰে শেষলৈ সূৰ্য্য মূৰ্ত্তিৰ লগতে মন্দিৰৰ দাতা জনৰ মূৰ্ত্তিও সজা হৈছিল।

সূৰ্য্যৰ পৰিয়াল

সূৰ্য্যৰ ৰথৰ চকা এটা মাত্ৰ আছিল, দুটা চকা দিয়া হ'ল।

দ্বিচক্ৰ সূৰ্য্যৰথ

সূৰ্য্যৰ ৰথ প্ৰথমতে চাৰিটা ঘোৰাই টানিছিল। পিচলৈ সাতোটা ঘোৰাই টনা হ'ল, সূৰ্য্য হ'ল সপ্তাশ্ববাহন। ডঃ পাণ্ডেই অনুমান কৰে সপ্তাশ্ববাহনৰ পৰাই সাতবাহন বংশৰ উৎপত্তি হৈছিল।

সপ্তাশ্ব সূৰ্য্যৰথ

সূৰ্য্যই সহস্ৰজিহ্ব, ঋগ্‌বেদ, যজুৰ্বেদ, সামবেদ। সূৰ্য্যই আদিদেৱ পৰম ব্ৰহ্ম।

প্ৰমাণাৱলীঃ —

১। S. C. Chatterjee Sthapatya Visarad: Mazadha Architecture P. 16.

২। Dr. L P. Pande: – Sun Worship In Ancient India PP 177 – 184 দ্ৰষ্টব্য।

৩। (ক) সসপ্তাশ্বে একচক্ৰে ৰথে সূৰ্যো দ্বিপদ্মধৃক্।
মষীভাজন লেখিন্যৌ বিভ্ৰৎকুণ্ডী তু দক্ষিণে॥
অগ্নি পুৰাণ

(খ) ৰক্তৱৰ্ণো মহাতেজা দ্বিবাহুঃ পদ্মভৃদ্ৰৱিঃ।
সপ্তভিস্তুৰগৈৰ্যুক্তে সপ্তৰজ্জু সমন্বিতে॥

৭

সংজ্ঞা-ছায়া-মাৰ্ত্তণ্ড কাহিনী আৰু সৌৰ দৰ্শন

আগৰটো অধ্যায়ত কোৱা হৈছে যে ভাৰতীয় সূৰ্য্য মূৰ্ত্তিক দুই ভাগত বিভক্ত কৰা হৈছে, উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয়। এইটো অধ্যায়ত সূৰ্য্য মূৰ্ত্তিৰ দৰ্শনৰ বিষয়ে আলোচনা কৰিবলৈ আগ বাঢ়িলোঁ। পুনৰ চমুকৈ দুইবিধ মূৰ্ত্তিৰ বৈশিষ্ট্য দাঙ্গি ধৰা হ'ল।

উদীচ্য বেশ

উত্তৰ ভাৰতীয় মূৰ্ত্তিৰ এইবিলাকৰ বিশেষত্ব :— (১) ভৰি দুটা ঢাক খোৱা যেন জোতা পিন্ধি আছে। (২) ঠেং দুটা যেন মোজাৰে ঢাক খোৱা (৩) কোমৰ বন্ধ (৪) গাটো যেন ডিঙ্গিৰ পৰা আঠুলৈকে চোলাৰে ঢকা। কিন্তু এই চোলা ইমান পাতল যে গাটো দেখি থাকে (৫) মূৰত টুপী, টুপীৰ মূৰটো চেপেতা (৬) হাত দুখন কঁকালৰ কাষত (৭) হাতে-পতি একোটাকৈ বাউনীলৈকে দীঘল মৃণালেৰে পদুম ফুল (৮) পদুম ফুল দুটা সম্পূৰ্ণ ফুলা (৯) মুখখন ঘুৰণীয়া।

দাক্ষায়ণী বেশ

দক্ষিণ ভাৰতৰ মূৰ্ত্তিৰ বিশেষত্ব হৈছে :—(১) ভৰি দুখন জোতা পিন্ধা নহয় বা ঢাক খোৱা নহয় (২) ঠেং দুটাত মোজা নাই (৩) উদৰ বন্ধ আছে (৪) গাটোত

যেন কোনো চোলা নাই, (৫) হাত দুখন ওপৰ মুৱাকৈ বাউনীৰ কাষত (৬) হাতে পতি একোটা চুটি মৃণালৰ পদুম ফুল। (৭) পদুম ফুল প্ৰত্যেকটো আধাফুলা (৮) টুপী দীঘলীয়া আৰু জোঙ্গা (৯) মুখখন ঘূৰণীয়া নহয়।

উত্তৰ ভাৰতীয় মূৰ্ত্তিৰ সাজটোক উদীচ্য বেশ বুলি কোৱা হয়। স্কলাৰ দুই এজনে কয়, উত্তৰ ভাৰতৰ যি সূৰ্য্য পূজা গুপ্ত আৰু গুপ্তোত্তৰ যুগত প্ৰচলিত আছিল, সেইটো সূৰ্য্য পূজা ইৰাণী মগীয়ে ভাৰতলৈ আনিছিল আৰু সূৰ্য্যমূৰ্ত্তিও ইৰাণী। কিন্তু এই

মিথ্ৰ মূৰ্ত্তি

শ্ৰেণীৰ স্কলাৰে এইটো স্বীকাৰ কৰিছে যে ইৰাণী বিলাক মূৰ্ত্তি উপাসক নাছিল। সেইকাৰণে তেওঁবিলাকে কয় ইৰাণী মিত্ৰক (মিত্ৰ ইৰাণী ভাষাত মিথ্ৰ আৰু পশ্চিমত্তো মিথ্ৰ নামে জনাজাত হয়) গ্ৰীকবিলাকে হেলেনীয়া কৰি পেলালে আৰু তেতিয়াৰ পৰাহে মিথ্ৰ মূৰ্ত্তিৰ প্ৰসাৰ বাঢ়ে আৰু এই মূৰ্ত্তি ভাৰত পায়হি। কিন্তু স্কলাৰবিলাকৰ এই যুক্তি বুজা নাযায়। মিথ্ৰৰ কেইবা প্ৰকাৰ মূৰ্ত্তি আছিল। ৰোমৰ জগতত,

ৰোমৰ মিথ্ৰ

"মিথ্ৰ সদায় এজন ডেকা; মূৰত জোঙ্গা টুপী, গাৰ কাপোৰ উৰি ফুৰিছে, দেগাৰ (জোঙ্গা দা) এখনেৰে বৃষ এটাৰ এপাশে খুচি মাৰিবলৈ ধৰিছে।"[১]

ইৰাণী জগতত মিথ্ৰই পাৰমিকৰ দৰে পাগুৰি

ইৰাণী মিথ্ৰ

মাৰিছিল আৰু পাগুৰিমৰা মিথ্ৰৰ মূৰ্ত্তিও পোৱা
গৈছে।[২]

মিথ্ৰৰ বেলেগ মূৰ্ত্তিও দেখা যায়। "মিথ্ৰই শুৱনি

মিথ্ৰৰ ফ্ৰিজীয় টুপি

ডেকাৰ ৰূপলৈ ফ্ৰিজীয় টুপি আৰু পোষাক পিন্ধিছে।
বৃষভ এটাৰ ওপৰত আঠুকাঢ়ি বৃষভৰ ডিঙ্গি কাটিছে।"

গ্ৰীকবিলাক মিথ্ৰৰ উপাসক নাছিল। আনকি

লুচিয়ান

খৃষ্টৰ ২য় শতিকাতো লুচিয়ানে মিথ্ৰক বৰ্ব্বৰ দেৱতা
বুলিয়েই বৰ্ণনা কৰিছে। গ্ৰীকবিলাকে মিথ্ৰৰ বলদ
মৰা মূৰ্ত্তি সাঁজোত তেওঁলোকৰ শিল্প মাত্ৰ ব্যৱহাৰ
কৰিছিল, মিথ্ৰ পূজা কৰা নাছিল। এন্টিয়াক্সৰ যুগত
এটা মূৰ্ত্তিত "এপল মিথ্ৰস হেলিয়াস হাৰ্মিস" লেখা

এপল মিথ্ৰস্ হেলিয়স্ হাৰ্মিস্

আছে। এইটোক কোনো কোনো স্কলাৰে মিথ্ৰৰ মূৰ্ত্তি
বুলি ধৰিছে। এইটো প্ৰকৃততে মিথ্ৰৰ মূৰ্ত্তি বুলি
ধৰা টান। হাৰ্মিস মিথ্ৰ দেৱতা নহয়। হাৰ্মিস
আছিল বাগ্মিতা, ভাগ্য, সদাগৰ, পথিক আৰু ডকাই-
তৰ দেৱতা। এওঁৰ মূৰ্ত্তিৰ ভৰিত পাখিলগা জোতা
হাতত লাঠি আৰু মূৰত বহল পাতলিৰ টুপি। এওঁক
এপল-হেলিয়াসৰ লগত ঠাই দিছে, কিয়নো এন্টিয়াক্সৰ
ৰাজ্যত বিভিন্ন দেৱতাৰ ভক্ত আছিল আৰু সেইকাৰণে
বেলেগ বেলেগ পন্থীৰ মাজত সমিলমিল অনাৰ উদ্দেশ্যে
একেজন দেৱতাক এপল-হেলিয়াস মিথ্ৰস-হাৰ্মিস বুলি
কোৱা হৈছে। আদিতে এপল আৰু হেলিয়াসো একে-

জন দেৱতা নাছিল, পিচৰ যুগত একেজন দেৱতা
বুলি ধৰা হয়। এপ'লৰ মূৰ্ত্তি বেলেগ বেলেগ সাজত
তৈয়াৰ কৰা হৈছিল। এপলৰ "এপল-ৱেলৱেদাৰ"

এপল ৱেল-ৱেদাৰ

মূৰ্ত্তিয়েই বিখ্যাত। এপল মানৱ দেহাৰ সৌন্দৰ্য্যৰ
জীৱন্ত মূৰ্ত্তি। এওঁ এজন চঞ্চল ডেকা, হাতত কেতিয়াবা
ধেনু, কেতিয়াবা বীণা ধাৰণ কৰে। এপলৰ বেলেগ
বেলেগ মূৰ্ত্তি আছে। হেলিয়াসৰ পূজা বিশেষকৈ সিসিলীৰ
থ্ৰিনচিয়া আৰু ৰোদসত প্ৰচলিত আছিল। ৰোদসৰ
বিখ্যাত দৈত্যাকাৰ মূৰ্ত্তিটো হেলিয়াসৰ আছিল।
বিশেষকৈ মন কৰিবলগীয়া, এওঁৰ পৱিত্ৰ চৰাই
আছিল কুকুৰা।

স্কলাৰে কয়, ওপৰত বৰ্ণোৱা হেলিয়াস মিথ্ৰস
মূৰ্ত্তিৰ অনুকৰণ কৰিয়েই উত্তৰ-ভাৰতৰ গুপ্তৰ আৰু
গুপ্তোত্তৰ যুগৰ সূৰ্য্য মূৰ্ত্তি গঠন কৰা হৈছিল। এইটো

কণিষ্কৰ মুদ্ৰাত উদীচ্য বেশ

উদীচ্য বেশৰ নিদৰ্শন কণিষ্কৰ মুদ্ৰাত আছে বুলি
তেওঁলোকে কয়। কণিষ্কৰ মুদ্ৰাৰ ছবি এটা মজুমদাৰৰ
এডভানস্ হিষ্ট্ৰী অৱ ইণ্ডিয়াত" দিয়া হৈছে। প্ৰকৃততে
হেলিয়াস-মিথ্ৰস-এপল আদিৰ মূৰ্ত্তিৰ সৈতে কণিষ্কৰ
উদীচ্য বেশৰ সৈতে মিল নাই।

তথাকথিত উদীশ্য বেশটোৱে তান্ত্ৰিক দৰ্শনৰ এটা

মৰুৎ+অণ্ড+ষণ্ড =মাৰ্ত্তণ্ড

ধাৰা মূৰ্ত্তিমন্ত কৰিছে। মাৰ্ত্তণ্ড শব্দটোৰ অৰ্থ সোণৰ
কণি। মৰুৎ শব্দৰ অৰ্থ সোণ। মৰুৎ + অণ্ড = মৰুতণ্ড
+ ষণ্ড = মাৰ্ত্তণ্ড, মাৰ্ত্তাণ্ড। পৰম ব্ৰহ্ম হিৰণ্য গৰ্ভঃ

অৰ্থাৎ সোণৰ কণী। জীৱাত্মা আৰু পৰমাত্মা একেজন।

সোণৰ কণী

সৃষ্টি হৈছে কণীৰ পৰা। মাৰ্ত্তণ্ডই হৈছে হিৰণ্য গৰ্ভ অৰ্থাৎ মাতৃৰ গৰ্ভ (ফাৰ্টিলাইজড অভাম্) মাতৃ গৰ্ভস্থ ভ্ৰূণেই সময়ত পৃথিৱীলৈ আহি জীৱাত্মা ৰূপ লৈ পৰমাত্মাক বিচাৰে। পৰমাত্মাই সূৰ্য্যৰূপে পৃথিৱীত জন্ম লাভ কৰিছে। এই পৰমাত্মাই মৰুৎ অণ্ড অৰ্থাৎ সোণৰ কণী আৰু সৃজনেক্ষু সূৰ্য্যাই মৰুৎ অণ্ডৰ পুত্ৰ মাৰ্ত্তণ্ড। মাৰ্ত্তণ্ডই প্ৰজাপতি। ব্ৰহ্মাৰ জন্মও কণীৰ পৰা। সূৰ্য্য আৰু প্ৰজাপতি একেজন। মানুহৰ দেহত জীৱাত্মা বাস কৰে আৰু সূৰ্য্যৰ দেহত পৰমাত্মা বাস কৰে। সূৰ্য্যস্থ পৰমাত্মা আৰু মানৱ দেহস্থ পৰমাত্মা একেজন আৰু

সূৰ্য্যস্থ পৰমাত্মা

মানৱাত্মাৰ সৈতে সূৰ্য্যস্থ পৰমাত্মাৰ লগত মিলনৰ দৰ্শনেই সৌৰ দৰ্শন আৰু সূৰ্য্যৱিপ্ৰৰ সাধনা। সূৰ্য্যই যেনেকৈ প্ৰকাশ পাইছে, তেনেকৈ পৰম ব্ৰহ্মাই এই পৃথিৱীত নিজকে প্ৰকাশ কৰিছে। এইটো সত্যকে ৰূপ দিবৰ কাৰণে পৰমব্ৰহ্ম সূৰ্য্যক মাতৃগৰ্ভস্থ ভ্ৰূণ ৰূপে কল্পনা কৰা হৈছে আৰু সূৰ্য্যৰূপী ভ্ৰূণৰ দুটা অৱস্থা উত্তৰ ভাৰতে আৰু দক্ষিণ ভাৰতে বেলেগে বেলেগে মূৰ্ত্তিমন্ত কৰিছে। মাৰ্ত্তণ্ড মৃত বা মৰা সূৰ্য্য বা অণ্ড নহয়। মাৰ্ত্তণ্ড পুৱাৰ জীৱন্ত সূৰ্য্য, উঠি অহা সূৰ্য্য।

ভৱিষ্যৎ পুৰাণৰ ব্ৰহ্ম পৰ্ব্বৰ অধ্যায় ৪৭ত

সংজ্ঞা মাৰ্ত্তণ্ড বিবাহ

এইটো কাহিনী পোৱা যায়। মাৰ্ত্তণ্ডই অণ্ড বা কণী হৈ থকা কালতেই দক্ষৰ জীয়েক সংজ্ঞাক বিয়া কৰায়।

সংজ্ঞাক দাক্ষায়ণী দিৱ বুলিও কোৱা হয়। অন্তস্থ

সন্তান জন্ম

অৱস্থাতেই মাৰ্ত্তণ্ডৰ দুটা লৰা মনু আৰু যম আৰু ছোৱালী যমী বা যমুনাৰ জন্ম হয়। তিনিটা সন্তানৰ মাক হৈয়ো যেতিয়া মাৰ্ত্তণ্ডৰ হাতভৰি একো দেখিবলৈ নাপালে, দাক্ষায়ণী সংজ্ঞাই বেজাৰ কৰিছে :—

"মোৰ পিতা দক্ষই মোক অণ্ডস্থ মাৰ্ত্তণ্ডৰ সৈতে বিয়া দিলে। মোৰ কান্তৰ ৰূপ তেজোময়, কান্তিময়। তেজেৰে বিমোহিত হৈ এওঁৰ কোনো অঙ্গই নেদেখোঁ। এওঁৰ তেজে পোৰাত মোৰ শৰীৰ শ্যাম বৰণীয়া হ'ল। সেই কাৰণে মই উত্তৰ কুৰুলৈ গৈ তপস্যা কৰোঁগৈ।"

সংজ্ঞাই নিজৰ ছায়াক সূৰ্য্যৰ শুশ্ৰূষা কৰিবলৈ থৈ মনে মনে উত্তৰ কুৰুলৈ গুচি গৈ তপস্যা কৰিবলৈ

ছায়া

ধৰিলে। ছায়াৰ আন এটা নাম নিক্ষুভা; নিক্ষুভা মহীময়ী অৰ্থাৎ নিক্ষুভাই পৃথিৱী। মাৰ্ত্তণ্ডই ছায়াকে আচল সংজ্ঞা বুলি ভাবি থাকিল। ছায়াৰ এটা সন্তান হ'ল শনি আৰু এজনী ছোৱালী তপতী।

যম

ছায়াই নিজৰ ল'ৰা-ছোৱালীক যিমান মৰম কৰিছিল সংজ্ঞাৰ ল'ৰা-ছোৱালীক সিমান মৰম নকৰিছিল। এদিন যমে ছায়াক ভৰি দাঙ্গি তৰ্জ্জন কৰিল। ছায়াই যমক শাও দিলে "তোৰ ভৰিত পোক দিব"। যমে গৈ মাৰ্ত্তণ্ডক কৈ দিলে যে ছায়া তেওঁলোকৰ মাক নহয়, নিজৰ মাকে এনেকৈ নিজৰ সন্তানক শাও নিদিয়ে। মাৰ্ত্তণ্ডই সোধাত ছায়াই সকলো কথা বিবৰি কলে। মাৰ্ত্তণ্ডৰ খং উঠিল।

মাৰ্ত্তণ্ডৰ তেজ হ্ৰাস

সংজ্ঞাক বিচাৰি মাৰ্ত্তণ্ডই শহুৰেকৰ ঘৰ পালেগৈ। জোৱাঁয়েকৰ খং দেখি শহুৰেকে বঢ়াই বুজাই কলে— "তোমাৰ তেজ সহিব নোৱাৰি সংজ্ঞাই বড়বা ৰূপ ধৰি উত্তৰ কুৰুত তপস্যা কৰিছেগৈ। তোমাৰ তেজ যদি হ্ৰাস কৰিব পাৰা সংজ্ঞাক তুমি পাবা" মাৰ্ত্তণ্ডই নিজৰ তেজ কেনেকৈ কমাব পাৰি ভাবিবলৈ ধৰিলে। তেওঁ বিশ্বকৰ্ম্মাৰ পৰামৰ্শ ললে। বিশ্বকৰ্ম্মাই তেওঁৰ তেজ কমাবলৈ সন্মত হৈ তেওঁক ভ্ৰমী যন্ত্ৰত তুলি তেওঁৰ তেজ কমাবলৈ ধৰিলে। তেজ কমাওঁতে তেওঁৰ অঙ্গ প্ৰত্যঙ্গ সকলো কান্তিময় হৈ ওলাল, কিন্তু তেওঁ অশেষ যন্ত্ৰণা পাবলৈ ধৰিলে আৰু যন্ত্ৰণাত অতিষ্ঠ হৈ উঠিল। তেওঁৰ সেই অৱস্থা দেখি বিশ্বকৰ্ম্মাই ভয় খাই তেওঁৰ ভৰি দুটাৰ তেজ নকমালে আৰু ফলত ভৰি দুটা নেদেখা হৈ থাকিল।

অশ্বিনী কুমাৰ ৰেৱন্ত

মাৰ্ত্তণ্ডই সুস্থ হৈ উত্তৰ কুৰু পালেগৈ আৰু সংজ্ঞাক ঘোৰা ৰূপ ধাৰণ কৰি বিচৰণ কৰি থকা দেখা পালে। তেওঁ অশ্বৰূপ ধাৰণ কৰি সংজ্ঞাক সম্ভোগ কৰিলে আৰু ক্ৰমে অশ্বিনীকুমাৰ দুজনৰ আৰু ৰেৱন্তৰ জন্ম হয়।

দিৱ সুৰেনু

অন্যত্ৰ সংজ্ঞাক বিশ্বকৰ্ম্মাৰ জীয়েক, সুৰেনু বা দিৱ বা প্ৰভা বুলি কোৱা হৈছে। ভৱিষ্যত পুৰাণৰ এইটো কাহিনী তান্ত্ৰিক দৰ্শনৰ সূৰ্য্য জন্মৰ পৌৰাণিক ব্যাখ্যা। ইয়াৰ তাৎপৰ্য্য তলত আলোচনা কৰা হ'ল।

পৰমাত্মা ত্ৰিকোণ কামকলা

তান্ত্ৰিক দৰ্শনত সূক্ষ্মৰ পৰা স্থূলৰ জন্ম হয়। অৰ্থাৎ পৰমাত্মাৰ পৰাই জড়জগতৰ উৎপত্তি। পৰমাত্মাৰ সৃষ্টিৰ কাৰণে ত্ৰিকোন হয়। ত্ৰিকোণক কামকলা বুলি কোৱা হয়। মাতৃৰ উদৰত যেতিয়া গৰ্ভ সঞ্চাৰ হয়। সেই গৰ্ভ ইমান সুক্ষ্ম যে সি দৃষ্টি গোচৰ নহয়। সংজ্ঞা ত্ৰিকোণ। এই ত্ৰিকোণ হৈছে জ্ঞান, ইচ্ছা আৰু ক্ৰিয়া। জ্ঞান মনু, ইচ্ছা, যম আৰু ক্ৰিয়া যমী বা যমুনা অৰ্থাৎ সত্বগুণী। সংজ্ঞাৰ এটা নাম দিং অৰ্থাৎ স্বৰ্গীয়। সূক্ষ্মৰ পৰা স্থূললৈ নামোতে জ্ঞান, ইচ্ছা আৰু সত্বগুণ এই ত্ৰিকোণ হ'ল। সৃষ্টিৰ জন্ম তপস্যাৰ পৰা। যমুনা দেৱীয়েই তপস্যা বা সত্বগুণ। কিছু-দিন পিচত সূক্ষ্ম গৰ্ভ বাঢ়িবলৈ ধৰে, স্থূল শৰীৰ লাভ কৰে অৰ্থাৎ সূক্ষ্মই আহি জড় পদাৰ্থত বান্ধ খালে। এই অৱস্থাত দিৱ অৰ্থাৎ স্বৰ্গীয় সংজ্ঞাৰ কাম শেষ হ'ল। জড় বা স্থূল পদাৰ্থও স্বৰ্গীয় সংজ্ঞাৰ ছায়া মাত্ৰ। সেইকাৰণে স্থূল শক্তিৰ প্ৰতীক ছায়াও মাৰ্ত্তণ্ডৰ পত্নী। শনিৰ নাম মন্দ অৰ্থাৎ শনি স্থূলৰ প্ৰতীক, সেই কাৰণে শনি ছায়া অৰ্থাৎ পৃথিৱীৰ পুত্ৰ। স্থূলৰ গুণ মোহ, সত্বগুণৰ বিপৰীত; সেইকাৰণে স্থূলৰ পিচত জন্ম হৈছে ছায়াৰ কন্যা তপতী। আনহাতে শনি আয়ুৰ্দাতা আৰু তপতী আয়ুষ্কৰী শক্তি। গৰ্ভই জড় দেহ ধাৰণ কৰাৰ পাচত প্ৰাণৰ সঞ্চাৰ হয়। তপতী প্ৰাণ শক্তি।

জ্ঞান ইচ্ছা ক্ৰিয়া মনু যম যমুনা সত্বগুণ

স্থূল ছায়া শনি তপতী প্ৰাণ

গৰ্ভত প্ৰাণ সঞ্চাৰ হোৱাৰ পাচত হাত-ভৰি আদি অঙ্গ-প্ৰত্যঙ্গবোৰ ওলাবলৈ ধৰে। সেইকাৰণে পুৰাণে

কৈছে অণ্ডস্থ অৱস্থাতে মাৰ্ত্তণ্ডৰ তিনি পুত্ৰ হল আৰু দাক্ষায়নীয়ে মাৰ্ত্তণ্ডৰ অঙ্গ-প্ৰত ঙ্গ নেদেখি বেজাৰ কৰিছে। মাতৃৰ গৰ্ভস্থ শিশুৰ অঙ্গ-প্ৰত্যঙ্গবোৰ দেখা দিয়াৰ আগতে মাতৃগৰ্ভত শিশুৰ বহু বিৱৰ্ত্তণ ঘটে। এই অৱস্থাকে পুৰাণে বিশ্বকৰ্ম্মাই মাৰ্ত্তণ্ডক ভ্ৰমি যন্ত্ৰত বহুৱাই মাৰ্ত্তণ্ডৰ তেজ হ্ৰাস কৰিল বুলি কৈছে। হাত-ভৰি ইন্দ্ৰিয়াদি পৰিপুষ্ট হোৱাৰ পিচত গৰ্ভই পূৰ্ণ জীৱলক্ষণ পায়। তাৰ পিচত গৰ্ভস্থ শিশুৰ সৎজ্ঞান অসৎ জ্ঞান বিকাশ পায়। সৎ-অসৎ এই দুই প্ৰকাৰ জ্ঞানেই

সৎ অসৎ জ্ঞান অশ্বিনী কুমাৰ

অশ্বিনী কুমাৰ দুজন। তথা অশ্বিনী কুমাৰ involution আৰু evolution মাতৃ গৰ্ভস্থ শিশু জন্মোমুখ হৈ মাতৃৰ গৰ্ভৰ পৰা পৃথিৱীলৈ আহিবলৈ সাজু হয়। যি শক্তিয়ে শিশুক এনেকৈ সাজু কৰে ; সেইটো শক্তি

ৰজোগুণ বেৰন্ত

ৰজোগুণ, ৰজোগুণেই বেৰন্ত। তন্ত্ৰৰ মতে ৰজোগুণ সত্বগুণ আৰু তমোগুণৰ মিহলি গুণ।

তন্ত্ৰত শক্তিৰ প্ৰতীক সৰ্প। সেইকাৰণে পৰা শক্তিৰ এটা নাম মহাভুজঙ্গী আৰু শক্তিৰ নাম ভূজঙ্গিনী।

মহা ভুজঙ্গী

ভূজঙ্গিনীক সাধাৰণতে কুণ্ডলিনী শক্তি বুলি কোৱা হয়। দিৱ বা সংজ্ঞাৰ প্ৰতীক ভূজঙ্গিনী সাপ, আনহাতে

দেৱ সূৰ্য্য অশ্ব

সূৰ্য্যৰ প্ৰতীক অশ্ব। তন্ত্ৰৰ মতে সহস্ৰসাৰ চক্ৰত কুণ্ডলিনী বা ভুজঙ্গিনীৰ সৈতে মিলন ঘটিলে মানুহৰ

সহস্ৰসাৰ চক্ৰ

মুক্তি লাভ ঘটে। সহস্ৰসাৰ [illegible] ।হৰ মূৰৰ শীৰ্ষ স্থানত অৱস্থিত। শৰীৰ শাস্ত্ৰ মতেও, মস্তিস্ক আকাৰত ঘোৰা। মস্তিস্কৰ প্ৰধান, প্ৰধান কেন্দ্ৰৰ প্ৰতীক ঘোৰা

সৃষ্টিতত্বৰ কথা ভ্ৰূণতত্বৰ লগতে ওতঃপ্ৰোতভাবে সানখোৱা।

তান্ত্ৰিক দৰ্শনৰ হিৰণ্যগৰ্ভৰ জন্মকে ভাস্কৰ্য্য-শিল্পই মূৰ্ত্তিমন্ত কৰিছে। এওঁৰ মাতৃ অদিতি আৰু পিতৃ কশ্যপ। আকাশেই অদিতি। পূৱ আকাশৰ পৰা সূৰ্য্যাই ওলাই আহে যেন অদিতিৰ গৰ্ভৰ পৰা সূৰ্য্যই ওলাই আহিছে। সূৰ্য্য জন্ম

(১) ৰবিৰ গাটো ডিঙ্গিৰ পৰা আঠুলৈকে দীঘলীয়া চোলাৰে ঢাক খোৱা।

(২) ভৰিত যেন জোতা পিন্ধিছে।

(৩) ঠেং দুটাত যেন মোজা পিন্ধা।

গৰ্ভস্থ শিশু একপ্ৰকাৰ "জল চৰ্ম্মৰে" আবৰা থাকে। উপজিবৰ আগমূহুৰ্ত্তত ভৰি দুটা ভিতৰফালে থাকে। অন্যথা প্ৰসৱৰ সময়ত ভৰিয়ে বাধাৰ সৃষ্টি কৰিলেহেঁতেন। ভৰি ভিতৰফালে কোচ খোৱা দেখি ভৰিৰ আঙ্গুলী আৰু ভৰি যেন অদৃশ্য। এইটোৱেই উদীচ্য বেশ। উদীচ্য বেশৰ তাৎপৰ্য্য

গৰ্ভস্থ শিশুৰ সঙ্কুচিত ভৰি দুটা শিল্পীয়ে কেনেকৈ দেখুৱাব? ৰৰাহমিহিৰে কয় "ভৰিৰ পৰা উৰুলৈকে গূঢ় ; শিল্প শাস্ত্ৰই 'মাৰ্ত্তণ্ডৰ মূৰ্ত্তিক জোতা-মোজা পিন্ধাই ভৰিৰ পৰা আঠুলৈ গূঢ় কৰিছে।

(৪) মাৰ্ত্তণ্ডৰ হাত দুখন ককাঁলৰ ওচৰত

গৰ্ভস্থ শিশুৰ হাত দুখন ককাঁলৰ ওচৰত থাকে, যাতে প্ৰসৱৰ সময়ত কোনো বাধা নপৰে।

সেইকাৰণে শিল্পীয়ে মাৰ্ত্তণ্ড মূৰ্ত্তিৰ হাতদুখন কঁকালৰ কাষত ভিতৰ মুৱাকৈ থৈছে।

(৫) মাৰ্ত্তণ্ডৰ হাতেপতি একোটা দীঘল মৃণালৰ পদুম ফুল।

(৬) পদুম ফুল দুটা সম্পূৰ্ণ প্ৰস্ফুটিত।

জন্মো-মুখ শিশু

পদুমৰ মৃণাল দীঘল আৰু পদুম ফুল দুটা সম্পূৰ্ণ ফুলা কিয়নো গৰ্ভস্থ শিশুৰ উপজিবৰ সময় হল; শিশু-ৰূপী পদুম ফুলিল।

(৭) মুখখন ঘূৰণীয়া।

গৰ্ভস্থ শিশুৰ উপজিবৰ সময়ত মুখখন ঘূৰণীয়া হয়।

(৮) মৰ্ত্তণ্ডৰ মুৰৰ টুপীটো জোঙ্গা কিন্তু টুপীটো চেপেতা। দেৱ-দেৱীৰ মূৰ্ত্তি কিৰীটি শোভিত। ইয়াত

জোঙ্গা টুপী চেপেটা

বৰ কিবা বিশেষত্ব আছে বুলি কব নোৱাৰি। অৱশ্যে স্কলাৰে কয়, এইটো টুপী ইৰাণী। যিটো টুপী ইৰাণী সেইটো টুপী সুৰ্য্যৰ মূৰত নাই, বৰং শিৱ, ব্ৰহ্মা আদি দেৱতাৰ শীৰতহে শোভা পাইছে। যদি সন্দেহ ওপজে তলৰ ছবি কেইখন চাব পাৰে।

(ক) হেৱেলৰ ইন্দিয়ান স্কাল্পস্থাৰ
প্লেট নং ১২ দক্ষিণ মূৰ্ত্তি শিৱ।
প্লেট নং ২০ মহিষ মৰ্দ্দিনী দুৰ্গা।
প্লেট নং ২২ কৈলাসত ৰাৱণ।

(খ) ইন্দিয়া এ, পিক্টোৰিয়াল সাৰ্ভে পৃঃ-৪৬।

তাৎপৰ্য্য

সূৰ্য্যৰ মূৰত যিটো টুপী আছে, সেইটো টুপীৰ ওপৰখন চেপেটা কিয়নো শিশুৰ ব্ৰহ্ম তালু তললৈ নমা। এইটো

টুপীৰ লগত ব্ৰহ্মাৰ মুৰৰ টুপীৰ সৈতে মিল আছে, কিয়নো মাৰ্ত্তণ্ড আৰু ব্ৰহ্মা একেজন, অণ্ডৰ পৰ ওপজা (ইন্দিয়া, এ পিক্টৰিয়াল সাৰ্ভে পৃঃ-৪৭ দ্ৰষ্টব্য)। বৰং বুদ্ধদেৱৰ মূৰৰ কিৰীটিৰ সৈতে ইৰাণী টুপীৰ মিল আছে। এই কিৰীটি চালে দৰ'য়ুসৰ টুপী চোৱাৰ প্ৰয়োজন নাই (ঘিৰ্সমেনৰ ইৰাণ প্লেট নং দ পৃ-১৫ দ্ৰষ্টব্য)। তাৎপৰ্য্য

(৯) মাৰ্ত্তণ্ডই কোমৰ বন্ধ পৰিধান কৰিছে।

স্কলাৰে কয় কোমৰ বন্ধই "পাৰ্সি-গাৰ্দোল," ইৰাণী বস্তু। কটিবন্ধক সংস্কৃতত অৱ্যাঙ্গ, অভ্যাঙ্গ, অহ্যঙ্গ বুলি কোৱা হৈছে। গোপীনাথ ৰাৱে কয়, মৎস্য পুৰাণে অহ্যঙ্গক পানিয়াঙ্গ বুলি কৈছে। পানিয়াঙ্গ ভুল নহয়। অভ্যাঙ্গ হৈছে নাভিৰৰ্জ্জু। অনন্ত কন্দলীয়ে কয়—

অব্যাঙ্গ অৰ্পয়নী নাড়ী

জননীৰ আছে যিটো অৰ্পয়নী নাড়ী গোট
শিশুৰ নাড়ীত বন্ধ হৈ।
সেহিধাৰে অন্নৰস তাৰ শৰীৰক যাই,
ইটো কথা অঘটন নুই॥

জীৱতুতি পৃঃ ১৫

শিশুৰ নাড়ীডালেই অব্যাঙ্গ। এইডাল নাড়ীৰ সহায়েৰে শিশুৱে অন্নৰস খায়। এই নাড়ীডাল পানী অৰ্থাৎ হাত, সেইকাৰণে এইডাল নাড়ী পানিয়াঙ্গ। এইডাল নাড়ী পানিয়াঙ্গ সাধাৰণ নাড়ী নহয়, এইডাল অ-বিশেষ অঙ্গ, অব্যাঙ্গ সাপৰ দৰে নাড়ী। নাড়ীডাল আহি+অঙ্গ অহ্যঙ্গ।

এই নাড়ীডাল অভি+অঙ্গ,—অভ্যঙ্গ শিল্পীয়ে এই নাড়ীডালক কোমৰবন্ধ ৰূপে দেখুৱাইছে। এই অৱ্যঙ্গ ধাৰণ কৰিয়েই কৃষ্ণ দামোদৰ, দাম শব্দটোৰ অৰ্থ সোণৰ ৰচি। অৱ্যঙ্গ অহ্‌ৰ্ক, সাৰ, সৰসনা নামেও জনাজাত আছিল। সৰসনা বৈদিক সৌৰ প্ৰতীক।

পূৱ আকাশ মাক অদিতিৰ গৰ্ভৰ পৰা সূৰ্য্য ওলাই আহিবলৈ ধৰিছে। ইয়াকেই তথাকথিত উদীচ্য বেশে মূৰ্ত্তিমান কৰিছে।

দাক্ষায়ণী সূৰ্য্যমূৰ্ত্তি তাৎপৰ্য্য

এতিয়া সূৰ্য্যৰ দক্ষিণ ভাৰতীয় মূৰ্ত্তিৰ বিশেষত্ব আলোচনা কৰা যাওঁক। এইটো গৰ্ভস্থ আধাকুমলীয়া শিশুৰ মূৰ্ত্তি। সূৰ্য্য উপাসকে কল্পনা কৰিছে অদিতিৰ গৰ্ভত সূৰ্য্য বাঢ়িবলৈ ধৰিছে। এই মূৰ্ত্তিৰ—

(১) ভৰিত জোতা নাই বা ভৰি ঢাক খোৱা নহয়।

(২) মোজা নাই।

(৩) উদৰ বন্ধ আছে

(৪) গাটো অনাবৃত

গৰ্ভৰ ভিতৰত ভৰি লুকাই ৰখাৰ কথা নুঠে। এই অৱস্থাত জল চৰ্মই গা নাঢাকে।

(৫) টুপী দীঘলীয়া

কিয়নো আগচোৱাত গৰ্ভস্থ শিশুৰ মূৰ সাধাৰণতে দীঘলীয়া হয় আৰু তালু চেপেতা নহয়।

(৬) হাতদুখন ওপৰমুৱাকৈ বাউসীৰ কাষত ইয়াৰ বিশেষত্ব নাই, শিশুৰ হাত বাউসীৰ কাষত থাকে

(৭) হাতেপতি একোটা ছুটি মৃণালৰ পদুম ফুল।

(৮) পদুম ফুল দুটা আধা ফুলা

গৰ্ভস্থ শিশু আধা কুমলীয়া, সেইকাৰণেই পদুমৰ মৃণাল ছুটি, পদুম আধা ফুলা।

(৯) মুখখন ঘুৰণীয়া নহয়,

কিয়নো গৰ্ভস্থ আধা কুমলীয়া শিশুৰ মুখ ঘুৰণীয়া নহয়।

বুদ্ধ মূৰ্ত্তি যক্ষ ভগৱান

স্কলাৰবিলাকে কয়, দক্ষিণৰ শিল্পীয়ে উত্তৰ সূৰ্য্যৰ ইৰাণী পোচাকৰ প্ৰতিবাদ কৰি দক্ষিণৰ সূৰ্য্যৰ পোষাক ভাৰতীয় কৰিল। এইটো গৱেষণা সাপেক্ষ। ভাৰতীয় শিল্পত গ্ৰীক আৰু ইৰাণী শিল্পৰ প্ৰভাৱ কিমান পৰিছিল বা কিভাবে পৰিছিল এতিয়াও সেই বিষয়ে মতভেদ আছে। স্কলাৰবিলাকে কৈ আছিল যে এপলৰ অনুকৰণত বুদ্ধমূৰ্ত্তি সজা হৈছিল। এতিয়া ডঃ নিহাৰ ৰঞ্জন ৰায়ে কয় যে যক্ষ ভগৱানক আদৰ্শ কৰিয়েই বুদ্ধ ভগৱান মূৰ্ত্তি সজা হৈছিল[৫] কিন্তু বুদ্ধৰ মূৰ্ত্তিত গ্ৰীক শিল্পৰ প্ৰভাৱ গভীৰ। কোনো এটা মূৰ্ত্তিৰ কল্পনা (ভিজন) আৰু তাৰ গঠন কৌশল (টেকনিক) দুটা বেলেগ বস্তু। বুদ্ধৰ মূৰ্ত্তিৰ কল্পনা কৰা হৈছিল যক্ষ ভগৱানৰ আদৰ্শ লৈ, কিন্তু সজা হৈছিল গ্ৰীক গঠন কৌশলৰে। তেনেকৈয়ে মৰ্ত্তণ্ডৰ কল্পনা আছিল সম্পূৰ্ণ ভাৰতীয়। কণিষ্কৰ পোষাকত যি সাদৃশ্য দেখা যায় সেই সাদৃশ্য গঠন কৌশল প্ৰসূত। নানাটা বৈদেশিক সংস্কৃতিৰ সৌৰভ লৈয়ে ভাৰতীয় ভাস্কৰ্য্য শিল্পৰ ফুল

কুষাণ শিল্প হৰপ্পা

ফুলিছিল। কুষাণ শিল্পও ভাৰতত একেবাৰে নতুন নহয়; ইয়াৰ নিদৰ্শন হৰপ্পাত পোৱা গৈছে।[৬]

এইটো বিশেষকৈ মনকৰিবলগীয়া যে উদীচ্য বেশ ৫০০ শতিকা আৰু পিচৰ কালৰ সূৰ্য্যমূৰ্ত্তিৰ গাত হে পোৱা গৈছে। স্কলাৰৰ মতে, ইৰাণী মগী প্ৰথম শতিকাত ভাৰতলৈ আহে। সূৰ্য্যক ইৰাণী বেশেৰে সজ্জিত কৰিবলৈ তেওঁলোকে চাৰিশ বছৰ বাট চাইছিল কেলেই? অব্যঙ্গ ধাৰণ অকল উত্তৰ ভাৰতৰ সূৰ্য্যমূৰ্ত্তিয়েই কৰা নাই, দক্ষিণ ভাৰতৰ সূৰ্য্যমূৰ্ত্তিয়েও ধাৰণ কৰিছে। ভাৰতত ইৰাণী মগীয়ে সূৰ্য্য পূজা উদীচ্য বেশ আৰু অব্যঙ্গ প্ৰৱৰ্ত্তন কৰা মতৰ কোনো মূল্য নাই।

উদীচ্য বেশ গুপ্ত গুপ্তোত্তৰ যুগৰ

বুৰঞ্জী যুগলৈ আহিলে দেখা যায় গ্ৰীকবিলাকে সপ্তসিন্ধুত ৰাজত্ব কৰিছিল। স্কলাৰবিলাকে ভাবে, ভাৰতে সদায় গ্ৰীকৰ পৰা শিক্ষা সভ্যতা ধাৰ কৰিছিল। গ্ৰীকবিলাকে যি কোনো কালেই ভাৰতীয় সভ্যতাৰ প্ৰভাৱত পৰা নাছিল! বুৰঞ্জীয়ে কয়, ভাৰতীয় সংস্কৃতি সভ্যতাৰ সোঁতে পশ্চিম অঞ্চল বুৰাইছিল। মাৰ্ত্তণ্ডৰ কল্পনা উদীচ্য দেশৰ অৰ্থাৎ সপ্তসিন্ধুৰ। মাৰ্ত্তণ্ডৰ পূজাই পশ্চিম দেশত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। সেই কাৰণে এন্টিয়াকসৰ এপল হেলিয়াস্-মিথ্স্-হাৰ্মিসৰ কল্পনা ভাৰতৰ মাৰ্ত্তণ্ড মূৰ্ত্তিৰ অনুকৰণত কৰা একো অসম্ভৱ নহয়।

পশ্চিমত ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱ

"গ্ৰীক শিল্পই বহুদেশ ব্যাপি খোপনি পুতিছিল উদাহৰণ স্বৰূপে ইটালী আৰু পশ্চিম এচিয়াত যেনেকৈ শিপাইছিল, ভাৰতত তেনেকৈ শিপাব পৰা নাছিল। ইয়াৰ কাৰণ গ্ৰীক আৰু ভাৰতীয় এওঁলোকৰ মনোবৃত্তি একেবাৰে বিপৰীত আছিল। গ্ৰীকৰ কাৰণে মানুহ, মানুহৰ সৌন্দৰ্য্য, মানুহৰ মনীষাৰ স্বৰ্ব্বস্ব আছিল আৰু এই সৌন্দৰ্য্য আৰু মনীষাৰ স্বৰ্গীয় ৰূপ পৰিকল্পনাই, আনকি প্ৰাচ্যতো একমাত্ৰ চাবি-কাঠি আছিল। কিন্তু এই আদৰ্শই ভাৰতীয়ৰ মনত কোনো স্পন্দনৰ সৃষ্টি কৰিব পৰা নাছিল। ভাৰতীয় ধ্যানে আশ্ৰয় কৰিছিল অমৰক লৈ, মৰক নহয়, অসীমক লৈ সসীমক নহয়।[৭]

গ্ৰীক আদৰ্শ পাৰ্সিৰ

ভাৰতীয় আদৰ্শ

মাৰ্ত্তণ্ডৰ মূৰ্ত্তি যি দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত আছিল, সেই দৰ্শন ইৰাণী আৰু গ্ৰীক উভয়ৰে অজ্ঞাত আছিল। পৰমব্ৰহ্মই পৃথিৱীত জন্ম গ্ৰহণ কৰিছে "ব্ৰাহ্মজাতো" এইখিনি আধ্যাত্মিক সাধনা ইৰাণী আৰু গ্ৰীক উভয়ৰে সপোনৰ, কল্পনাৰ অগোচৰ আছিল।

ব্ৰাহ্ম জাতো

স্কলাৰে কয়, মাৰ্ত্তণ্ডৰ পূজা অৰ্থাৎ তথাকথিত উত্তৰ ভাৰতৰ ইৰাণী সূৰ্য্য পূজা খৃষ্টৰ প্ৰথম তৃতীয় শতিকাৰ ভিতৰত ইৰাণী মগীয়ে আনি ভাৰতত সোমোৱাইছিল। এইটো থিওৰী গ্ৰহণ যোগ্য নহয়। মাৰ্ত্তণ্ডও বৈদিক দেৱতা। এওঁৰ জন্মৰ কথা ঋগবেদৰ ১০।৭২।৮৩ আছে।

অতি প্ৰাচীন কালৰ পৰাই মাৰ্ত্তণ্ডৰ পূজা প্ৰচলিত আছিল। কিন্তু মাৰ্ত্তণ্ডক দ্বাদশাদিত্যৰ ভিতৰত ধৰা হোৱা নাই। দ্বাদশাদিত্যৰ নামো বেলেগ বেলেগ পুৰাণত বেলেগ বেলেগ। বস্তুতত দ্বাদশাদিত্যৰ নাম এনেকৈ পোৱা যায়, (১) ধাত্ৰী (২) মিত্ৰ (৩) অৰ্য্যমন্ (৪) ৰুদ্ৰ (৫) বৰুণ (৬) সূৰ্য্য (৭) ভগ (৮) বিৱস্বন্ (৯) পূষণ (১০) সৱিতৃ (১১) ত্বষ্টৃ আৰু (১২) বিষ্ণু। মিত্ৰৰ চকু তিনিটা। ৰুদ্ৰও এজন প্ৰধান আদিত্য। সৱিতৃ মনোবাঞ্ছা পূৰক আৰু বৰদাতা। বিষ্ণু সৰ্বতোভাৱে জ্যোতিৰ্ম্ময়

দ্বাদশাদিত্য

মাৰ্ত্তণ্ড আৰু দ্বাদশাদিত্যৰ বেলেগ বেলেগ পূজাও গভীৰ দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত আছিল আৰু সূৰ্য্য উপাসকৰ বেলেগ বেলেগ ফৈদে একোটা বিশেষ ধ্যানেৰে সূৰ্য্যক পূজা কৰিছিল। কূৰ্ম্ম পুৰাণত আদিত্য আৰু ঋষিৰ নাম এনেদৰে পোৱা যায়।

সূৰ্য্যৰ ধ্যান

আদিত্য	ঋষি	মাহ
১। বৰুণ	পুলস্ত্য	মাঘ
২। পূষণ	পুলহ	ফাগুণ
৩। অংশু	অত্ৰি	চ'ত
৪। ধাতা	বশিষ্ঠ	বহাগ
৫। ইন্দ্ৰ	অঙ্গিৰা	জেঠ
৬। ৰবি	ভৃগু	আহাৰ
৭। বিৱস্বান্	ভৰদ্বাজ	শাওণ
৮। ভগ	গৌতম	ভাদ
৯। ত্বষ্টা	কাশ্যপ	আহিন
১০। ভাস্কৰ	ক্ৰতু	কাতি
১১। মিত্ৰ	জমদগ্নি	আঘোণ
১২। বিষ্ণু	কৌশিক	পুহ

এই দ্বাদশাদিত্যও মাৰ্ত্তণ্ড জন্মৰ একোটা অৱস্থা মাত্ৰ। পিচত সকলো আদিত্যই এজন সূৰ্য্য হয়। মূলত একেজন সূৰ্য্য দেৱতাই ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ ৰূপে যথাক্ৰমে সৃষ্টি, স্থিতি আৰু লয় কৰিছে। কৃষ্ণ শাস্ত্ৰীৰ মতে :—

"জ্বলন্ত সূৰ্য্য মণ্ডলত বাস কৰে সুৱৰ্ণ শৰীৰৰ নাৰায়ণ (বিষ্ণু); তেওঁ ৰাতিপুৱা ব্ৰহ্মা ৰূপ ধাৰণ কৰে, দুপৰীয়া মহেশ্বৰ আৰু সন্ধ্যা বিষ্ণু। চিদম্বৰমৰ এটা ত্ৰিমূৰ্ত্তিয়ে সূৰ্য্যকেই ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ ৰূপে দেখুৱাইছে"।

সূৰ্য্য ব্ৰহ্মা বিষ্ণু মহেশ্বৰ

সৌৰ দৰ্শনত সূৰ্য্যই পৰবিন্দু। পৰবিন্দুৰ পৰা সম্ভূত হৈছে বিন্দু, নাদ আৰু বীজ। বিন্দু, নাদ আৰু বীজৰ পৰা জন্ম হৈছে যথাক্ৰমে ৰুদ্ৰ, বিষ্ণু আৰু ব্ৰহ্মা; এওঁলোকৰ গুণ যথাক্ৰমে জ্ঞান, ক্ৰিয়া আৰু ইচ্ছা। নৈসৰ্গিক জগতত এওঁলোক ৰবি, চন্দ্ৰ আৰু অগ্নি; ৰবিতেই বাস কৰে অগ্নি আৰু চন্দ্ৰ।[৮]

সূৰ্য্য পৰবিন্দু

শিশু পূজা

প্ৰাচীন সকলে ঈশ্বৰক শিশুৰূপে পূজা কৰিছিল। মিচৰতো ঈশ্বৰক শিশুৰূপে পূজা কৰা হৈছিল। কোনো কোনো স্কলাৰে অনুমান কৰে, ভাৰতে মিচৰৰ পৰা শিশু ঈশ্বৰৰ পূজা ধাৰ কৰে, সূৰ্য্য পূজাও ধাৰ কৰে। মিচৰতেই যে সূৰ্য্যপূজাৰ জন্ম হৈছিল তাৰে বা প্ৰমাণ ক'ত ? খৃষ্টপূৰ্ব্ব ১৫০০০ অব্দত সৌৰ শৈল (হিলিয়লিথিক) কৃষ্টিৰ জন্ম হৈছিল। এই কৃষ্টিৰ বিশেষত্ব আছিল, সূৰ্য্যপূজা আৰু এই পূজাত জ্যোতিষ আৰু সৰ্পৰ প্ৰাধান্য আছিল। এই কৃষ্টিৰ জন্ম ভূমধ্য সাগৰৰ পাৰত। এই কৃষ্টিক আশ্ৰয় কৰিয়েই মিচৰীয় সভ্যতা ঠন ধৰি উঠিছিল। এই কৃষ্টিৰ সোঁত ভাৰতৰ মাজেদি চীন পাইছিল; চীনৰ পৰা প্ৰশান্ত মহাসাগৰৰ মাজেদি মেক্সিকো আৰু পেৰু পাইছিলগৈ। এই কৃষ্টিৰ সোঁতৰ প্ৰভাৱ ভাৰতীয় সূৰ্য্য পূজাত হয়তো পাৰিছিল কিন্তু ভাৰতে মিচৰৰ পৰা সূৰ্য্য পূজা শিকিছিল এইটো বিশ্বাস যোগ্য নহয়। আনহাতে বিশ্বাস কৰিবলৈ যথেষ্ট কাৰণ আছে, ভাৰতীয় সূৰ্য্য পূজাৰ প্ৰভাৱ মিচৰত পৰিছিল। মিচৰীয় সূৰ্য্য

মিচৰীয় সূৰ্য্য ৰ এটেন

দেৱতাৰ "ৰ" মিত্ৰ দেৱতা (মিৎ+ৰ)। এটেন (সূৰ্য্যৰ) ৰ ৰশ্মিৰ সৈতে সবিতাৰ সোণালী হাতৰ বহুত মিল আছে।[৯] জৰথুষ্ট্ৰীয় ইৰাণীবিলাক মিত্ৰ

মিত্ৰ পূজা

উপাসক নাছিল। ভাৰতৰ পৰা মিত্ৰ পূজাৰ সোঁত ইৰাণলৈ বৈছিল। ইৰাণী সূৰ্য্য আছিল "মিথ্ৰ"

ভাৰতৰ পৰা ইৰাণলৈ গৈছিল মিত্ৰসম

লিপিত মিথ্ৰৰ ঠাইত "মিত্ৰ" আৰু "অনাহিতা"ৰ ঠাইত অনাহত পোৱা গৈছে।[১০] অনাহত চক্ৰত সবিতা সাৱিত্ৰীক ধ্যান কৰা হয়। ইয়াৰ পৰাই প্ৰমাণ হয় "মিত্ৰ" আৰু অনাহিতাৰ পূজা ইৰাণীবিলাকে ভাৰতৰ পৰা লৈছিল। পেলেষ্টাইনৰ এটা শিলালিপিত "মিত্ৰ সম" পোৱা গৈছে।[১১] "মিত্ৰ" শব্দটো দেখাত ভাৰতৰ পৰা পেলেষ্টাইন পাইছিলগৈ। প্ৰাচীন ভাৰত প্ৰতীচ্য দেশৰ সৈতে ঘনিষ্ঠ ভাৱে পৰিচিত আছিল। প্ৰতীচ্যৰ প্ৰভাৱো ভাৰতৰ ওপৰত পৰিছিল। ভাৰতলৈ অহাৰ আগতেই হয়তো আৰ্য্যবিলাক কোনোবা সূৰ্য্য উপাসক জাতিৰ প্ৰভাৱত পৰি সূৰ্য্য পূজা আৰু জ্যোতিষ শিকিছিল। কিন্তু ভাৰতলৈ আহি নিজাকৈ এটা সৌৰকৃষ্টি আৰু দৰ্শন গঢ়ি তুলিল। পৰৱৰ্ত্তী কালত ভাৰতীয় আৰ্য্যৰ সৌৰ দৰ্শনৰ সোঁতে পশ্চিম বুৰাইছিল।

দেৱী পূজা

শিশুৰূপে অকল সূৰ্য্যকে নহয়, প্ৰাচীন ঋষিৰ বেলেগ বেলেগ ফৈদে দেৱীকো বয়স অনুসৰি বেলেগ ধ্যানেৰে পূজা কৰিছিল। দেৱী এবছৰীয়া হলে সন্ধ্যা, ডুবছৰীয়া হলে সৰস্বতী, সাতবছৰীয়া চণ্ডিকা, আঠ বছৰীয়া সাম্ভৱী, ন-বছৰীয়া দূৰ্গা বা বালা, দহ বছৰীয়া গৌৰী, তেৰ বছৰীয়া মহালক্ষ্মী আৰু যোল বছৰীয়া ললিতা বুলি পূজিতা হৈ আহিছে।

স্কলাৰ বিশেষে কয় যে পৰৱৰ্ত্তী কালত উত্তৰ আৰু দক্ষিণ ভাৰতৰ মূৰ্ত্তিৰ মাজত সমিল-মিল ঘটাই

গ্ৰমে এটি সূৰ্য্য মূৰ্ত্তিৰ কল্পনা কৰা হৈছিল।

ভূমিস্থ সূৰ্য্য

১। সূৰ্য্যৰ গা উদং, কুষাণ যুগৰ দীঘল চোলা নাই। ২। ভৰিৰ আঙ্গুলিবিলাক সুন্দৰকৈ কটোৱা, জোতা নাই। ৩। পদুম ফুল দাক্ষিণাত্যই ধাৰণ কৰা পদুম ফুলৰ দৰে আধা ফুলা নহয়, মৃণালো ছুটি নহয়। পদুম ফুল সম্পূৰ্ণ ফুলা আৰু মৃণাল বাউসীলৈকে দীঘলীয়া।

আচলতে এইটো ভূমিস্থ হোৱা সূৰ্য্য মূৰ্ত্তি।

অৰ্দ্ধশীৰ ২য়ৰ দিনত ইৰাণত মিথ্ৰ মূৰ্ত্তি পূজা

ইৰাণত অৰ্দ্ধশীৰ ২য়ৰ (৩৭৯-৩৮৩) দিনতহে মিথ্ৰৰ মূৰ্ত্তি সাজি পূজা কৰা হৈছিল।[১২] ভাৰতবৰ্ষত ৭০০ খৃঃ পূঃ আগৰে পৰাই মূৰ্ত্তি সাজি পূজা কৰা হৈছিল। মৃগ আৰু মগ পূৰ্বতে বোধকৰো একে মানুহ আছিল। এজন অসিত মৃগই বুদ্ধদেৱৰ সোঁৱৰণি কৰিছিল। ঐতৰেয় ব্ৰাহ্মণে শ্যাপৰ্ণ ৰাম মাৰ্গৱেয়ই যজ্ঞ কৰাৰ কথা কৈছে। মৃগৰ পৰা মাৰ্গৱেয় হৈছে। শ্যাপৰ্ণ সূৰ্য্যৰ এটা নাম। শ্যাপৰ্ণ সূৰ্য্য উপাসকৰ এটা কৈদ আছিল। মৃগ বা মগবিলাক অতীজৰে পৰাই ভাৰতবৰ্ষত বাস কৰি আহিছে। সূৰ্য্য পূজা আৰু সূৰ্য্য মূৰ্ত্তি ভাৰতৰ নিজা বস্তু।

প্ৰমাণাৱলী :—

১। Chamber's Encyclopaedia.
২। Book of knowledge P. 3519, P. 3593.

৩। Encyclopodia of Religion and Ethics.
৪। It will be scen from this sketch that a knowledge of cosmic laws is ineradicably bound up with first principles of Embryology.
Bernard Bromage : Tibetan Joga P. 189.
৫। Nihar Ranjan Roy : History and culture of The Indian people. Vol II p.518
৬। Piggot : Prehistoric India, Pelican P. 189.
৭। Marshall : A Guide To Taxilla.
৮। Woodroffe : A Garland of Letters.
৯। H. R. Hall : The Ancient History of The Near East pp. 598-9.
১০। Moulton : Early Zoroastrianism p.428
১১। Keith : Indo-Iranians, Bhandarkar commeration. Volume p.-84.
১২। Dr. L.P. Pande : Sun Worsip in Ancient India p.-182.
লগতে চোৱা হৈছে :—
১৩। Dr, Radhakrisnan : Eastern Religion And Western Thought (p. 120 দ্ৰষ্টব্য)
১৪। Rao : Elements of Hindu Iconography.
১৫। Havell : Indian Sculpture.
১৬। Stella kramrisch : Indian Sculpture.
১৭। Chintaman kar : Classical Indian Sculpture.
১৮। J. N. Banerjee : The Development of Hindu Iconography.

তৃতীয় ভাগ

৮

জ্যোতিষে পোহৰালে অসম আকাশ।

আদি জ্যোতি ছন্দধাৰ সোণ জিলিকোৱা
সু-প্ৰাচীন প্ৰাগজ্যোতি কামৰূপ সৌমাৰৰ
হাজাৰ প্ৰদীপ গছা
জ্বলি আছে মণিকূটে কুটে অনিৰ্বাপিতা
নিৰূপমা মুনি মনোৰমা।
অতি মৰমৰ মোৰ ইখনি দেশত
প্ৰকৃতিয়ে বাচি বাচি ৰূপৰ মুকুতা সিচি
পিন্ধালে মাণিক মালা সোণোৱালী বেশ
বেঢ়ি দিলে প্ৰকৃতিয়ে চৌদিশ আৱৰি
নীলা নীলা পৰ্ব্বত মালাৰে।
সবিতাৰ সোণ ফোঁট আঁকি কপালত
উদিল উদয় সূৰ্য্য পোন প্ৰথমত
ভাৰতৰ ৰূপকন্যা অসমৰ প্ৰাগজ্যোতিষত।
পদ্মশ্ৰী নলিনী বালা দেৱী।

অসমৰ গবেষণাশীল বিদ্বান লোকসকলে মানি লৈছে
ৰজা ভগদত্ত
যে কুৰুক্ষেত্ৰৰ যুদ্ধত দুৰ্য্যোধনৰ ফালে যুদ্ধ কৰি

প্ৰাগজ্যোতিষ পুৰৰ ৰজা ভগদত্তই প্ৰাণত্যাগ কৰে। মহাভাৰতৰ যুদ্ধৰ কাল পুযন্দ কৰৰ মতে খৃঃ পূঃ ১৪০০-১০০০ (১) আৰু ডঃ চাটাৰ্জ্জীৰ মতে খৃঃ পূঃ ৯৫০ (১)। এই কালৰ আগৰে পৰাই প্ৰাগজোতিষপুৰ জনাজাত হৈছিল।

মহাভাৰতৰ যুদ্ধৰ কাল খৃঃ পূঃ১৪০০ ১০০০

কালিকা পুৰাণে কয়—

অস্য মধ্যে স্থিতো ব্ৰহ্মা প্ৰাভ্ নক্ষত্ৰং সসৰ্জ্জহ।
ততঃ প্ৰাগ্ জ্যোতিবাখ্যেয় পুৰী শক্ৰ পুৰী সমা॥
১৮, ১১৯ ॥

এই পুৰীতেই পূৰ্ব্বকালত ব্ৰহ্মাই নক্ষত্ৰমালা ৰচনা কৰিছিল; সেইকাৰণে ইন্দ্ৰপুৰীৰ নিচিনা এই পুৰীৰ নাম "প্ৰাগ্জোতিষ হ'ল।"

গেইটে কয়, প্ৰাগৰ অৰ্থ আগৰ বা পূৱৰ্কালৰ আৰু জ্যোতিষৰ তৰা, জোতিষ শাস্ত্ৰ দীপ্তিমান। সেই কাৰণে নাম হ'ল প্ৰাগ্জ্যোতিষপুৰ।

প্ৰাগ্ জ্যোতিষ পুৰ

কনক লাল বৰুৱাই কয়—

এইটো বিশেষ তত্বসূচক যে গুৱাহাটী নগৰৰ ঠিক পূৱতে চিত্ৰকূট নামে পাহাৰৰ ওপৰত এটা মন্দিৰ আছে আৰু এই মন্দিৰটো নৱগ্ৰহৰ প্ৰতি অৰ্পিত। এইটো সম্ভৱ যে এই মন্দিৰৰ পৰাই প্ৰাগজ্যোতিষপুৰ নাম হৈছে।

নবগ্ৰহ মন্দিৰ

প্ৰাচীন কালৰ পৰাই জ্যোতিষিক শ্ৰুতি আৰু বৈদিকী শ্ৰুতিৰ মাজত অবিয়া-অৰি চলি আহিছে। প্ৰাগ্জ্যোতিষপুৰ নামটো জ্যোতিষিক শ্ৰুতিৰ পৰা জন্ম

দৈৱজ্ঞ ব্ৰাহ্মণ খৃষ্ট জন্মৰ

১০০০ বছৰৰ আগত প্ৰাগ্-জ্যোতিষ-পুৰ স্থাপন কৰে

লাভ কৰিছে। সূৰ্য্যৱিপ্ৰ বা দৈৱজ্ঞৰ বাহিৰে আন কোনেও প্ৰাগজ্যোতিষপুৰ নামটো দিবলৈ নাযায়। ইয়াত অকণো সংশয় নাই, প্ৰাগজ্যোতিষপুৰ নাম দৈৱজ্ঞ ব্ৰাহ্মণে খৃঃ পূঃ ১০০০ৰ আগত স্থাপন কৰিছিল। এই খন দেশক মহাতীৰ্থ বুলি শাস্ত্ৰই উচ্চ প্ৰশংসা কৰিছে।

অসমত জ্যোতি-ষৰ উচ্চ গৱেষণা

প্ৰাচীন অসমত যে জ্যোতিষৰ উচ্চ গৱেষণা হৈছিল এইটো মানি লোৱা হৈছে। দুৰ্ভাগ্য ক্ৰমে অসমৰ জ্যোতিষে ভাৰতীয় জ্যোতিষক কি অৱদান দিলে এই বিষয়ে কোনো গৱেষণা হোৱা নাই আৰু এই জ্যোতিষৰ বৈশিষ্ট্যৰ যি আলোচনা হৈছে সি অতি সামান্য। বহুত জ্যোতিষৰ পুথি অনাদৃত অৱস্থাত পৰি আছে। অসমতেই অসমীয়া জ্যোতিষৰ কোনো গৱেষণা আৰু প্ৰচাৰ হোৱা নাই। অসমৰ বাহিৰে প্ৰচাৰ হোৱাৰ প্ৰশ্নই নুঠে। তথাপিও লুবেৰে (Mr. Loubicre) নামে জনৈক লোকে অসমৰ জ্যোতিৰ্জ্ঞানৰ সূত্ৰ ইউ-

য়ুৰোপত অসমৰ জ্যোতিষ প্ৰগতিৰ সূত্ৰ

ৰোপলৈ লৈ গৈছিল আৰু এই সূত্ৰবিলাক যোৱানি দোমিনিকো কাসিনি (Giovanni Dominico Cassini) ১৬৯১ চনত প্ৰকাশ কৰিছিল। এইটো কথা প্ৰঃ সূৰ্য্য কুমাৰ ভূঞাদেৱে "দি কটনিয়ানত" প্ৰকাশিত এটা প্ৰৱন্ধত উল্লেখ কৰিছে।

অসমত জ্যোতিষৰ গৱেষণা কেন্দ্ৰ, বীক্ষণ-গৃহ (observatory), মান মন্দিৰ ক'ত ক'ত আছিল

সবিশেষ জনা নাযায়। মাত্ৰ "চিত্ৰকূট" পাহাৰৰ ওপৰত সজা নৱগ্ৰহ মন্দিৰৰ বিষয়ে যি অলপ জনা যায়।

কণ্বাচলত দিগ্ নিৰ্ণয় যন্ত্ৰ

কণ্বাচল পাহাৰত যে দিগ্ নিৰ্ণয় যন্ত্ৰ আছিল এইটো পাহাৰ খান্দোতে পোৱা আঠোটা শিৱলিঙ্গৰ পৰা বুজা যায়। পূৰ্ব্বাচল, সন্ধ্যাচল, অস্তাচল আদি নামবিলাক জ্যোতিষিক নাম।

স্বৰ্গদেও ৰাজেশ্বৰ সিংহ

নৱগ্ৰহ মন্দিৰ স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ আদেশত তৰুণ দুৱৰা বৰফুকনে ১৬৭৪ চনত সজাই দিছিল।

নৱগ্ৰহ মন্দিৰ নকৈ সজাই-ছিল

ইয়াৰ অৰ্থ এইটো নহয় যে ইয়াৰ আগত কোনো মন্দিৰ নাছিল। বহু শতাব্দীৰ আগৰ পৰাই আছিল যদিও কেতিয়াৰ পৰা আছিল জনা নাযায়। স্বৰ্গদেৱে মাত্ৰ নকৈ সজাই দিছিল। মন্দিৰৰ ওপৰত আগে চাল নাছিল। কিয়নো মন্দিৰটোৱে মান মন্দিৰৰ কাম কৰিছিল।

যদিও অসমীয়া জোতিষৰ বিষয়ে গবেষণা হোৱা নাই, এইটো স্বীকৃত যে অসমীয়া জ্যোতিষৰ মান অতি উচ্চ আছিল। ফলিত জ্যোতিষৰ বাণী অমোঘ আছিল। প্ৰাচীন অসম আকাশ জ্যোতিষৰ পোহৰেই সমুজ্জল কৰি তুলিছিল আৰু দৈৱজ্ঞই সকলোকে প্ৰাৰ্থনা কৰিবলৈ শিকাইছিল :—

১০০০ বছৰৰ আগত প্ৰাগ্-জ্যোতিষ-পুৰ স্থাপন কৰে

লাভ কৰিছে। সূৰ্য্যৰিপ্ৰ বা দৈৱজ্ঞৰ বাহিৰে আন কোনেও প্ৰাগজ্যোতিষপুৰ নামটো দিবলৈ নাযায়। ইয়াত অকণো সংশয় নাই, প্ৰাগজ্যোতিষপুৰ নাম দৈৱজ্ঞ ব্ৰাহ্মণে খৃঃ পূঃ ১০০০ৰ আগত স্থাপন কৰিছিল। এই খন দেশক মহাতীৰ্থ বুলি শাস্ত্ৰই উচ্চ প্ৰশংসা কৰিছে।

অসমত জ্যোতিষৰ উচ্চ গৱেষণা

প্ৰাচীন অসমত যে জ্যোতিষৰ উচ্চ গৱেষণা হৈছিল এইটো মানি লোৱা হৈছে। দুৰ্ভাগ্য ক্ৰমে অসমৰ জ্যোতিষে ভাৰতীয় জ্যোতিষক কি অৱদান দিলে এই বিষয়ে কোনো গৱেষণা হোৱা নাই আৰু এই জ্যোতিষৰ বৈশিষ্ট্যৰ যি আলোচনা হৈছে সি অতি সামান্য। বহুত জ্যোতিষৰ পুথি অনাদৃত অৱস্থাত পৰি আছে। অসমতেই অসমীয়া জ্যোতিষৰ কোনো গৱেষণা আৰু প্ৰচাৰ হোৱা নাই। অসমৰ বাহিৰে প্ৰচাৰ হোৱাৰ প্ৰশ্নই নুঠে। তথাপিও লুবেৰে (Mr. Loubiere) নামে জনৈক লোকে অসমৰ জ্যোতিৰ্জ্ঞানৰ সূত্ৰ ইউৰোপলৈ লৈ গৈছিল আৰু এই সূত্ৰবিলাক যোৱানি দোমিনিকো কাসিনি (Giovanni Dominico Cassini) ১৬৯১ চনত প্ৰকাশ কৰিছিল। এইটো কথা প্ৰঃ সূৰ্য্য কুমাৰ ভূঞাদেৱে "দি কটনিয়ানত" প্ৰকাশিত এটা প্ৰবন্ধত উল্লেখ কৰিছে।

যুৰোপত অসমৰ জ্যোতিষ প্ৰগতিৰ সূত্ৰ

অসমত জ্যোতিষৰ গৱেষণা কেন্দ্ৰ, বীক্ষণ-গৃহ (observatory), মান মন্দিৰ ক'ত ক'ত আছিল

কন্বাচলত দিগ্ নিৰ্ণয় যন্ত্ৰ

স্বৰ্গদেও ৰাজেশ্বৰ সিংহ

সবিশেষ জনা নাযায়। মাত্ৰ "চিত্ৰকূট" পাহাৰৰ ওপৰত সজা নৱগ্ৰহ মন্দিৰৰ বিষয়ে যি অলপ জনা যায়। কন্বাচল পাহাৰত যে দিগ্ নিৰ্ণয় যন্ত্ৰ আছিল এইটো পাহাৰ খান্দোতে পোৱা আঠোটা শিৱলিঙ্গৰ পৰা বুজা যায়। পূৰ্ব্বাচল, সন্ধ্যাচল, অস্তাচল আদি নামবিলাক জ্যোতিষিক নাম। নৱগ্ৰহ মন্দিৰ স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ আদেশত তৰুণ দুৱৰা বৰফুকনে ১৬৭৪ চনত সজাই দিছিল।

নৱগ্ৰহ মন্দিৰ নকৈ সজাইছিল

ইয়াৰ অৰ্থ এইটো নহয় যে ইয়াৰ আগত কোনো মন্দিৰ নাছিল। বহু শতাব্দীৰ আগৰ পৰাই আছিল যদিও কেতিয়াৰ পৰা আছিল জনা নাযায়। স্বৰ্গদেৱে মাত্ৰ নকৈ সজাই দিছিল। মন্দিৰৰ ওপৰত আগে চাল নাছিল। কিয়নো মন্দিৰটোৱে মান মন্দিৰৰ কাম কৰিছিল।

যদিও অসমীয়া জোতিষৰ বিষয়ে গৱেষণা হোৱা নাই, এইটো স্বীকৃত যে অসমীয়া জ্যোতিষৰ মান অতি উচ্চ আছিল। ফলিত জ্যোতিষৰ বাণী অমোঘ আছিল। প্ৰাচীন অসম আকাশ জ্যোতিষৰ পোহৰেই সমুজ্জল কৰি তুলিছিল আৰু দৈৱজ্ঞই সকলোকে প্ৰাৰ্থনা কৰিবলৈ শিকাইছিল :—

ব্ৰহ্মা মুৰাৰি স্ত্ৰিপুৰান্তকাৰী ভানুঃ শশী ভূমিসুতঃবুধশ্চ।
গুৰুশ্চ শুক্ৰঃ শনিৰাহু কেতুঃ কুৰ্ৱন্তু সৰ্ব্বে মম সুপ্ৰভাম্॥
ব্ৰহ্ম পুৰাণ।

প্ৰাৰ্থনা জনাওঁ সকলোৱে জীৱনত নৱগ্ৰহই সুপ্ৰভাত আনক।

প্ৰমাণাৱলী :—

১। Vedic age · P 308

১(ক) Dr. S. K. Chatterjee : Banikanta Memorial lectures.

২। Gait : History of Assam. P.—15

৩। K. L. Barua : Early History of Kamrup P.—13

৪। অঃ পুৰুষোত্তম ভট্টাচাৰ্য্য : কামৰূপত জ্যোতিষ বিদ্যা, অসম বাণী, বিহু সংখ্যা ১৮৯৯ শক দ্ৰষ্টব্য।

৯

অসমত সূৰ্য্য পূজা

সৌৰ কৃষ্টিয়ে অসমক প্ৰথম পোহৰ দিয়ে। আগতে কোৱা হৈছে, খৃষ্ট জন্মৰ এহেজাৰ বছৰৰ আগৰ পৰাই সূৰ্য্যৱিপ্ৰই প্ৰাগজ্যোতিষপুৰত বাস কৰি আহিছে। প্ৰাগজ্যোতিষপুৰ এখন মহান পূণ্যক্ষেত্ৰ বুলি শাস্ত্ৰই উচ্চ প্ৰশংসা কৰিছে আৰু ভাৰতৰ অন্যান্য ঠাইৰ পৰা দলে দলে তীৰ্থযাত্ৰী প্ৰাগজ্যোতিষপুৰ দৰ্শন কৰিবলৈ আহিছিল আৰু সূৰ্য্য পৰম ব্ৰহ্মক সেৱা কৰি জীৱন সাৰ্থক কৰিছিল। অসমখন সূৰ্য্য ৰাজ্য আছিল।

সৌৰ কৃষ্টি প্ৰাগ্-জ্যোতিষ তীৰ্থ

সূৰ্য্যৱিপ্ৰই সূৰ্য্যক তিনি প্ৰকাৰে পূজা কৰিছিল। প্ৰথম সূৰ্য্য পৰম ব্ৰহ্মা, দ্বিতীয় সূৰ্য্য গ্ৰহৰাজ; তৃতীয় সূৰ্য্য বিষ্ণুসূৰ্য্য বা সূৰ্য্যনাৰায়ণ। প্ৰথম অৱস্থাত সূৰ্য্য আছিল সৰ্ব্ব শক্তিমান, পৰম দৈৱত মিত্ৰাবৰুণ সূৰ্য্য, জগতৰ প্ৰসৱিতা। বেদত সৌৰ দেৱতা বিলাক বেলেগ বেলেগ ৰূপত কল্পিত হলেও মূলতঃ একেই। সূৰ্য্য আৰু সৱিতাৰ মাজত কোনো ব্যাৱধান নাই, সূৰ্য্য আৰু মিত্ৰাবৰুণৰ মাজত প্ৰাৰ্থক্য নাই। একে সূৰ্য্য দেৱতাকে কোনোৱে কৈছে সূৰ্য্য বুলি, কোনোৱে পুষাণ কোনোৱে বিষ্ণু বুলি পূজা কৰিছে। এই কালত সূৰ্য্যক

সূৰ্য্য পূজা তিনি প্ৰকাৰ

সূৰ্য্য পৰম ব্ৰহ্ম

মাংস বলিৰে পূজা কৰা হৈছিল। এইটো ইন্দো-ইৰাণীয় যুগৰ কথা। বৈদিক সাহিত্যতো এই পূজাৰ স্মৃতি চিন বৈ গৈছে। সোমযাজী আৰ্য্যৰ মাজত সূৰ্য্য পূজা ক্ৰমে হ্ৰাস পায়।

সূৰ্য্য গ্ৰহৰাজ

দ্বিতীয় অৱস্থাত সূৰ্য্যৱিপ্ৰই সূৰ্য্যৰ আন এটা ৰূপ দেখা পালে; এইটো গ্ৰহ ৰূপ। গ্ৰহৰ কল্পনাতো সূৰ্য্য চৰাচৰৰ "ভাৱাভাৱ," পৰম ব্ৰহ্ম কিন্তু পূজাৰ প্ৰক্ৰিয়া অলপ বেলেগ। পূজাৰ সাধাৰণতে দুটা ভাগ আছে এভাগ পাৰলৌকিক আৰু আনভাগ ইহলৌকিক। পাৰলৌকিক পূজাৰ সহায়েৰে সাধকে পৰম ব্ৰহ্ম লাভ কৰিবলৈ বিচাৰে। ইহলৌকিক পূজাৰ সহায়েৰে সাধকে সুখ-সম্ভোগাৰ্থে সিদ্ধি লাভ কৰিবলৈ যত্ন কৰে। প্ৰথম অৱস্থাত সূৰ্য্যক সূৰ্য্যৱিপ্ৰই পূজা কৰিছিল দুটা উদ্দেশ্যেৰে, জীৱনৰ সত্যানুভূতিৰ কাৰণে আৰু অলৌকিক শক্তি আহৰণ কৰি এই জীৱনত সকলোকে বশীভূত কৰি ৰাখিবলৈ। সেইকাৰণে তেতিয়া পৰম ব্ৰহ্ম হলেও সূৰ্য্য মায়াবী আছিল। দ্বিতীয় অৱস্থাতো সূৰ্য্য পৰম ব্ৰহ্ম। ঋগবেদতো সূৰ্য্যই ঐশ্বৰ্য্য দিছিল আৰু বেমাৰ ভাল কৰিছিল।[১] কিন্তু গ্ৰহ স্বৰূপে সূৰ্য্যই ইহকালৰ সম্ভোগাৰ্থে ধন-ৰত্ন দিছিল আৰু বিশেষকৈ সৰ্ব্বৰোগ নিৱাৰণ কৰিছিল। সূৰ্য্যৰ এইটো ৰূপেই প্ৰৱল হৈ উঠিছিল, আৰু সেইকাৰণে সূৰ্য্যক "সৰ্ব্বৰোগ হৰ" বুলি পূজা কৰা হৈছিল। দ্বিতীয় অৱস্থাত সূৰ্য্যৱিপ্ৰই

সূৰ্য্যক দুয়োটা প্ৰকাৰে পূজা কৰিছিল, সূৰ্য্য পৰম ব্ৰহ্ম আৰু সূৰ্য্য গ্ৰহ দেৱতা। অৱশ্যে সূৰ্য্যক পৰম ব্ৰহ্ম বুলি পূজা কৰিলেও, বৈদিক যুগৰ মাংস বলিৰে পূজা কৰা নিয়ম পৰিত্যক্ত হৈছিল।

সূৰ্য্য নাৰায়ণ

একালত গোটেই ভাৰতবৰ্ষতে সূৰ্য্য অদ্বিতীয় দেৱতা হৈ উঠিছিল। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তিনিও সূৰ্য্যৰ প্ৰতিদ্বন্দী আছিল। এই প্ৰতিদ্বন্দীতাত বিষ্ণু জিকে, ব্ৰহ্মাৰ পূজা প্ৰায় লোপ পালে, মহেশ্বৰ থাকি গ'ল, সূৰ্য্যৰ পৰম ব্ৰহ্ম ৰূপ বিষ্ণুৰ সৈতে একে কৰা হ'ল।[২] এইটো সহজ হ'ল, কিয়নো আদিতে বিষ্ণু আছিল সৌৰ দেৱতা। এতিয়া সূৰ্য্যৰ নাম হ'ল বিষ্ণু-সূৰ্য্য, সূৰ্য্য-নাৰায়ণ। এইটো অৱস্থাই সূৰ্য্য পূজাৰ তৃতীয় অৱস্থা।

সূৰ্য্যৰ পৌৰাণিক ধ্যান

সূৰ্য্যক আৰু এটা ধ্যানেৰে পূজা কৰা হয়। এইটো সূৰ্য্যৰ পৌৰাণিক ধ্যান। এইটো ধ্যান সূৰ্য্য নাৰায়ণৰ ধ্যানৰ সৈতে একে বুলিব পাৰি। মৎস্য পুৰাণে আৰু ভৱিষ্য পুৰাণে বহু প্ৰকাৰ সূৰ্য্য পূজাৰ বৰ্ণনা কৰিছে। বহল ভাবে সূৰ্য্য পূজাক তিনি ভাগত বিভক্ত কৰিব পাৰি, বৈদিক, তান্ত্ৰিক আৰু পৌৰাণিক শেষৰ ফালৰ নৱগ্ৰহৰ পূজা কৰোঁতে, সূৰ্য্যৰ যি পূজা কৰা হয় সেই পূজাত বৈদিক তান্ত্ৰিক আৰু পৌৰাণিক পূজাৰ সমন্বয় দেখা যায়।

কালিকা পুৰাণ

কালিকা পুৰাণে সূৰ্য্য পূজাৰ যি মন্ত্ৰ দিছে, তাৰ পৰা বুজা যায় শ্ৰীসূৰ্য্য পাহাৰতো সূৰ্য্যক গ্ৰহৰূপেই পূজা কৰা হৈছিল।

কালিকা পুৰাণৰ মতে "দিক্ কৰ" শব্দটোৰ অৰ্থ অৰুণ অৰ্থাৎ সূৰ্য্য আৰু শম্ভু। পুণৰ বিষ্ণু পূজা প্ৰসঙ্গত কয়,

'বিষ্ণুৰ পুট আদি যিবিলাক মুদ্ৰাৰ কথা কোৱা হৈছে আৰু তেওঁৰ যোগী বলভদ্ৰাদি আৰু দিক্পাল বিলাকৰ যিবিলাক মুদ্ৰাৰ কথা কোৱা হৈছে সেই-বিলাক বেলেগে বেলেগে দেখুৱাবা।"

অসমত ব্যাপক সূৰ্য্য পূজা

ইয়াৰ পৰা বুজা যায় প্ৰাচীন অসমত সূৰ্য্যক পৰম ব্ৰহ্ম আৰু গ্ৰহৰূপে পূজা কৰা হৈছিল আৰু সূৰ্য্য পূজা বৰ ব্যাপক ভাবে প্ৰচলিত আছিল।

মাৰ্কণ্ডেয় পুৰাণ

মাৰ্কণ্ডেয় পুৰাণত পোৱা যায় যে ৰজা ৰাজ্যবৰ্দ্ধনৰ জৰা বাৰ্দ্ধক্যত অত্যন্ত দুঃখিত হৈ ৰজাৰ জৰা-বাৰ্দ্ধক্য দূৰ কৰি নৱ যৌৱন দিবৰ কাৰণে দ্বিজবিলাকে সূৰ্য্যক প্ৰাৰ্থনা কৰিছে। তেওঁলোকৰ প্ৰাৰ্থনা নিষ্ফল হোৱা দেখি সুদামা গন্ধৰ্বই তেওঁলোকক উপদেশ দিছে,

গুৰু বিশালৰ সূৰ্য্য মন্দিৰ

যদি সূৰ্য্যৰ প্ৰীতি সাধনেই তোমালোকৰ ইষ্ট কামনা, তেওঁৰ প্ৰসন্নাৰ্থে ইয়াকে কৰা। কামৰূপৰ মহাশৈলত সিদ্ধজন সেৱিত গুৰুবিশাল নামৰ বন আছে। তোমালোক সোনকালে তালৈ যোৱা। তাত সু-সমাহিত চিত্তেৰে সূৰ্য্যক আৰাধনা কৰা। সেইথন সিদ্ধি ক্ষেত্ৰ তোমালোকৰ সকলো মনোৰথ পূৰ্ণ হব। অধ্যায় ১০৯, ৫৬—৫৮।

মাৰ্কণ্ডেয় পুৰাণ ৩ৰ– ৫ম শতাব্দীৰ ভিতৰত নৰ্ম্মদাৰ পাৰত ৰচিত হৈছিল বুলি অনুমান কৰা হয়। গুৰু বিশাল বনৰ সূৰ্য্যমন্দিৰৰ মাহাত্ম্য নৰ্মদাৰ পাৰ পাবলৈ দেখাতে বহু কাল লাগিছিল। সেইকাৰণে বিশ্বাস কৰিব পাৰি খৃষ্টৰ প্ৰথম শতিকামানত এই মন্দিৰ স্থাপন কৰা হৈছিল আৰু সূৰ্য্যৱিপ্ৰই এই মন্দিৰৰ পুৰোহিত আছিল।

কন্দলী সূৰ্য্য ৰাজ্য

কন্দলী ৰাজ্য সূৰ্য্যৰ ৰাজ্য আছিল। সূৰ্য্যৰ পতাকা খনৰ নাম ধৰ্ম্ম। সেই কাৰণে সূৰ্য্যৰ সহস্ৰ নামৰ এটা নাম ধৰ্ম্ম কন্দলী। তাৰে পৰা সূৰ্য্য হ'ল কন্দলী। শ্ৰীধৰে ন্যায়-কন্দলী লেখিছিল। ইয়াত কন্দলীৰ অৰ্থ কলগছ নহয়, সূৰ্য্য বা ভাস্কৰ।

ডৱকা

ডৱকা শব্দটো দেৱাৰ্কৰ অপভ্ৰংশ। দেৱাৰ্কথন সূৰ্য্য সূৰ্য্যক্ষেত্ৰ ৰাজ্য আছিল। এথন ডৱকা সৌৰৰাষ্ট্ৰ সৌৰাষ্ট্ৰতো আছিল।

খেন বংশ

অসমত খেন বংশই ৰাজত্ব কৰিছিল। খেন শব্দটোৰ মূল "খ্যান"। "খ" ৰ পৰা খ্যায়ন বা খ্যান হৈছে। সূৰ্য্যৰ এটা নাম খ্যা। খ্যানৰ অৰ্থ সূৰ্য্যপুত্ৰ। খ্যান বংশটো সূৰ্য্যবংশী। এই বংশৰ ৰজাৰ পুৰোহিত দেখাতেই সূৰ্য্যৱিপ্ৰ আছিল। এয়ো আচৰিত নহয়, প্ৰাচীন কালত ৰজাৰ পুৰোহিত মাত্ৰেই দৈৱজ্ঞ ব্ৰাহ্মণ আছিল। খ্যান বংশৰ মানুহ ইৰাণত "খাওন" নামে

জনাজাত আছিল ; খাওনবিলাক জৰথুস্ত্ৰৰ ধৰ্ম্মৰ বিৰোধী আছিল ।

আদিত্য ভট্টাৰক

হয়গ্ৰীৱ মাধৱ সূৰ্য্য দেৱতা

"আদিত্য ভট্টাৰক" আছিল সৌৰদেৱতা, বৌদ্ধ দেৱতা নহয়। অকল ভট্টাৰক বুলিলেই বুজায় সূৰ্য্যক; ৰবিবাৰৰ নাম ভট্টাৰকবাৰ । কামৰূপৰ মানুহ সূৰ্য্য উপাসক আছিল। এওঁলোকক বৌদ্ধ ধৰ্ম্মত দীক্ষিত কৰিবৰ কাৰণেই আদিত্য দেৱতাক "আদিত্য ভট্টাৰক" কৰা হৈছিল । বৌদ্ধ ধৰ্ম্ম লুপ্ত হোৱাত আদিত্য ভট্টাৰক হয়গ্ৰীৱ মাধৱ হল ।[৪] হয় = অশ্ব = সূৰ্য্য ।

বৰাহ সৌৰ ৰুদ্ৰ

কামৰূপৰ তথা অসমৰ কছাৰী আদি মঙ্গোলীয় জাতিয়েও সূৰ্য্য পূজা কৰিছিল । সেইকাৰণে এওঁলোকক আৰ্য্য সংস্কৃতিৰে আভিষিক্ত কৰা সূৰ্য্যৰিপ্ৰৰ কাৰণে সহজ আছিল। বৰাহীবিলাক সূৰ্য্যবংশী আছিল। "বৰাহী" শব্দটো জ্যোতিষিক সংস্কৃতিৰ সৃষ্টি; "ৰবাহ" শব্দটো অৰ্থ সৌৰ ৰুদ্ৰ। ৰবাহ অৱতাৰৰ উল্লখ অথৰ্ববেদত পোৱা যায় ।

কালিকা পুৰাণে কয় কামৰূপৰ মহাক্ষেত্ৰত সূৰ্য্যদেৱ সদায় বাস কৰে ।

"যি ঠাইত কামাখ্যাদেৱীৰ পূজা কৰি নিজৰ অভিলষিত ফল লাভ কৰে, সেই ঠাইত মহামায়াৰ পূজা

কামৰূপৰ সূৰ্য্য মহাক্ষেত্ৰ

কৰিলে দুগুণ ফল পোৱা যায়। সেই দেৱগঙ্গাৰ ওপৰত হিমালয়ৰ পৰা ওলোৱা বৰ্ণ নামে এখন নৈ আছে, সেইখন নৈয়ে সদায় মানসা নদীৰ সমান ফল দান কৰে। সুভদ্ৰাদিকে ধৰি ৱৰ্ণ পৰ্য্যন্ত যিবিলাক নদীৰ নাম কোৱা হ'ল, সেই আটাইবিলাক নদী হিমালয়ৰ পৰা ওলাইছে। উত্তৰবাহিনী সুমদনাৰ পূব ফালে আৰু ব্ৰহ্মক্ষেত্ৰৰ পশ্চিমে মহাক্ষেত্ৰ নামে এখন ক্ষেত্ৰ আছে। সেইখন "ৰবি" ক্ষেত্ৰ। সেই ক্ষেত্ৰত "আদিত্য দেৱ" সদায় বাস কৰে। তাৰ পূবফালে ত্ৰিস্ৰোত নামে নৈ আছে, পিছফালে কপোত আৰু কৰণ নামে দুটা কুণ্ড আছে। কপোত আৰু কৰণ কুণ্ডত স্নান কৰি আৰু সেই পৰ্ব্বতত উঠি এবাৰ মাত্ৰ "দিবাকৰ" সূৰ্য্যক পূজা কৰিলে মানুহ সূৰ্য্যলোকলৈ যায় ।" অঃ ৮৭ ।

বামূণী পৰ্ব্বত

তেজপুৰৰ বামূণী পৰ্ব্বতত বিশাল সূৰ্য্য মন্দিৰৰ ধ্বংসাৱশেষ এতিয়াও পৰি আছে। এইটো ৮ম শতিকাৰ আগৰ বুলি অনুমান কৰা হৈছে ।

দহ পৰ্ব্বতীয়াৰ সূৰ্য্য মন্দিৰ

দহ পৰ্ব্বতীয়াটো সূৰ্য্যমন্দিৰ আছিল। ইয়াত সূৰ্য্যই পদুমলৈ আসনস্থ। এই মন্দিৰ গুপ্তযুগৰ বুলি অনুমান কৰা হয়। দহ শব্দটোৰ অৰ্থ লওঁ।

সূৰ্য্য মাধৱ

স্বৰ্গদেৱ গদাধৰ সিংহই সূৰ্য্য-মাধৱ দেৱালয় ১৬৮৫ চনত সজাই দিছিল ।

সুতাৰ দলনি

"গহপুৰ মৌজাৰ সুতাৰৰ দলনিত কোনোবা প্ৰাচীন কালত সূৰ্যাদেৱতাৰ মূৰ্ত্তি স্থাপিত আছিল।" (৭পৃ-১৯১)।

জয়সাগৰ

জয়সাগৰৰ পাৰতো সূৰ্য্যমন্দিৰ ১৭৯৮ চনত বন্ধোৱা হৈছিল।

শদিয়া অঞ্চলতো সূৰ্য্য-পূজা নিশ্চয় প্ৰচলিত আছিল নহলে তাম্ৰেশ্বৰী মন্দিৰৰ ধ্বংসাৱশেষত সপ্তাশ্বৰথোপৰিষ্ট সূৰ্য্য মূৰ্ত্তি পোৱা নগলহেঁতেন।

শ্ৰীশ্ৰী শঙ্কৰৰ পূৰ্ব পুৰুষে

"শ্ৰীশ্ৰীশঙ্কৰ গুৰুৰ পূৰ্ব্ব পুৰুষ অত্ৰি (অতৃ)ৰ পুত্ৰ নাই।" পূজা সংকল্প লৈ সূৰ্য্য মণ্ডলী নাৰায়ণক আৰাধনা কৰিলে তেহে জন্মিল বেটা।" (৫পৃ-৫)।

সূৰ্য্য পূজা কৰি পুত্ৰলাভ কৰিছিল

তেনেকৈয়ে "ৰাজঘৰৰ মনে কষ্ট, সকলো সম্পত্তিৰে শ্ৰেষ্ঠ তথাপি বংশধৰ পুত্ৰ নাই। পিচে জ্যোতিষীয়া ৱিপ্ৰ আনি সূৰ্য্যক হৰণ কৰি পূজিলে। পাচে কালৰ প্ৰমানে পুত্ৰ হ'ল, মহাবিচক্ষণ সুন্দৰ পুৰুষ। প্ৰথমে সূৰ্য্যক আৰাধনা হ'লত নাম দিলে সূৰ্য্যবৰ।" (৫পৃ-১৪)।

"পূৱ দেশতো কামৰূপত ঐশ্বৰ্য্যাই সম্পত্তিয়ে ৰজাৰ তুল্য ব্ৰাহ্মণ সিদ্ধ এজনে কেইবাহাজাৰো মানুহৰ লগত সূৰ্য্যলৈ পূজা আগবঢ়াইছিল।"[৬]

এয়ে প্ৰমাণ কৰে যে অসমত সূৰ্য্য-পূজা আৰু নৱগ্ৰহ পূজা সৰ্ব্বজন প্ৰিয় সমাদৃত আৰু শক্তিশালী আছিল আৰু ব্যাপক ভাৱে প্ৰচলিত আছিল। আজি যিবিলাক মন্দিৰক বিষ্ণু মন্দিৰ বুলি কোৱা হৈছে,

সেইবিলাকৰ ভালেকেইটা মন্দিৰ হয়তো আদিতে সূৰ্য্য মন্দিৰ আছিল।

সূৰ্য্য দ্বিভুজ চতুৰ্ভুজ দশভুজ

সূৰ্য্যাৰ বহুপ্ৰকাৰ ধ্যান। সূৰ্য্য সাধাৰণতে দ্বিভুজ আৰু দণ্ডায়মান কিন্তু দুইৰ পৰা দহ হাতৰো সূৰ্য্য মূৰ্ত্তি সজা হৈছিল। ১৯৭০ চনত আমবাৰীত (গুৱাহাটী) থান্দোতে চাৰিহাতৰ সূৰ্য্যমূৰ্ত্তি পোৱা গৈছে। হোজাইতো চতুৰ্ভুজ সূৰ্য্য মূৰ্ত্তি পোৱা গৈছে। নগাৱঁৰ কাকীতো পোৱা হৈছিল।

স্কণ্ড পুৰাণ

তেজপুৰ নাম মহা তেজাৰ পৰা হৈছে

আৰ্য্য সভ্যতা আৰু সংস্কৃতি জয়জয়তে সূৰ্য্যৱিপ্ৰই অসমত প্ৰচাৰ কৰিছিল। দেশৰ প্ৰাগ্‌জ্যোতিষপুৰ নামেই এইটো কথা প্ৰমাণ কৰে। অসমতো আদিতে সূৰ্য্যই একচ্ছত্ৰী দেৱতা আছিল। মাৰ্কণ্ডেয় পুৰাণ, স্কণ্ড পুৰাণে ইয়াৰ সাক্ষ্য দিয়ে। স্কণ্ড পুৰাণে কামৰূপৰ শুভঙ্কৰ আৰু লৌহিত্যৰ মহাতেজা সূৰ্য্যমন্দিৰৰ উল্লেখ কৰিছে। বিশ্বাস কৰিব পাৰি যে, মহা তেজাৰ পৰাই তেজপুৰ নামটো হৈছে।

মন্দিৰত পুৰোহিত সূৰ্য্যৱিপ্ৰ

কালিকা পুৰাণৰ লিখক সূৰ্য্যৱিপ্ৰ

আটাইবিলাক সূৰ্য্য মন্দিৰৰ পুৰোহিত সূৰ্য্যৱিপ্ৰৰ বাহিৰে আন কোনো নাছিল। সূৰ্য্যৱিপ্ৰ অন্যান্য দেৱ-দেৱীৰ মন্দিৰৰো পুৰোহিত আছিল। কালিকা পুৰাণৰ লেখক সূৰ্য্যৱিপ্ৰ আছিল। এওঁ কামাখ্যা মন্দিৰৰ পুৰোহিত আছিল। কেন্দু-কলাই ব্যাসৱিপ্ৰ অৰ্থাৎ সূৰ্য্যৱিপ্ৰ কামাখ্যা গোঁসানীৰ পুৰোহিত আছিল। কেন্দু-কলাইৰ পূজাত প্ৰসন্ন হৈ কামাখ্যা গোঁসানী

মহাৰজা নৰনাৰায়ণ। আয়ে তেওঁৰ আগত বিৱসনা হৈ নাচিছিল। মহাৰাজ নৰনাৰায়ণে আইক চাবলৈ পুৰোহিতক বৰকৈ ধৰিলে। উপায়ান্তৰ হৈ পুৰোহিতে মহাৰাজক কুন্দ্ৰাক্ষৰ লুকাই চাবলৈ ক'লে। কামাখ্যা আয়ে নাচি থাকোতে হঠাৎ মহাৰাজক দেখি বৰ লাজ পালে। কেন্দু-কলাইক

কেন্দু-কলাই চৰ মাৰি দিলে। তেওঁৰ মূৰটো চিঙ্গি আহি নিজৰ জন্ম ঠাইত পৰেহি। মহাৰাজে তেওঁৰ স্মৃতি ৰক্ষাৰ্থে এই ঠাইত এটা মন্দিৰ সাজি দিয়ে। এই মন্দিৰৰ

মূৰা-দেওৰ মন্দিৰ নাম মূৰাদেওৰ মন্দিৰ। মঙ্গলদৈৰ কলাই গাওঁ মৌজাৰ ভিতৰত। (৭ পৃ-২১২)।

কামাখ্যা মন্দিৰৰ বৰ্ত্তমান পুৰোহিতসকল বৈদিক ব্ৰাহ্মণ বুলি জনা যায়। তেওঁলোক কেতিয়া কেনেকৈ পুৰোহিত হ'লহি জনা নাযায়। যি কি নহওঁক প্ৰাচীন কালত মন্দিৰৰ প্ৰধান পুৰোহিত আছিল ব্ৰাহ্মণ শ্ৰেষ্ঠ দৈৱজ্ঞ।

প্ৰমাণাৱলী :—

১(১) ঋগ্বেদ ১.৫০,১১ – ১৩
১(২) Encyclopaedia of Religion and Ethics Vol 12. pp. 83-84.
২। উমাপতে ৰ্বৰ্ব্ৰো ন ভেদো দৃশ্যতে কুচিৎ।
মৎস্য পুৰাণ অ – ৫৫

(খ) বিষ্ণুৰ সৈতে মিলন ত্ৰয়োৱিংশ অধ্যায় দ্ৰষ্টব্য
৩। কামৰূপৰ বুৰঞ্জী পৃ-১২০
৪। ওঁ নমোঽস্তনন্তায় ৱিশুদ্ধ চেতসে নমঃ স্বৰূপায় সংস্ৰৱাহৱে।
সহস্ৰৰশ্মি প্ৰৱৰায় ৱেধসে হয়াস্যৰূপায় নমো নমস্তে।
বিশালদেহায় ৱিশুদ্ধকৰ্মণে সদস্তৱিশ্বাতিহৰায় শম্ভৱে।
নমোঽস্তু সূৰ্যানলতীক্ষ্ণ তেজসে হয়াস্যৰূপিনে নমো নমস্তে॥
যোগিনীতন্ত্ৰ ৯.২০১—২।
৫। কলা গুৰু চৰিত
৬। ডঃ নেওঁগ : পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি পৃঃ৩৮
৭। ডঃ নেওঁগ সম্পাদিত পৱিত্ৰ অসম।

চতুৰ্থ ভাগ

১১

ধৰ্ম্ম গুৰুসকল

বুৰঞ্জীয়ে নজনা যুগত সূৰ্য্যৰ জ্যোতিয়ে, অসমৰ ধৰ্ম্মৰ জীৱন সোণালী কৰি তুলিছিল। বুৰঞ্জীৰ বিনি বিনি পোহৰতো দেখা যায় অসমৰ ধৰ্ম্ম জীৱনৰ গুৰি ধৰিছিল সূৰ্য্যৱিপ্ৰই। বুৰঞ্জীৰ উজ্জ্বল যুগে পৰিস্কাৰকৈ কয়, সত্ৰ-সভা স্থাপন কৰাত, জনগণৰ মাজত নিৰ্ম্মল ধৰ্ম্ম প্ৰচাৰ কৰাত আগভাগ লৈছে সূৰ্য্যৱিপ্ৰই।

শ্ৰীশ্ৰীহৰিহৰ আতা

ম'ৰাদলৈ

ম'ৰা দলৈ বা ময়ুৰধ্বজ দলৈ অসমৰ এটা বিখ্যাত বংশ। এই বংশৰ আদি পুৰুষ হৰেশ্বৰ বৰভুঞাঁ দৈৱজ্ঞ আছিল। এই বংশৰ হৰদত্ত ভূঞাঁ হৈছিল, আৰু পাটগিৰি ভূঞাঁ নামে জনাজাত হৈছিল। এওঁৰ তিনি পুত্ৰ হৰিহৰ, হৰিৱৰ আৰু হৰিচৰণ। আৰু এওঁলোকৰে নাতি " বংশী গোপাল দেৱ "। এওঁলোকে শ্ৰী শ্ৰী শঙ্কৰ গুৰু আৰু শ্ৰী শ্ৰী মাধৱ গুৰুৰ সমসাময়িক আছিল। কেউগৰাকীয়ে শ্ৰী শ্ৰী শঙ্কৰ গুৰুৰ ধৰ্ম গ্ৰহন

হৰদত্ত ভূঞা

কৰে, আৰু দুইজনা মহাপুৰুষৰ অনুপ্ৰেৰণা লৈ অসমৰ প্ৰধান প্ৰধান সত্ৰ সমূহ স্থাপন কৰি নিৰ্মল ভকতি ধৰ্ম প্ৰচাৰ কৰে।

এওঁলোকৰ পূৰ্ব্ব পুৰুষ মূঢ়া ভঙ্গা ফুকনৰ খাটত বাস কৰিছিল। কৱিৰাজ মিশ্ৰৰ হৰিহৰ আতাৰ চৰিতৰ পৰা বুজা যায়, এওঁলোক কোনোবা একালত খনা খোকোৰাৰৈ উঠি আহে। খনা খোকোৰাতো চিৰকাল থকা নাছিল। কোনোবা একালত হৰিহৰ আতা ৰজা দুৰ্লভ নাৰায়ণৰ সভাপণ্ডিত হৈছিল, আৰু হৰিৱৰে মঙ্গলদৈৰ ওচৰত অৱস্থিত ব্যাঘ্ৰপিণ্ডাত গ্ৰামেশ্বৰ হৈছিল। গণক কুচিতো হৰিহৰ আতা বহুত দিন বাস কৰিছিল।

কৱিৰাজ মিশ্ৰৰ হৰিহৰ আতা চৰিত

ঈশ্বৰৰ অংশ আসি জনম লভিলা।
খনা খখৰাত গৃহ পূৰ্ব্বত আছিলা॥
গঙ্গেঁ নদী কাষে পূৰ্ব্বে পূৰত আছিল।
পাছে হৰিহৰে পশ্চিমক মন দিলা॥
পশ্চিমক আসি পাছে কামৰূপ পাই
ৰহিলা গণককুচি গ্ৰামত যে যায়॥ (১)

হৰিহৰ আতাই "বভ্ৰূবাহনৰ যুদ্ধ" লেখে, আৰু ইয়াৰ শেষৰ কিছুপদ ভাতৃ হৰিৱৰ ৱিপ্ৰই লেখি কিতাপখন সম্পূৰ্ণ কৰে। এই পুথিত পোৱা যায়, হৰিহৰ দুৰ্লভ নাৰায়ন ৰজাৰ সভাপণ্ডিত আছিল।

হৰিহৰ দুৰ্লভ নাৰায়ণৰ সভা-পণ্ডিত

জয় জয় নৃপবৰ দুর্লভ নবার্ণ ৰাজা
কামাখ্যা গোসানী দেন্তবৰ
সুপুত্র সোদৰণিত সবান্ধবে অনুচিত্ত
জীৱন্তোক সহস্র বৎসৰ ॥
তাহান ৰাজ্যত গীত সৰ্ব্বজন মনোনীত
অশ্বমেধ পদমধ্যে সাৰ
ৱিপ্রহৰিহৰ কবি হৰিৰ চৰণ সেৱি
পদবন্ধে কৰিলা প্রচাৰ ॥

হৰিহৰ আতাই অন্যান্য কি কি পদপুথি লেখিছিল জনা নাযায়। কিন্তু তেওঁ যে বিশিষ্ট পণ্ডিত আছিল কথাগুৰু চৰিতৰ পৰা ভালকৈ বুজা যায়। সত্ৰৰ পাঠকে অশুদ্ধকৈ পাঠ পঢ়ে। হৰিহৰে ধৰে, ইয়াৰ পৰা অসূয়া বাঢ়িল। সত্ৰখন ভাগে, গুৰুৰ কথা মতে হৰিহৰ অন্য ঠাইলৈ গুচি যায়। এওঁ শ্রীশ্রীশঙ্কৰ মহাপুৰুষৰ অতি বিশ্বাস ভাজন আছিল। চৰিত পুথিয়ে কয় :—

হৰিহৰ
আতা
আৰু
শঙ্কৰদেৱ

দুয়োজনে গলাগলি আলাপ বিস্তৰ।
খনে কান্দে খনে হাসে দুয়ো তাত পৰ ॥
বগৰা কাৰি খনে কৰয় তথাত
খনে মৌন ধৰি থাকে নাহিকা মাত ॥(১)

হৰিহৰ আতাই প্রথমে গণককুচিতে "হৰিগৃহ" সত্ৰাদি পাতিছিল।

শুনা আত পৰে যিটো কৰ্ম্ম আচৰিলা।
কতো কাল গণককুচিতে আছিলা ॥
মহাতেজ শক্তি দেখি কতো কতো নৰ।
ভৈলেক ভকত দাস চাকৰ লগৰ ॥
বিস্তৰ ভৈলেক তান ভকত লগৰ
বান্ধিলেক হৰিগৃহ দেখিতে সুন্দৰ ॥
ভাগৱত ধৰ্মে মহা ভৈলেক বিশ্বাস
ধন সুৱৰ্ণৰ যত এৰিলেক আশ ॥ [১]।

হৰিহৰ
আতাৰ
গণক-
কুচিত
হৰিগৃহ

পিচত এওঁৰ কৰ্মক্ষেত্ৰ গোটেই কামৰূপ, গোৱালপৰা আৰু বেহাৰলৈকে বিয়পি পৰে আৰু সৰ্ব্বত্ৰ অশেষ প্রভাৱ বিস্তাৰ কৰে। এওঁ বঙ্গদেশৰ পূৰ্ণিয়া জিলাতো হৰিহৰ নামে এখন ডাঙৰ সত্ৰ স্থাপন কৰিছিল বুলি শুনা যায়। এওঁ নামধৰ্মৰ মাহাত্ম্য প্রচাৰ কৰিছিল। এওঁৰ যোগবলো আছিল অসীম আৰু যোগৰ দ্বাৰাই তনুত্যাগ কৰে। এওঁক সকলোৱে ঈশ্বৰৰ অংশ আৰু "জীৱন্মুক্ত" বুলি শ্রদ্ধা কৰিছিল।

জীৱন্মুক্ত
হৰিহৰ
আতাৰ
যোগবলে
তনুত্যাগ

কথা গুৰু চৰিত মতে, আতাই খলামৰা গাওঁ এৰি আহি ডাঙৰ পথাৰ এখনত আঁহত গছৰ তলত বাস ললেহি। এই পথাৰ মুকলি, উত্তৰে হৰা, দক্ষিণে জৰা, পূবে হকনকীয়া পশ্চিমে বিহবৰি এই চাৰি খন গাওঁ। গৰখীয়া লৰাই ইয়াতে এটা ঘৰ সাজি দিলে। সিহঁতেই আতাক ফল মূল আদি যোগান দি থাকিল।

আতাৰ নামগুন তন্ময় হৈ শুনি থাকে । এদিন আতাই সিহঁতক দকৈ গাত এটা খান্দিবলৈ কলে, সিহঁতে খান্দিলে । আতাই কলে "মই গাততে থাকিম । তহঁতে সমানকৈ মাটিৰে পুতি দিবি ।" সেইমতে আতা গাতত সোমোৱাৰ পিচত সিহঁতে গাতটো মাটিৰে পুতি পেলালে । ঘৰলৈ গৈ লৰাবোৰে মাক-বাপেকক কথাটো কলেগৈ । গাঁৱৰ মানুহে ভয় খাই লৰা-লৰিকৈ গাতটো খান্দিলেহি, দেখে যে আতা নাই । সকলো ৰাইজ আচৰিত হ'ল, কলে, "আতা মানুহ নাছিল, স্বয়ং ঈশ্বৰ ছদ্মকৈ মানুহৰ ভাওলৈ ফুৰিছিল ।" [২পৃ৬১৬—৭]

অনুত্যাগ কৰা স্থান

আতাই তনুত্যাগ কৰা ঠাইৰ ওচৰত আজি কালিৰ বক্সীবহাট । বক্সীবহাটৰ শ্ৰী থানুৰাম ৰাজবংশীৰ বিশেষ যত্নত আতাই ব্যৱহাৰ কৰা পুথি, কাপ, শৰাই, তাল, বস্তি আদি বস্তু ৰক্ষিত হৈছে বুলি জনা যায় ।

থানুৰাম ৰাজবংশী

"পৰমাৰ্থ বস্তু নিবিড়চিত্ত, গুৰু ধৰ্ম্মত অচল অটল, হৰি ভকতিৰ একনিষ্ঠ, মায়া আৰু বাসনা বন্ধনৰ, পৰা বিমুক্ত, কিন্তু মাত-কথা, ব্যৱহাৰ আচৰণ, সিদ্ধান্ত সন্নিধান অভিনৱ অপ্ৰত্যাশিত একাচেকা, সত্যমাৰ্গৰ পৰা চুলি এডালি ইফাল-সিফাল হলে মনৰ বিসঙ্গতি এয়ে আছিল মহাপুৰুষ মাধৱ দেৱৰ প্ৰিয় সেৱক হৰিহৰ আতাৰ চৰিত্ৰ ।" (৩)

ডঃ ভূঞাৰ ওলগ

"দোকান থান" ভগাৰ উপক্ৰম দেখি আতাই মধুপুৰ

সত্ৰ এৰি গুচি গ'ল । আতাক হেৰুৱাই শ্ৰী শ্ৰী মাধৱ গুৰু বৰ কাতৰ হৈছিল । "তেহে গুৰু জনে দুধৰিয়া খাণ্ডাত পৰি খেদকৈ দুটি গীত কৰি পাছে পাছে গৈছে । বসন্ত ভাটিয়ালী । ...... "হৰিহৰে বাপ পশিলে। শৰণ ।" "মোৰে পতিত পাৱন প্ৰভু হৰিহৰে বাপ, কিনা গতি হৈল হামাৰ ।" (২পৃ৬০০) ।

মাধৱ গুৰুৰ গীত

শ্ৰীশ্ৰী হৰিবৰ আচাৰ্য্য ১

হৰিহৰ আতাৰ সোদৰ হৰিবৰ আচাৰ্য্যও অসামান্য প্ৰতিভাৰ মহাপুৰুষ আছিল । এই গৰাকী ধৰ্ম্মগুৰুৰ বিষয়ে.........আতাতকৈয়ো কম জনা যায় । এই গৰাকী ধৰ্ম্মগুৰু একালত ব্যাঘ্ৰপিতাত বাস কৰিছিল । ব্যাঘ্ৰপিতা আজিকালি বাঘৰ বাৰী নামে জনাজাত । এই খন ঠাই মঙ্গলদৈৰ কলাইগাওঁ মৌজাৰ লক্ষীমপুৰ গাওঁৰ ওচৰত [৪] কৱিৰাজ মিশ্ৰৰ হৰিহৰ আতাৰ চৰিত মতে হৰিবৰে বৰপেটাতো সত্ৰ পাতিছিল আৰু অন্য ঠাইতো সত্ৰ স্থাপন কৰিছিল । শেষ কালত অনুজ হৰিচৰণক সকলোবিলাক সমৰ্পন কৰি সংসাৰ আশ্ৰম ত্যাগ কৰে ।

হৰিবৰ

ব্যাঘ্ৰ পিতা

বৰপেটা

হৰিচৰণ

বাপু হৰিচৰণ যে কথা শুনা মোৰ ।
আজি ধৰি সত্ৰ-সভা সকলো তোহোৰ ॥ ১

হৰিবৰ আচাৰ্য্যৰ লৱ কুশৰ যুদ্ধত পুৰণি সৌৰ-সংস্কাৰ অজ্ঞাতসাৰে প্ৰকাশ পাইছে ঃ

লৱকুশৰ যুদ্ধ

সূৰ্য্য-স্তুতি

কৃতাঞ্জলি হুয়া অৱনত কৰি কায় ।
কৰিলন্ত স্তুতি সূৰ্য্যদেৱক যে চাই ॥
হুয়োকো প্ৰসন্ন প্ৰভু নাম দিবাকৰ ।
চৰাচৰ নৰ চৰাচৰ হিতকৰ ॥ ৩৫১
....
শৰীৰত বল দিলা অসংখ্য প্ৰমাণ ।
সুৱৰ্ণ ৰচিতে দিলা দিৱ্য ধনুখান ॥ ৩৫৫

শ্ৰী শ্ৰী হৰিচৰণ আচাৰ্য্য

হৰিচৰণ বৰপেটাত

হৰিচৰণে বৰপেটা'ত কাম কৰি সত্ৰ-সভা চলাই আছিল। এৱোঁ যোগ শক্তিৰ অধিকাৰী আছিল; তথাপিত্ত,

ভৈলেক পৰম মহা প্ৰবোধ শৰীৰ ।
ঈশ্বৰক চিন্তি থাকে হৰিৰ মন্দিৰ ॥ ১

শ্ৰী শ্ৰী হৰিবৰ আচাৰ্য্য ২

হৰিবৰৰ পৰা হয় সত্ৰ

হৰিচৰণৰ পুত্ৰ হৰিবৰ । হৰিবৰৰ অনা নাম সনাতন । " আন হস্তে বামুন্দি, হাতীমূৰ, চিলা, বহনাকুচি, খেতৃ, সোৰ এই ছখান সত্ৰ হ'ল ।" (২পৃ ২৬২)

শ্ৰী শ্ৰী বংশীগোপাল গুৰু

হৰিহৰ-হৰিবৰৰ নাতি বংশী গোপাল

অসমৰ ধৰ্ম জগতৰ এটি উজ্জলতম সূৰ্য্য বংশীগোপাল দেৱ। এওঁ হৰিহৰ হৰিবৰৰ ঘৰৰ সন্তান (২পৃ ২৫৮—৬০ আৰু পৰিশিষ্ট পৃ ১২)। গোপালে নিজেও হৰিহৰৰ নাতি বুলি পৰিচয় দিছিল (৫ পৃ ১২০) । ৰামানন্দ দ্বিজৰ চৰিত্ৰ মতে এওঁৰ পিতাক আছিল হৰিবৰৰ

পুত্ৰ ধৰ্ম্মাই বা বলভদ্ৰ আতৈ । এওঁ সৰুতে পিতৃ-মাতৃ হীন হৈ বায়েকৰ যত্নত ডাঙৰ দীঘল হয় । ডাঙৰ হৈ বিয়া কৰাবলৈ ধন উপাৰ্জন কৰিবলৈ মুদৈৰ নাৱত বেপাৰ কৰিবলৈ আহোঁতে শঙ্কৰ মহাপুৰুষৰ দৰ্শন লাভ কৰে । মহাপুৰুষে " গোপালক " দেখিয়েই " ছোট আতাক বোলে এই জীৱটি তোমাৰ দিনত চাপিব ।" (২ বৃ ২৬০) গোপালে মহাপুৰুষৰ সঙ্গ এৰি ঘৰলৈ উভটি আহিবলৈ মন নকৰে কিন্তু মুদৈদিলাকে গোপালক এৰি যাবলৈ সন্মত নোহোৱাত গোপালো বায়েকৰ মালীপুৰৰ ঘৰলৈ উভটি আহে । গোপালৰ ঘৰত মন নবহে । বায়েক ভিনিহীয়েকক খাটি বিয়াৰ প্ৰস্তাৱৰ পৰা নিস্কৃতি লাভ কৰি বৰপেটা পালেহি " যাহাত শঙ্কৰ দাস মাধৱ আছান্ত ।" দামোদৰ দেৱে গোপালক " শৰণ ভজন ভক্তি কহিলা চৰ্চ্চিয়া ।" দামোদৰ মাধৱৰ সঙ্গত " হৰি যশ-ৰস গাই, প্ৰেমানন্দে মজি " সাতবছৰ কাল কটায় ।

মহাপুৰুষ শঙ্কৰদেৱৰ দৰ্শনলাভ

বংশী গোপালৰ বিয়াৰ পৰা নিস্কৃতি

দামোদৰ দেৱৰ শৰণ ভজন

উজনি আসামত শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ শ্ৰী শ্ৰী মাধৱ দেৱে গোপালক বাৰে বাৰে অনুৰোধ কৰে । গোপালদেৱে মাধৱ-দেৱৰ অনুৰোধ এৰাব নোৱাৰি আহে কিন্তু " বৌধৰ " অত্যাচাৰত তিষ্ঠিব নোৱাৰি পুনৰ বৰপেটালৈ উভটি যায় । উজনিৰ ভূঞাঁ সকলে মাধৱ দেৱক এজন ধৰ্মগুৰু বিচাৰি খাটিবলৈ

উজনিত গোলাপ বৌধৰ অত্যাচৰ প্ৰত্যা-বৰ্ত্তন

পুনৰ উজনিত

ধৰিলে। মাধৱদেৱে গোপালদেৱকে পুনৰ উজনিলৈ পঠিয়ায়। গোপালে উজনি আসামৰ নানা ঠাইত ধৰ্ম প্ৰচাৰ কৰি ফুৰে আৰু কাহি-কুচিত সত্ৰ পাতে। বৌধগণে নানা প্ৰকাৰে বাধা জন্মাবলৈ ধৰে, আনকি গোপালক বিহখুৱাই মাৰিবলৈ এজন পেটকপটিয়া বামুণক নিযুক্ত কৰিছিল। ভূঞা সকলে গোপাল

কলাবাৰী সত্ৰত মহোৎসৱ

দেৱক নিৰাপদে ৰাখিবলৈ কলাবাৰীত সত্ৰ পাতি দিয়ে। গোপালে গীত পদেৰে ভাগৱতী ভক্তি ধৰ্মৰ আনন্দৰ মহোৎসৱেৰে সকলোৰে মন মুগ্ধ কৰে আৰু "প্ৰজাক যুথে যুথে কৃষ্ণক কৰাৱে নমস্কাৰ"। কালাবাৰীতো

ডফলাৰ উৎপাত ডেবেৰাপাৰ সত্ৰ

দীৰ্ঘকাল শান্তিৰে থাকিবলৈ নাপালে। ডফলাৰ ভয়ত উঠি গৈ ডেবেৰা পাৰত সত্ৰ পাতিলেগৈ। ইয়াতো নিৰাপদ নহ'ল। ১৫৩৭ শকত সাতগাঁৱত সুন্দৰ গোঁসাইক কছাৰীয়ে হত্যা কৰে। আহোম সেনাই জয়মুকুন্দৰ

সুন্দৰ গোঁসাই-বধ ৰাজৰোষ সত্ৰ ধ্বংস

গোবিন্দপুৰ সত্ৰত আশ্ৰয় বিচাৰিছিল কিন্তু নাপালে। খণ্ডত আহোম সেনাই ৰজাক লগালে যে সুন্দৰ গোঁসাইক কছাৰীয়ে হত্যা কৰা নাই, সত্ৰৰ ভকতেহে নি পলুৱাই ফুৰিছে। ৰজাই গোপিন্দপুৰ সত্ৰ ধ্বংস কৰিবলৈ

গোপাল পলাই ফুৰে ১২ খন পলৰীয়া সত্ৰ

আদেশ দিলে। আহোমৰ চেংধৰাই এই সত্ৰৰ লগতে ভেবেৰাপাৰ সত্ৰও ভাঙি দিলে আৰু গোপালক বন্দী কৰিলে। বলোভদ্ৰ নামে এজন ভকতে গোপাল বুলি পৰিচয় দিয়াত, আচল গোপালক এৰি দিয়া হ'ল। গোপালে নানা ঠাইত পলাই ফুৰে, কিন্তু পলাই ফুৰা বাৰ খন ঠাইত বাৰখন পলৰীয়া সত্ৰ স্থাপন কৰে।

গোপালৰ কুকুৰাবাহী সত্ৰত স্বৰ্গপ্ৰয়াণ মিশ্ৰ গোঁসাই

ৰাজৰোষ শাম কাটিল; গোপালৰ আৰু পলাই ফুৰিবৰ প্ৰয়োজন নহ'ল। ভৱিষ্যৎ নিৰাপত্তাৰ বাবে গোপালে ৰাজপথে আৰু জলপথে সহজে ঢুকি নোপোৱা লুইতৰ চাপৰি "কুকুৰাবাহীত" সত্ৰ পাতি ৰ'ল। ইয়াতেই গোপাল মহাপুৰুষে "বায়ু ঝাই" দেমাবত দেহত্যাগ কৰে। অন্তিম কালত ধন সম্পত্তি, সত্ৰৰ ভাৰ গোপাল গুৰুৱে মিশ্ৰ গোঁসাইক দিয়ে আৰু এইবুলি উপদেশ দিয়ে, "নাম ভাগৱত ভক্ত সমানে মানিবা।" (৯৫১) (৬,

কৃষ্ণৰ প্ৰেমত বংশী গোপাল

এইজনা গোপাল গুৰুৱেই শ্ৰী শ্ৰী বংশীগোপাল দেৱ। কৃষ্ণৰ প্ৰেমত সংসাৰ পৰিহৰি বংশী বজাই ফুৰিছিল। সেই কাৰণেই বংশী গোপাল নামে খ্যাত।

বংশী গুটি বজায়া হৰিৰ গুণ গাৱে।
শুনি শুনি লোক বৰ আনন্দক পাৱে।। ৯৫
বাৱা বাৱা বুলি কেহো পাঙ্কয় ঢুনাই।
স্বৰ তুলি তুলি ৰঙ্গে থাকন্ত বজাই।।
তাৰ পৰা ভৈল নাম বংশী যে গোপাল।
প্ৰকৃতি দেখিয়া সৰ্ব্বলোকে বোলে ভাল।। ৯৬(৬)পৃ২২

বংশী গোপালৰ নৈৱেদ্য গ্ৰহণ

এই জনা গুৰু অতুচ্চ আধ্যাত্মিক শক্তি সম্পন্ন আছিল। অনুক্ষণ ইষ্ট দেৱতা কৃষ্ণৰ ধ্যান কৰিছিল। ইষ্ট দেৱতা কৃষ্ণয়ো তেওঁৰ নৈৱেদ্য গ্ৰহণ কৰিছিল।

নৈৱেদ্য কৰন্ত দেৱে যেন নজনায় কেৱে
মোদক পাএ ধৰি।

আগে গণিবাক্ষি থৰৈ পাছে তাৰ লেখা লৰৈ
লৈলেক নলৈলে চাক্ৰ হৰি ॥ ৮৫৫
পাত্ৰ দেখি চাই কতুটি কতুটি নাই
দেখি মহা প্ৰেমত মজিয়া
জানিলোহো নিষ্টে নিষ্ট লৈলেক বস্তু প্ৰাণকৃষ্ণ
এহি বুলি লোতক ঝুৰয় ॥
খনো খনো কৃষ্ণে আসি নিশা স্বপ্নে জাগি হাসি
মোক পৰমান্ন দিয়া বুলি ।
পৰমান্ন দিয়া দিয়া আনন্দে কম্পিত হিয়া
নমে গায়া নাচে হাত তুলি ॥ ৮৫৬ (৫৬)

বংশী গোপালৰ শিষ্য দামোদৰ দেৱ, বনমালীদেৱ

এইজনা গুৰুৰ বহু শিষ্য আছিল। চন্দ্ৰদ্বিপ্ৰ ব্ৰাহ্মণ শিষ্যও বহুত আছিল। তাৰে ভিতৰত দামোদৰ দেৱ আৰু বনমালীদেৱে প্ৰধান আছিল। (৭)

গোপাল গুৰুৰ মৃত্যুৰ পিচত কুকুৰাবাহী সত্ৰৰ ভাৰ মিশ্ৰ গোঁসায়ে পায়। মিশ্ৰ গোঁসায়ো আছিল গোপাল গুৰুৰ শিষ্য; তেওঁৰ প্ৰকৃত নাম আছিল হৰিচৰণ। এওঁৰ পিতৃ ৰামকন্দলিয়ে গোপাল গুৰুত

মিশ্ৰ গোঁসাই

শৰণ লৈ পুত্ৰ হৰিচৰণক গটাই দিয়ে। গোপালে হৰিচণক শিক্ষাদান কৰি ভাগৱত মিশ্ৰ নাম দিয়ে।

মিশ্ৰদেৱে ৰাজৰোষত পৰি পলাই ফুৰোতে, তেওঁৰ

ৰামকৃষ্ণ

পুতেক ৰামকৃষ্ণক মাকৰ সৈতে পৰীক্ষিত বৰুৱাই ধৰি

জয়হৰি দেৱ

নিয়ে আৰু অলপ পিচতেই মিশ্ৰ গোঁসাইৰ মৃত্যু হয়। ৰজায়ো ৰোষ পৰিত্যাগ কৰিলে। সত্ৰৰ ভাৰ জয়হৰি দেৱে ললে আৰু মিশ্ৰ পত্নী আৰু মিশ্ৰপুত্ৰ

স্বৰ্গদেও জয়ধ্বজ সিংহৰ শৰণ

ৰামকৃষ্ণক যত্নকৈ ৰাখিলে। জয়ধ্বজসিংহ স্বৰ্গদেৱে ৰামকৃষ্ণত শৰণ লৈ সত্ৰসভা, পাতি দিবলৈ ওলাল। মিশ্ৰপত্নীয়ে আগৰ নিৰ্য্যাতন সুঁৱৰি ৰামকৃষ্ণক এৰি দিবলৈ সাহ কৰিব নোৱাৰিলে। তেতিয়া সত্ৰৰ পাঠক

আউনি আটী

নিৰঞ্জন বাপুয়ে ৰজাক শৰণ দিবলৈ আগবাঢ়ি আহিল। ৰজায়ো শৰণ লৈ এওঁক আউনিআটী সত্ৰ পাতি দিলে।

নিৰঞ্জন বাপু

আনহাতে জয়হৰিদেৱে মৃত্যুৰ আগতে কুকুৰাবাহী সত্ৰৰ ভাৰ নিজৰ ঘৰৰ লৰা পৰমাইৰ পৰিনাতি লক্ষীনাৰায়ণ দেৱক আৰু ৰামকৃষ্ণক নিদি নিৰঞ্জন বাপুক দি গৈছিল। "নিৰঞ্জণ বাপুৱে কুকুৰাবাহীৰ গোবিন্দক নি ৰজাৰ মহানুগ্ৰহ লভি বৰ খিতাপেৰে সত্ৰ পতা দেখি ৰামকৃষ্ণ আৰু লক্ষীনাৰায়ণৰ মনত অসন্তোষ ওপজে। বিশেষতে বংশীগোপালেও মিশ্ৰদেৱক কৈ গৈছিল—

গোবিন্দ ঠাকুৰ মূৰ্ত্তি আৰু ভাগৱত।
মদন গোপাল সমে থাকে যি থানত॥
সেহিসে আমাৰ সত্ৰ তাহাতে থাকিবা।

'সন্ত-সম্প্ৰদা কথা' মতে জয়ধ্বজে নিৰঞ্জণ দেউক সত্ৰ পাতি দিয়াত "পাচে ৰাজাত শৰণ লৈয়া লক্ষীনাৰায়ণদেৱে একভাগ মূৰ্ত্তি, ভাগৱত ভক্ত আউনিআটীক আনিয়া মদনগোপাল সমে এককালে ৰামকৃষ্ণক দিলা। পাছে ভক্তসমে আলোচনা কৰি ভয় দেখাই লক্ষী গোঁসাইক খেদি তেওঁৰ আপোনাৰ নাতি কেশৱদেৱক

ৰামকৃষ্ণ

লক্ষী গোঁসাই কেশৱ দেৱ

গড়মূৰ

সত্ৰ দি দেহ এৰিল। পাছে লক্ষীনাৰায়ণ গোঁসাইৰ শাপৰ ভয়ে জয়ধ্বজ ৰাজা যাত্ৰী পঠাই জগন্নাথ হন্তে বংশীদেৱ আনি গড়মূৰত সত্ৰ কৰি দিলা।" (৬ পাতনি পৃঃ ১৯-২০)।

বণমালী দেৱ

দক্ষিণপাট সত্ৰৰ প্ৰতিষ্ঠাতা বণমালীদেৱো আছিল গোপাল গুৰুৰ বিশেষ অনুগত আৰু গোপালগুৰুৱে বণমালী দেৱক "আশীৰ্ব্বাদ দিলন্ত বিস্তৰ।"

ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাই কয়ঃ—

চাৰি সত্ৰ

"The most influential and affluent satras of Eastern Assam are Āuniāti, Dakhinpāt, Garmūr, and Kuruāoāhi popularly known as cārisastras. The first three trace their genealogy to Vams´i Gopāldeva and the last one to Vanamālideva." (৮)

Neo-Vaisnavaite Movement and the Satra Institution of Assam.

পূব অসমৰ আটাইতকৈ প্ৰভাৱসম্পন্ন আৰু আঢ্যৱন্ত সত্ৰ কেইখন হৈছে আউনি-আটী, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী সত্ৰ, চাৰি সত্ৰ বুলি জনাজাত। প্ৰথম তিনিজনে তেওঁলোকৰ বংশলতা বংশীগোপালৰ পৰা আৰু শেষৰজনে বণমালীদেৱৰ পৰা টানিছে।

এনেকৈয়ে উজনি অসমৰ প্ৰধান প্ৰধান সত্ৰ আউনিআটী, কুৰুৱাবাহী, গড়মূৰ আৰু দক্ষিনপাট সত্ৰ গোপাল গুৰুৰ বংশৰ পুৰুষসকলে প্ৰতিষ্ঠা কৰে।

ইয়াৰ উপৰিও গোপাল গুৰুৱে বহুজনক মেধি পাতে। ["সত্ৰ সম্প্ৰদায়ত" আছে (১) বেলসিধীয়া নিত্যানন্দ বাপু (২) চাৰিঙৰ বৰাগী বাপু (৩) দেৰগাঁৱৰ ভাৱঙ্গী বাপু (৪) ঢাপকটাত বৰমুকুন্দ বাপু (৫) জিয়াঁমৰাত লিথক জয়ৰাম বাপু [৬] কলিয়াবৰত কৃষ্ণ স্ৰবানি, [৮] কুকুৰাকটাত নাৰায়ণ বাপু [৯] তিপামত গোবিন্দ বাপু [১০] বতৰ গঞাত চতুৰ্ভুজ বাপু [১১] দ্বাৰকায়াত কামদেউ বাপু [১২] কলবৰীয়াত চিদানন্দ [১৩] ঢাপলীয়াত ভবানন্দ, [১৪] পাতকটীয়াত নিত্যানন্দ [১৫] তুলহিজানত মনোহৰ, [১৬] ৰতনপুৰত পূৰ্ণানন্দ, [১৭] দিচৈত কৃষ্ণচৰণ, [১৮] মূৰীয়াত হৰিমিশ্ৰ, [১৯] তামোল বাৰীত লখন করুণা, [২০] কণড়ী গাৱঁত শ্ৰীধৰ ভাগৱতী, [২১] খৰঙ্গিত কৃষ্ণানন্দ, [২২] বান্দৰ খেলত নিৰঞ্জণ, [২৩] ৰূপকলীয়াত ৰৰবাপু, [২৪] দিহাজাঙত সিঙাল মিশ্ৰ, [২৫] কেলিয়ালত মোহন বাপু [২৬] মণিপুৰত দয়ালবাপু, [২৭] চিনাডলীয়াত হৰিচৰণ [২৮] লিজুৱাত হৰিবাপু, [২৯] ঢকুৱাখানাত অৰ্জ্জুন দেউৰী, [৩0] কৰাই খোৱাত কল্কি বাপু [৩১] কাঁহীকুচিত অনন্ত কন্দলি, [৩২] হৰিমিশ্ৰ [৩৩] ৰামমিশ্ৰ [৩৪] গদাধৰ বাপু, [৩৫] গোবিন্দ বাপু, [৩৬] গোপাল বাপু, [৩৭] কাকৈয়াল ৰামচৰণ বাপু, [৩৮] দিখৌমুখত ৰঘুপতি বাপু, [৩৯] কঁকিলা ধেমাজিত হৰিচৰণ বাপু আৰু সাতজন—"দেৱগোপালে এই পঞ্চলিছজন মেধি

বংশী গোপালে পতা ৪৬ মেধি

পাতিলা। এহি মেধিসব ঠাকুৰ দেৱৰ অজ্ঞাত আসি অসম ৰাজ্যত সত্ৰ কৰিলা। সেইকালে দেৱগোপালে বৈষ্ণৱ সবক দেশে দেশে পাঞ্জিলা যতো দেৱৰ একো-ভিতি ছলনা নাই]। (৫ পাতনি পৃ ২০-২১)।

এই জনা গুৰুৱে আৰু বহু অনুগত শিষ্যক সত্ৰ, সভা পাতি দিছিল। তলত কেইখনমানৰ নাম দিয়া হল।

১। মধুমিশ্ৰ সত্ৰ—
২। কাম দেৱাল সত্ৰ—
বংশী গোপালৰ আৰা নৰ সত্ৰ ৩। দিচিয়াল সত্ৰ—
৪। খুদিয়া সত্ৰ—
৫। উলুবাৰী সত্ৰ—

[ডঃ নেওগৰ দ্বাৰা সু-সম্পাদিত ৰমানন্দ দ্বিজ ৰচিত শ্ৰীশ্ৰীবংশীগোপাল চৰিত্ৰ আৰু পৱিত্ৰ অসম দ্ৰষ্টব্য।]

শ্ৰীশ্ৰীজয় হৰিদেৱ

মুকুন্দ দেৱ হৰিহৰ আতাৰ ঘৰৰ সন্ততি জয়হৰি দেৱো অসামান্য মহাপুৰুষ আছিল। এওঁ আছিল হৰিহৰৰ অনুজ হৰিচৰণৰ নাতি মুকুন্দদেৱৰ পুত্ৰ। এওঁ জন্মলাভ কৰিছিল গণককুচিত।[১]। এওঁৰ পাণ্ডিত্য অসাধাৰণ আছিল। দেখাতো পৰম শোভন আৰু গম্ভীৰ আছিল। এইজনা পুৰুষৰ প্ৰথম দৰ্শনত ভট্টদেৱৰ হৈছিল "পৰম বিস্ময়।"

মুকুণ্ড যে দেৱৰ পুত্ৰ বিতোপন।
নামে জয়হৰিদেৱ পৰম শোভন।

মহা যে মহন্ত চিন্নে উপজিল তহিত।
কামৰূপে জন্ম ভৈলা গণককুচিত ॥
পৰম পণ্ডিত ভৈলা শাস্ত্ৰত পাৰ্গত।
যাৰ যশ বৈ আছে সমস্তে ৰাজ্যত ॥ জয়হৰি দেৱ আৰু ভট্টদেৱৰ মিলন
ভৈলেক পণ্ডিত ৰাজে গম্ভীৰ গহন।
হেন সাধু নাহি- কয় ঈশ্বৰ লক্ষণ ॥
বেদৰ ব্যৱহাৰ যত আচয় সকল।
দৈৱকৰ কুলে হেন নাহি ৰবি তলে ॥
গহীন গম্ভীৰ হেন জন নাহি কয়।
জয়হৰি নামে আতা জগতে জানয় ॥
তাহান যে এক কীৰ্ত্তি শুনা নিৰন্তৰ।
উজায় যায় ভট্টদেউ লৌহিত্য উপৰ ॥
তাহান আগক লাগি গৈলা মহাজন।
দেখি ভট্টদেৱ তাঙ্ক বুলিলা বচন ॥
পৰম শোভন দেখি দায়া আতি মনে।
সুধিলা ভক্তত প্ৰভু গম্ভীৰ বচনে ॥
সৰ্ব্বগাৱে মালা গোটা দেখি বিপৰীত।
গম্ভীৰ পৰ্ব্বত যেন অতি মনোনীত ॥
দীবল ডাঙ্গৰ আতি পৰম গহন।
শুক্লবস্ত্ৰ পৰিধান পৰম শোভন ॥
দেখি ভট্টদেৱ ভৈলা পৰম বিস্ময়।
কোন এহি জন সাধু কহিয়ো নিশ্চয় ॥
... ...

কহিলেক ভক্তে পাছে কথা সমুদায় ।
হৰিহৰ সন্ততি যে কহিলা বুজাই ॥
কামৰূপে থাকে ঘৰ দৈৱজ্ঞকুলত ।
হেন সাধু নাহি কয় আমাৰ দেশত ।
হেন শুনি ভট্টদেৱে দায়া আতি কৰি ।
আশ্বাস কৰিলা পাছে আশ্বোৱালি ধৰি ॥ ১

কুৰুৱাবাহীৰ সত্ৰাধিকাৰ জয়হৰি দেৱ

এইজন মহাপুৰুষেও কামৰূপৰ পৰা উজনিলৈ ভক্তি ধৰ্ম্ম প্ৰচাৰৰ কাৰণে আহে আৰু গোপাল গুৰুৰ সত্ৰ সমূহৰ পৰিচালক হিচাবে খ্যাতিমন্ত হয় । এওঁ নিজেও কেইবাখনিও সত্ৰ পাতিছিল । এওঁৰ ধুৱঁাৰোল সত্ৰ আহোমৰ চেংধৰাই নষ্ট কৰি দিয়ে । পাচত উঠি গৈ গোপাল গুৰুৰ লগত কুৰুৱাবাহীত থাকে । গুৰুৰ মৃত্যুৰ পিচত মিশ্ৰগোঁসাই সত্ৰাধিকাৰ হলেও, এৱেঁই সত্ৰৰ সকলো কাম পৰিচালনা কৰে । মিশ্ৰদেৱৰ মৃত্যুৰ পিচত নিজেই কুৰুৱাবাহীৰ সত্ৰাধিকাৰ হয় ।

শ্ৰীশ্ৰীভুৱন বৈৰাগী

পানবেৰীয়া ভূঞা

হৰদত্ত ভূঞাৰ সন্ততি শ্ৰীশ্ৰীবংশীগোপালদেৱে কৃষ্ণৰ বাঁহীৰ সুৰ শুনি ঘৰ এৰি বাঁহী বজাই ভুৱন ভুলালে । আন এগৰাকী ভূঞাৰ সন্তানে হৰিনাম শুনি ঘৰ এৰি ভুৱন বৈৰাগী হল । এইজনা বৈৰাগী আছিল পানবেৰীয়া ভূঞাৰ বংশধৰ অনিৰুদ্ধ ভূঞা । দৰঙৰ ভৰলুমুখত চৌড়িঙ্গী গাৱঁৰ কাষতেই পানবাৰী পৰ্ব্বত । পৰ্ব্বতৰ ওপৰত গড়বান্ধি নগৰ পাতিছিল । সেইকাৰণে এইজনা ভূঞা পানবেৰীয়া ভূঞা নামে প্ৰসিদ্ধ হৈছিল । এওঁৰে পুত্ৰ আছিল চাৰি দুৱাৰৰ প্ৰতাপী বৰভূঞা হৰিশ্চন্দ্ৰ । হৰিশ্চন্দ্ৰৰ পুত্ৰ ৰঙ্গাও বৰ ভূঞা আছিল । ৰঙ্গা ভূঞাৰ পুত্ৰ ছুটিয়ে দৰঙৰ ভেলা গাৱঁত নগৰ পাতিছিল । এই জনা ভূঞাৰ সৈতে মহাপুৰুষ শংকৰ দেৱৰ বিশেষ সৌহাৰ্দ্য আছিল । মহাপুৰুষে ছুটি ভূঞাৰ অন্তৰত নাম ধৰ্মৰ বীজ সিঁচে । এই বীজ তেওঁৰ পুত্ৰ দেৱানন্দৰ অন্তৰত অংকুৰিত হয় আৰু নাতি অনিৰুদ্ধৰ জীৱনত ফলে-ফুলে জাতিস্কাৰ হৈ উঠে ।

অনিৰুদ্ধই কিশোৰ কালতেই পিতৃহীন হৈ ভূঞাৰ বিষয় খন চলাবলৈ বাধ্য হয় । কামৰূপৰ পৰা হৰিমিশ্ৰ আহি তেওঁৰ কাণত কৃষ্ণ নাম অমৃত ঢালিলেহি । দুয়ো কাউৰবাহী হাবি কটাই সত্ৰ পাতিল । ৰজা মহেন্দ্ৰ নাৰায়ণৰ নিৰ্দেশ মতে অনিৰুদ্ধই হৰিমিশ্ৰক শৰণ দিয়ে আৰু নিজে সত্ৰৰ ভাৰ নলৈ নিজৰ খৰম জোৰকে সত্ৰত স্থাপন কৰি হৰিমিশ্ৰক সত্ৰাধিকাৰ পাতে এইখন হৰিপুৰ সত্ৰ । অনিৰুদ্ধই উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ বহুত তীৰ্থ দৰ্শন কৰিছিল ! শিলা পাথৰত কেশেৰে পানী চুই স্নান কৰোঁতে কেশ শিলা হৈ গৈছিল । তেওঁৰ মোহিনী শক্তিৰ আকৰ্ষণত পৰি সন্ত পুৰুষ আচাৰ্য্য দেৱ আৰু অৰ্জ্জুনদেৱ আহি তেওঁৰ পৰা হৰিনাম ললেহি । তিনিও তীৰ্থ দৰ্শন কৰিবলৈ ওলাল । গঙ্গা আদি পঞ্চতীৰ্থ পৰ্য্যটন কৰি দুই গৰাকী সন্তই অনিৰুদ্ধৰ নাম ৰাখিল ভুৱন বৈৰাগী । অনিৰুদ্ধ ভুৱন বৈৰাগী নামেই প্ৰসিদ্ধ হল । দ্বিতীয় বাৰ শিলা পথাৰ দৰ্শন কৰোঁতে ভুৱন

বৈৰাগীয়ে কনিষ্ঠ আঙ্গুলীৰে পানী চুই স্নান কৰিছিল, আঙ্গু-লীটো শিলা হৈ গৈছিল ; এই আঙ্গুলীটো শ্ৰীগঙ্গাৰাম গোস্বামীৰ ঘৰত এতিয়াও সংৰক্ষিত হৈ আছে ।

হৰিমিশ্ৰ, অৰ্জ্জুন আৰু আচাৰ্য্য দেৱৰ হেঁচাত বৈৰাগী গৃহস্থী হল । কিন্তু ঘৰ সংসাৰে তেওঁক বান্ধি ৰাখিব নোৱাৰিলে । তেওঁ হৰিনাম প্ৰসাদ বিলাই ফুৰিবলৈ ধৰিলে । ধৰ্মপ্ৰাণ ৰজা মহেন্দ্ৰ নাৰায়ণে মাটি বাৰী দি সত্ৰ পাতি দিলে । বৈৰাগীয়ে শিঙৰী, আমবাৰী, চপৰা, ব্ৰহ্মপুত্ৰ আদি সোতৰ-খন সত্ৰ স্থাপন কৰিছিল । বৰ্তমান অকল বৈৰাগী সত্ৰ আছে । জল জলী গাৱঁত বৈৰাগীৰ দিনৰ পুখুৰী মনোমোহা পদুম ফুলেৰে এতিয়াও জিলিকি আছে । "তিনি ত্ৰৈলোক্যৰ গুৰু জগত ঈশ্বৰ" ভুৱন বৈৰাগীৰ পৱিত্ৰ নাম স্মৰণ কৰি জনগণ কৃষ্ণ নাম ৰসাপ্লুত হৈ পৱিত্ৰ হৈছে (৯) ।

গ্ৰন্থৰাজিঃ—

১। কৱিৰাজ মিশ্ৰ ঃ হৰিহৰ আতাৰ চৰিত (অপ্ৰকাশিত)

২। কথাগুৰু চৰিত

৩। ডঃ সূৰ্য্য কুমাৰ ভূঞা ঃ হৰিহৰ আতা পৃ ৯

৪। দীনেশ্বৰ শৰ্ম্মা ঃ মঙ্গলদৈৰ বুৰঞ্জী পৃ ৮৫

৫। N N Basu : Social History of Kamarupa Vol ii P 120.

৬। ডঃ নেওগ ঃ ৰমানন্দ দ্বিজৰ চৰিত্ৰ, লগতে Sankardeva And His Times

৭। এওঁকে খুদীয়া আৰু উলুবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা আৰু

দামোদৰ নিৰঞ্জন আৰু বনমালীৰ দেৱৰ গুৰু বোলে । ডিম্বেশ্বৰ নেওঁগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী পৃ ৪৭৩

৮। Dr S N Sarma : The Neo-Vaisnavaite Movement And The Satra Institutions of Assan

৮। ভুৱন বৈৰাগী চৰিত (অ প্ৰকাশিত) ৰ ছাঁ লৈ লিখিত ।

———

(১১) সত্ৰ দেৱালয়

আল্লিবাৰী সত্ৰ

আন এগৰাকী ঈশ্বৰ প্ৰেৰিত পুৰুষ নিত্যানন্দ গোস্বামীয়ে আল্লিবাৰী সত্ৰ ১৫৮৩ শকত স্থাপন কৰে। এইজনা পুৰুষে ৰাধাকৃষ্ণ দুয়োকেই আৰাধনা কৰিছিল। তেওঁৰ প্ৰপৌত্ৰ চিন্তামণিদেৱো ঐশ্বৰিক শক্তি সম্পন্ন পুৰুষ আছিল। উভয়ৰে ঐশ্বৰিক শক্তিৰ মাহাত্ম্য দেখি ৰজা ধৰ্ম্মসিংহই প্ৰায় ৬,০০০ (ছয় হাজাৰ) বিঘা নিষ্কৰ মাটি আল্লবাৰী সত্ৰৰ কাৰণে দান কৰে। ফটিক চাহাবৰ পিয়লৰ দিনত হেৰায়। এতিয়াও তেওঁৰ বংশধৰ সকলে বেলশৰৰ ওচৰত প্ৰাচীন সত্ৰৰ নামানুসাৰে নকৈ এখন সত্ৰ পাতি আল্লিবাৰী সত্ৰৰ নাম জীয়াই ৰাখিছে।

চিন্তামণি নাম অনুসৰি ককয়াৰ ওচৰতো চিন্তামণি সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াতো ৰাধাকৃষ্ণৰ যুগলমূৰ্ত্তি স্থাপন কৰা হয়। এই বংশৰে স্বনামধন্য ৺অনন্ত নাৰায়ণদেৱ গোস্বামীয়ে এই সত্ৰত এটা আহল-বহল শিল পাতি যোগসাধন কৰিছিল। তেওঁ এগৰাকী বিচক্ষণ পণ্ডিত আছিল। এৱেঁই সৰ্ব্ব প্ৰথম অসমীয়া ভাষাত পঞ্জিকা গণনা কৰি ছাপা কৰি প্ৰকাশ কৰে। এওঁৰ কমলাপ্ৰেছ নামে এটা নিজা ছাপাখানাও

আছিল। এওঁৰ বেদ শাস্ত্ৰাদিতো গভীৰ অধিকাৰ আছিল। ভটিমা, দশম প্ৰকাশ কৰি উলিয়াইছিল। জাতি চন্দ্ৰিকা নামে কিতাপ এখনো এওঁ ৰচনা কৰি প্ৰকাশ কৰিছিল। এতিয়াও কিছুমান কিতাপ হাতেলিখা অৱস্থাতে আছে।

এওঁ এগৰাকী অতি উদাৰ মনৰ পুৰুষ আছিল। অনুন্নত জাতিৰ মাজত খোল, কৰতাল লৈ কীৰ্ত্তন কৰি তেওঁলোকক উন্নত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

আল্লিবাৰী সত্ৰৰ আৰ্থিক অৱস্থা জুৰুলা হলেও এইটো উল্লেখযোগ্য যে এতিয়াও এই সত্ৰৰ সকলো বৰ্ণৰে বহু সহস্ৰ শিষ্য বঙ্গদেশ আৰু অসম জুৰি আছে।

চিন্তামণি সত্ৰ

আল্লিবাৰী সত্ৰৰ ঈশ্বৰ পুৰুষ চিন্তামণিৰ নামেৰে এওঁৰ বংশধৰ সকলে দৰং জিলাতো চিন্তামণি নামে এখন সত্ৰ স্থাপন কৰে। এইখন ৰঙ্গামাটি মৌজাৰ বৰখেকেৰাবাৰী গাওঁত অৱস্থিত।

বিশ্বসত্ৰ

প্ৰবল প্ৰতাপান্বিত মহাৰাজ নৰনাৰায়ণৰ অনুজ দেৱান চিলাৰায় গৌড়দেশ জয় কৰিবলৈ গৈ বন্দী হৈছিল। পিচত মুক্তি লাভ কৰি নিজ দেশলৈ উভতি আহোঁতে লগত কেইবাজনো শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ পণ্ডিত লৈ আহে। বেদৱিসৰ্গ ভট্টাচাৰ্য্য এওঁলোকৰ ভিতৰত প্ৰধান আছিল। মহাৰাজে এওঁক ৰাজধানী

কোচবিহাৰত ৰাজপুৰোহিত পাতে। দেৱানচিলাৰায়ৰ পুত্ৰ ৰঘুৰায় নাৰায়ণে কোচবিহাৰ পৰিত্যাগ কৰি উজাই আহে। বেদৱিসৰ্গও লগতে আহে। কালক্ৰমত, ৰঘুৰায়ৰ পুত্ৰ দৰঙ্গী ফৈদৰ আদি ৰজা ধৰ্ম্মনাৰায়ণে মঙ্গলদৈৰ মোহনপুৰত ৰাজধানী পাতি ৰাজত্ব আৰম্ভ কৰে। বেদৱিসৰ্গৰ পুত্ৰ সকলেও লগে লগে ৰাজপুৰোহিত হৈ সেৱা-পূজা কৰি আহিছিল।

ভট্টাচাৰ্য্য বেদৱিসৰ্গৰ পুত্ৰ গদাধৰ তানপুত্ৰ শ্ৰীহৰি তান পুত্ৰ চন্দ্ৰশেখৰ, তানপুত্ৰ বিশ্বৰূপ। বিশ্বৰূপ দেৱ-দেৱী সাধক আছিল। তেওঁৰ যোগেশ্বৰ্য্যত ৰজা-প্ৰজা সকলো মুগ্ধ হৈছিল। দৰং ৰাজ্যৰ অষ্টম ৰজা বিষ্ণু নাৰায়ণদেৱে তেওঁক ধৰ্ম্মোত্তৰ ভূমি দাস-দাসী আৰু অন্যান্য বহুত সম্পত্তি দি তেতিয়াৰ শ্বেতমদাৰ, এতিয়াৰ হিন্দু ঘোপা মৌজাত এখন সত্ৰ পাতি দি দীক্ষাদানৰ অধিকাৰ প্ৰদান কৰে। সেইকালত মঙ্গলদৈ মহকুমাত কেৱল বিশ্বৰূপেই দেৱ-দেৱীৰ মন্ত্ৰেৰে দীক্ষাদান কৰিব পাৰিছিল। তেওঁৰ নাম অনুসৰি এই সত্ৰৰ নাম হয় বিশ্বসত্ৰ। এতিয়াও বিশ্বসত্ৰ নামেই এই গাওঁ প্ৰখ্যাত।

ৰজা বিষ্ণুনাৰায়ণ দেৱে ভট্টাচাৰ্য্যৰ শিষ্য হৈ দেৱীমন্ত্ৰ গ্ৰহণ কৰি সত্ৰৰ "ধৰ্ম্ম চাকি" জ্বলাইছিল। ৰজা বিষ্ণুনাৰায়ণ প্ৰদত্ত এই চাকি এতিয়াও বিশ্বসত্ৰত জ্বলি আছে।

দৰং ৰাজ্য আহোম ৰজাৰ কৰতল গত হোৱাত বিশ্বৰূপৰ পুত্ৰ ৰূপ নাৰায়ণৰ দিনত সত্ৰৰ অৱস্থা বেয়া হয়। ধৰ্ম্ম প্ৰাণ ৰজা ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে ৰূপনাৰায়ণৰ পুত্ৰ দৈত্যাৰি ভট্টাচাৰ্য্যক ধৰ্ম্মোত্তৰৰ ভূমি দান কৰি বিশ্বসত্ৰৰ পুনৰ উন্নতি সাধন কৰে।

ভৰদেৱ সত্ৰ

এইখন সত্ৰ পালবংশী ৰজাৰ দিনত সংস্থাপিত হয়। হৰিবৰ্ম্মা ৰজাৰ প্ৰধান অমাত্য ভট্টভৱদেৱে ৰাজপুত্ৰৰ দিগ্বিজয়ৰ কালত এই সত্ৰ নিজ নামত প্ৰতিষ্ঠা কৰে। এই সত্ৰৰ সত্ৰাধিকাৰ শাস্ত্ৰজ্ঞ পণ্ডিত শ্ৰীশ্ৰীধৰ্ম্মদেৱ গোস্বামীক ১৬৯৩ শকৰ ২১ ফাগুণত শ্ৰীশ্ৰীলক্ষ্মীসিংহই প্ৰমাণ পত্ৰিকা সহ বহুত ধৰ্ম্মোত্তৰ মাটি দান কৰে। এইখন লোক্ৰাই মৌজাৰ ভিতৰতে দামোদৰী সম্প্ৰদায়ৰ সত্ৰ (১)।

বামুন্দী (বা বামুণ দি) সত্ৰ

হৰিহৰ আতাই এইখন সত্ৰ স্থাপন কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱে বিহাৰলৈ যাওঁতে এই সত্ৰখন চাই গৈছিল। হৰিহৰ আতাৰ পিচত হৰিবৰ এই সত্ৰৰ অধিকাৰ হয়। তেওঁ নিজ ভাতৃ হৰিচৰণক এই সত্ৰ আৰু অন্যান্য সত্ৰৰ ভাৰ অৰ্পণ কৰি সংসাৰ ত্যাগ কৰে এই বংশত হৰিবৰ ওৰফে সনাতন, মুকুণ্ড, জয়হৰি, কৃষ্ণদেৱ, ৰামচন্দ্ৰ অচ্যুত দেৱ আদি মহতী শক্তি সম্পন্ন পুৰুষে জন্ম গ্ৰহণ কৰিছিল। ৰামচন্দ্ৰ দেৱৰ জন্ম বামুন্দীত হৈছিল।

এই সত্ৰৰ এটা ঠাল মঙ্গলদৈৰ লোক্ৰাই মৌজাত আৰু শালমৰাত আছে। লোক্ৰাই মৌজাৰ সত্ৰ খন লোক্ৰাই বামুন্দী আৰু পাটি দৰঙ্গৰখন শালমৰা বামুন্দী সত্ৰ নামে জনাজাত।

দুয়োখন সত্ৰই জনজাতিৰ লোক সকলক শ্ৰৱণ ভজন দি ভক্তি মাৰ্গেদি আগবঢ়াই নিছে (১)।

গোপাল সত্ৰঃ—কামৰূপৰ বৰডেক পাৰ গাৱঁত, সত্যনাথ ভট্টাচাৰ্য্য এই সত্ৰৰ প্ৰতিষ্ঠাতা।

এই কেইখনৰ বাহিৰেও সূৰ্য্যৱিপ্ৰই ধৰ্ম্ম প্ৰচাৰ কৰি মানুহৰ আধ্যাত্মিক উন্নিতিৰ বাবে বহুত সত্ৰ স্থাপন কৰিছিল! বহুতো ধ্বংস হল আৰু বহুতো হস্তান্তৰিত হ'ল। মঙ্গলদৈৰ আটাইকেইখন সত্ৰৰ ধৰ্ম্মোত্তৰ ভূমি আছিল আৰু ফলিও আছিল। এই ফলিবোৰ ফটিক চাহাবৰ পিয়লৰ দিনতে হস্তচ্যুত হয়। ফলতঃ ধৰ্ম্মোত্তৰ মাটি যোৱাত সত্ৰবোৰৰ অৱস্থা জীৰ্ণ হৈ পৰে। এই জীৰ্ণ জুৰুলা অৱস্থাৰেই অভয়াপুৰীৰ বৰঘোপা বজাৰৰ ওচৰৰ জাগাৰা সত্ৰ আৰু পলাশবাৰীৰ ওচৰৰ গোলমাৰি গাৱঁৰ পল্লী পুখুৰীপাৰ সত্ৰই মহাপুৰুষ হৰিহৰ আতা আৰু হৰিচৰণ আতাৰ স্মৃতি ৰক্ষা কৰি আছে। অভয়া পুৰীৰ ৰাণীয়ে বহুত নিষ্পি খেৰাজ মাটি দান কৰিছিল। মানাহ নদীয়ে সত্ৰৰ বহুখিনি অনিষ্ট কৰে। পল্লীপুখুৰী সত্ৰৰো নিকৰ মাটি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত নষ্ট হয়। নকৈ নপুখুৰী সত্ৰ স্থাপন কৰা হৈছে।

আদিকালত দৌল-দেৱালয়ৰ পুৰোহিত আছিল দৈৱজ্ঞ। কামাখ্যা দেৱীৰ বিষয়ে স্কলাৰৰ নানান মত। কাৰো কাৰো মতে এই গৰাকী গোসাঁনী আছিল অষ্ট্ৰিক জাতীয় খাচিয়াৰ দেৱী। যাৰেই গোসাঁনী নহওক, গোসাঁনীৰ প্ৰথম পূজাৰী আছিল সূৰ্য্যৱিপ্ৰ। এওঁৰ পূজা আৰু নৃত্যত গোসাঁনীয়ে

ইমান তৃপ্তি লাভ কৰিছিল যে, গোসাঁনীয়ে তেওঁৰ নৃত্যৰ তালে তালে বিৱসনা হৈ নাচিছিল। মহাৰাজ নৰনাৰায়ণে গোসাঁনীৰ নাচ চাবলৈ অধীৰ হৈ উঠিল আৰু কেন্দু ব্যাসকলাইক নাচ দেখুৱাবৰ কাৰণে বৰকৈ ধৰিলে। কথা পেলাব নোৱাৰি ব্যাসকলাই মহাৰাজক উপদেশ দিলে, তেওঁ নাচি থাকোঁতে কুন্দ্ৰাক্ষৰ বিন্ধাইদি চাই থাকিব। সেইমতে মহাৰাজে চাই থাকিব ধৰিলে। গোসাঁনীয়ে আগবদৰে বিৱসনা হৈ নাচিবলৈ ধৰিলে। হঠাৎ গোসাঁনীৰ চকু মহাৰাজৰ ওপৰত পৰিল। গোসাঁনীয়ে লাজত তলমূৰ কৰিলে। ৰণচণ্ডী মূৰ্ত্তি ধৰি ব্যাসকলাইক চৰমাৰি পঠিয়ালে আৰু মহাৰাজক অভিশাপ দিলে তেওঁৰ বংশৰ কোনোবাই গোসাঁনীক দৰ্শন কৰিলে নিৰ্বংশ হব। ব্যাসকলাইৰ মূৰ ছিঙ্গি পৰিল। কথিত আছে, তেতিয়াৰ পৰা কোচ ৰজাৰ বংশধৰ সকলে গোসাঁনী দৰ্শন নকৰে, আনকি গুৱাহাটিলৈ গলেও কামাখ্যাৰ ফালে পিঠি দিহে বোলে যায়। ইয়াৰ পিচত কামাখ্যাৰ পূজাৰী কোন হল জনা নাযায়। কেতিয়াৰ পৰা কি সূত্ৰে বৈদিক ব্ৰাহ্মণে গোসাঁনীৰ পূজাৰ ভাৰ ললে ইয়ো অজ্ঞাত। যোগিনীতন্ত্ৰত পোৱা যায়, ব্ৰহ্মাৰ পাপ খণ্ডন কেনেকৈ হব সেই প্ৰসঙ্গত দেৱীয়ে ব্ৰহ্মাক নিৰ্দ্দেশ দিছে—

"তোমাৰ আৰু অন্য লোকসকলোৰে কল্যাণৰ কাৰণে কামৰূপত যোনিমণ্ডল স্থাপন কৰা হৈছে। কামাখ্যাৰ তেজেৰে এই যোনিমণ্ডল স্থাপিত হৈছে। তুমি পাপৰ কাৰণে এই যোনিপীঠ দেখিবলৈ পোৱা নাই। পাপ প্ৰশমনৰ উপায়

কওঁ শুনা—নক্ষত্ৰলোকৰ পৰা ধ্যানযোগেৰে এটা নক্ষত্ৰ নমাই আনি তাত পেলোৱা। তেতিয়া যোনিপীঠ জ্যোতিঃসম্পন্ন দেখিবলৈ পাবা, তাতেই তপস্যা কৰা। যেতিয়ালৈকে যোনিৰ জ্যোতি সেই জ্যোতিৰ সৈতে মিলিত হৈ যোৱা নেদেখা, তেতিয়ালৈকে ঘোৰতৰ তপস্যা কৰিবা। তাত নক্ষত্ৰ স্থাপন অন্যান্য জাতিৰ কাৰণে নিষিদ্ধ।”

কামৰূপত কোনো কালে দৈৱজ্ঞৰ বাহিৰে আনে নক্ষত্ৰ সাধনা কৰা নাই। সেইকাৰণে নিঃসন্দেহে কব পাৰি যোগিনী তন্ত্ৰৰ কাললৈকে দৈৱজ্ঞই কামাখ্যাৰ পুৰোহিত আছিল। যোগিনী তন্ত্ৰৰ কাল লৈ মতভেদ থাকিলেও, এইখন তন্ত্ৰ ষোড়শ শতাব্দীৰ পিচৰ নহব।

জনসাধাৰণৰ বিশ্বাস নৱগ্ৰহ মন্দিৰৰ বাহিৰে দৈৱজ্ঞই অন্য কোনো মন্দিৰ-দেৱালয়ত দৈৱজ্ঞ পুৰোহিত আছিল। ৰাজনৈতিক আৰু সামাজিক উত্থান-পতনত দৈৱজ্ঞই মন্দিৰৰ অধিকাৰ হেৰুৱায়। দুখন এখন মন্দিৰ এতিয়াও দৈৱজ্ঞৰ অধিকাৰতে আছে। উদাহৰণ স্বৰূপে মঙ্গলদৈৰ শানপাৰা দেৱালয়ৰ কথা উল্লেখ কৰিব পাৰি। প্ৰাগৈতিহাসিক যুগৰে পৰাই প্ৰাচীন অসমত আৰ্য্যসভ্যতাৰ সোঁত বৈ থাকিলেও মাজে মাজে মঙ্গলীয় বা কিৰাত সভ্যতাৰ প্ৰভাৱত সোঁত ওপৰেদি নবৈ ফল্গুৰূপে অন্তৰ্নিহিত হৈ বৈ আছিল। কিৰাত বিলাকেও এক প্ৰকাৰ শিৱ-পূজা কৰিছিলঃ আৰ্য্যয়ো কৰিছিল। পিচৰ কালত আৰ্য্যৰ শিৱদেৱতা আৰু কিৰাতৰ শিৱ দেৱতা এজন বুলি গৃহীত হয়। প্ৰাচীন

অসমত বহুত শিৱমন্দিৰ আছিল আৰু বহুত ৰজা শিৱভক্ত আছিল। সহজে বিশ্বাস কৰিব পাৰি, একালত সূৰ্য্য আৰু শিৱৰ মাজত প্ৰাধান্য লৈ প্ৰতিযোগিতা চলিছিল আৰু পিচত সূৰ্য্যক শঙ্কৰ বুলি গ্ৰহণ কৰি এই প্ৰতিযোগীতাৰ ওৰ পেলোৱা হৈছিল। যোগিনী তন্ত্ৰই কয়,

“দিক্কৰৰ বায়ুকোণত সুদুৰ্লভ নীলপীঠ। নীলপীঠত যোনিমুদ্ৰা স্বৰূপিণী তাম্ৰেশ্বৰী দেৱী। আৰু তাতেই পাৰিজাত মহাক্ষেত্ৰ আৰু আদিত্য ৰূপ (আদিত্যঃ সত্ৰ শঙ্কৰঃ) শঙ্কৰ অধিষ্ঠিত।”

ৰাষ্ট্ৰবিপ্লৱত এই মন্দিৰ বিলাক পৰিত্যক্ত হৈছিল। দৰঙ্গী ৰজাৰ আগত দৰং আৰু কামৰূপত পালবংশী ৰজাই ৰাজত্ব কৰিছিল। ধৰ্ম্মপাল এই বংশৰ এজন প্ৰধান ৰজা আছিল। এওঁৰ কাল ১১ শ—১২ শ শতিকাৰ ভিতৰত ধৰা হয়। এওঁ ধৰ্ম্মপ্ৰাণ ৰজা আছিল। তেওঁক এদিন সপোনত মহাদেৱে কলে যে তেওঁৰ ৰাজ্যত ঈশান কোণত অৰণ্যৰ মাজত শিলেৰে বন্ধোৱা পুখুৰীৰ পশ্চিম পাৰত তেওঁ (মহাদেৱ) দুৰ্গাদেৱীৰ সৈতে বাস কৰি আছে। মহাদেৱে ৰজাক তেওঁৰ মন্দিৰ নতুনকৈ প্ৰতিষ্ঠা কৰিবলৈ আদেশ দিলে। ৰজাই সপোনত দেখাৰ দৰেই অৰণ্যৰ মাজত শিৱদুৰ্গাৰ বিগ্ৰহ বিচাৰি পালে আৰু নতুনকৈ মন্দিৰ নিৰ্ম্মাণ কৰি পূজা-আৰাধনাৰ যথোপযুক্ত ব্যৱস্থা কৰি দিলে। এই মন্দিৰৰ পূজাৰ কাৰণে যাদৱানন্দ নামে এজন শ্ৰেষ্ঠ দৈৱজ্ঞ ব্ৰাহ্মণ নিযুক্ত কৰিলে। ধৰ্ম্মপাল ৰজাই গৌড়দেশৰ পৰা বহুত বিদ্বান ব্ৰাহ্মণ আনি স্থাপন কৰিছিল। যাদৱানন্দ তেওঁলোকৰ অগ্ৰগণী

আছিল। তেওঁৰ বংশৰ লোকেই এই মন্দিৰৰ পূজা পৰিচালনা কৰি আহিছে। এইটো মন্দিৰ শানপাৰা দেৱালয় নামে জনাজাত। যাদৱানন্দৰ পৰি নাতি লক্ষ্মীনাথ এজন বিদগ্ধ পণ্ডিত আৰু সাধক আছিল। তেওঁৰ পাণ্ডিত্যত মুগ্ধ হৈ ধৰ্ম্মনাৰায়ণ ৰজাই তেওঁক ৰাজসভাত পণ্ডিত নিযুক্ত কৰিছিল। ৰজাৰ এবাৰ বসন্তৰোগ হৈছিল। লক্ষ্মীনাথে শিৱ পূজা কৰি ৰজাক আৰোগ্য কৰে। ৰজাই কৃতজ্ঞতাৰ চিন স্বৰূপে আঠশ বিঘা মাটি দেৱালয়ৰ নামে তামৰফলি দি দান কৰে। এইজনা ৰজা স্বৰ্গদেৱ প্ৰতাপসিংহৰ মিত্ৰ আছিল। স্বৰ্গদেৱে ধৰ্ম্মনাৰায়ণ ৰজাৰ আৰোগ্য হোৱা শুনি সন্তোষ পাই, শানপাৰা দেৱালয়ৰ নামে আৰু বাৰশবিঘা মাটি দিবলৈ কয়। ধৰ্ম্মনাৰায়ণ ৰজায়ো ফলিমোহৰ দি দান কৰে। এই দেৱোত্তৰ মাটি লক্ষ্মীপুৰ নামে খ্যাত হয়। মঙ্গলদৈৰ কলাই গাওঁ মৌজাত লক্ষ্মীপুৰ গাওঁ আজিও আছে। লক্ষ্মীপুৰত নকৈ এটা কামাখ্যা দেৱীৰ মন্দিৰ সজোৱা হয়।

লক্ষ্মীনাথৰ পুত্ৰ পৌত্ৰবিলাকো বিদ্বান পুৰুষ আছিল আৰু দৰঙ্গী ৰজাৰ সভাত পালিত হৈছিল। লক্ষ্মীনাথৰ নাতি ৰুদ্ৰেশ্বৰ প্ৰেমনাৰায়ণ ৰজাৰ সভা পণ্ডিত আছিল। এওঁ তন্ত্ৰ মন্ত্ৰজ্ঞ আছিল আৰু চিকিৎসাত সিদ্ধহস্ত আছিল। ৰজাৰ ৰাণীক এবাৰ সাপে কামুৰিছিল। ৰুদ্ৰেশ্বৰে চিকিৎসা কৰি ৰাণীক আৰোগ্য কৰাত ৰজাই সন্তোষ পাই, ৰুদ্ৰেশ্বৰক বৰুৱা পাতে আৰু শানপাৰা দেৱালয়ৰ পুৰে দৌল সাজি

দিয়ে। এই দৌলত দৌলোৎসৱ প্ৰতি বছৰে বহাগৰ ছয়দিন যোৱাত আজিকো চলি আহিছে (২)

শানপাৰা দেৱালয় এই দোলোৎসৱ বা বসন্তোৎসৱে এই পুৰণি কথাৰ সোঁৱৰণী ৰাখিছে। দৌলোৎসৱৰ নানান ব্যাখ্যা আছে। সেইবিলাক বাখ্যা যি কি নহওক আচল কথা এইটো যে, দোল মূলত সৌৰ উৎসৱ। আজি কালিও দৌলযাত্ৰা বা ফাকুৱাত "মেষদাহ" হয়। 'মেষদাহ'ৰ অৰ্থও নানাটা দিয়া হয়। কিন্তু এইটো নভোমণ্ডলৰ ঘটনা। বাৰটা ৰাশিৰ এটাৰ নাম মেষ। বহাগ মাহত সূৰ্য্য মেষৰাশিলৈ যায়। প্ৰাচীন সকলে দেখিলে সূৰ্য্য মেষ ৰাশিলৈ অহাৰ লগে লগই মেষ ৰাশিৰ মেষটো যেন সূৰ্য্যৰ ৰশ্মিয়ে পুৰি পেলালে। সূৰ্য্যৰ মেষদাহৰ চিন স্বৰূপে ফাকুৱা উৎসৱত খেৰৰ মেষ এটা সাজি পুৰি পেলোৱা হয়। আজিকালি ফাগুন চ'ত মাহত দৌলোৎসৱ হয়। ফাগুনৰ চিন কুম্ভ আৰু চ'তৰ চিন মীন। আজিও যে 'মেষদাহ' হয়—ই সোঁৱৰাই দিয়ে প্ৰাচীন কালত দৌলোৎসৱ বহাগ মাহত হৈছিল।

দেৱী সাধিকা পাৰিজাতী ব্যাস

বহু গৰাকী নাৰীয়ে সাধনাৰ বলত জ্ঞান-বিদ্যা আৰু অধ্যাত্ম শক্তিৰ অধিকাৰিণী হৈছিল। এই সকলৰ মুখ্যতমা পাৰিজাতী ব্যাস। এই গৰাকীয়ে দেৱীৰ সাধনা কৰি সিদ্ধি আৰু অলৌকিক শক্তি লাভ কৰিছিল। দৰঙ্গী ৰজা ধৰ্ম-

নাৰায়ণ দেৱে তেওঁৰ অলৌকিক শক্তিৰ কথা শুনি মতাই আনে আৰু তেওঁৰ গুণত মুগ্ধ হয়। ৰজাই তেওঁক বহুত মাটি দান কৰিছিল কিন্তু তেওঁ নললে। ৰজাই এটা মন্দিৰ সজাই দিয়ে আৰু দেৱী পূজাৰ কাৰণে যাৱতীয় ব্যৱস্থা কৰি দিয়ে। সাধিকাই পূজাতে নিমগ্না হৈ কাল কটাইছিল। সকলো লোকে অশেষ শ্ৰদ্ধাৰে তেওঁৰ দৰ্শন কৰিছিল আৰু তেওঁৰ আশীৰ্বাদ মূৰত লৈ নিজকে ধন্য মানিছিল।

এই মন্দিৰ পাৰিজাতী মন্দিৰ নামে জনাজাত। এই মন্দিৰত মঙ্গলদৈৰ ৰজা সকলে ব্যৱহাৰ কৰা অষ্টধাতু নিৰ্ম্মিত দুৰ্গা মূৰ্ত্তি অঙ্কিত মুদ্ৰা আজিও বহুত আছে। এই দুৰ্গা-মূৰ্ত্তি অঙ্কিত মুদ্ৰা হাতত লৈ বেদৰ গান ৰাগ-ৰাগিণীৰে গালে দেৱীয়ে সন্তুষ্ট হয় বুলি সকলো লোকে বিশ্বাস কৰে।

মীৰা বাই যেনেকৈ এদিন পূজা কৰি থাকোঁতে অন্তৰ্হিতা হয় পাৰিজাতীও এদিন মন্দিৰৰ পৰা অন্তৰ্হিতা হয়। তেওঁ মন্দিৰৰ ভিতৰত এখন মেখেলা এৰি থৈ গৈছিল। তেওঁৰ বংশৰ লোকসকলে ভগাই লৈ তিলক স্বৰূপে ব্যৱহাৰ কৰিছিল।

কোটোহাগুৰি দেৱালয়

ব্যাস বংশতে ময়ুৰ (ম'ৰা) নামে কালী সাধকে জন্ম গ্ৰহণ কৰে। এওঁ গোলাঘাট অঞ্চলত সাধনা কৰি ফুৰিছিল। তেওঁ কিছুদিন ইয়াৰে কোটোহা গুৰিত বাস কৰিছিল। তেওঁ থকা কালত কোটোহাগুৰিত মহামাৰী হাইজা ওলাই

বহুতৰ প্ৰাণ নাশ কৰে। এজন দেওধায়ে ৰাইজক ক'লে যে এওঁৰ হতুৱাই দেৱী পূজা কৰিলে বেমাৰ ভাল হব। কোৱামতেই ৰাইজে তেওঁৰ দ্বাৰা দেৱীৰ মূৰ্ত্তি অঙ্কিত শিল এচটাত দুৰ্গা পূজা কৰালে আৰু লগে লগে মহামাৰী বেমাৰ গাঁৱৰ পৰা ওলাই গল। এইজনা সাধক "গোস্বামী ঠাকুৰ" নামে জনাজাত হয়।

তেওঁৰ বংশৰ লোকে তেওঁক বিচাৰি কোটোহাগুৰি পাইছিলগৈ। তেওঁ এখন খড়্গ দান কৰিছিল। তেওঁৰ বংশৰ লোকে খড়্গখন আনি পাৰিজাতী দেৱালয়ত দিয়েহি। এই খড়্গখন এতিয়াও আছে আৰু সকলোৱে খড়্গখনক শ্ৰদ্ধা কৰে।

আহোম ৰজাসকলে নিজ ধৰ্ম্ম আৰু সংস্কৃতি ৰক্ষা কৰিছিল। সেই কাৰণে তেওঁলোকৰ নিজা পুৰোহিত আছিল। আনহাতে দৰঙ্গী ৰজাসকলে প্ৰথমৰ পৰাই আৰ্য্য সংস্কৃতি গ্ৰহণ কৰিছিল আৰু সেই কাৰণে তেওঁলোকৰ পুৰোহিত আছিল দৈৱজ্ঞ। বিষ্ণুদেৱৰ বংশৰ লোকসকলে বহুকাল ধৰি দৰঙ্গী ৰজাৰ পুৰোহিত ৰূপে সম্মান পাই আহিছে। এৱোঁ গৌড়দেশৰ পৰাই আহিছিল। দৰঙ্গীৰজাৰ গৌড়ৰজাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। এওঁলোকৰ ব্ৰাহ্মণ পণ্ডিতসকল গৌড়দেশৰ পৰাই আহিছিল। আহোমৰজাৰ গৌড়ৰাজৰ সৈতে সম্পৰ্ক নাছিল এওঁলোকৰ দৈৱজ্ঞবিলাক আহিছিল কনৌজ ৰাজ্যৰ পৰা। কনৌজ ৰাজ্য বৰ্ত্তমান উত্তৰ প্ৰদেশৰ প্ৰায় গোটেইখিনি আৰু বিহাৰৰ মগধখণ্ড লৈ গঠিত আছিল। বিষ্ণুদেৱৰ

বংশধৰ মুকুন্দদেৱক ৰজা হেমনাৰায়ণে চপাই মৌজাৰ অন্তৰ্গত কপিলিত বহুত মাটিবৃত্তি দি স্থাপন কৰিছিল। পিচত এই ঠাইৰ বায়ু পানীয়ে নসুজাত মঙ্গলদৈৰ সৰুথেকেৰাবাৰীৰ বলোপাৰলৈ আহি বাস কৰে। এওঁৰে পুত্ৰ-প্ৰপৌত্ৰ পদ্মপাণিদেৱ আৰু বলদেৱ বিদ্বান সকলৰ অগ্ৰগণী আছিল। এওঁলোক ৰজা ধৈৰ্য্যনাৰায়ণৰ ৰাজ পুৰোহিত আছিল। এওঁলোকৰেই এজনা পূৰ্ব্ব পুৰুষ দ্বিজ পৰশুৰাম কৱি। এওঁ গীতা গুণমালা লেখিছিল বুলি আগতে কোৱা হৈছে। এওঁ দেৱ্যজিৎ আৰু কথা ঘোষাও ৰচনা কৰিছিল। এই বংশতেই জন্মগ্ৰহণ কৰিছিল, পদ্মকান্ত ভাগৱতী দেৱে। এওঁ এগৰাকী তত্বজ্ঞ পুৰুষ আছিল আৰু ১৯২১ চনৰ পৰা ১৯৫২ লৈ নীৰবে কংগ্ৰেছৰ তথা দেশৰ সেৱা কৰিছিল।

দৰঙ্গী ৰজা সকলে সূৰ্য্যবিপ্ৰৰ পৰা অন্নপ্ৰসাদ গ্ৰহণ কৰে, চন্দ্ৰবিপ্ৰৰ পৰা নকৰে। এইটো ঐতিহ্যয়ো অৰ্থৱৰ্ষণ স্মৃতি ৰক্ষা কৰিছে।

পুথি সাৰথিঃ—

১। দীনেশ্বৰ শৰ্মা মঙ্গলদৈৰ বুৰঞ্জী
২। বাসুদেৱ বৰুৱাঃ শানপাৰা দেৱালয়

(১২) ত্ৰিকালজ্ঞ আৰু মন্ত্ৰ দ্ৰষ্টা সকল

ভাৰতীয় জ্যোতিষৰ জন্ম কি ভাৰততে হৈছিল? শেষ উত্তৰ কোনেও দিয়া নাই। বৰাহ মিহিৰে কয়—

যৱন (গ্ৰীক) সকল ম্লেচ্ছ। তেওঁলোকৰ মাজতো জ্যোতিষে স্থিতি লাভ কৰিল। তেওঁলোক ঋষিৰ নিচিনা পূজ্য। তেন্তে দৈৱবিদ্ দ্বিজসকল ঋষিৱৎ পূজ্য নহয়নে?

এইসকল যৱন ভাৰতীয় গ্ৰীক। এওঁলোকে ভাৰতত বাস কৰি জ্যোতিষৰ গৱেষণা কৰিছিল আৰু কিতাপ ৰচনা কৰিছিল।

ডঃ সুনীতি কুমাৰ চাটাৰ্জ্জীয়ে কয়—ভাৰতে ৪২০ চনত বৈদিক জ্যোতিষ পৰিত্যাগ কৰি গ্ৰীক জ্যোতিষ পূৰাপূৰি ভাৱে গ্ৰহণ কৰে, কিয়নো গ্ৰীক জ্যোতিষ বৈদিক জ্যোতিষত কৈ বেচি শুদ্ধ (১ পৃ ৮৮ খণ্ড ১ ম)।

ডঃ কানেই কয় ভাৰতে গ্ৰীক জ্যোতিষৰ তেত্ৰিশটা শব্দ মাত্ৰ গ্ৰহণ কৰিছে। (২ পৃ ৫৮৪, খণ্ড ৫ ভাগ ১ ম)।

উইলফৰ্দে কয়—The Hindus at an early date, were famous for their knowledge of astronomy and astrology. The latter is grounded upon

the former......In the first century Hindu astrologers were in high estimation and repute at Rome and none but the richest men could afford to employ fuen. (৩)

মজুমদাৰে কয়, যৱনাচাৰ্য্যৰ আৰবৰ ব্ৰাহ্মণ বংশত জন্ম হৈছিল আৰু আলেকজেন্দ্ৰিয়াত শিক্ষা লাভ কৰিছিল। তেইশ জন ভাৰতীয় জ্যোতিষীৰ ভিতৰত পাঁচ জন যেনে, চেত্ত, কৌস্ত, ৰোমক, হিল্লজ আৰু দিষণৰ জন্ম মক্কাত হৈছিল। যদিও তেওঁলোক যৱন নামে জনাজাত আচলতে তেওঁলোক হিন্দু (৪)

ইয়াৰ পৰা বুজা যায় যদিও ভাৰতে গ্ৰীকবিলাকৰ পৰা জ্যোতিষৰ কোনো অংশ শিকিছিল, ভাৰতে তেওঁলোকক জ্যোতিষ শিকায়। নতুন গৱেষণাই জ্যোতিষক যি দিছিল সেইবিলাক শিকাবৰ কাৰণে অসমলৈ পশ্চিমৰ পৰা জ্যোতিষী অহাৰ প্ৰয়োজন পৰিছিল আৰু প্ৰাচীন কালৰ পৰাই অসমলৈ পশ্চিমৰ পৰা বিশেষ কৈ কান্যকুজ দেশৰ পৰা জ্যোতিষী আহি আছিল। এই জ্যোতিষী সকলক খড়ি উপাধি দি ৰজা সকলে সম্মানিত কৰিছিল। কেতিয়া কিমান ঘৰ অহিছিল সম্পূৰ্ণ বিৱৰণ পোৱা নাযায়। ব্ৰজখৰি চৰিতত পোৱা যায় এই সাতঘৰ আহিছিল :—

ব্ৰজখড়ি বৰখড়ি সংখ ৰুদ্ৰখড়ি।
সমুদ্ৰ নাগেশ্বৰ আউৰ সূৰ্য্যখড়ি ॥

এওঁলোক কেতিয়া আহিছিল জনা নাযায়। এইটো সুনিশ্চিত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মৰ বহুকাল আগতে আহিছিল। কিয়নো ব্ৰজখৰি বংশৰ "সন্টৰা গৰ্গে" গুৰুৰ সোঁৱৰণী কৰিছিল। তেতিয়া আহোম ৰাজ্যৰ পূৰ্ণ অভ্যুদয় হোৱা নাই।

আহোম স্বৰ্গদেও সকলৰ দিনত বিভিন্ন সময়ত মুঠতে ছয়ত্ৰিশ ঘৰ আহিছিল বুলি জনা যায়। এওঁলোকৰ প্ৰত্যেক ঘৰেই অমিত-তেজাঃ জ্ঞান-গৰিমাত অপ্ৰতিম আছিল (৬)।

(১) কলিয়া বা সমুদ্ৰখৰি, (২) কপৌ (৩) ভাৰুৱাল, (৪) নাহৰ বা জুৰাই, (৫) ৰুদ্ৰখড়ি (৬) ৰামখৰি (৭) নিতাই (গোপাল দেৱ) (৮) সোণামুৱা (৯) ধৰমশীল (১০) বিৰাট (১১) ভানুখড়ি বা সূৰ্য্যখড়ি (১২) বিজয়খড়ি (১৩) চক্ৰধৰ (১৪) টঙ্গা (১৫) শনিপাত আৰু (১৬) ৰৌ মূৰীয়া।

তেনেকৈয়ে কোচ ৰজা সকলৰ ৰাজ্যলৈ বহু ঘৰ কৃতবিদ্য দৈৱজ্ঞ আহিছিল। এওঁলোকৰ ভিতৰত ন ঘৰ খড়ি প্ৰধান আছিল। তাৰে ভিতৰত মঙ্গলদেৱ সাগৰখড়ি বা সাগৰ কন্দলী, তেওঁৰে অধাস্তন পুৰুষ চন্দ্ৰশেখৰ সাগৰ খড়ি আৰু সূৰ্য্যখড়ি দৈৱজ্ঞৰ কীৰ্ত্তিৰ সুৰভি অসম আকাশ জলমলাই আছিল।

দৈৱজ্ঞ সকলক সাগৰখড়ি, সাগৰ কন্দলী, চূড়ামণি আদি উপাধি দানেৰে সন্মানিত কৰা হৈছিল। সেই কাৰণে বহুতৰে আচল নামটো উদ্ধাৰ কৰা সহজ নহয়। যি কি নহওক কেউঘৰ খড়িয়ে অসমীয়া সাহিত্য সংস্কৃতি সকলো প্ৰকাৰে চহকী আৰু সমৃদ্ধিশালী কৰিছে।

প্ৰত্যেক ঘৰ বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল। এনে ক্ষেত্ৰ নাই য'ত দৈৱজ্ঞ সকলে বৰঙণি দিয়া নাই। সাহিত্যৰ ক্ষেত্ৰত কোচ ৰজা সকলৰ দৈৱজ্ঞ সকল বেছি আগবঢ়া আছিল। তেওঁলোকৰ বৰঙণি অসমীয়া সাহিত্যত অক্ষয় অমৰ হৈ থাকিব। শ্ৰদ্ধেয় ডঃ ভূঞাই দৈৱজ্ঞৰ বৰঙণিৰ বিষয়ে কৈছেঃ—

অসমৰ দৈৱজ্ঞ সকলে মাতৃভূমিৰ উন্নতিৰ কাৰণে বিশেষকৈ সংস্কৃতিৰ ক্ষেত্ৰত আৰু ৰাজনৈতিক ক্ষেত্ৰত বহুত বৰঙণি দিছে (৭ পৃ ২১২)।

তেওঁলোকৰ বহু অৱদান পাহৰণিৰ গৰ্ভত লীন হল। যি অলপ অচৰপ পোৱা গৈছে সেইখিনি বেলেগে আলোচনা কৰা হৈছে। দৈৱজ্ঞৰ ৰাজকীয় দায়িত্বৰ বিষয়ে ডঃ ভূঞা দেৱে কৈছেঃ—

"প্ৰথমতে দৈৱজ্ঞ বিলাকক আহোম ৰজাৰ লগত ৰাজধানীত ৰখা হৈছিল, আৰু পিচত নামনি অসমত কাম কৰা বিষয়া সকলৰ কৰ্ম্মচাৰী মণ্ডলীৰ লগতো সুশিক্ষিত জ্যোতিষী পণ্ডিত দিয়া হৈছিল। কিয়নো যুদ্ধৰ ফলাফলৰ বিষয়ে ঘন ঘন তেওঁলোকৰ লগত আলোচনা কৰাৰ প্ৰয়োজন পৰিছিল। এই দৰেই দৈৱজ্ঞ বিলাক বিভিন্ন ঠাইত থকা প্ৰধান প্ৰধান বিষয়া সকলৰ আৰু সেনাপতি সকলৰ কাৰ্য্যালয়ত অপৰিহাৰ্য্য হৈ উঠিল।

১৫৩৯ শক বা ১৬১৭ খৃষ্টাব্দত প্ৰতাপ সিংহই নাহৰ আৰু কলীয়া নামে দুজন দৈৱজ্ঞক সামধৰাৰ ঘাই ঘাই ৰণ-

স্থলীলৈ পঠায়। আহোম সৈন্যই দৈৱজ্ঞ দুজনে ভৱিষ্যদ্বাণী কৰা মতে যুদ্ধত জয় লাভ কৰিলে। ৰজাই সন্তোষ পাই আদেশ জাৰি কৰিল যে দৈৱজ্ঞৰ বাক্য আখৰে আখৰে মানিব লাগিব। মিৰজুমলা, ৰজা ৰামসিংহ আৰু মনসুৰ খাঁৰ লগত যুদ্ধ কালত বেলেগ বেলেগ আহোম বাহিনীৰ লগত বিচক্ষণ দৈৱজ্ঞ দিয়া হৈছিল" (৭ পৃ ২১০)। স্বৰ্গদেৱে নাহৰ আৰু কলীয়াক সোণৰ লগুণ দিছিল।

দৈৱজ্ঞৰ কথা মতে যুদ্ধ পৰিচালনা অকল অসমতে নহয়, অন্যত্ৰও হিন্দু ৰজাই কৰিছিল। "যুদ্ধ জ্যোতিষ" জ্যোতিষৰ এটা বিশেষ অংশ যুদ্ধ ক্ষেত্ৰলৈ গৈ ৰজাৰ সেনাবাহিনীক উৎসাহ দিয়াতো ৰজাৰ পুৰোহিতৰ বিশেষ কৰ্ত্তব্য আছিল। অথৰ্ব বেদৰ ৪।৩১-৩২ দ্ৰষ্টব্য।

অচ্যুতানন্দ দলৈ

বুৰঞ্জীৰ এজন অসাধাৰণ ব্যক্তিত্ব সম্পন্ন পুৰুষ অচ্যুতানন্দ বৰদলৈ। এওঁৱেই আছিল চূড়ামণি দলৈ, কৱি সৰস্বতী আৰু সাগৰ খৰি। এওঁৱেই শৰাইঘাটৰ বিখ্যাত দলৈ। শৰাইঘাটৰ যুদ্ধত এওঁ কি অংশ গ্ৰহণ কৰিছিল? বুৰঞ্জীয়ে কয়,

চাওঁতে চাওঁতে বঙ্গাল আহি জুৰিয়া পালেহি। লাচিত বৰফুকনে শুনি বোলে, "মোক পীৰাৰে বাটঘৰলৈকে নে, বঙ্গাল কিমান পাইছেহি চাওঁ। চাৰিটা ভূঞা পোৱালীয়ে চাৰি ফালে ধৰি বাটঘৰলৈ আনিলে। পাচে ফুকনে বঙ্গালক

খেদি ধৰিবৰ মন কৰিছিল। অচ্যুতানন্দ দলৈয়ে বোলে "অথন বাঢ়ি ধৰিবলৈ ভাল নহৈছে"। ফুকনে বোলে,— "গণক ৩ দেৱে নৌ কাটোতেই মইয়ে কাটিম।" দলৈয়ে বোলে—"কাটিবা"। বাধা কৰিলত বাটঘৰত থাকি তিলে তিলে বাৰ্ত্তা লৈছিলে। ফুকনে বোলে,—"বঙ্গাল দেখোঁ অমৰা জুৰিৰ পাৰ পাৰ হল। গণক, তয়ো কটা গলি, মোৰ তুৰ্য শ আনি চাউল-কানি পাৰিলি"। পাচে ক্ষণেক থাকি দলৈয়ে বোলে,—"স্বৰোদয়ত উত্তম পাইছোঁ। এতিয়া বঙ্গালক ধৰিবলৈ উঠিব লাগে।" পাচে বাটঘৰৰ পৰা খৰঙ্গীৰ নদাইৰ গাত ধৰি বৰফুকন নাৱত উঠিলহি।

...আমাৰ নাও বঙ্গালৰ মাজ সোমাল। নাৱৰ নিমিত্তে পাচ কাণ্টি দিব নোৱাৰে। বঙ্গাল বহুত পৰিল। খেদি নি পাণ্ডুৰ নামত থলে। বৰফুকনে খেদি যাবৰ মন কৰিছিল। পাচে সমুদ্ৰখড়ি দলৈয়ে বোলে—"ইয়াৰ পৰা খেদি যাবলৈ ভাল নহৈছে।" তাৰ পৰা যুদ্ধ নহল। পাচে পাণ্ডুৰ পৰা সেই ৰাত্ৰি বঙ্গালৰ মাজত ধোঁৱা দেখি ফুকনে সকলোকে সাৱধান থাকিব দিলে। পাচত দলৈক সুধিলে বোলে "বঙ্গালে যুদ্ধকে কৰে নে ভটীয়াই যাব? অচ্যুতানন্দ দলৈয়ে বোলে— "আজি বঙ্গালৰ ৰঙ্গ হে চাব লাগে।" বঙ্গালে তামীঘৰ ভাঙ্গি নাৱত তুলি ভটীয়াই গল। বৰফুকনৰ কথাত সকলোৱে ভৰ দিলে, খেদি নগল.........অচ্যুতানন্দ দলৈকো সমুদ্ৰখড়ি নাম দি কামৰূপীয়া কন্যা এটি সহিতে বিবাহ দি বেটী-বন্দী মাটি দিলে] (৮ পৃ ১৫৫-৬)।

কোনো কোনো দেশপ্ৰেমিকে নিজৰ দেশপ্ৰেমৰ প্ৰগাঢ়তা দেখুৱাবলৈ কয়, অচ্যুতানন্দ দলৈয়ে মোগলৰ ধন খাই সময় হোৱা নাই বুলি বৰফুকনক যুদ্ধলৈ যাবলৈ মানা কৰি বিশ্বাস-ঘাতকতা কৰিব খুজিছিল। অসমৰ শ্ৰেষ্ঠ বুৰঞ্জী ৱিদ্ ডঃ সূৰ্য্য কুমাৰ ভূঞা দেৱে কি কৈছে তাক চালেই ধৰা পৰিব এই আক্ৰমণ কিমান অসূয়া মূলক।

"বৰফুকনে কস্মিন কালেও অচ্যুতানন্দই বিশ্বাসঘাতকতা কৰিব বুলি সন্দেহ কৰা নাছিল" (৭ পৃ ১০১)। আহোম স্বৰ্গদেৱে অচ্যুতানন্দক তলত কোৱা বঁটা দিলে।

"সমুদ্ৰখড়ি উপাধি, এযোৰ গামখাৰু, সোণৰ লগুণ, বিয়াৰ কাৰণে কামৰূপৰ আলদিবাৰী সত্ৰৰ গোসাঁইৰ এজনী ছোৱালী আৰু বিয়াৰ উপঢৌকন স্বৰূপে ছকুৰি ঘৰ বন্দী। পাতিদলৈ এঘাৰ জনক বৰদলৈ কৰা হল। এই বাৰঘৰ বৰদলৈৰ আহোম ৰজাৰ ৰাজসভাত সমান ঠাই আৰু সম্মান আছিল।... অচ্যুতানন্দ দলৈ স্বৰ্গদেউ উদয়াদিত্য সিংহই সমুদ্ৰখড়ি উপাধি দিয়াৰ আগতে তেওঁৰ জ্যোতিষত অগাধ অধিকাৰৰ কাৰণে চূড়ামণি দলৈ আৰু কৱিত্ব শক্তিৰ কাৰণে কৱি সৰস্বতী নামে জনপ্ৰিয় আছিল।" (৭ পৃ ২১১)

বলভদ্ৰ আতৈ

শ্ৰীশ্ৰী শংকৰ দেৱৰ সম সাময়িক আছিল। গণনা আখৰে আখৰে মিলিছিল (৯)।

সূৰ্য্যবৰ দৈৱজ্ঞ

১৪৮৫ শকত স্বৰ্গদেউ চুখামফা খোৰা ৰজাই চিলাৰায়ৰ লগত যুদ্ধত হাৰি পৰ্ব্বত উঠিলে গৈ। "এনে সময়তে কান্যকুজ দেশৰ সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ দৈভ্যাৰি ওৰফে সূৰ্য্যবৰ দৈৱজ্ঞ পৰশুৰাম কুণ্ডত স্নান কৰিবলৈ অহাত কলীয়াবৰৰ চকীত ধৰা পৰিলত, তেতিয়া পানীসিয়া নামক বিষয়াহে আছিল, বৰফুকন নাই। বৰগোহাঞি প্ৰভৃতি সোধাত দৈৱজ্ঞ বোলে কন্যাকুজ দেশৰ পৰা স্নান কৰিবলৈ আহিছো। দৈৱজ্ঞ কি বুলি শুধাত সূৰ্য্যৱিপ্ৰ ব্ৰাহ্মণ ভূত-ভৱিষ্যত বৰ্ত্তমান গণনা কৰি কব পাৰো বুলি কোৱাতে তেতিয়া সুধিলে ভাল, নৰ-নাৰায়ণ ৰজা আমাৰ দেশ লৈছে, পুনৰ ৰজাদেৱে দেশ পাৱ কি নাপায়? সোধাত পুনৰ গণনা কৰি কলে, অমুক মাহ তাৰিখে আপোনা-আপুনি দেশ এৰি দি যাব বুলি ঠিক কৰি কলে। সেই কাৰণে স্বৰ্গদেৱৰ পাশ পঠাই দিয়াত ৰাজাদেৱে সোধাত সেইমতে কলে। পাচে সেই কাল পৰ্য্যন্ত লগতে ৰাখিলে। ......চিলাৰায়ে ৰাজাদেৱক দেশ এৰি দি আপোন দেশ কোচবিহাৰে গল। পাচে খোৰা ৰাজাদেৱে নগৰ ললে। ......এবং দ্ৰেকাণ ঘটোৱা দৈৱজ্ঞ সূৰ্য্যবৰক সোণৰ লগুণ ও সোণৰ মুখ দিলে। এই কাৰণে সোণামূৱা ঘৰ বোলে।" (১০) এওঁৰ বংশ সোণামুৱা মজিন্দাৰ বৰুৱা নামে জনাজাত।

ব্ৰজখৰি

দৈবজ্ঞ সকল মন্ত্ৰ পাৰগ আছিল। এওঁলোকে মন্ত্ৰ দৰ্শন

কৰিছিল। মন্ত্ৰ সাধন কৰি আলৌকিক কাম সম্পাদন কৰিছিল। এনে এজন মন্ত্ৰদ্ৰষ্টা আৰু মন্ত্ৰ সাধক আছিল ব্ৰজখৰি দৈৱজ্ঞ। প্ৰাক্-শঙ্কৰী যুগত যি সাত ঘৰ খৰি আহিছিল তেওঁলোকৰ ভিতৰত "ব্ৰজখৰি ঋষি ভৈলাসবাতে প্ৰধান।" এওঁ মন্ত্ৰ-শক্তিৰ দ্বাৰা অসাধ্য সাধন কৰিছিল। তাৰে এটা উদাহৰণ তলত দাঙ্গি ধৰা হল।

এদিন দেৱী সৰস্বতী এজোপা চন্দন গছৰ তলত বহি থাকোতে ব্ৰজপাত পৰি চন্দন গছ জোপা পুৰি যায়। দেৱীয়ে অভিশাপ দিয়ে বুলি ইন্দ্ৰৰ ভয় লাগিল। ইন্দ্ৰই মহাদেৱৰ ওচৰলৈ উপায় বিচাৰি গল।

মহেশে বোলন্ত মই নাপাওঁ উপায়।
ব্ৰজখৰি বিনে আন ৰাখন্ত যে নাই।
সাতখৰি সৰস্বতী প্ৰিয় পুত্ৰৱৰ।
তাহান্তে শৰণ গৈয়া লৈয়োক সত্বৰ॥
তেহো কৰিবেক বুদ্ধি জানিবা নিশ্চয়।
জিবেক চন্দন গছ যদি কৃপা হয়॥ (৫)

ইন্দ্ৰই মহেশৰ উপদেশ সাৰোগত কৰি সপ্তখৰিৰ ওচৰ চাপি বিপদৰ পৰা ৰক্ষা কৰিবলৈ খাটিবলৈ ধৰিল। সাতো-খৰি ধ্যানস্থ হল আৰু ব্ৰজখড়িয়ে সঞ্জিৱনী মন্ত্ৰ বলে চন্দন জোপা জীয়ালে আৰু তেতিয়াৰ পৰাই "অদ্যাপি লোকত ইতো আছয় প্ৰচাৰ"

খড়ি খড়ি ব্ৰজখৰি মলয়া চন্দন।
পাঠ অন্তে সৰস্বতী কৰয় স্মৰণ॥

সৰস্বতী সৰস্বতী কণ্ঠে কলাপী।
মলয়া চন্দন ভোগে বিলাসী॥
লোকে বোলে সৰস্বতী আমি বোলো আই।
যিখিনি পাহৰো দিবা সোঁৱৰাই।
খড়ি খড়ি ব্ৰজখৰি খৰিয়ে মেলালে পাত।
আই সৰস্বতী মোৰ কণ্ঠত থাক॥

"ব্ৰজখৰি উপাখ্যান" সিদ্ধিৰাম বৰদলৈয়ে ১৩৯৩ শকত ৰচনা কৰিছিল।

পণ্ডিত শ্ৰীধৰ শিৰোমণি

কান্যকুব্জৰ ভৰদ্বাজ গোত্ৰীয় পণ্ডিত হৰিহৰ ওজা কামাখ্যা দৰ্শন কৰিবলৈ আহিছিল আৰু মণিকৰ্ণিকাৰ ওচৰত এখন চতুষ্পাঠী স্থাপন কৰি ইয়াতেই চিৰস্থায়ীভাবে থাকি যায়। তেওঁৰে জ্যেষ্ঠপুত্ৰ শ্ৰীধৰ এগৰাকী অসাধাৰণ পণ্ডিত হৈ উঠে। তেওঁ দৰঙ্গী ৰজাৰ সভাপণ্ডিত হৈছিল আৰু শ্ৰীমল্লদেৱ মহাৰাজৰ আজ্ঞাক্ৰমে জ্যোতিষৰ সাধ্যখণ্ড ভাঙ্গে আৰু হোৰামালা, যন্নাড়ীবিধি, ফলিত স্ফুট আদি জ্যোতিষ শাস্ত্ৰৰ কিতাপ লেখে।

শ্ৰীধৰৰ ভায়েক পৰমানন্দ বা ৰামাই দৰঙ্গী ৰজাৰ মজিন্দাৰ বৰুৱা হৈছিল।

শ্ৰীধৰৰ বংশৰ বিশ্বম্ভৰ এগৰাকী সাৰ্বভৌম দিগ্‌বিজয়ী পণ্ডিত হৈছিল।

চমুকৈ, অসমৰ দৈৱজ্ঞ ব্ৰাহ্মণ সকলে জ্যোতিষ আৰু মন্ত্ৰসাধনাত সিদ্ধিলাভ কৰিছিল, মন্ত্ৰ দৰ্শন, ত্ৰিকাল দৰ্শন

কৰিছিল, পাণ্ডিত্যত অদ্বিতীয় আছিল, আৰু সৰ্বত্ৰ সম্পুজিত হৈছিল।

গ্ৰন্থাৱালী—

১। Benjamin Walker—Hindu World
২। Dr. Kane—History of Dharmasastra Vol V PtI P 284
৩। Wilford—Asiatic Researches Vol X PP 103-4
৪। A.K. Majumdar—Hindu History P 787
৫। সিদ্ধিৰাম বৰদলৈ—ব্ৰজখৰি চৰিত্ৰ (অপ্ৰকাশিত) *
৬। কীৰ্ত্তিনাথ বৰদলৈ—সন্দীপিকা পৃ ১৩
৭। Dr S.K. Bhuyan—Laclit BarPhukon And His Times.
৮। দেওধাই অসম বুৰঞ্জী পৃ পৃ ১৫৫-৬
৯। কথাগুৰু চৰিত্ৰ পৃ পৃ ৪৩৪-৫
১০। হৰকান্ত বৰুৱা—আসাম বুৰঞ্জী পৃ পৃ ১৪১-২
১১। দণ্ডীৰাম দত্ত প্ৰণীত শ্ৰীশ্ৰী সৰস্বতী নামৰ পুস্তিকাত এই কেইশাৰী মাত্ৰ আছে—

খৰি খৰি বৰজৰ খৰি
খৰিয়ে মেলালে পাত
আই সৰস্বতী মোৰ কণ্ঠত থাক। পৃ পৃ ৬-৭

* ব্ৰজখৰি বংশৰ এগৰাকী অধস্তন পুৰুষ যোগেন্দ্ৰ নাথ শৰ্ম্মা বৰদলৈয়ে জীৱিত কালত সৌজন্য পৰবশ হৈ হাতেলেখা ব্ৰজখৰি চৰিত্ৰ খন চাবলৈ দিছিল।

পঞ্চম ভাগ

(১৩) ★ বিষ্ণুৰ পৰমপদত মধু উৎস ★

সূৰ্য্যবিপ্ৰই সূৰ্য্যক পূজা কৰি মোক্ষলাভ কৰিছিল। পিচত সূৰ্য্যক পাহৰি গ'ল। বিষ্ণুৰ পৰমপদত মধু উৎস বুলি বেদে কয় (১)। সূৰ্য্যবিপ্ৰই সূৰ্য্যক পাহৰি বিষ্ণুৰ পৰম পদত মধু বিচাৰি পালে।

সত্যযুগৰে পৰা সূৰ্য্যৰ মহিমাকে আৰ্য্যসকলে ঘোষণা কৰিছিল। আৰ্য্যৰ নানাটা ফৈদে সূৰ্য্যকেই নানাটা ধ্যানেৰে পূজা কৰিছিল। কোনো কোনো ফৈদে বিষ্ণু বুলি, কোনোৱে পূষণ কোনোৱে বসু বুলি, কোনোৱে ভগ ইত্যাদি বুলি। বিষ্ণু আছিল প্ৰকৃততে সূৰ্য্য দেৱতা।

দ্বাদিশ আদিত্য মধ্যে জানিবা অৰ্জ্জুন।
বিষ্ণুৰূপে মই থাকো বোলয় বামন॥২

প্ৰকৃততে কৃষ্ণও সূৰ্য্য। কৃষ্ণ আছিল সূৰ্য্যৰ উপাসক (৩)। কৃষ্ণৰ গুৰু ঘোৰ অঙ্গিৰসো সূৰ্য্যৰ পূজাৰী, অৰ্থাৎ সূৰ্য্যবিপ্ৰ (৪)। যিজন সূৰ্য্যদেৱতাক কৃষ্ণই উপাসনা কৰিছিল সেই জনৰ নাম আছিল বসুদেৱ। বসুদেৱৰ উপাসনা কৰিছিল বুলিয়েই তেওঁৰ নাম হ'ল বাসুদেৱ। উপাস্য আৰু উপাসকৰ মাজত

ভেদাভেদ নাই। ভগত্ত আছিল সূৰ্য্য। ভগৰ পৰা ভগৱান হৈছে। ভগৱান পিচত ঈশ্বৰৰ সাধাৰণ নাম হয়। ভগৱান মূলতঃ সূৰ্য্য, সেইকাৰণেই "কৃষ্ণস্তু ভগৱান্ স্বয়ম্।"

কৃষ্ণ সূৰ্য্য উপাসক আছিল। সেইকাৰণেই কৃষ্ণই শেষনাগত শয়ন কৰে। নাগ সূৰ্য্যৰ এক বিশেষ বিভূতি, বিশেষ ভূষণ (৫)। সৰ্পক "বৰভাই" অৰ্থাৎ বলোৰাম বুলিও কোৱা হয় কিয়নো বলোৰাম আছিল সূৰ্য্য উপাসক।

পতঞ্জলিয়ে দুজন বাসুদেৱৰ কথা কয়। এজন বাসুদেৱ ঈশ্বৰ আৰু আনজন বাসুদেৱ ক্ষত্ৰিয় বীৰ (৬পৃঃ ৫৩৯)।

পাণিনিয়ে কয়—"ৱাসুদেৱ অৰ্জ্জুনাভ্যাং বুন্"

বুন্ প্ৰত্যয়ে ঈশ্বৰ বাসুদেৱৰ উপাসক বাসুদেৱক সিদ্ধ কৰিছে। আনহাতে পাণিনিৰ "গোত্ৰ ক্ষত্ৰিয়াখ্যে ভ্যো বহুলং ৱুঞ" সূত্ৰই বৃষ্ণি বংশৰ ক্ষত্ৰিয় বীৰ "বাসুদেৱ" সিদ্ধ কৰিছে। বাসুদেৱ এজনেই হওক বা দুজনেই হওক সাত্বত বিলাকে সূৰ্য্যকেই সাত্বতবিধিৰে পূজা কৰিছিল।

বাসুদেৱ প্ৰচাৰিত ভাগৱত ধৰ্ম্মই বৈষ্ণৱ ধৰ্ম্মৰ মূল। সূৰ্য্য পূজাৰ পৰাই ভাগৱত ধৰ্ম্মৰ জন্ম হৈছে। এই ধৰ্ম্ম প্ৰথমতে সাত্বতবিলাকে প্ৰৱৰ্ত্তন কৰিছিল। সেইকাৰণে ভাগৱত ধৰ্ম্মৰ নাম সাত্বত ধৰ্ম্ম। শান্তিপৰ্ব্বৰ মতে পুৰাকালত সূৰ্য্যই এইটো ধৰ্ম্ম শিকাইছিল। গীতায়ো কয়, বাসুদেৱে ভাগৱত ধৰ্ম্ম সূৰ্য্যক শিকাইছিল; সূৰ্য্যই মনুক শিকালে, মনুৱে ঈক্ষ্বাকুক শিকালে। ভাগৱতৰ দেৱতা বিষ্ণু মুলত এজন আদিত্য বা

সূৰ্য্য। বাসুদেৱৰ বাহন গৰুড় আৰু চক্ৰও সূৰ্য্যৰ লগত জড়িত (৭ পৃ ৮৯)।

সূৰ্য্যপূজাৰ ৰূপান্তৰেই ভাগৱত ধৰ্ম্ম। কৃষ্ণ সূৰ্য্য উপাসক আছিল। সেইকাৰণেই তেওঁ বাসুদেৱ। 'বসুদেৱৰ পুত্ৰ বাসুদেৱ'-এইটো প্ৰমাণ যোগ্য নহয় (৬ পৃ ৫৪১)। ৱাসয়তি ইতি, ৱাসু অৰ্থাৎ যিজনৰ বিৰাট দেহত সকলো দেৱতা, যক্ষ-নৰ, কিন্নৰ তিৰ্য্যকাদি আৰু অন্য ভূত-জাত প্ৰাণী বাস কৰে। অথবা ৱসতি ইতি ৱাসু, যি জন স্তম্বৰ (তৃণ) পৰা ব্ৰহ্ম প্ৰৰ্য্যন্ত সৰ্ব্বদেহত বাস কৰে, তেৱেঁই বাসুদেৱ অৰ্থাৎ চিকমিক কৰে, ৰঙা উজ্জল তমোবিহীন। তেৱেঁই পৰম পুৰুষ বিষ্ণু। পূৰ্ণং অনেন সৰ্বং ইতি পুৰুষং, অথবা পুৰোশৈতি ইতি পুৰুষঃ অৰ্থাৎ যিজন সৰ্ব্বব্যাপী তেৱেঁই পুৰুষ শব্দ বাচ্য অথবা যিজন স্তম্বৰ পৰা ব্ৰহ্ম পৰ্য্যন্ত সকলোৰে দেহত শয়ন কৰি আছে। "বিষ্ণু" শব্দৰ অৰ্থ সেইটোৱে, 'বিবেষ্টি ৱ্যাপ্নোতি' ইতি অৰ্থাৎ সৰ্ব্বব্যাপী অথবা ৱিশ্ প্ৰৱেশনে যিজন সকলো ভূতত অন্তঃ-প্ৰৱিষ্ট, তেৱেঁই বিষ্ণু। উপাসনাত বৈদিক কৃষ্ণবৰ্ণ সূৰ্য্যই কেতিয়াবা ৰাম কেতিয়াবা কৃষ্ণৰূপে উপাসিত (৮)।

মুলত বাসুদেৱে সূৰ্য্য, কৃষ্ণও সূৰ্য্য। নাৰায়ণো আছিল সূৰ্য্য দেৱতা (৭ পৃ ১১৫)। পিচৰ কালত যেতিয়া বেলেগ বেলেগ সূৰ্য্যদেৱতাৰ মিলন ঘটে, কৃষ্ণ, বাসুদেৱ আৰু বিষ্ণু অভিন্ন হৈ পৰিল। সাম্প্ৰদায়িক বৈষ্ণৱ বা ভাগৱত ধৰ্ম্মৰ উত্থান পিচৰ কালৰ ঘটনা। আৰ্য্যাৱৰ্ত্তত এই ধৰ্ম্মৰ

স্থান নাছিল। এইটো ধৰ্ম্ম বৈদিক ধৰ্ম্ম নহয় বুলিয়েই ধৰা হৈছিল আৰু যিবিলাক ব্ৰাহ্মণে বিষ্ণুমন্দিৰত প্ৰথম প্ৰথম পূজা কৰিছিল, তেওঁলোকে সমাজত স্থান হেৰুৱাইছিল। এই ধৰ্ম্মৰ পৃষ্ঠপোষক বিলাক আৰ্য্যাৱৰ্ত্তৰ বাহিৰে উত্তৰাপথ, গুজৰাট অঞ্চলত বাস কৰিছিল। যি মথুৰাত ভাগৱত ধৰ্ম্মৰ প্ৰাধান্য আছিল, সেই মথুৰা আৰ্য্য শাসিত দেশ নাছিল। অত্ৰিয়ে কয়, "যিবিলাকৰ বেদৰ কোনো সম্যক জ্ঞান নাই, সেইবিলাকে শাস্ত্ৰ পঢ়ে, শাস্ত্ৰ পঢ়িবলৈ অক্ষম হ'লে পুৰাণ, নোৱাৰিলে খেতিত ধৰে, খেতি নোৱাৰিলে ভাগৱত হয় (৯)। অত্ৰিয়ে ভাগৱতৰ নিন্দা কৰিছে। মনুৱে আৰু এখোজ বেচিকৈ গৈছে। মনুৰ মতে সাত্বতবিলাক বৰ্ণসঙ্কৰ (১০)। অন্যতম মত, পঞ্চম জাতি, ৰজাৰ আজ্ঞামতে সাত্বতবিলাকে বিষ্ণু মন্দিৰত পুজা কৰে আৰু ভাগৱত নামে প্ৰসিদ্ধ।

মনুৰ বৰ্ণসঙ্কৰ বাদ বিচাৰাৰ্হ নহয়। বাসুদেৱ কৃষ্ণই কি বিধিৰে বসুদেৱ সূৰ্য্যৰ পূজা কৰিছিল ভালকৈ বুজা নাযায়। কিন্তু তেওঁৰ সৌৰদৰ্শন ছান্দোগ্য উপনিষদ (৩/১৭) আৰু গীতা উভয়েই কীৰ্ত্তন কৰিছে। পিচৰ কালৰ বিধিক পাঞ্চৰাত্ৰ বিধি বুলি কোৱা হয়। বিষ্ণু পূজা মূৰ্ত্তি সাজি মন্দিৰত কৰা হৈছিল। এই কাৰণে আৰ্য্যাৱৰ্ত্তৰ ব্ৰাহ্মণৰ চকুত ভাগৱত ধৰ্ম্ম নিন্দিত হৈছিল। সাত্বতবিলাকে বিষ্ণুৰ মূৰ্ত্তি মন্দিৰত স্থাপন কৰি পূজা কৰিছিল। তাৰে পৰাই জীৱিকা নিৰ্ব্বাহ কৰিছিল। এইটো আৰ্য্যাৱৰ্ত্তৰ মতে নিন্দিত

বৃত্তি আছিল। সেই কাৰণেই অত্ৰিয়ে ভাগৱতক নিন্দা কৰিছে ; আৰু মনুৰ বৰ্ণসঙ্কৰবাদৰ গুৰিও ইয়াতেই।

যমুনাচাৰ্য্যই আপত্তি কৰিছে—"এইটো মিছা কথা, সাত্বত হীনজাতিৰ মানুহ নহয়। সত্বগুণেৰে বিভূষিত হৈ যেয়ে ভগৱৎ পৰম পুৰুষৰ আৰাধনা কৰে তেৱেঁই সাত্বত সাত্বত ; বিলাক ব্ৰাহ্মণ।" (৬ পৃ ৫৪২)। যমুনাচাৰ্য্যৰ প্ৰতিবাদৰ গুণ ধৰিল, ভাগৱত ধৰ্ম্মেৰো কপাল ফুলিল। যমুনাচাৰ্য্যৰ শিষ্য ৰামানুজই (১০১৭—১১৩৭ খৃঃ) ভাগৱত ধৰ্ম্মক উচ্চ শিখৰলৈ তুলিলে। তেওঁৰ শিষ্য বেদান্তকেশিক আৰু বৰদাচাৰ্যই ভাগৱত ধৰ্ম্মৰ ভেটি সুদৃঢ় কৰে। ৰূপগোস্বামী, সনাতন গোস্বামী আৰু জীৱ গোস্বামীয়ে বৃন্দাৱনৰ পুনৰ সংস্কাৰ কৰি বৃন্দাৱনক বৈষ্ণৱ ধৰ্ম্মৰ এখন প্ৰধান তীৰ্থত পৰিণত কৰে। বৈষ্ণৱ ধৰ্ম্ম অতি জনপ্ৰিয় আৰু গোটেই ভাৰতত প্ৰবল হৈ উঠে।

আনহাতে সৌৰধৰ্ম্ময়ো প্ৰাগ বৈদিক যুগৰ পৰাই যথেষ্ট প্ৰাধান্য পাইছিল। গোটেই ভাৰতে সূৰ্য্যৰ তেজ অন্যান্য ধৰ্ম্ম সম্পদায়ৰ অসহ্য হল। সৌৰধৰ্ম্মক দমাবৰ কাৰণে অন্যান্য সম্পদায়ে চেষ্টা কৰিছিল। সৌৰধৰ্ম্ম আৰু ভাগৱত ধৰ্ম্মৰ দুটা কথাত বিশেষ মিল আছিল (১)। বিষ্ণু মূলতঃ সূৰ্য্য দেৱতা, সৌৰধৰ্ম্মৰ দেৱতাও সূৰ্য্য (২)। সূৰ্য্যৰ মূৰ্ত্তি সাজি পূজা কৰা হৈছিল। দুয়োটা ধৰ্ম্মৰ দাৰ্শনিক ভিত্তি একেটাই। সূৰ্য্য বিষ্ণু দুয়োজনাই পৰমেশ্বৰ পৰমব্ৰহ্ম। কৃষ্ণও গোপাল, সূৰ্য্যও গোপাল। এওঁলোকৰ আভৰণ ভূষণ আদিত বহুত মিল আছে। বিষ্ণু শঙ্খ-চক্ৰ গদাধাৰী, সূৰ্য্যও

শঙ্খ-চক্ৰ-পদ্ম-গদাধাৰী। সৌৰ ধৰ্ম্মত শঙ্খ দান কৰিলে অক্ষয় পূণ্য হয়, ঃ শঙ্খতেই স্থৰ্য্যৰ প্ৰীতি। বৈষ্ণৱ ধৰ্ম্মই সৌৰ ধৰ্ম্মক আকোৱালি লবলৈ ওলাল। মুছলমানৰ আক্ৰমণত এই সম্বন্ধ সহজ হৈ উঠে। যেতিয়া মুছলমানে ভাৰত আক্ৰমণ কৰে তেতিয়া ভাৰতত সূৰ্য্য পূজাৰ জনপ্ৰিয়তা আৰু তেজ আটাইতকৈ বেচি আছিল। বৃহত্তম আৰু অতুলনীয় মন্দিৰ আছিল সূৰ্য্যৰ মন্দিৰ। মুছলমানে এই মন্দিৰবোৰ ভাঙ্গি চূৰ্ণ-বিচূৰ্ণ কৰে। প্ৰাগ্ জ্যোতিষৰ দিনৰ পৰাই অসমতো সূৰ্য্যৰ জয়জয়-ময়ময়, কিন্তু অসমত শিৱ পূজা চলিছিল। সূৰ্য্য আৰু শিৱ একেজন বুলি কোৱা হ'ল (১১)। সূৰ্য্যৰ স্বাধীন অস্তিত্ব লোপ পালে। শিৱৰ প্ৰাধান্য নোহোৱাত অসমতো সূৰ্য্য বিষ্ণুৰূপেই পূজিত হবলৈ ধৰিলে।

সূৰ্য্যৰ পিতা কশ্যপ, মাতা আদিতি। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণে কয়-"কশ্যপেই বসুদেৱ আৰু দেৱকী দেৱমাতা আদিতি (১২)"। বসুদেৱৰ পুত্ৰ কৃষ্ণ, কৃষ্ণৰ মাতা আদিতি। কশ্যপ-আদিতিৰ পুত্ৰ সূৰ্য্য আৰু বসুদেৱ দেৱকীৰ পুত্ৰ একেজন। ৰোহিণীনন্দন বুধেই ৰোহিণী নন্দন বলোৰাম। প্ৰাচীন সাহিত্যত ৰাধাৰ সৈতে কৃষ্ণৰ কোনো সম্পৰ্ক নাই। এই সম্পৰ্ক দেখা যায় নৱম শতিকাত (১৩)। ভাগৱত ধৰ্ম্মই সৌৰধৰ্ম্মৰ পৰাই ৰাধাৰ চৰিত্ৰ গ্ৰহণ কৰিছে। বিশাখা নক্ষত্ৰই ৰাধা। ৰাধা নক্ষত্ৰত থকা কালছোৱাত সূৰ্য্যই এই অৰ্থাৎ কৃষ্ণই ৰাধাৰ সৈতে বিহাৰ কৰিছে বুলি কোৱা হৈছে। বিহাৰেই কৃষ্ণৰ ৰাসলীলা। ৰাসলীলাৰ দিনা সূৰ্য্য ৰাধা নক্ষত্ৰত

থাকে। ৰাধা নক্ষত্ৰৰ বিভিন্ন তৰাবিলাকেই গোপিনী। কৰিৰ কল্পনাত সূৰ্য্যৰ বেলেগ বেলেগ তৰাৰ সৈতে মিলনেই কৃষ্ণৰ গোপিনীৰ সৈতে ৰাসলীলা।

কৃষ্ণ শ্যামবৰণীয়া কিয় ? সূৰ্য্য শ্যাপৰ্ণ অৰ্থাৎ শ্যাম বৰণীয়া। সূৰ্য্য সুপৰ্ণ, গৰুত্মান্। দৰাচলতে আকাশৰ সোণোৱালী বেলিটোৰ অতীত যিজন পৰমপুৰুষ তেৱেঁই সূৰ্য্য। সেই কাৰণে কৃষ্ণৰ বাহন সুপৰ্ণ অৰ্থাৎ গৰুড়। চক্ৰও সূৰ্য্যৰ প্ৰতীক। পদুমফুলো কৃষ্ণৰ সূৰ্য্যৰ প্ৰতীক। শঙ্খতেই সূৰ্য্যৰ প্ৰীতি। সূৰ্য্যও গদাহস্ত।

আকাশত অগণন তৰা-নক্ষত্ৰ গ্ৰহ উপগ্ৰহই গোপ-গোপিনী। সূৰ্য্যই আকাশত এই সকলোবিলাক পালন কৰিছে। সূৰ্য্যই পৰম-পুৰুষ, মানুহক সূৰ্য্যই পালন কৰিছে। সূৰ্য্যই গোপাল, নৰ-নাৰী, গোপ গোপিনী। অবিদ্যা আন্ধাৰত মানুহ গো, সূৰ্য্যই গোপাল, মানুহক পৰিচালনা কৰে। তেনেকৈ কৃষ্ণয়ো গৰু চৰায়।

কৃষ্ণৰ জীৱনৰ বহু ঘটনাৰ মূলত সূৰ্য্যৰ কাহিনী জড়িত। কৃষ্ণৰ যত উৎসৱ; শতকৰা নিৰান্নৈটা সৌৰ ধৰ্ম্মৰ পৰা লোৱা হৈছে।

"যি যি পূজাত হৰি বা কৃষ্ণ বা জগন্নাথ দেৱৰ উল্লেখ আছে, সেই সেই পূজাৰ উৎপত্তিও ক্ৰান্তি বৃত্তৰ বিশেষ বিশেষ স্থানত সূৰ্য্যৰ আগমন। সূৰ্য্যৰ আগমন উপলক্ষ কৰিয়েই এই বিলাক পূজাৰ উৎপত্তি হৈছে। বস্তুতঃ সূৰ্য্যকেই হৰি বুলি ভাবিলে ব্যাখ্যা সুগম হব।

বিষ্ণুৱেই সূৰ্য্য বা সূৰ্য্যই বিষ্ণু, এইবুলি কলেও দোষ নহয়।

দোলন যাত্ৰা-বা দোলযাত্ৰা—কৃত্তিকাদি নক্ষত্ৰৰ গণনাৰ আগত, অতি পুৰণি কালত মাৰ্গ শীৰ্ষ (আঘোণ) প্ৰথম মাহ আছিল। ফাগুণী পূৰ্ণিমাক সংবৎসৰৰ মুখ বুলি কোৱা হৈছিল। সেই কালত মাহ পূৰ্ণিমান্ত আছিল। সেইদিনা যিদিনা ৰৱি উত্তৰলৈ যাওঁতে যাওঁতে দক্ষিণলৈ নামিছিল—যেন দোলাতহে ছুলিছে, সেইদিনক আমি শ্ৰীকৃষ্ণৰ দোল যাত্ৰা নামে অভিনন্দিত কৰোঁ। নৱবৰ্ষ আগমনৰ উৎসৱত মত্ত হৈ মানুহে হোলি খেলিছিল। এইৰূপে অমান্ত শাওণ কিন্তু পূৰ্ণিমাত ভাদ্ৰ পূৰ্ণিমাত শ্ৰীকৃষ্ণৰ আৰু এক দোলযাত্ৰা ঝুলন বা হিন্দোল নামে খ্যাত। তেতিয়াও সূৰ্য্যৰ দোলায়মান অৱস্থা। উচ্চৰ পৰা নিম্নলৈ নমাৰ কাল। পূৰ্ণিমাৰ দিনত ৰৱি মঘাত, চন্দ্ৰ ধনিষ্ঠাত।

জহ্নু সপ্তমী—ৰৱি অশ্বিনীত, চন্দ্ৰ আৰ্দ্ৰা বা পুনৰ্ব্বসুত, শেষৰ ছুটা নক্ষত্ৰ স্বৰ্গদ্বাৰ জাহ্নৱীৰ ওচৰত।

বহাগী পূৰ্ণিমা—শ্ৰীকৃষ্ণৰ, এতেকে জগন্নাথদেৱৰ বন্দন আৰু ফুল দোলযাত্ৰা। কিয়নো, চ'ত বহাগ লৈ বসন্ত, সেইদিনা বসন্তৰ শেষ আৰু মাধৱী পূৰ্ণিমা।

স্নান যাত্ৰা—ৰৱি স্বৰ্গৰ মন্দাকিনীৰ পাৰত, আৰ্দ্ৰা নক্ষত্ৰত, চন্দ্ৰ জেষ্ঠ্যাত।

ৰথ যাত্ৰা—সেইদিনা ৰৱি উত্তৰায়নৰ শেষ সীমাত উপস্থিত (বৰাহ-মিহিৰ), ওপৰলৈ উঠিবৰ কাৰণে ৰৱিৰ যেন ৰথৰ প্ৰয়োজন।

বিৱস্বৎ সপ্তমী—ৰবি যেতিয়া মন্দোস্কত উপনীত।
জন্মাষ্টমী—শ্ৰাৱণ কৃষ্ণাষ্টমী ৰবি মঘাত, চন্দ্ৰ অশ্বিনীত।
কোজাগৰী পূৰ্ণিমা—ৰবি চিত্ৰাত, চন্দ্ৰ অশ্বিনীত।
বাৰুণী—ৰবি বৰুনাধিপতি শতভিষা নক্ষত্ৰত থাকে।"
(১৩ পৃ ৩৩৫)।

সৌৰ ধৰ্ম্মত সপ্তমীতিথিৰ স্থান অতি উচ্চ। বিজয়াখ্যা, জয়াখ্যা, জয়ন্ত্যাখ্যা, মহা জয়ন্ত্যাখ্যা, অপৰাজিতাখ্যা, নন্দাখ্যা আদি বহু সপ্তমী ব্ৰত পালন কৰা হৈছিল। বৰ্ত্তমান কালত বিৱস্বৎ সপ্তমীত নাম মাত্ৰ পূজা কৰা হয়। পূজা কালত মাঘমাহৰ শুক্লা সপ্তমীত মহাসপ্তমী ব্ৰত পালন কৰা হৈছিল। বৰ্ত্তমান এই বিলাক লুপ্ত হ'ল; মাত্ৰ বোম্বে প্ৰদেশত আঘোণ মাহটো জুৰি ইতু সূৰ্য্যৰ পূজা কৰা হয়।

সূৰ্য্য পূজাৰ পৰা বিষ্ণুপূজাৰ জন্ম। বিষ্ণু পূজাৰ লগত ভাগৱত ধৰ্ম্মৰ মিলন হয়। ভাগৱত ধৰ্ম্মই সৌৰ ধৰ্ম্মক আকোৱালি লয়। পুনৰ বিষ্ণুধৰ্ম্ম সূৰ্য্য ধৰ্ম্মত লীন হয়। সূৰ্য্যই নিজৰ স্বাধীন অস্তিত্ব বিষ্ণুক ত্যাগ কৰে। বিষ্ণুৰ হ'ল সৰ্ব্বত্ৰ বিজয় আৰু শাস্ত্ৰই উপদেশ দিয়ে-"পূজা কালত সূৰ্য্যক বিষ্ণু ৰূপে ধ্যান কৰা উচিত"।

সূৰ্য্য পূজাৰ প্ৰভা যদিও লুপ্ত হ'ল সূৰ্য্যক এতিয়াও পাহৰিব পৰা নাই; "সূৰ্য্যনাৰায়ণ" বুলি এতিয়াও ভাৰতে সূৰ্য্যকে স্মৰণ কৰি আহিছে; নাৰায়ণ ৰূপে, এতিয়াও সূৰ্য্যকেই ভাৰতে পূজা কৰি আছে,—

"পদ্ম ফুলৰ আসনত উপৱিষ্ট কেয়ুৰ-মকৰ-কুণ্ডল কীৰিটি শোভিত সোণবৰনীয়া শঙ্খ-চক্ৰধাৰী সৱিতৃ-মণ্ডল-মধ্যৱৰ্ত্তী নাৰায়ণেই সদায় ধ্যেয়"। বৃপৰাশৰ স্মৃতি ৪।১৪।১।

প্ৰমাণাৱলী:

১। বিষ্ণোঃ পদে পৰমে মধ্বসঃ। ঋগ্বেদ ১।১৫৪।৫
২। গোবিন্দ মিশ্ৰ: শ্ৰীকৃষ্ণগীতা
৩। ছান্দোগ্য উপনিষদ ৩।১৭।৬
৪। কৌষিতকী ব্ৰাহ্মণ ৩০।৬
৫। Chamber's Encyclopaedia: Serpent
৬। Dr. S N Dasyupta: History of Indian Philosophy vol 11
৭। Dr H.C. Ray Chowdhuri: The Early History of The Vaisnava Sect,pp 89-90
৮। স্বামী মহাদেবানন্দ গিৰি: বৈদিক যুগে
৯। বেদৈৰ্বিহীনাঃ পঠন্তি শাস্ত্ৰং শাস্ত্ৰেণ হীনাশ্চ পুৰাণ পাঠকাঃ। পুৰাণহীনাঃ কৃষিনো ভৱন্তি ভ্ৰষ্টাস্ততো ভাগৱতা ভৱন্তি॥ অত্ৰি সংহিতা ৩৮২
১০। মনু সংহিতা ১০।২৩
১১। "আদিত্যস্তু শঙ্কৰঃ" যোগিনী তন্ত্ৰ উত্তৰ খণ্ড ১.৪৮
১২। Dr Munsh: The Glory that was Gurjaradesa old ed. p 127
১৩। ৰায়: আমাদেৰ জ্যোতিষ ও জ্যোতিষী

ষষ্ঠ ভাগ

(১৪) উত্তৰাপথ আৰু আৰ্য্যাৱৰ্ত্তৰ ধৰ্ম-সংস্কৃতি

ভাৰত বৰ্ষত দুটা ধৰ্ম-সংস্কৃতি আছিল, এটা উদীচ্য দেশ বা উত্তৰাপথৰ, আনটো আৰ্য্যাৱৰ্ত্তৰ। আৰ্য্যাৱৰ্ত্তৰ সীমা পূৱে কাৰকবন, পশ্চিমে অদৰ্শা (যি ঠাইত সৰস্বতী নদী অদৃশ্য হৈছে), উত্তৰে হিমালয় আৰু দক্ষিণে বিন্ধ্যাচল আছিল। সপ্তসিন্ধুথন আৰু অদৰ্শাৰ উত্তৰ-পশ্চিম খণ্ড আছিল উত্তৰাপথ বা উদীচ্য দেশ। উদীচ্য দেশৰ সংস্কৃতি-সভ্যতা দক্ষিণে সিন্ধু উপত্যকা আৰু দক্ষিণাপথলৈকে বিস্তৃত আছিল আৰু পূৱে অসমৰ পৰা মগধলৈকে বুৰাই আছিল। উদীচ্য দেশে সৌৰ ধৰ্ম সেৱা কৰিছিল আৰু আৰ্য্যাৱৰ্ত্তই সোম যাগাশ্ৰিত ধৰ্ম। পাণিনিৰ অষ্টাধ্যায়ী আৰু বৰাহ মিহিৰৰ বৃহৎ সংহিতা পঢ়িলে উদীচ্য দেশৰ সংস্কৃতি কেনেকুৱা আছিল তাৰ আভাস পাব। এই সংস্কৃতিৰ বৈশিষ্ট্য আছিল—

১। সূৰ্য্য ব্ৰহ্মাৰ পূজা
২। গুপ্ত মন্ত্ৰ সাধনা
৩। মূৰ্ত্তি পূজা
৪। মন্দিৰত উপাসনা

৫। আখৰ ব্যৱহাৰ
৬। চিকিৎসা ৭। জ্যোতিষ

জ্যোতিষৰ গৱেষণা আৰু সাধনা প্ৰাগ জ্যোতিষপুৰ, মধ্য জ্যোতিষ আৰু উত্তৰ জ্যোতিষত কৰা হৈছিল। অযোধ্যাই মধ্য জ্যোতিষ আছিল। উত্তৰ জ্যোতিষ পঞ্জাৱত আছিল। শাংকল বা শাকলদ্বীপ আৰু উজ্জয়িনীও জ্যোতিষৰ ডাঙৰ কেন্দ্ৰ আছিল। শিয়ালকোটেই শাকলদ্বীপ আছিল। অযোধ্যাৰ বাহিৰে আটাইবিলাক কেন্দ্ৰ আৰ্য্যাৱৰ্ত্তৰ বাহিৰত পৰিছে। উদীচ্য দেশত বাস কৰা সৌৰ ধৰ্মৰ উপাসক সকলেই সূৰ্য্যৱিপ্ৰ। উদীচ্য দেশ আৰ্য্যাৱৰ্ত্তত কৈয়ো অধিক প্ৰগতিশীল আছিল আৰু উদীচ্য দেশৰ ব্ৰাহ্মণ সকল আৰ্য্যাৱৰ্ত্তৰ ব্ৰাহ্মণ সকলতকৈ সকলো বিষয়ে আগবঢ়া আছিল।

"উদীচ্য দেশৰ ভাষা পৱিত্ৰতাৰ কাৰণে বিখ্যাত। সেই কাৰণে ব্ৰাহ্মণে অধ্যয়নৰ কাৰণে দলে দলে উত্তৰলৈ গৈছিল।

"উদীচ্য ব্ৰাহ্মণৰ শ্ৰেষ্ঠত্ব ইয়াৰ পৰাই প্ৰমাণিত হয় যে উদীচ্য ব্ৰাহ্মণে কুৰু-পাঞ্চালৰ ব্ৰাহ্মণক তৰ্কত হৰুৱাই বিজয় লাভ কৰে। শিক্ষা কেন্দ্ৰ হিচাবে তক্ষশিলা বিখ্যাত হৈ পৰে। আৰু ইয়ো প্ৰমাণ কৰে যে উদীচ্য দেশে শিক্ষা ক্ষেত্ৰত সুখ্যাতি আৰ্জন কৰিছিল।" (১ পৃ ২৬২)।

জ্যোতিষৰ পিচতেই সৌৰ ধৰ্মৰ যুগান্তৰকাৰী অৱদান মূৰ্ত্তি-পূজা আৰু মন্দিৰ। সংস্কৃত ভাষাত আৰু সংস্কৃতৰ পৰা উদ্ভৱ হোৱা ভাষাত মূৰ্ত্তি সাজোঁতা জনক ভাস্কৰ আৰু মূৰ্ত্তি সজা বিদ্যাক ভাস্কৰ্য্য বুলি কোৱা হয়। ভাস্কৰ= সূৰ্য্য

ভাস্কৰ্য্য = সূৰ্য্য মূৰ্ত্তি সজা বিদ্যা। প্ৰাচীন ইৰাণী সকল আৰু আৰ্য্যাৱৰ্ত্তৰ আৰ্য্য সকল মূৰ্ত্তি উপাসক নাছিল আৰু তেওঁলোকে মন্দিৰত বিগ্ৰহ স্থাপন কৰি পূজা নকৰিছিল। প্ৰাচীনতম সূৰ্য্য আৰু চন্দ্ৰৰ মন্দিৰ মগধ (বিহাৰৰ) অচলা-গ্ৰামত পোৱা গৈছে, এই দুটা মন্দিৰ বুদ্ধ জন্মৰ আগৰ। তক্ষশিলাৰ ওচৰৰ ঝান্দিবালাত এটা মন্দিৰ খান্দি বাহিৰ কৰা হৈছে। ডঃ মোডী আৰু স্যাৰ জন মাৰ্শালে এইটো সূৰ্য্যাগ্নি মন্দিৰ বুলি কৈছে। কিন্তু জৰথুস্ত্ৰীয় ধৰ্ম কিমান দূৰ ভাৰতবৰ্ষ সোমাইছিল সেইটো প্ৰশ্নৰ নিষ্পত্তি হোৱা নাই। যি কি নহওক এইটো লক্ষ্য কৰিবলগীয়া যে সূৰ্য্য মন্দিৰ আৰু সূৰ্য্য মূৰ্ত্তি আৰ্য্যাৱৰ্ত্তৰ বাহিৰে পোৱা গৈছে। সূৰ্য্য মূৰ্ত্তি সূৰ্য্য—চন্দ্ৰৰ মন্দিৰৰ বাহিৰে অন্য কোনো দেৱতাৰ প্ৰাচীনত মূৰ্ত্তি আৰু মন্দিৰ বিচাৰি পোৱা নাই। বৃহত্তৰ আৰ্য্যাৱৰ্ত্তত যি প্ৰাচীন তম মূৰ্ত্তি পোৱা যায় সিয়ো সূৰ্য্য-চন্দ্ৰৰ। সূৰ্য্য-চন্দ্ৰৰ মূৰ্ত্তি খণ্ডগিৰি পৰ্ৱতৰ অনন্ত গুহাৰ ভিতৰত পোৱা গৈছে; ২৫০ খৃ পূৰ বুলি নিৰ্ণীত হৈছে। ইয়াৰ পৰাই প্ৰমাণিত হয়, মূৰ্ত্তি পূজা আৰু মন্দিৰ উদীচ্য দেশ তথা সৌৰধৰ্মৰ অৱদান।

সৌৰ ধৰ্মৰ আন এটা ডাঙৰ অৱদান অক্ষৰ। বিনা আখৰে জ্যোতিষ আৰু তন্ত্ৰ সাধনা সম্ভৱপৰ নহয়। তন্ত্ৰৰ মতে প্ৰত্যেকটো আখৰৰে একোটি বিশেষ শক্তি আছে। সৌৰ ধৰ্মৰ সাধক দৈৱজ্ঞই আখৰ ব্যৱহাৰ কৰিছিল আৰু "খৰি" বা "খড়ি" উপাধিৰে বিভূষিত হৈছিল। অক্ষৰীন

শব্দৰ পৰা খৰি বা খড়ি হৈছে। বিদ্যাৰম্ভ সংস্কাৰ অকল দৈৱজ্ঞ ব্ৰাহ্মণে সম্পাদন কৰিছিল। আখৰ লেখোতে ব্যৱহৃত হোৱাৰ কাৰণে খড়ি মাটি শব্দ-গাঠনি হল আৰু বিদ্যাৰাম্ভক হাতখড়ি দিয়া বুলি কোৱা হল। আৰ্য্যাৱৰ্ত্তৰ ঋষি-মুনিয়ে আখৰৰ বিৰোধিতা কৰিছিল। বুদ্ধ গৌতমে যি বিলাকে ৱেদ বিক্ৰী কৰে, ৱেদ নিন্দা কৰে আৰু ৱেদ লিপিবদ্ধ কৰে, তেওঁলোকক নৰকলৈ পঠিয়াইছে (৩)।

শাস্ত্ৰত কিতাপ পঢ়াও বিদ্যাৰ অন্তৰায় বুলি কোৱা হৈছে। আখৰ আৰু কিতাপ উদীচ্য দেশৰ বস্তু। সেই কাৰণে বুদ্ধ গৌতমে আপত্তি তুলিছে।

চিকিৎসা অথৰ্ৱ ৱেদৰ বস্তু। আয়ুৰ্ৱেদ অথৰ্ৱৱেদৰ উপৱেদ। আয়ুৰ্ৱেদ শাস্ত্ৰও উদীচ্য তথা সৌৰ ধৰ্মৰ অৱদান। সেই কাৰণে আৰ্য্যাৱৰ্ত্তৰ ব্ৰাহ্মণে চিকিৎসক হোৱাত আৰ্য্যাৱৰ্ত্তৰ ঋষিয়ে আপত্তি কৰিছিল।

উদীচ্য দেশৰ পৰা যি সকল সৌৰ ধৰ্ম উপাসক ব্ৰাহ্মণ আহিছিল তেওঁলোক সু সন্মানিত হৈছিল আৰু পুৰোহিত ৰূপে সমাদৃত হৈছিল (৪)।

উদীচ্য দেশৰ ব্ৰাহ্মণ সকলে আৰ্য্যাৱৰ্ত্তত নিজ সংস্কৃত ৰক্ষা কৰিছিল। দৈৱজ্ঞ কেশৱাৰ্কই কয়, তেওঁলোক উদীচ্য পথ প্ৰৱৰ্ত্তী আছিল। (৩ পৃ ৪৫)

ধৰ্মশাস্ত্ৰ বিলাকত "জোতিৰ্ৱিদ" তথা "নক্ষত্ৰ - জীৱিন:" ৰ বিষয়ে পৰস্পৰ বিৰোধি মত পোৱা যায়। এনেকুৱা মত শ্ৰাদ্ধলৈ নিমন্ত্ৰণ কৰা সম্পৰ্কে প্ৰকাশ কৰা হৈছে।

ধৰ্ম্মশাস্ত্ৰ বিলাকে অতি উচ্চ গুণ সম্পন্ন ব্ৰাহ্মণক শ্ৰাদ্ধত নিমন্ত্ৰণ কৰি ভোজন কৰাৰ বিধান দিছে। আদিতে শ্ৰাদ্ধত নিমন্ত্ৰণ পোৱাৰ অযোগ্য ব্ৰাহ্মণৰ সংখ্যা অতি তাকৰ অছিল কিন্তু কালক্ৰমত সংখ্যা বাঢ়ি এশমান হলগৈ। আটাইতকৈ দীঘলীয়া তালিকা এখন মনুসংহিতাই ৩য় অধ্যায়ত (১৫০—১৬৮) দিছে। ইয়াৰ বুজন অংশ জাল। ইয়াৰ ভিতৰত "চিকিৎসক" আৰু "নক্ষত্ৰৈ ৰ্যশ্চ জিৱতি" অৰ্থাৎ নক্ষত্ৰ জীৱীৰ উল্লেখ আছে। অত্ৰি, বিষ্ণু আদি শাস্ত্ৰকাৰ সকলও "চিকিৎসক" আৰু "নক্ষত্ৰ জীৱিনঃ অপাংক্তেয় বুলি কৈছে। শাস্ত্ৰকাৰ সকলৰ "চিকিৎসক" আৰু "নক্ষত্ৰজীৱিনঃ" কোন আছিল ? অসমলৈ ১৭১৪ চনত কৃষ্ণৰাম ভট্টাচাৰ্য্য অহা দিন ধৰি অসমৰ বিদ্বান পণ্ডিত সকলে কুৎসা প্ৰচাৰ কৰি আহিছে যে শাস্ত্ৰই দৈৱজ্ঞ ব্ৰাহ্মণক নক্ষত্ৰ জীৱী বুলি কৈছে। তেওঁলোকে চিকিৎসক সকলৰ বিষয়ে কোনো মাত মতা নাই। কিয়নো চন্দ্ৰবিপ্ৰৰ মাজতো চিকিৎসক ১৭১৪ চনৰ আগৰে পৰাই আছে।

শাস্ত্ৰই কি প্ৰকৃততে দৈৱজ্ঞ ব্ৰাহ্মণক পংক্তি দূষক বুলি কৈছে ? শাস্ত্ৰই কেনেকুৱা গুণ সম্পন্ন ব্ৰাহ্মণক শ্ৰাদ্ধত নিমন্ত্ৰণ কৰিবলৈ কৈছে চোৱা যাওক। মনুৱে কয়—

অগ্র্যাঃ সৰ্বেষু ৱেদেষু সৰ্ব প্ৰৱ=চ=নেষু চ।
শ্ৰোত্ৰিয়াম্ব জয়াশ্চৈৱ ৱিজ্ঞেয়াঃ পংক্তি পাৱনঃ॥
ত্ৰিণাচিকেতঃ পঞ্চাগ্নি ত্ৰিসুপৰ্ণা ঃ ষড়ঙ্গৱিৎ।
ব্ৰহ্মদেয়ানু সন্তানো জ্যেষ্ঠ সামগঃ এৱ চ॥

যি সকল সকলো বেদৰ অগ্ৰগণী, বেদান্ত পণ্ডিত, শ্ৰোত্ৰীয় সন্তান, ত্ৰিনাচিকেত, পঞ্চাগ্নি উপাসক, ত্ৰিসুপৰ্ণ, ষড়ঙ্গৱিৎ ব্ৰাহ্মণৰ ব্ৰাহ্ম বিবাহ মতে পৰিণীতা ব্ৰাহ্মণীৰ সন্তান আৰু সামবেদৰ জ্যেষ্ঠ নামে সামন জানে তেওঁলোক পংক্তি পাৱন (৩।১৮৪—৫)।

তৈত্তিৰীয় আৰণ্যকৰ (১০। ৪৮—৫০) ব্ৰহ্মমেতু মাং আদি তিনিটা অনুবাক, বা তৈত্তিৰীয় ব্ৰাহ্মণৰ (১,২,১ , ২৭) চতুঃ শিখণ্ডা যুৱতিঃ সুপেশাঃ ঋগবেদৰ ১০। ১১৪। ৩ — ৫ মন্ত্ৰক ত্ৰিসুপৰ্ণ বুলি কোৱা হয়।

ত্ৰিণাচিকেতৰ অৰ্থ এই তিনি প্ৰকাৰে কৰা হয়—
(১) যি জনে নাচিকেত অগ্নি জানে, (২) যি জনে নাচিকেত অগ্নি তিনিবাৰ ধৰিছে, (৩) যি জনে ৱিৰজঃ নামৰ অনুৱাক অধ্যয়ন কৰিছে।

পঞ্চাগ্নি—(১) গাৰ্হপত্য, (২) আহৱনীয় (৩) দক্ষিণাগ্নি (৪) আৱসথ্য (বা উপাসনা) আৰু (৫) সভ্য।

শ্ৰোত্ৰিয়—দেৱলৰ মতে

একাং শাখাং সকল্পাং ৱা ষড়ভিৰঙ্গৈৰ ধীত্যৱা।
ষট্ কৰ্ম-নিৰতো ৱিপ্ৰঃ শ্ৰোত্ৰিয় নাম ধৰ্মৱিৎ॥

=যি জনে ৱেদৰ কল্পেৰে সৈতে অথৱা ছটা অঙ্গেৰে সৈতে অধ্যয়ন কৰিছে আৰু যি জনে যজন, যাজন, অধ্যয়ন অধ্যাপন, দান আৰু প্ৰতিগ্ৰহ এই ছটা কৰ্ত্তব্য পালন কৰিছে তেওঁ শ্ৰোত্ৰিয়। (2 Vol iv P 384)।

অত্ৰিৰ মতে—

উপজি ব্ৰাহ্মণ, সংস্কাৰৰ দ্বাৰা দ্বিজ, বিদ্যা লাভ কৰি বিপ্ৰ আৰু তিনিওৰে শ্ৰোত্ৰিয় হয় (১৪০)।

গৌতমে কয় এওঁলোক পংক্তিপাৱন—ষড়ঙ্গৱিৎ জ্যেষ্ঠসামিকঃ ত্ৰিণাচিকেত ত্ৰিমধু ত্ৰিসুপৰ্ণঃ পঞ্চাগ্নিঃ স্নাতকো মন্ত্ৰব্ৰাহ্মণৱিৎ ধৰ্মজ্ঞো ব্ৰহ্মদেয়ানু সন্তানঃ ইতি।

ত্ৰিমধু—ঋগ্‌ৱেদৰ তলৰ তিনিটা মন্ত্ৰক ত্ৰিমধু বুলি কোৱা হয়।

মধুৱাতা ঋতায়তে মধু ক্ষৰন্তি সিন্ধৱঃ।
মাধ্বীৰ্নঃ সন্ত্বোষধীঃ (৬)।
মধু নক্তমুতোষসো মধুমৎ পাৰ্থিৱং ৰজঃ।
মধু দ্যোৰস্তু নঃ পিতা (৭)।
মধুমান্নো ৱনস্পতি ৰ্মধুমাঁ অস্তু সূৰ্য্যঃ।
মাধ্বী ৰ্গাৱো ভৱন্তু নঃ (৮)। ঋগ্‌ৱেদ ১।৯০

= বলিছে মধুৰ বা; ক্ষৰিছে মৌ সাগৰে; মধুৰ ৰসেৰে পূৰ্ণ হ'ক মোৰ ওষধিবিলাক।

মধুৰ মোৰ ৰাতি; মধুৰ মোৰ উষা; পৃথিৱীয়ে মোক মধুময় কৰক। মোৰ পিতা সূৰ্য্য মধুময় হওক।

মধুৰ হওক তৰুৰাজি, মধুমন্ত সূৰ্য্যদেৱতা; মধুমতী হওক গাইবিলাক।

অকল এজন ব্ৰাহ্মণৰ কাৰণে ওপৰত উল্লেখ কৰা গুণ সমূহৰ অধিকাৰী হোৱা সহজ নাছিল। সেই কাৰণে স্মৃতিকাৰ বিষ্ণুৱে কৈছে এওঁলোকৰ প্ৰত্যেক জনেই পংক্তি পাৱন—

১। ত্ৰিণাচিকেতঃ ২। পঞ্চাগ্নিঃ ৩। জ্যেষ্ঠসামগঃ ৪। ৱেদপাৰগঃ ৫। ৱেদাঙ্গস্য অপি একস্য পাৰগঃ ৬। পুৰাণ-ইতিহাস-ব্যাকৰণ পাৰগঃ ৭। ধৰ্মশাস্ত্ৰস্য অপি একস্য পাৰগঃ ৮। তীৰ্থপূতঃ ৯। যজ্ঞপূতঃ ১০। সত্যপূতঃ ১১। গায়ত্ৰীজপনিৰতঃ ১২। ব্ৰহ্মদেয়ানু সন্তানঃ ১৩। ত্ৰিসুপৰ্ণঃ ১৪। জামাতা ১৫। দৌহিত্ৰ শ্চেতি পাত্ৰম্‌।১৬ ৱিশেষেণ চ যোগিনঃ।

শঙ্খ স্মৃতিয়ে কয়—

ঋগ্‌ যজুঃ পাৰগো যশ্চ সাম্নাং যশ্চাপি পাৰগঃ।
অথৰ্ৱাঙ্গিৰ সোধ্যেতা ব্ৰাহ্মণঃ পংক্তি পাৱনঃ॥ অ ৪।৭

ঋগ-যজুঃ-সামৱেদ পাৰগ আৰু অথৰ্ৱাঙ্গিৰস পঢ়োঁতা পংক্তিপাৱন।

ঔশনস্‌ স্মৃতিয়ে কয়—অথৰ্ৱশিৰসোধ্যেতা ৰুদ্ৰাধ্যায়া বিশেষতঃ (৪।৫) পংক্তি পাৱন।

দৈৱজ্ঞই কি বেদ অধ্যয়ন কৰিছিল? যাজ্ঞৱলক্যই দৈৱজ্ঞক পুৰোহিত নিযুক্ত কৰিবলৈ নিৰ্দেশ দিছে (১।৩১৩)। বীৰ মিত্ৰোদয় টীকাই কৈছে—

"পুৰোহিতক সকলো দৃষ্ট অদৃষ্ট কামত আগত লৈ সৎকাৰ দান আদিৰে আত্মীয় কৰা উচিত। কেনেকুৱা দৈৱজ্ঞ? গ্ৰহৰ উৎপাত প্ৰশমন কৰিবলৈ যি সকলে জানে, শাস্ত্ৰোক্ত অধ্যয়ন-অনুষ্ঠান আদিত পাৰ্গত, অভ্যুদয়শালী, দণ্ডনীতি, অথৰ্ৱাঙ্গিৰসত, অভিচাৰ শান্তি-প্ৰধান অথৰ্ৱ ভাগ বিশেষত নিপুণ। তথা শব্দই ত্ৰয়ী (অৰ্থাৎ ঋগ-যজুঃ-সাম)

সমুচ্চয় বুজাইছে। প্ৰথম চকাৰে মন্ত্ৰিষুক্তৰ গুণ আৰু দ্বিতীয় চকাৰে আন্বীক্ষিকীৰ সমুচ্চয়ে বুজাইছে।"

সোমযাজী ব্ৰাহ্মণৰ যি কোনো এখন বেদ অধ্যয়ন কৰিলে হয়তো চলিছিল কিন্তু দৈৱজ্ঞৰ চাৰিও বেদ অধ্যয়ন নকৰাকৈ নচলিছিল। দৈৱজ্ঞ যে পংক্তি-পাৱন এইটো প্ৰশ্নৰ অতীত। অন্যান্য শাস্ত্ৰই নো কি কয়?

শাস্ত্ৰকাৰ ব্যাঘ্ৰপাদে কয়—

দ্বৌ দৈৱাথৰ্বণৌ ৱিপ্ৰৌ ঋগ্ যজুঃ সামৱেদিনঃ ক্ৰমাচ্ছ্ৰাদ্ধে নিযুংক্তে চ ব্যাঘ্ৰস্য ৱচনং তথা ॥ ১৮৭

= শ্ৰাদ্ধত দৈৱ, অথৰ্বণ ঋগ্‌ৱেদী, যজুৰ্বেদী আৰু সামৱেদী ব্ৰাহ্মণক যথাক্ৰমে নিযুক্ত কৰা উচিত। দৈৱৱিপ্ৰই দৈৱজ্ঞ ব্ৰাহ্মণ। অসমতো ১৯৪০ চনলৈকে দৈৱজ্ঞ ব্ৰাহ্মণবিনা কোনো শ্ৰাদ্ধ সম্পন্ন হোৱা নাছিল।

মৎস্য পুৰাণে কয়—সূৰ্য্য ভক্ত দ্বিজ পংক্তি পাৱন (১৬।৮)। ব্যাঘ্ৰপাদ স্মৃতিয়ে নিৰ্দ্দেশ দিছে—

বহ্‌ৱৰ্চং ভোজয়েচ্ছ্ৰাদ্ধে পিতৃ স্থানেষু সৰ্বদা।
শ্ৰোত্ৰিয়ং চ গুণাঢ্যংশ্চ পিতৃখ্যাতং কুলং তথা॥ ১৮৩

= শ্ৰাদ্ধত বহ্বৰ্চ, শ্ৰোত্ৰিয়, গুণাঢ্য আৰু সৎ পিতৃ বংশৰ লোকক ভোজন কৰাব।

সূৰ্য্যৱিপ্ৰই মানৱাকাৰ কল্পনা কৰি নৱগ্ৰহৰ পূজা কৰিছিল। অৰ্চা শব্দটোৰ অৰ্থ মূৰ্ত্তি। সেই কাৰণে দৈৱজ্ঞ ব্ৰাহ্মণক বহ্বৰ্চ বুলি কোৱা হৈছিল।

ভৱিষ্যৎ পুৰাণৰ মতে যি জনে সূৰ্য্যভক্ত দ্বিজক শ্ৰাদ্ধত ভোজন কৰাই, তেওঁ সপ্তপুৰুষ উদ্ধাৰ কৰি সপ্ত লোকলৈ যায়।

অলমতি ৱিস্তৰেণ। কোনো ধৰ্মশাস্ত্ৰই দৈৱজ্ঞ ব্ৰাহ্মণক পংক্তি দূষক বুলি কোৱা নাই আৰু নিন্দা কৰা নাই। দৈৱজ্ঞ ব্ৰাহ্মণক শ্ৰাদ্ধত নিমন্ত্ৰণ কৰিবলৈ হে নিৰ্দেশ দিছে। শ্ৰাদ্ধ উপলক্ষে দৈৱজ্ঞ ব্ৰাহ্মণক ৱৈশ্বদৈৱিক ব্ৰাহ্মণ বুলি কোৱা হয়। ৱৈশ্বদেৱ বলিৰ অধিকাৰী দৈৱজ্ঞ (৫)।

"শাম্বপুৰাণে বশিষ্ঠে নোক্তং তথাচ হলায়ুধ ভট্ট:
সাক্ষিভূতস্ত সৎশ্ৰাদ্ধং বিশ্বদেৱং মহামুনে।
দৈৱজ্ঞৈৰপি তৎগ্ৰাহ্যং নেতৰেষাং কদাচন॥"

শাস্ত্ৰই কয়—দেৱকৰ্ম পিতৃকৰ্মৰ ৰক্ষক। সেই কাৰণে অসমত পিতৃকৰ্ম কৰাৰ আগতে দৈৱজ্ঞ ব্ৰাহ্মণে বিশ্বদেৱ-আৱাহনাদি কৰিছিল আৰু শ্ৰাদ্ধৰ শেহত বিশ্বদেৱ-বিসৰ্জনাদি দেৱকৰ্ম কৰিছিল। মনু ৩।২০৩-৯ দ্ৰষ্টব্য। দুই শ্ৰেণী বিপ্ৰ নহলে শ্ৰাদ্ধ সম্পন্ন নহৈছিল।

ধৰ্মশাস্ত্ৰকাৰ সকলে জ্যোতিষৰ মূল্য, দৈৱজ্ঞ ব্ৰাহ্মণৰ মূল্য ভালকৈ বুজিছিল। সেই কাৰণে তেওঁলোকে দৈৱজ্ঞক অশেষ সন্মান কৰিছে। যাজ্ঞৱল্ক্যই দৈৱজ্ঞক পুৰোহিত নিযুক্ত কৰিবলৈ কৈছে। মনুৱে কৈছে—

পুৰোহিতঞ্চ কুৰ্ৱীত ৱৃণুয়াদেৱ চৰ্ত্বিজঃ।
তেস্য গৃহ্যাণি কৰ্মাণি কুযুৰ্বৈতানিকানিচ॥ ৭।৭৮

= ৰজাই গৃহ্য কৰ্ম সম্পাদনৰ কাৰণে পুৰোহিত আৰু শ্ৰৌতযজ্ঞ কাৰণে ঋত্বিক বৰণ কৰা উচিত।

গৃহ্য কৰ্মবিলাক অথৰ্ব্ববেদবিহিত। অতি প্ৰাচীন কালৰ পৰাই, মনুৰ বহুকাল আগৰে পৰাই ৰজাই অথৰ্বাঙ্গিৰস কুশল ব্ৰাহ্মণক পুৰোহিত ৰাখিছিল আৰু সোমযজ্ঞৰ কাৰণে ঋত্বিক নিযুক্ত কৰিছিল। অথৰ্বাঙ্গিৰসকুশল ব্ৰাহ্মণেই দৈৱজ্ঞ। যাজ্ঞৱল্ক্যই মনুৰ মত অনুসৰিয়েই দৈৱজ্ঞক পুৰোহিত কৰিবলৈ কৈছে। হিন্দু ৰাজত্বৰ শেহলৈকে ৰজাৰ কুলপুৰোহিত দৈৱজ্ঞ আছিল।

বিষ্ণুৱে কৈছে—ৰাজা চ সৰ্ব্বেষু কাৰ্য্যেষু সংৎবৰাধীনঃ স্যাৎ (৩।৫৩)।

=ৰজাই সকলো কামতে দৈৱজ্ঞৰ উপদেশ মানি চলা উচিত।

গৌতমে ৰজাক উপদেশ দিছে—দৈৱোৎপাত চিন্তক অৰ্থাৎ দৈৱজ্ঞ সকলৰ কথা ৰজাই সাদৰে শুনা উচিত। ৰজাৰ মঙ্গল তেওঁলোকৰ অধীন। এওঁলোকে অগ্নিশালাত ৰজাৰ শান্তি, পুণ্যাহ, স্বস্ত্যয়ন, আয়ুবৰ্দ্ধক আৰু মঙ্গলজনক কাম কৰিব আৰু শত্ৰুৰ পৰাভৱ, হানি আৰু বেমাৰৰ কাৰণে অভিচাৰ কৰিব (অ ১১ শ)।

বৃহস্পতিয়ে ৰজাক উপদেশ দিছে—ৰজাই পুৱাতে উঠি গুৰু, জ্যোতিৰ্বিদ, বৈদ্য, বিপ্ৰ আৰু পুৰোহিতক যথাৰ্হ ফুল আৰু বস্ত্ৰেৰে সৎকাৰ কৰি আৰু গুৰু আদিক অভিৱাদন জনাই ৰাজ সভাত প্ৰৱেশ কৰিব (৬)। ইয়াত ৱিপ্ৰ= ঋত্বিক।

প্ৰাচীন কালত গুৰু, জ্যোতিৰ্ৱিদ, বৈদ্য আৰু পুৰোহিত ব্ৰাহ্মণ আছিল; ৰজাই ব্ৰাহ্মণৰ বাহিৰে আন কাকো অভিৱাদন নকৰিছিল।

তেনেকৈয়ে ব্ৰাহ্মণে কাকো আনকি ৰজাকো অভিৱাদন নকৰিছিল।

নাভিৱাদ্যাস্তু ৱিপ্ৰেণ ক্ষত্ৰিয়াদ্যাঃ কদাচন।
জ্ঞানকৰ্ম গুণোপেতা যদ্যপ্যতে বহুশ্ৰুতাঃ॥

সেইকাৰণে নৰাব গণকে যেতিয়া স্বৰ্গদেউ চুক্লেনমুং গড়গঞা ৰজাক 'নমস্কাৰ কৰিলেহি' স্বৰ্গদেৱে কলে—"ব্ৰাহ্মণ দৈৱজ্ঞই আশীষহে কৰে, নমস্কাৰ নকৰে, অনুমানে জানো দৈৱজ্ঞ নোহে।" নৰাব গণক দৈৱজ্ঞ ব্ৰাহ্মণ নাছিল, সেইকাৰণেহে স্বৰ্গদেউক নমস্কাৰ কৰিছিল। (অসম বুৰঞ্জী পৃ ৩৩)।

বৈদিক যুগৰে পৰাই জ্যোতিষীয়ে সন্মান পাই আহিছে। যজুৰ্ব্বেদত পুৰুষমেধ যজ্ঞত প্ৰাৰ্থনা জনোৱা হৈছে—হে ভগৱান, আমাক—দিয়ক গ্ৰামণ্যং গণকং অভিক্ৰোশকং তান্ মহসে (৩০।২০)।

দেৱীচাঁদে অনুৱাদ কৰিছে—O God, create for reverence the following a headman, a mathematician, a watchman.DeviChandM.A: The Yajurveda p 438.

হে ভগৱন্, আমি যাতে শ্ৰদ্ধাঞ্জলি দিব পাৰো আমাক এজন গ্ৰামণী, এজন গণক আৰু এজন প্ৰহৰী দিয়ক।

ভাৰতীয় সভ্যতাৰ প্ৰথম পুৱাৰে পৰাই গণকক শ্ৰদ্ধাঞ্জলি আগবঢ়োৱা হৈছে।

ধৰ্মশাস্ত্ৰবিলাকে প্ৰত্যেক জাত বা কুলৰ বাবে মোক্ষৰ কাৰণে একোটা তপ আৰু জীৱিকাৰ কাৰণে একোটা বা একাধিক বৃত্তিৰ বিধান দিছে। অন্য জাত বা কুলৰ মানুহে

ইয়াত হেতা-ওপৰা কৰিব নোৱাৰিছিল। ধৰ্মশাস্ত্ৰই প্ৰত্যেক জাত বা কুলৰ তপ আৰু বৃত্তিক স্বকৰ্ম, স্বধৰ্ম বুলি কৈছে আৰু কৈছে নিজৰ কৰ্ম বা ধৰ্ম এৰি আনৰ ধৰ্ম ললে বৰ্ণ-সঙ্কৰ হয় আৰু স্বধৰ্ম পালন কৰি মোক্ষ লাভ কৰে। ধৰ্মশাস্ত্ৰবিলাকে কয়, ব্ৰাহ্মণ স্বয়ং ভগৱান, পৰম দৈৱত। কিন্তু এইটো বিশেষকৈ মন কৰিবগীয়া ধৰ্মশাস্ত্ৰই ব্ৰাহ্মণক ভিকহু কৰি ৰাখিছে। ধৰ্মশাস্ত্ৰই ব্ৰাহ্মণক সাংসাৰিক সুখ-ঐশ্বৰ্য্য, ধন-সম্পত্তি ভোগ কৰিবলৈ দিয়া নাই, ব্ৰাহ্মণক জীৱন ধাৰণ কৰিবলৈ যিকণ লাগে তাতকৈ বেচি উপাৰ্জন কৰি সঞ্চয় কৰিবলৈ অধিকাৰ দিয়া নাই। ধৰ্মশাস্ত্ৰই কৈছে—ব্ৰাহ্মণৰ তপ হল, অধ্যয়ন, যজন আৰু দান আৰু বৃত্তি, অধ্যাপন যাজন আৰু প্ৰতিগ্ৰহ। লোকে দিয়া দান লোৱাই প্ৰতিগ্ৰহ। শাস্ত্ৰই প্ৰতিগ্ৰহ নিন্দা কৰিছে, শাস্ত্ৰৰ মতে ব্ৰাহ্মণ প্ৰতিগ্ৰহৰ প্ৰতি অস্নেহী হোৱা উচিত। তেন্তে ব্ৰাহ্মণৰ জীৱিকাৰ পথ থাকিল দুটা—যাজন আৰু অধ্যাপন। ব্ৰাহ্মণে যাৰে-তাৰে ঘৰত যজমানি কৰিব নোৱাৰিছিল; ধৰ্মশাস্ত্ৰই শূদ্ৰ যাজীৰ তীব্ৰ নিন্দা কৰিছে। ব্ৰাহ্মণৰ বৃত্তি থাকিল এটা. অধ্যাপন। গুৰু দক্ষিণা লৈ ব্ৰাহ্মণে পুত্ৰ-পৰিবাৰক ভৰণ-পোষণ কৰা, যজন কৰা আৰু দান দিয়া সহজ নাছিল। সেই কাৰণে শাস্ত্ৰই ব্ৰাহ্মণক আৰু চাৰিটা অধিকা বৃত্তি দিছে— আকাশ, ভিক্ষা, শিল আৰু উঞ্ছন। ঘৰতে থাকি অযাচিত ভাৱে পোৱা বস্তু-গ্ৰহণক আকাশ বৃত্তি বুলি কোৱা হয়; এই বৃত্তিক অজগৰ বা অমৃত বৃত্তি বুলিও কোৱা হৈছিল। পথাৰত এৰি

থৈ যোৱা ধান, শস্য বুটলি লোৱাক শিল বৃত্তি আৰু হাটত পৰি থকা ধান সংগ্ৰহ কৰি জীৱিকা চলোৱাক উঞ্ছন বৃত্তি বুলি কোৱা হৈছিল। বাকী দুটা বৃত্তিৰে চহকী হোৱা দুৰাশা আছিল। সেইকাৰণে সোমযাজী ব্ৰাহ্মণে দলে-দলে প্ৰায় এশটা পৰৰ বৃত্তি লৈছিল (৭)। ইয়াৰ পৰাই, ক্ষত্ৰিয় ব্ৰাহ্মণ, বৈশ্য ব্ৰাহ্মণ, শূদ্ৰ ব্ৰাহ্মণ, নিষাদ ব্ৰাহ্মণ, পশু ব্ৰাহ্মণ, ম্লেচ্ছ ব্ৰাহ্মণ, আৰু চাণ্ডাল ব্ৰাহ্মণৰ জন্ম হৈছিল। আনহাতে দৈৱজ্ঞ ব্ৰাহ্মণৰ পৰৰ বৃত্তি লোৱাৰ প্ৰয়োজন হোৱা নাছিল, কিয়নো, গৃহ্যকৰ্ম, গ্ৰহযজ্ঞ, উৎপাত শান্তি, জ্যোতিষ, চিকিৎসাৰ পৰা দৈৱজ্ঞৰ যথেষ্ট উপাৰ্জন হৈছিল। মধ্য যুগলৈকে বেদ-বাহ্য দেৱ-দেৱী আনকি বিষ্ণুপূজাও নিন্দিত আছিল দেখি ব্ৰাহ্মণে কৰা নাছিল। আজিৰ দিনৰ পৌৰাণিক দেৱ-দেৱীৰ পূজাৰ জন্ম হোৱা নাছিল। দেৱল হোৱাৰ ভয়ত সোমযাজী ব্ৰাহ্মণ মন্দিৰৰ পুৰোহিত হোৱা নাছিল। শ্ৰৌতযজ্ঞ বিৰল হৈ উঠিছিল। সেই কাৰণে সোমযাজী ব্ৰাহ্মণৰ কাৰণে জীৱিকা ডাঙৰ সমস্যা আছিল। অসমতো সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰৱিপ্ৰৰ মাজৰ অৱিয়া অৰিৰ মূল কাৰণ আছিল অৰ্থনৈতিক। ধৰ্মশাস্ত্ৰই অনুজ্ঞা দিছিল যে ব্ৰাহ্মণে যদৃচ্ছা লাভ সন্তুষ্ট হৈ আধ্যাত্মিক জীৱন কটাব, লোক সংগ্ৰহৰ কাৰণে ভগৱানক প্ৰাৰ্থনা কৰিব আৰু জ্ঞান-বিদ্যা ধৰ্মোপদেশ দান কৰি মানুহক ভগৱন্মুখী কৰি সুখ-শান্তিৰে জীৱন কটোৱাত সহায় কৰিব। স্বেচ্ছায় সাংসাৰিক সুখ-সম্ভোগ জলাঞ্জলি দি দাৰিদ্ৰ্যৰ জীৱন কটাবলৈ খুব কম ব্ৰাহ্মণহে সাজু আছিল। সেইকাৰণে

সেই কাৰণে ব্ৰাহ্মণে স্বধৰ্ম পৰিত্যাগ কৰি বহুপ্ৰকাৰ অব্ৰাহ্মণোচিত বৃত্তি লৈছিল। পৰৰ বৃত্তিৰ কবলৰ পৰা ব্ৰাহ্মণক কেনেকৈ মুক্ত কৰিব পাৰি শাস্ত্ৰকাৰ সকলৰ আগত ডাঙৰ সমস্যা আছিল। শাস্ত্ৰকাৰ সকলৰ আগত আৰু এটা ডাঙৰ সমস্যাই দেখা দিছিল। উদীচ্য সংস্কৃতিৰ জ্যোতিষ, গুপ্ত মন্ত্ৰ-সাধনা, মূৰ্ত্তি-পূজা, মন্দিৰত উপাসনা, চিকিৎসা আৰু আখৰৰ দুৰ্জয় মোহিনী শক্তি আছিল। এইবিলাকৰ মায়াজালত আৰ্য্যাৱৰ্ত্তৰ সোমযাজী ব্ৰাহ্মণ আৰু বৌদ্ধ সকলো কৰিছিল। ঋগ্বেদৰ দশম মণ্ডলৰ বহুত সূক্তই তান্ত্ৰিক মন্ত্ৰ (incantations, exorcisms, sorcery)। চিকিৎসা শাস্ত্ৰৰ আধাখিনি তন্ত্ৰই আৰু ভালেখিনি বৌদ্ধধৰ্মই দিছে। জ্যোতিষৰ যোল অনাৰ পোন্ধৰ অনা জ্যোতিষী ব্ৰাহ্মণৰ অৱদান। আৰ্য্যাৱৰ্ত্তৰ শাস্ত্ৰকাৰ সকলে পৰৰ বৃত্তিৰ পৰা, উদীচ্য সংস্কৃতিৰ গৰাহৰ পৰা মুক্ত কৰি স্বধৰ্মলৈ ঘূৰাই অনাৰ উদ্দেশ্যে পৰৰ বৃত্তিধাৰী ব্ৰাহ্মণসকলক শ্ৰাদ্ধত নিমন্ত্ৰণ পোৱাৰ যোগ্য নহয় বুলি কৈছে। মনুৰ চিকিৎসক নক্ষত্ৰ জীৱীসকল আৰ্য্যাৱৰ্ত্তৰ সোমযাজী ব্ৰাহ্মণ, এওঁলোকে চিকিৎসা নেজানিছিল, জ্যোতিষ নেজানিছিল, বাইজক ভুৱা দি খাইছিল। এওঁলোক দৈৱজ্ঞ ব্ৰাহ্মণ নাছিল। দৈৱজ্ঞৰ স্বধৰ্ম জ্যোতিষ সাধনা আৰু গ্ৰহসাধনা। মনুৱে বা অন্য কোনো শাস্ত্ৰকাৰে দৈৱজ্ঞক নিন্দা কৰা প্ৰশ্ন নুঠে। আগতে কোৱা হৈছে মনুৱে ৰজাক দৈৱজ্ঞক পুৰোহিত কৰিবলৈ নিৰ্দেশ দিছে আৰু বিনা দ্বিধাই অথৰ্বাঙ্গিৰসীৰ ব্যৱহাৰ কৰিবলৈ কৈছে—

ৰজাই বিনা বিচাৰে অথৰ্বাঙ্গিৰসী শ্ৰুতি অৰ্থাৎ অভিচাৰ মন্ত্ৰ আদিৰ প্ৰয়োগ কৰিব: বাক্যই ব্ৰাহ্মণৰ শস্ত্ৰ, এই শস্ত্ৰেৰে তেওঁ শত্ৰু বিনাশ কৰিব। (১১।৩৩)।

অসমতো দৈৱজ্ঞ ব্ৰাহ্মণে অভিচাৰ কৰিছিল। কেনেকৈ অভিচাৰ কৰা হৈছিল মৎস্য পুৰাণে অলপ আভাস দিছে—

"প্ৰথমতে গ্ৰহযজ্ঞ কৰিব। অভিচাৰৰ কাৰণে তিনি-কোণীয়া কুণ্ড সাজিব। দ্বিজসকল ৰঙ্গা মালা পিন্ধি ৰঙ্গানু লেপনেৰে চৰ্চিত হব। যজ্ঞ সূত্ৰ মালাৰ দৰে ধাৰণ কৰিব। মূৰত ৰঙ্গা উষ্ণিষ লব। ৰঙ্গা বস্ত্ৰ পৰিধান কৰিব। জীয়া কাউৰীৰ তেজ তিনিটা পাত্ৰত পূৰাকৈ লব। বাওঁহাতেৰে সমিধ আৰু শেনৰ ৰক্তাক্ত অস্থি লব, মুক্ত কেশী হৈ শত্ৰুৰ অমঙ্গল চিন্তা কৰি হোম কৰিব, 'শত্ৰুৰ অনিষ্ট হওক'। শত্ৰুৰ এটা প্ৰতিৰূপ তৈয়াৰ কৰিব। ক্ষুৰ অভিমন্ত্ৰিত কৰিব, ক্ষুৰেৰে প্ৰতিৰূপ (মূৰ্ত্তি) কাটি টুকুৰা-টুকুৰ কৈ জুইত নিক্ষেপ কৰিব। (৯২।১৪-৫২)।' প্ৰতিমূৰ্ত্তি কাটোঁতে "দুৰ্মিত্ৰিয়াস্তস্ম সন্তু হুঁ ফট্" মন্ত্ৰ প্ৰয়োগ কৰা হৈছিল।

মনুৱে দেৱ-মন্দিৰৰ নিন্দা কৰা নাই। দেৱ শব্দৰ অৰ্থ প্ৰতিমা। মনুৱে ব্ৰহ্মচাৰীক প্ৰতিমা পূজা কৰিবলৈ কৈছে (২।১৭৬), গৃহস্থকো প্ৰতিমা পূজা কৰিবলৈ কৈছে (৩।১১৭), প্ৰতিমাৰ ছাঁ অতিক্ৰম কৰিবলৈ মানা কৰিছে (৪।১৩০), বাটত প্ৰতিমা দেখিলে প্ৰদক্ষিণ কৰিবলৈ কৈছে (৪।৩৯), প্ৰতিমাৰ আগত সাক্ষীয়ে শপত লব লাগে বুলি কৈছে (৮।৮৭), প্ৰতিমা ভঙ্গকাৰীক বধ কৰিবলৈ ৰজাক নিৰ্দেশ দিছে (৯।২৮০) পৰ্বদিনত

দেৱ-প্ৰতিমা দৰ্শন কৰিবলৈ যাত্ৰা কৰিবলৈ কৈছে (৪।১৫৩)।

ইয়াৰ পৰা ভালকৈ বুজা যায় মানুহে প্ৰতিমা আৰু মন্দিৰক শ্ৰদ্ধা কৰিছিল ; কোনো ধৰ্মশাস্ত্ৰতে প্ৰতিমা আৰু মন্দিৰৰ নিন্দা পোৱা নাযায়। গৃহ্য সূত্ৰ বিলাকে প্ৰতিমা পূজাৰ বিধি দিছে। ধৰ্মশাস্ত্ৰই দেৱলৰ নিন্দা কৰিছে কিয়নো তেওঁলোক স্বধৰ্ম-ত্যাগী সোমযাজী ব্ৰাহ্মণ আছিল। মধ্যযুগৰ পৰাহে সোমযাগী ব্ৰাহ্মণে খোলা-খুলিকৈ মন্দিৰ আৰু প্ৰতিমা পূজাত ধৰে।

মনুৱে জ্যোতিষৰো নিন্দা কৰা নাই। বৰং মনুৱে "হিত" শাস্ত্ৰ জ্যোতিষ, চিকিৎসা আদিৰ চৰ্চ্চা কৰিবলৈ নিৰ্দেশ দিছে (৪।১৯)। মনুৱে যড়ঙ্গৱিৎ পংক্তি পাৱন বুলি কৈছে (৩।১৮৫)।

দৈৱজ্ঞৰো আছিল অধ্যয়ন, যজন আৰু দান তপস্যা আৰু অধ্যাপন, যাজন আৰু প্ৰতিগ্ৰহ বৃত্তি। কিন্তু দৈৱজ্ঞ ব্ৰাহ্মণে অধ্যয়ন, অধ্যাপন, যজন আৰু যাজন মন্দিৰ আশ্ৰয় কৰি কৰিছিল। দৈৱজ্ঞই মন্দিৰত বিজ্ঞানৰ সাধনা কৰিছিল। এইছ জি ৱেল্‌সে কয়—

The temple was the store-house of learning, knowledge, culture and civilization, and became a kind of brain in the growing community (৮)।

এইটো স্বীকাৰ কৰিব লাগিব, মন্দিৰ বিদ্যা, জ্ঞান-বিজ্ঞান আৰু সংস্কৃতি-সভ্যতাৰ ভৰাল আছিল। মন্দিৰ সম্পূৰ্ণ ভাৱে স্বায়ত্ব শাসিত অনুষ্ঠান আছিল। মন্দিৰে

আখৰৰ জন্ম দিছে। গৰ্ডন চাইল্ডে কৈছে—

As administrators of the temple estates, the priests must give account of their stewardship to a jealous master and their colleagues in their perpetual carporation. So they have agreed upon a conventional method of recording receipts and expenditures in written signs that shall be intelligible to all their colleagues and successors; they have invented writing. (৯)।

দৈৱজ্ঞ ব্ৰাহ্মণৰ ধৰ্ম-সংস্কৃতিয়ে আৰ্য্যাৱৰ্ত্ত বুৰাই পেলাব বুলি ভয় কৰা শাস্ত্ৰকাৰ সকলৰ কাৰণে অতি স্বাভাৱিক। কিন্তু শাস্ত্ৰত দৈৱজ্ঞৰ ধৰ্ম-সংস্কৃতিৰ নিন্দা আৰু দৈৱজ্ঞ ব্ৰাহ্মণৰ নিন্দা পোৱা নেযায়। আৰ্য্যাৱৰ্ত্তৰ যিবিলাক ব্ৰাহ্মণে লোভত পৰি মন্দিৰৰ পুৰোহিত হৈছিল, শাস্ত্ৰকাৰে তেওঁলোকক হে দেৱল, পংক্তি-দূযক বুলি কৈছে। ভৱিষ্যৎ পুৰাণ কয়—

জম্বুদ্বীপোদ্ভৱৱিপ্ৰা দেৱস্বং ৱৰ্ত্তয়ন্তি যে।
তে বৈ দেৱলকাঃ প্ৰোক্তাঃ সৰ্বকৰ্মৱহিস্কৃতাঃ ॥

=যিবিলাক জম্বুদ্বীপৰ ব্ৰাহ্মণ দেৱস্ব লৈ বৰ্ত্তি আছে তেওঁলোকক হে দেৱলক বুলি প্ৰোক্তঃ তেওঁলোক সকলো কামৰ পৰা বহিস্কৃত। জম্বুদ্বীপ=আৰ্য্যাৱৰ্ত্ত।

আজিতো ভাৰতবৰ্ষ দেৱলময়। প্ৰথম-দ্বিতীয় শতিকাৰ পৰা আৰ্য্যাৱৰ্ত্ততো মন্দিৰ নিৰ্মাণ, বিগ্ৰহ স্থাপন, পূজা আৰু দৰ্শন, মন্দিৰ আৰু বিগ্ৰহৰ কাৰণে ধন-অলংকাৰ, ভূমি-সম্পত্তি দান মহৎ পুণ্য আৰু আধ্যাত্মিক কাম বুলি

মানি লোৱা হৈছে। বেছিভাগ মন্দিৰত পোষণ-উৎপীড়ন চলিছে। কোনো কোনো মন্দিৰত সৎকামো কৰা হৈছে। তিৰুমলাই-তিৰুপতি দেৱ স্থানমৰ ১৯৭১-৭২ চনত আছিল—

আয় ৯ ১৮ ৪৪ ৩০০ কোটি

ব্যয় ৮ ৮৭ ৮২ ৬০০ কোটি

উদ্বৃত্ত ৩০ ৬১ ৭০০ কোটি

মন্দিৰৰ পৰিচালনা সন্থাই মন্দিৰৰ কাম সুচাৰু ৰূপে চলাইছে, বিশ্ববিদ্যালয়, হস্পিতাল আদি বহুত জন কল্যাণৰ কাম কৰিছে।

আজি মনু জীয়াই থকা হলে মনুৰ কেনেকুৱা লাগিল-হেঁতেন? আজি ভাৰতবৰ্ষৰ সৰ্বত্ৰ সৌৰ ধৰ্মৰে জয়, বৈদিক ধৰ্ম নামত আছে।

পিচে আৰ্য্যাৱৰ্ত্তৰ তথা ভাৰতৰ শাস্ত্ৰকাৰ সকল অত্যন্ত বাস্তৱবাদী আছিল। শাস্ত্ৰকাৰ সকলে প্ৰত্যেক কুল, জাতি আৰু দেশৰ ধৰ্মকৰ্মক সন্মান কৰিছে আৰু সেইবিলাক পালন কৰি থাকিবলৈ কৈছে—

দেশজাতি কুলানাং চ যে ধৰ্মাস্তৎ প্ৰৱৰ্ত্তিতাঃ।
তথৈৱ তে পালনীয়াঃ প্ৰজা প্ৰক্ষুভ্যত্যে ন্যথা ॥ স্মৃতি চন্দ্ৰিকা, সংস্কাৰ, পৃ ২৫।

তেনেকৈয়ে শাস্ত্ৰকাৰ সকলে নিজ নিজ ধৰ্ম পালন কৰি থাকিবলৈ নিৰ্দেশ দিছে—

স্বানি কৰ্মাণি কুৰ্বাণা দূৰে সন্তোপি মানৱাঃ।
প্ৰিয়া ভৱন্তি লোকস্য স্বে স্বে কৰ্মণ্যৱস্থিতাঃ ॥ মনু (৩।৪২)

= যি সকলে (দেশ জাতি কুল অনুসৰি) নিজ নিজ (নিত্য-নৈমিত্তিক আদি) কৰ্ম কৰি থাকে, তেওঁলোক দূৰত থাকিলেও মানুহৰ প্ৰিয় হয়।

অসমৰ দৈৱজ্ঞ ব্ৰাহ্মণও ইয়ে আদৰ্শ ৰক্ষা কৰিছিল। ৰুদ্ৰ যামলে কয়—

এতেকেসে মহামুনি সব শ্ৰেষ্ঠতৰ।
তাহান সমান একো নাহি জ্ঞান নৰ ॥

গ্ৰন্থাৱলী –

১। Vedic Agc p 292
২। Kane: History of Dharmasastra.
৩। বুদ্ধ গৌতম ১০।৮০-৮১
৪। যাজ্ঞৱলক্য স্মৃতি ১।৩১৩
৫। কীৰ্তি নাথ বৰদলৈ: সন্দীপিকা পৃ ৮ প ১০ লগতে পৃ ১২
৬। স্মৃতি চন্দ্ৰিকা, ব্যৱহাৰ ১ ম ভাগ পৃ ৩৪
৭। মনু, অ ৩ আৰু অ ১০
৮। H.G. Wells : Outline of History
৯। Gordon Childe : What Happene In History, Pelican, P 93.

———

(১৫)

"দৈবজ্ঞ বিপ্ৰ প্ৰধান"

সূৰ্য্যবিপ্ৰৰ অসাধাৰণ তেজ, ক্ষমতা আৰু ৰাজানুগ্ৰহ সম্ভোগে বহুতৰ হিয়াত ঈৰ্ষ্যা আৰু বিদ্বেষৰ জুই জ্বলাইছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ আমন্ত্ৰণত বঙ্গদেশৰ পৰা ১৭১৪ চনত কৃষ্ণৰাম ভট্টাচাৰ্য্য আহিছিল। "আহিয়েই তেওঁ শিৱসিংহ স্বৰ্গদেৱৰ মজুন্দাৰ বৰুৱাৰ নিন্দা কৰিল, যে তেওঁ হীন কুলৰ আৰু ইমান বিশ্বাসৰ পাত্ৰ হোৱাৰ উপযুক্ত নহয়, কিয়নো বঙ্গদেশত জ্যোতিষী শ্ৰেণীৰ মৰ্য্যাদা সমাজত সিমান ওখ খাপৰ নহয়। দৈৱজ্ঞই ৰজাৰ বিশেষ অনুগ্ৰহ ভোগকৰি থকাৰ কাৰণে যিবিলাক বিষয়াৰ বুকুত ঈৰ্ষ্যাৰ জুই জ্বলিছিল, সেইবিলাক বিষয়াই ষড়যন্ত্ৰৰ ইন্ধন যোগাইছিল' (১)।

অসমৰ স্বৰ্গদেউ সকলৰ মজুন্দাৰ বৰুৱা এগৰাকী ভিতৰ বিশ্বাসী মন্ত্ৰকল্প ডাঙৰীয়া আছিল। তেওঁ বিশ্বাসী সচিব আৰু বৈদেশিক পৰিক্ৰমাৰ উপদেষ্টাও আছিল (২)। ৰাম গোপালৰ মতে (৩)

স্বৰ্গনৃপতিৰ মহামন্ত্ৰী মজুমদাৰ।
মহাবিচক্ষণ ধীৰ পাত্ৰ মধ্যে সাৰ॥

মজুন্দাৰ বৰুৱাক মজিন্দাৰ বৰুৱা বুলিও কোৱা হৈছিল।

হৰকান্ত বৰুৱা সদৰামিনে মজুন্দাৰ বৰুৱাৰ কৰ্ত্তব্যৰ বিষয়ে কৈছে—

"মজুন্দাৰ বৰুৱাৰ কৰ্ম্ম এই—ৰাজাৰ সমীপে সৰ্ব্বদা থাকিব লাগে। ৰাজাৰ আজ্ঞাৰে বুঢ়াগোহাঁই ও বৰগোহাঁই ও বৰপাত্ৰ গোহাঁই, এই তিনিজনা ডাঙ্গৰীয়া আৰু শদিয়াল গোহাঁই ও মৰঙ্গী খোৱা গোহাঁই ও সলাল গোহাঁই এই তিনিজনা দাঁতিয়াল গোহাঁই আৰু বৰবৰুৱা, বৰফুকন ও ৰাজখোৱা ও চুমুক বৰুৱা ফুকনক কথা শুনাই ভঙ্গাপতা কৰিব লাগে।...

আৰু মজিন্দাৰ বৰুৱা প্ৰায় ৰাত্ৰিন্দিৱা ৰাজাৰ কাষতে থাকিব লাগে। ৰাতি হলে পালী ঘৰ থাকে, তাতে থাকে। কোনো কোনো সময় ৰাজাই বিচাৰ কৰিলে সেই ৰাতিতে চাংঘৰত উঠি ৰাজাৰ সাক্ষাত হব লাগে ও কোনো কথা কলে সেই ৰাতি বা দিনত আজ্ঞা প্ৰচাৰ কৰিব লাগে। মজুন্দাৰ বৰুৱাৰ দ্বাৰাহে সকল আজ্ঞা প্ৰচাৰ কৰা হয়। আৰু কোনো সময়ত ৰাতিতে মজুন্দাৰ বৰুৱাৰ সহিতে নিবিৰে মন্ত্ৰণা যুক্তিকো কৰিব লাগে। মজুন্দাৰ বৰুৱা ৰজাৰ ভিতৰবিশ্বাসী এক প্ৰকাৰ মন্ত্ৰীৰ ন্যায়। তিনিজনা ডাঙ্গৰীয়া প্ৰভৃতি সকলোৱে মজুন্দাৰ বৰুৱাক ভয় কৰি আশা-ভৰসা ৰাখে। আনকি ৰজাৰ বিনানুমতিতে তিনিজনা ডাঙ্গৰীয়াৰ ঘৰে গলে জগৰ লাগে (৪)।"

মজুন্দাৰ বৰুৱাক দেখিলেই যে ঈৰ্ষ্যাত কাতৰ হৈ পৰিছিল সহজে বুজিব পাৰি। আহোম সকলৰ বাহিৰে আনে পাব পৰা ফুকন, বৰভঁৰালী বৰুৱা, বৰকাকতি, চাং-

কাকতি আদি ওখ বাবে বিলাক দৈৱজ্ঞ ব্ৰাহ্মণে ভোগ কৰি আহিছিল। জ্যোতিষী বৰদলৈৰ কিমান প্ৰতিপত্তি আছিল সকলোৰে জনাজাত।

ঈৰ্ষ্যাকাতৰ লোকসকল কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ দলভুক্ত হল আৰু দৈৱজ্ঞক হীন প্ৰতিপন্ন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিবলৈ ধৰিল।

"আৰু ব্ৰাহ্মণ দৈৱজ্ঞৰো বাদানুবাদ হল। ভট্টাচাৰ্য্য গোসাঁইৰ মতে দৈৱজ্ঞ গণক জাতি হীন। তেওঁলোকে শৰ্ম্মা লিখিব নেপায় আৰু দক্ষিনাকো গ্ৰহণ কৰিব নাপায়। ইয়াতে থাকি ৰাজা ঘৰত বৰ বিচাৰ হৈ জ্যোতিষীয়া পণ্ডিতাদিৰ সহিতে শাস্ত্ৰমতে বিচাৰ হৈ হীন কৰিব নোৱাৰাত ৰাজাঘৰৰ পৰা এই আজ্ঞা হল যে, ব্ৰাহ্মণ দৈৱজ্ঞ সমান, ও সমানমতে শৰ্ম্মা শৰ্ম্মণ লিখিব পাৰিব। আৰু দক্ষিনাকো গ্ৰহণ কৰিব পাৰিব। এবং গ্ৰহ-যজ্ঞাদি কৰ্ম্ম কৰিব, কিন্তু প্ৰায়শ্চিত্ত শ্ৰাদ্ধ কৰিব নোৱাৰিব, আৰু ব্ৰাহ্মণেও গ্ৰহ-যজ্ঞাদি কৰ্ম্ম নকৰিব। এই ব্যৱস্থা হোৱাতে সেই মতে চলিত হৈ আহিছে (৪ পৃ ৭০)।"

ইয়াত ব্ৰাহ্মণ মানে চন্দ্ৰবিপ্ৰ ব্ৰাহ্মণ আৰু দৈৱজ্ঞ মানে সূৰ্য্যবিপ্ৰ ব্ৰাহ্মণ। (৪ পৃ ৩২ দ্ৰষ্টব্য)। স্বৰ্গদেউ শিৱসিংহৰ নিৰপেক্ষতা সুমহান আৰু অতুলনীয়। কৃষ্ণৰাম ডাঙৰ পণ্ডিত আছিল, তথাপিও দৈৱজ্ঞৰ ওচৰত হাৰি গল। তেতিয়া দৈৱজ্ঞৰ তেজ কম লোকেহে সহ্য কৰিব পাৰিছিল।

অসমীয়া সমাজত সাম্প্ৰদায়িক অশান্তি নাছিল। ভট্টাচাৰ্য্যৰ আগমনত সমাজৰ শান্তিত ডাঙৰ আঘাত পৰিল।

আগেয়েও সূৰ্য্যবিপ্ৰ আৰু চন্দ্ৰবিপ্ৰৰ মাজত অৰিয়া অৰি আছিল। দীপিকা ছন্দই কয়—

মোত হন্তে দৈৱজ্ঞবিপ্ৰসে শ্ৰেষ্ঠজানি।
সমান কৰিয়া থৈলা ব্ৰহ্ম বেদমণি॥

তথাপিও দুয়োৰে মাজত সদ্ভাৱ আছিল, সৌহাদ্য আছিল, পৰস্পৰে পৰস্পৰক শ্ৰদ্ধা কৰিছিল। ৰমানন্দ দ্বিজই শ্ৰীশ্ৰী গোপাল গুৰুক "পৰম ঈশ্বৰ বুলিয়েই বন্দনা কৰিছে (৫)।

ইংৰাজ আহিল। লগে লগে অনা-ইৰাজে পাব পৰা ৰাব বিলাক দৈৱজ্ঞই লবলৈ ধৰিল। প্ৰায় একে সময়তে পাটৰ্থন জিলাৰ পাচঁজন সদৰামীন দৈৱজ্ঞ ব্ৰাহ্মণ হৈছিল। EA, Dy, Collector আদি বিষয়বিলাক দৈৱজ্ঞই লৈছিল। সেই কাৰণে ঈৰ্ষ্যাৰ জুই আৰো জ্বলি উঠিল। সেইকালত প্ৰাচীন উচ্চ বংশৰ লোকৰ বাহিৰে আনে ইংৰাজৰ তলত চাকৰি নেপাইছিল। ইংৰাজৰ ওচৰত দৰ্খাস্ত পৰিল যে দৈৱজ্ঞ ব্ৰাহ্মণ সমান নহয়, ইংৰাজৰ তলত কাম পোৱাৰ যোগ্য নহয়।

"শ্ৰীকেম্বল সাহাব বিষৰ বেদনাত, ছুটিতে বিলাত যাব হেতু শ্ৰীহেন্ত্ৰু সাহেবেকে চাৰ্জ্জ দিয়ে। এবং দৈৱজ্ঞক হীন বুলি (বৰপেটাৰ) ৰেপৰ্ট নাকচ কৰি ব্ৰাহ্মণ দৈৱজ্ঞ সমান হোৱা, চীফ কমিচনাৰ পাশ ৰেপৰ্ট কৰে (৬)।"

অভিযোগ মিছা বুলি প্ৰমাণিত হ'ল। দৈৱজ্ঞ ব্ৰাহ্মণে আগৰ দৰেই ইংৰাজৰ চাকৰি বিষয়-বাব পাই থাকিবলৈ ধৰিল। এইকালতো তেওঁলোকৰ প্ৰভূত প্ৰতিপত্তি আছিল।

হিয়া পোৰা বিলাকে পুনৰ দৈৱজ্ঞক স্থানচ্যুত কৰিবলৈ চেষ্টা কৰিল। নিজ স্থান ৰক্ষা কৰিবলৈ দৈৱজ্ঞই চাৰিসত্ৰীয়া গোসাঁই ঈশ্বৰ সকলৰ মত লবলগীয়াত পৰিছিল। ঈশ্বৰ প্ৰভুসকল সত্যপ্ৰতিষ্ঠ আছিল, দৈৱজ্ঞ সকল সদ্ব্ৰাহ্মণ বুলিয়েই ঘোষণা কৰিছিল। কিন্তু দৈৱজ্ঞ ব্ৰাহ্মণ ১৭১৪ চনৰ পৰা আক্ৰান্ত হৈয়ে আছে। দৈৱজ্ঞক আক্ৰমণ কৰাৰ কাৰণ কি?

সংস্কৃতিত সূৰ্য্যৱিপ্ৰ আনতকৈ বেচি আগবঢ়া আছিল। আজি একো নাই। অথচ আক্ষেপ, 'আহোম স্বৰ্গদেউ, সকলৰ অনুগ্ৰহত দৈৱজ্ঞ বা গণকে সমাজত ওখ মৰ্য্যাদা লাভ কৰিছিল' ইয়াৰ গুৰিত ঈৰ্ষ্যা। আজি যদি সংখ্যা গৰিষ্ঠ হলহেতেন, দৈৱজ্ঞ ব্ৰাহ্মণৰ অৱস্থা সম্পূৰ্ণ বেলেগ হল হেঁতেন।

বৈদিক ব্ৰাহ্মণৰ সাধাৰণ উপাধি ভট্টাচাৰ্য্য। অসমতো বহুসংখ্যক বৈদিক ব্ৰাহ্মণ আছিল। কৃষ্ণৰামৰ কালতেই বৈদিক ব্ৰাহ্মণৰ বঙ্গদেশত কেনেকুৱা আছিল!

"বল্লাল সেনেৰ সৃষ্ট এই কুলীন ব্ৰহ্মণ সম্প্ৰদায় মুছলমান ৰাজাৰ অনুগ্ৰহ প্ৰাপ্তিৰ লোভে বৈদিক শ্ৰেণীৰ গোঁড়া ব্ৰাহ্মণদিগকে সমাজে অনাচৰণীয় কৰিয়া তুলিয় দিলেন (৮)।"

যি সময়ত কৃষ্ণৰাম অসমলৈ আহে, সেই সময়ত বৈদিক ব্ৰাহ্মণ বঙ্গদেশত "অনাচৰণীয়" আছিল। বঙ্গদেশৰ বৈদিক ব্ৰাহ্মণে কিমানখিনি ব্ৰাহ্মণত্ব ৰক্ষা কৰিছিল!

"কিছুমান বৈদিক ব্ৰাহ্মণৰ শূদ্ৰ শিষ্য আছে আৰু কিছুমান ইমান তললৈ নামিছে যে তেওঁলোক শূদ্ৰৰ আৰু ৰাজহুৱা মন্দিৰৰ পুৰোহিত হৈছে (৯)।"

ব্ৰাহ্মণে শূদ্ৰ শিষ্য ললে, শূদ্ৰৰ ঘৰত যজমানি কৰিলে, গ্ৰাম্যযাজক হলে, মন্দিৰৰ পুৰোহিত হলে পতিত হৈছিল।

আনহাতে বঙ্গদেশত যি গণক জাতিক কৃষ্ণৰামে হীন বুলি কৈছিল বঙ্গদেশত সেই গণক জাতিৰ সৈতেই বৈদিক ব্ৰাহ্মণৰ বৈৱাহিক আদান প্ৰদান চলিছিল। ডঃ প্ৰসন্ন কুমাৰ ভট্টাচাৰ্য্যৰ "চৈতন্য যুগেৰ পৰিস্থিতি ও ব্ৰাহ্মণ সম্প্ৰদায়" চালেই সবিশেষ জানিব পাৰিব। অসমত কৃষ্ণৰামে বৈদিক ব্ৰাহ্মণৰে সৈতে গোটপিত খাই দৈৱজ্ঞক হীন কৰিবলৈ বিচাৰিছিল কিন্তু প্ৰকৃততে বৈদিক ব্ৰাহ্মণ বঙ্গদেশত নিজেই "হেয়" আছিল। এইটো কথা কৃষ্ণৰামে গোপন কৰিছিল।

আনহাতে অসমৰ সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰৱিপ্ৰ আহিছিল উত্তৰা প্ৰদেশৰ পৰা। বঙ্গদেশৰ গণক আৰু বৈদিক ব্ৰাহ্মণৰ সৈতে তুলনা হব নোৱাৰে। অসমৰ আৰু বঙ্গদেশৰ সামাজিক অৱস্থা সম্পূৰ্ণ বেলেগ। অসমৰ বৈদিক ব্ৰাহ্মণ কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ দালীয়া হৈছিল আৰু কৃষ্ণৰামেত তেওঁলোকক প্ৰৰোচিত কৰিছিল দৈৱজ্ঞক খিলি থৈ এদনীয়া হৈ সকলোখিনি ভোগ কৰিবলৈ।

দেশ স্বাধীন হল, অসমতো এজন দুজনকৈ স্কলাৰৰ অভ্যুদয় হল। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই "অসমৰ লোক সংস্কৃতিত" দৈৱজ্ঞ বা গণকক ব্ৰহ্মণ বুলি কলে কিন্তু তেওঁৰ A Cultural History of Assam ত বৃহদ্ধৰ্ম উপপুৰাণৰ (চমুকৈ বৃ পু) এটা শ্লোকৰ দোহাই দি দৈৱজ্ঞক অব্ৰাহ্মণ শ্ৰেণী-ভুক্ত কৰিছে। তেনেকৈয়ে ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰীয়েও

তেওঁৰ History of Civilization of Assam ত এটা শ্লোকৰ দোহাই দি দৈৱজ্ঞক ব্ৰাহ্মণেতৰ শ্ৰেণীৰ লগত সাঙু-বিছে। এইখন পুৰাণৰ তিনিটা সংস্কৰণ আছে, প্ৰত্যেক সংস্কৰণৰ পাঠ বেলেগ। শ্লোকটোৰ পাঠ তিনিটা তলত দিয়া হল। প্ৰথম পাঠঃ—

শাকদ্বীপাৎ সুপৰ্ণেন চানীতোযশ্চ দেৱল ঃ।
অস্মাদ্ বৈ গণকো জাতে বৈশ্যায়াং বাদকোঽপৰঃ॥

শাকদ্বীপৰ পৰা গৰুড়ে দেৱলক লৈ আহিল, বৈশ্যাৰ গৰ্ভত গণক আৰু বাদকৰ জন্ম হল।

দুইজন স্কলাৰে শাকদ্বীপী পিতা আৰু বৈশ্যা মাতাৰ পৰা গণকৰ জন্ম হল বুলি কৈছে। দ্বিতীয় পাঠঃ—

শাকদ্বীপাৎ সুবাৰ্ণেন চানীতো যশ্চ দেৱলঃ।
শাকদ্বীপী দ্বিজঃ সোভূত্ বিখ্যাতো ধৰণীতলে।
তস্মাদ্ বৈ গণকো জাতো হোমপূজা পৰায়ণ ঃ॥

— শাকদ্বীপৰ পৰা গৰুড়ে যিজন দেৱলক লৈ আহিল তেওঁ পৃথিৱীত শাকদ্বীপী ব্ৰহ্মণ নামে জনাজাত হল। তেওঁৰ পৰাই হোম পূজা পৰয়েণ গণকৰ জন্ম হল। ৩ য় পাঠঃ—

শকদ্বীপাৎ সুপৰ্ণেনানীতো দ্বিজপুঙ্গৱ ঃ।
শাকদ্বীপী ৱিখ্যাতো জম্বুদ্বীপে ৱভূৱস ঃ॥
সচৰাজ্ঞা নিযুক্তো বৈ দৱতা পূজকোভৱৎ।
দেৱ জীৱাৎ স ধৰ্মাত্মা দেৱলত্বমুপাগত ঃ॥

=শাকদ্বীপৰ পৰা গৰুড়ে দ্বিজপুঙ্গৱক লৈ আহিল। তেওঁ জম্বুদ্বীপত শাকদ্বীপী নামে বিখ্যাত হল। তেওঁ ৰজাৰ

দ্বাৰা দেৱ পূজক নিযুক্ত হল। দেৱস্ব লৈ জীৱিকা চলোৱাৰ বাবে সেই ধৰ্মাত্মাই দেৱলত্ব পালে।

এই তিনিটাৰ কোনটো পাঠ শুদ্ধ? ১ ম পাঠৰ গণক আৰু বাদকৰ কি জাত? বৃপুখনে স্পষ্ট কৈ কোৱা নাই। প্ৰাচীন কালত এনে বৃত্তি নাছিল যি বৃত্তি ব্ৰাহ্মণে লোৱা নাছিল। প্ৰাচীন কালত গণক মাত্ৰেই ব্ৰাহ্মণ আছিল। বাদকো ব্ৰাহ্মন আছিল কিন্তু শ্ৰাদ্ধত নিমন্ত্ৰণাৰ্হ নাছিল (বৃদ্ধ গৌতম অঃ ১০)।

২ য় পাঠৰ মতে গণক হোম পূজা পৰায়ণ ব্ৰাহ্মন আছিল।

৩ য় পাঠে গণক আৰু বৈশ্যৰ উল্লেখেই কৰা নাই। এই পাঠে কৈছে যে দেৱস্ব গ্ৰহণ কৰি শাকদ্বীপী ব্ৰাহ্মণ দেৱল হৈ পৰিল। কিন্তু ভৱিষ্যৎ পুৰাণে কয়ঃ—

জম্বুদ্বীপৰ যিবিলাক ব্ৰাহ্মণে দেৱস্ব লৈ জীয়াই থাকে সেইবিলাক হে দেৱল আৰু তেওঁলোক সকলো কামতে বৰ্জ্জনীয়।

সেইকাৰণে তিনিওটা পাঠক জাল বুলি কব লাগিব

যদিও প্ৰাচীন কালত গণক মাত্ৰেই ব্ৰাহ্মণ আছিল, অসমৰ বাহিৰে ভাৰতৰ অন্যত্ৰ শূদ্ৰ গণকৰো আৱিৰ্ভাৱ হৈছিল। পৰাশৰ তন্ত্ৰই উপদেশ দিছেঃ—

গ্ৰহৱিপ্ৰ মুখাদ্ৰাজা শৃণুয়ান্নৱপঞ্জিকাম্।
হস্তে কৃত্বা ফলং পুষ্পং নশূদ্ৰগণকাস্যত ঃ॥

ৰজাই হাতত ফল আৰু পুষ্প ধাৰণ কৰি গ্ৰহৱিপ্ৰ মুখৰ পৰাহে নতুন পঞ্জিকা শুনিব, শূদ্ৰ গণকৰ পৰা নহয়।

বৃপুখন ১৪ শ শতিকাৰ পিচত ৰচনা কৰা হৈছিল বুলি

অনুমান কৰা হয়। এই পুৰাণে অসমৰ দৈৱজ্ঞ ব্ৰাহ্মণৰ বিষয়ে একো মত দিয়া নাই। খৃ পৃ ১০০০ বছৰ আগৰে পৰাই অসমত বাস কৰি থকা দৈৱজ্ঞ ব্ৰাহ্মণক এই উপপুৰাণৰ গণকৰ লগত সাঙোৰাটো স্কলাৰশ্বিপ নহয়।

ডাঙৰ ডাঙৰ স্কলাৰসকলে ঘোষণা কৰিবলৈ ধৰিছে যে বৰ্ণ-সঙ্কৰ বাদটো সম্পূৰ্ণ ভুৱা। ডঃ চাটাৰ্জ্জীয়ে কয়—

From the beginning of recorded history racial inter-mixture has proceeded apace leading to a prof und modification of any special race in its ancient and pristine form. There has been a wide spread racial mixture as anthropology has indicated.

= লিখিত বুৰঞ্জীৰ আৰম্ভণীৰ পৰাই প্ৰবল সংমিশ্ৰণ ঘটিছে, ফলতঃ জাতি বিশেষৰ প্ৰাচীন আৰু আদিম ৰূপৰ প্ৰভূত পৰিৱৰ্ত্তন ঘটিছে। নৃতত্ত্বই প্ৰমাণ কৰা মতে ব্যাপক ভাৱে সংমিশ্ৰণ ঘটিছে (৭ পৃ ১৪৬)।

কোনো এটা জাতি নাই যি পৱিত্ৰতাৰ দাবি কৰিব পাৰে। সৰ্বভাৰতীয় ক্ষেত্ৰত ব্ৰাহ্মণ হৈছে—"Product of a long period of continuous miscgenation", অৰ্থাৎ বহু কাল ধৰি চলি থকা সংমিশ্ৰণৰ ফলত ব্ৰাহ্মণ জাতিৰ উদ্ভৱ হৈছে। (১০ পৃ ১৬৯ প্ৰথম খণ্ড)।

ভৱিষ্য পুৰাণে কয়—

ব্যাসৰ জন্ম কৈৱৰ্ত্ত নাৰীৰ পৰা, পৰাশৰৰ শ্বপাকী (চণ্ডালিনী)ৰ পৰা, শুকৰ অনাৰ্য্য শুকীৰ পৰা, অনাৰ্য্য উলূকীৰ পৰা

কণাদ অনাৰ্য্য মৃগীৰ পৰা ঋষ্যশৃঙ্গ, বশিষ্ঠ বেশ্যাৰ পৰা, মুনিশ্ৰেষ্ঠ মন্দপাল অনাৰ্য্য নাৱিকাৰ পৰা, মাণ্ডৱ মুনিৰাজ অনাৰ্য্য মণ্ডুকীৰ পৰা জন্ম লাভ কৰিছে (৯।৪২)।

ডঃ দেৱদত্ত ভাণ্ডাৰকাৰ কৰে মন্তব্য কৰিছে এই সকল ঋষিগোত্ৰৰ বংশধৰ সকলৰ তেজত আজিও ব্ৰাহ্মণেতৰ জাতিৰ তেজ বৈ আছিছে। তেওঁ কয় সকলো জাতিয়েই ব্ৰাহ্মণ জাতি গঠণত বৰঙণি দিছে। (১১ পৃ ১০)

ভৃগু—আদিঘৰ আছিল থ্ৰেচিয়াত (Thracia), বৃজিস বা ব্ৰুজেস ট্ৰাইবৰ পৰা উদ্ভূত (১০) ইৰাণত অগ্নি পুৰোহিত আছিল। ভৃগুক্ষেত্ৰ বা কচ্ছলৈ আহি বসতি কৰেহি (১১)।

চ্যৱন—শৰ্য্যাতৰ জীয়েক সুকন্যাক বিয়া কৰে।

জমদগ্নি—পিতা ঋচিক, মাতা ক্ষত্ৰিয় ৰজা ৰেণু বা প্ৰসেনজিতৰ ছোৱালী ৰেণুকা। Lithuanian Zmud Teutonic Inguaeones= জমদগ্নি (১১।

শক্তি বা শক্ত্ৰি—বিয়া কৰিছিল চণ্ডালিনী অদৃশ্যন্তীক।

পৰাশৰ - শক্ত্ৰি, আৰু চণ্ডালিনী অদৃশ্যন্তীৰ পুত্ৰ (১০)।

কুণ্ডিন গণিকা গৰ্ভসম্ভূত বশিষ্ঠৰ পৰা নামিছে।

অঙ্গিৰা— পাৰ্শী নহলেও দ্ৰৱিড় আছিল (১০)।

বৃহস্পতি— অঙ্গিৰাৰ পুত্ৰ বুলি কোৱা হয়, বোধকৰো মিদিয়াৰ পৰা আহিছিল (১০)।

উতথ্য— এওঁৰ পত্নী মমতা উশিজ ট্ৰাইবৰ নাৰী আছিল (১১)।

দীৰ্ঘতমা— পিতা উতথ্য, মাতা উশিজ মমতা।

ভৰদ্বাজ—বৃহস্পতিয়ে অবৈধভাৱে উতথ্যৰ পত্নী উশিজ মমতাৰ সৈতে সংবাস কৰে। ফলতঃ ভৰদ্বাজৰ জন্ম হয়। মমতাই

অবৈধ সন্তান ভৰদ্বাজক পেলাই দিয়ে, মৰুৎসকলে ভৰদ্বাজক তুলিতালি লয় (১০)।

কক্ষীৱান্—এওঁৰ মাকো উশিজ তিৰুতা আছিল।

অগস্ত্য—মাক গণিকা উৰ্বশী, পিতা মিত্ৰাৱৰুণ (১০)।

কুশিক্—মাক গণিকা আছিল, শব্দটোৰ অৰ্থ যৌনপ্ৰেম (১০)

বিশ্বামিত্ৰ—বোধকৰো শূদ্ৰ আছিল, দস্যু জাতিৰ লগত সংশ্লিষ্ট আছিল, হীন জাতিৰ পুৰোহিত আছিল (১০)।

বামদেৱ- মাক অতি হীন কুলৰ তিৰোতা আছিল (১০)।

কণ্ব— বাধকৰো আদিম জাতিৰ পৰা জন্ম লৈছে (১০)।

বৎস—কণ্ব বংশীয়, দাসীপুত্ৰ আছিল।

এনেকৈ আঁতিগুৰি চালে দেখা যাব ভাৰতবৰ্ষৰ মুনি শ্ৰেষ্ঠসকল বৰ্ণসঙ্কৰ।

অসমত ব্ৰাহ্মণ সমাজত কি ঘটিছিল! ভট্টাচাৰ্য্য কয়—

The majority of the Brahmanas of Assam profess to be Vaidakas, though in fact they practise either the Tantric or the Visnuite cult. The inferior families among them appear to be of the Mongolian race, while even among their most aristocratic classes there appears to have been a copious admixture with the non-Aryan blood. (৯পৃ৪৫)।

= অসমত ব্ৰাহ্মণৰ অধিকাংশই বৈদিক বুলি কয় যদিও আচলতে তেওঁলোকে তান্ত্ৰিক বা বৈষ্ণৱ ধৰ্ম্ম পালন কৰে। তেওঁলোকৰ মাজত নিকৃষ্ট পৰিয়ালবিলাক মঙ্গলীয় জাতিৰ যেন দেখা যায়, আনকি আনহাতে অতি অভিজাত্য সম্পন্ন শ্ৰেণীৰ মাজতো অনাৰ্য্যৰ তেজৰ লগত সংমিশ্ৰণ ঘটিছে।

আনহাতে অন্যজাতিক হীন প্ৰতিপন্ন কৰিবলৈ, আনৰ ওপৰত শোষণ আৰু প্ৰভুত্ব ন্যায্য বুলি প্ৰমাণ কৰিবলৈ বহুত কিতাপ জাল কৰা হৈছে।

The full story of forged texts on Hinduism is yet to be written. The Purusha sukta is only the most conspicuous of a long list of fictitious texts purporting to be gennine. MaxMuller has shown how the brahmins mangled, mistranslated and misapplied the original word 'agre' to read 'agneh' in order to provide Rig-Vedic support for the burning of widows. As already stated the Epics were drastically overhauled, while the corruption of the Puranas and Dharmasatras continued till after the Mahammadan conquest. Dr. Ahmedkar refers to the well-known case in the time of the East India company where an entire smriti was concocted to support a particular law suit (১০পৃ৩৬৪)।

= হিন্দুধৰ্ম পুথি জাল কৰাৰ কাহিনী সম্পূৰ্ণভাৱে এতিয়াও লেখিবলগীয়া হৈ আছে। ……জাল পুথি খাটি বুলি চলাই যোৱা পুথিৰ দীঘল তালিকাৰ পুৰুষ সূক্ত এটি জ্বলন্ত উদাহৰণ

মাত্ৰ। মেক্স মুলাৰে দেখুৱাইছে কেনেকৈ বিধৱা জীয়াই জীয়াই পুৰি মৰাৰ সপক্ষে ঋগ্ বেদৰ মত আছে বুলি প্ৰমাণ কৰিবলৈ "অগ্ৰে" শব্দটো কাটি "অগ্নেঃ" বুলি চলাই দিলে। আগত কোৱা মতে ৰামায়ণ মহা ভাৰতৰ আমূল পৰিৱৰ্ত্তন কৰা হল। ডঃ আহমেদকৰে উল্লেখ কৰিছে কেনেকৈ ইষ্ট ইন্দিয়া কোম্পানীৰ দিনত এটা মোকৰ্দমাৰ সপক্ষে এখন জাল স্মৃতি লেখা হল।

চিৰকাল সংমিশ্ৰণ ঘটি আহিছে। সংমিশ্ৰণৰ ফলত এটা নতুন জাত উৎপন্ন হোৱা কথাটো সম্পূৰ্ণ ভুৱা। ভট্টাচাৰ্য্যই কৈছে—

The Buddhist texts and other evidence also leave no doubt that the so called mixed castes resulthd from organization, like guilds, of people following differnent arts and crafts. The general theory of marriaqe is puerile in the extreme and hardly deserves serious consideration. (১৩পৃ৫৪৪)।

= বৌদ্ধ সাহিত্য আৰু অন্যান্য প্ৰমাণে সংশয় ৰাখিবলৈ নিদিয়ে যে তথা কথিত সংমিশ্ৰিত জাতিবিলাক বেলেগ বেলেগ শিল্প আৰু কাৰিকৰী বৃত্তি অনুসৰণকাৰী লোকৰ সংঘ, গেল আদিৰ পৰা উত্তৰ হৈছে। সাধাৰণতে পোষণ কৰা মত যে অসৱৰ্ণ বিৱাহৰ ফলত বিভিন্ন জাতৰ সৃষ্টি হৈছে এইটো একান্তই লৰালি কথা আৰু মুঠেই প্ৰণিধানযোগ্য নহয়।

কোনো এটা জাত বা কুলত অন্যজাত বা কুলৰ মানুহ

আহি জাহ গৈছে। ইয়াৰ ফলত নতুন জাত বা কুলৰ সৃষ্টি হোৱা নাই। বহু জাত-কুলৰ মানুহ ব্ৰাহ্মণ সমাজত জীৰ্ণ হৈছে। কিন্তু এইটো সত্য নহয় যে সংমিশ্ৰণৰ ফলত ব্ৰাহ্মণ জাত বা কুলৰ জন্ম হৈছে। বেলেগ জাত বা কুলৰ সংমিশ্ৰণৰ ফলত গণকৰ জন্ম হৈছে বুলি কোৱা কোনো স্কলাৰৰ লেখনীত শোভা নেপায়।

ভাস্কৰাচাৰ্য্য, কেশৱাৰ্ক, গঙ্গাধৰ, নীলকণ্ঠ, বলভদ্ৰ কালি দাস, নৃসিংহ, ৰঙ্গনাথ, মহাদেৱ, শিৱ আদি প্ৰথিতযশাঃ জ্যোতিৰ্ৱিদসকল দৈৱজ্ঞ, গণক বুলিয়েই জন্মজাত আছিল। তেওঁলোকে নিজকে দৈৱজ্ঞ চূড়ামণি, দৈৱজ্ঞাগ্ৰণী, গণকোৎকৃষণ-ধাম বুলি গৌৰৱেৰে পৰিচয় দিছিল। নীলকণ্ঠ দৈৱজ্ঞ সম্ৰাট আকবৰৰ আৰু কৃষ্ণ দৈৱজ্ঞ সম্ৰাট জাহাঙ্গীৰৰ দৈৱজ্ঞ আছিল।

প্ৰাচীন ভাৰত বৰ্ষত সৌৰধৰ্মৰ সাধক ব্ৰাহ্মণৰ বাহিৰে আন কোনেও জ্যোতিষ সাধনা কৰিব নোৱাৰিছিল। ডঃ কানেইকয়—

Though ksatriyas and vaisyas also were entitled to have the upanayana performed, it appears that they often neglected it or atleast neglected the constant wearing of yajnopavita, so much so that from conparatively early times the yajnopavita came to be regarded as the peculiar indicator of the wearer's being of the brahmana caste. In the days of Venisamihara (not later than about 600 AD) the yajnopavita had become the peculiar indicator of the caste

of brahmanas only. (১৪পৃ২৯৬)।

=ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ উপনয়নৰ অধিকাৰ আছিল যদিও তেওঁলোকে উপনয়ন অৱহেলা কৰিছিল অথবা সকলো সময়তে যজ্ঞোপৱীত ধাৰণ নকৰিছিল ফলতঃ প্ৰাচীন কালতেই লগুণ, পিন্ধোতাজন ব্ৰাহ্মণ বুলি বিশেষ সূচক হৈ পাৰল।... বেণীসংহাৰ (৮০০ শতিকাৰ পিচৰ নহয়)ৰ দিনত লগুণ ব্ৰাহ্মণ জাতৰ বিশিষ্ট পৰিচায়ক হৈ গ'ল।

অসমতো আজিলৈকে সূৰ্য্যৱিপ্ৰ আৰু চন্দ্ৰৱিপ্ৰইহে লগুণ লৈ আছে আৰু গায়ত্ৰী মন্ত্ৰ গ্ৰহণ কৰিছে। চন্দ্ৰৱিপ্ৰই সূৰ্য্যৱিপ্ৰক "ওঁ ব্ৰাহ্মণায় নমঃ" বুলি বৰণ কৰি আহিছে। অন্য বৰ্ণই উত্তৰীয়হে লয়। শ্ৰীশ্ৰীশঙ্কৰদেৱেও উত্তৰীয়হে লৈছিল। সূৰ্য্যবৰ সোণামুৱা, অচ্যুতানন্দ দলৈ, অৰ্জ্জুন দলৈ আদি কেইবাগৰাকী দৈৱজ্ঞ ব্ৰাহ্মণক আহোম স্বৰ্গদেও সকলে সোণৰ লগুণ দি পুৰস্কৃত কৰিছিল। যদি এওঁলোকে ব্ৰাহ্মণ নহলহেঁতেন চন্দ্ৰৱিপ্ৰ সকলেই লগুণ দিয়াত আপত্তি কৰিলহেঁতেন।

আদিতে দৈৱজ্ঞ গণক শব্দ দুটা গুণ-কৰ্ম বাচক আছিল। দৈৱজ্ঞৰ একোটা সংঘ বা খেল আছিল আৰু শেহতীয়া কালতহে দৈৱজ্ঞ গণক ব্ৰাহ্মণৰ এটা জাত বা কুল হৈ পৰিল। এনেকুৱা উদাহৰণ বহুত আছে; যথা—অগ্নিহোত্ৰী, যোশী, উদীচ্য, দত্ত। উত্তৰ প্ৰদেশত জ্যোতিষী ব্ৰাহ্মণক যোশী বুলি কোৱা হয়, এওঁলোক উত্তম ব্ৰাহ্মণ (৯)। অসমৰ স্কলাৰে প্ৰমাণ কৰিব পাৰিবনে এওঁলোক ব্ৰাহ্মণ নহয়?

কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ অসম আগমনৰ পিচত পণ্ডিত লোকে

পণ্ডিত লোকে আৱিস্কাৰ কৰিছিল যে

ৱিপ্ৰশ্চ জ্যোতির্গণনাদ্ ৱেতনাদ্ চ নিৰন্তৰম্।
ৱেদাধ্যয়ন পৰিত্যক্তো বভূৱগনকো ভূৱি॥

=বিপ্ৰই বেদ অধ্যয়ন পৰিত্যাগ কৰি সকলো সময়তে জ্যোতিষ গণনা কৰি বেতন লৈ পৃথিৱীত গণক হৈ পৰিল। ৱেদাধ্যয়নৰ পাঠান্তৰ ৱেদধৰ্ম পোৱা যায়। এইটো ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ শ্লোক। বঙ্গ দেশত ১৬শ শতিকাত ৰচিত। বঙ্গদেশৰ পণ্ডিতে গণক বুলি পৰিচিত আচাৰ্য্য ব্ৰাহ্মণক ভাতে কাপোৰে মাৰিব নোৱাৰি এইটো জাল শ্লোক ৰচিল। যিজনে ৰচিছিল তেওঁ মহাপণ্ডিত আছিল। এই গ্ৰন্থৰ ৮ আৰু ৩৭ পৃষ্ঠাত কোৱা হৈছে শ্ৰুতাধ্যয়ন সম্পন্ন নহলে কোনো গণক বা দৈৱজ্ঞ হব নোৱাৰিছিল। গণকে দশ সংস্কাৰৰ শ্ৰাদ্ধৰ বাহিৰে আটাইবিলাক সংস্কাৰ কৰে আৰু গ্ৰহযজ্ঞ কৰে। গণকে বেদ মন্ত্ৰেৰেই নটা সংস্কাৰ আৰু গ্ৰহযজ্ঞ কৰি আহিছে। সুবল চন্দ্ৰ মিত্ৰৰ "বাঙ্গালা ভাষাৰ অভিধান" কয়—

গণক—বিংপুং, বাৰ তিথি নক্ষত্ৰানুসাৰে গ্ৰহগণেৰ গতি দ্বাৰা শুভাশুভ নিৰূপণকাৰী ব্ৰাহ্মণ বিশেষ। দৈৱজ্ঞ—বি, পুং, ব্ৰাহ্মণ বিশেষ।

আনহাতে হেমকোষে কয়ঃ গণক—জ্যোতিষ শাস্ত্ৰ জনা মানুহ, সেই শাস্ত্ৰৰ ব্যৱসায় কৰা এক জাতি। দৈৱজ্ঞ—দশা গণিব পাৰোতা গণক; এক জাতি।

চন্দ্ৰকান্ত অভিধানে কয় যেঃ গণক—জ্যোতিষৰ মতে মানুহৰ দৈব গণি দি ব্যৱসায় কৰা জাতি। দৈৱজ্ঞ—গণক,

২/গণক জাতিৰ মানুহ।

দুয়োখন অভিধানৰে কি মৌলিক পাণ্ডিত্য। এই গ্ৰন্থৰ পৃ ৪৪ চাব। Balfourৰ Cyclopaedia ই জানে যে দৈৱজ্ঞ জ্যোতিষী শ্ৰেণীৰ ব্ৰাহ্মণ অথচ অসমীয়া অভিধান দুখনে নেজানে।

গণকৰ জন্মৰ বিষয়ে বুধপুৰ তিনিটা সংস্কৰণৰ তিনিটা মত আৰু ব্ৰৈপুৰ দুটা সংস্কৰণৰ দুটা মত পোৱা গল। কোনটো মত সত্য? ভাৰতত গণক বুলি জাত এটা নাই। বঙ্গদেশৰ গণক আচাৰ্য্য ব্ৰাহ্মণ, কাছাৰৰ গণকো আচাৰ্য্য ব্ৰাহ্মণ। উৰিষ্যাৰ গণক আঙ্গিৰস ব্ৰাহ্মণ। অন্যত্ৰও যদি আছে দেখা যাব কোনোবা শ্ৰেণীৰ জ্যোতিষী। অসমীয়া সমাজতো গণক বুলি জাত নাই। মণিৰাম দেৱানে অসমীয়া জাত ১৯টা বুলি কৈছে (১৫), কিন্তু গণক বুলি কোনো জাত আছে বুলি কোৱা নাই। ১০০০ খৃ পূৰ পৰা গণক-দৈৱজ্ঞ অসমত বাস কৰি আহিছে। বোধকৰো ৬০০ শতিকাৰ লিপিয়েই প্ৰাচীনতম মত দৈৱজ্ঞৰ উল্লেখ পোৱা গৈছে। সূৰ্য্যৱিপ্ৰই কোনো কালে নিজকে চন্দ্ৰৱিপ্ৰ বুলি কোৱা নাই। যি সকল ব্ৰাহ্মণে সূৰ্য্য পৰম ব্ৰহ্মৰ উপাসনা আৰু জ্যোতিষ আৰু মন্ত্ৰ সাধনা কৰি সিদ্ধিলাভ কৰিছিল তেওঁলোক হে গণক দৈৱজ্ঞ সন্মান পোৱাৰ অধিকাৰী হৈছিল। এইটো সত্য জন সাধাৰণেও জানে আৰু সেইকাৰণে অচিনাকী ব্ৰাহ্মণ দেখিলে সোধে—"আপুনি কোন শ্ৰেণীৰ বিপ্ৰ?" ধৰ্মশাস্ত্ৰত দৈৱজ্ঞৰ উচ্চ প্ৰশংসা আছে। হৰগৌৰী সংৱাদ তন্ত্ৰই কয়—

দৈৱজ্ঞোত্তমঃ শ্ৰেষ্ঠোত্তমো ৱিপ্ৰ এৱচ।

শতৱিপ্ৰ সমাসেন দৈৱজ্ঞ এক উচ্যতে।
দ্বিজাদি সৰ্ব্বৰ্ণানাং দৈৱজ্ঞঃ পৰমো গুৰুঃ।
= দৈৱজ্ঞ উত্তম শ্ৰেষ্ঠোত্তম বিপ্ৰ।

এজন দৈৱজ্ঞ এশজনীয়া বামুণৰ সমাজৰ সমান।

ব্ৰাহ্মণ আদি সকলো বৰ্ণৰে দৈৱজ্ঞ পৰম গুৰু। ৰামচৰণ ঠাকুৰে কয়—

হেন সময়ত আসি ভৈলা তান জন্ম।
দৈৱজ্ঞ ব্ৰাহ্মণে নাম দিলেক কুসুম॥ ২৬২ (৫)।

গোটেই চৰিত পুথিখনক সন্টৰাক "দলৈ" বুলি সন্মানেৰে উল্লেখ কৰা হৈছে। কুসুমে সন্টৰা দলৈক কৈছে—

ইহাৰ বৃত্তান্ত গুৰু কোৱা তুমি।
কিছু তাৰ মহিমা নজানোহো আমি॥ ৩৯৫

ইয়াত "গুৰু" শব্দটো বিশেষকৈ মন কৰিব লগীয়া। হৰগৌৰী সম্বাদ তন্ত্ৰই ভাং খাই দৈৱজ্ঞ সকলো বৰ্ণৰে গুৰু বুলি কোৱা নাই। কথা গুৰু চৰিতে "সন্টৰা গৰ্গ" বুলি কৈছে। প্ৰাচীন সকলে ইমানেই দৈৱজ্ঞক শ্ৰদ্ধা কৰিছিল।

আমি বুজি নেপাওঁ পণ্ডিত সকলে আনকি মদাৰ্ন স্কলাৰ সকলে ৰাইজৰ আগত ভালখিনি ঢাঙ্গি নধৰি "বৰ damning কথা" বিচাৰি ফুৰে।

কৃষ্ণৰাম ভট্টাচাৰ্য্যই দৈৱজ্ঞ ব্ৰাহ্মণক হীন প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল এই এটা চেলুলৈ যে বঙ্গ দেশত গণক হীন জাতি। বঙ্গদেশৰ গণক বুলি পৰিচিত আচাৰ্য্য ব্ৰাহ্মন উৎকৃষ্ট ব্ৰাহ্মণ আছিল। তেওঁলোকে নিজকে শাকদ্বীপী বা মগ ব্ৰাহ্মণ বুলি কয়। বিষ্ণু পুৰাণে কয়, "মগাঃ ব্ৰাহ্মণ ভূয়িষ্ঠঃ"। শ্ৰীধৰ

স্বামীয়ে টীকাত কৈছে "পূৰ্ব্বোক্তেষু সৰ্ব্বেষু ব্ৰাহ্মণেষুমধ্যে শ্ৰেষ্ঠাঃ" আগতে উক্ত সকলো ব্ৰাহ্মণৰ ভিতৰত শ্ৰেষ্ঠ। মগ আৰু মৃগ একে। ১২শ শতিকাৰ ৰজা বল্লাল সেনে পদ্মিনী নামে এজনী নীচ কুলৰ ছোৱালী বিয়া কৰিছিল। এই বিয়াত আচাৰ্য্য ব্ৰাহ্মণে অনুমোদন দিয়া নাছিল। খঙত বল্লাল সেনে আচাৰ্য্য ব্ৰাহ্মণক হীন বুলি ঘোষণা কৰিলে। হাটনে কয়, বল্লাল সেনে ব্ৰাহ্মণৰ আগ পিছ স্থান বান্ধি দিছিল, বহুতক ওপৰলৈ তুলিছিল, বহুতক তললৈ নমাইছিল অন্যত্ৰও এইটো ঘটিছে ইয়াৰ ফলত হৈছে সাম্প্ৰদায়িক অশান্তি।

"বহুত হীন জাতে ব্ৰাহ্মণৰ উপস্থিতি সহ্য নকৰে। মালাবাৰৰ নিষাদ জাতি কুৰিচ্ছনৰ গাওঁ ব্ৰাহ্মণ সোমালে অশুচি হয়। সেই কাৰণে ব্ৰাহ্মণ যোৱাৰ পিচত তেওঁলোকে গাওঁ বিধিমতে শোধন কৰে। কোনো ব্ৰাহ্মণে যদি ঘটনা বশতঃ কানাৰী হোলেয়া জাতিৰ মানুহৰ ঘৰ সোমায়, হোলেয়া-বিলাকে সেই ব্ৰাহ্মণক নিদাৰুণভাৱে স্লিপাৰেৰে কোবায় আৰু মাৰে। ব্ৰাহ্মণ সোমালে পঞ্চম জাতিৰ ঘৰো চুৱা হয়, সেইকাৰণে পঞ্চম জাতিয়েও ব্ৰাহ্মণক মাৰে।

অতীজত পাৰোয়া বা হোলেয়া জাতিয়ে ব্ৰাহ্মণক প্ৰাণে মাৰিছিল। আজিকালি যেনিবা মৰিয়েই সন্তুষ্ট থাকে আৰু গোবৰেৰ গাওঁ মচি শুচি কৰে (১০ পৃ ২০৪ ১ ম খণ্ড)।"

ই ভি ৰামস্বামী নাই কাৰে ব্ৰাহ্মণৰ দুৰ্গ কুম্ভাকোনামৰ মাজেদি কাঞ্চীৰ শঙ্কৰাচাৰ্য্যৰ ছবি এখন জোতাৰ মালাৰে মণ্ডিত কৰি এটা সমদল পৰিচালনা কৰিছিল। যেতিয়া কোনো জাতিক হীন বুলি কোৱা হয়, এনেকুৱা প্ৰতিক্ৰিয়া অনিৱাৰ্য্য।

আনহাতে সৌৰধৰ্মই দেশৰ, সমাজৰ উন্নতিৰ কাৰণে প্ৰভূত অনুপম বৰঙণি দিছে। ভগৱান পাণিনি, চাণক্য, পতঞ্জলি আদি মনীষী সকল সৌৰধৰ্মৰ দান। পাণিনি আ-হিক বুলি বন্দিত হৈছিল। পতঞ্জলি শেষ নাগৰ পুত্ৰ, এওঁৰ মূৰৰ ওপৰত সৰ্পচ্ছত্ৰই শোভা দিছে। নাথে কয়— The universe is created out of the sound waves which spread out in rhythmic movement all over the universe in cycles. This spreading ont is Bhujaga (upward peak and down ward valley like the hand bent out at the elbow), Hvara (whirling), pridaka (writhing) and Sarpi'a (gliding) and yet they are all tied to the source of origin-with no-forward (Na-ag) characteristic. The whole uuiverse and every matter of the universe and the physical creation is controlled by by this Serpent power (১ ক পৃ ২৪)। সৃষ্টিৰ প্ৰসৱিত্ৰী সূৰ্য্য পত্নী দিৱ মহাভুজঙ্গিনী, মূলাধাৰ চক্ৰত সুপ্তা কুণ্ডলিনী শক্তিও ভুজঙ্গিনী। ভগৱান পাণিনি, মনীষী চাণক্য আৰু পতঞ্জলিও আছিল সৌৰধৰ্মৰ উপাসক সূৰ্য্য ব্ৰাহ্মণ। এওঁলোকৰ সৈতে একে ঘৰৰ পৰা ওলাইছে অসমৰ দৈৱজ্ঞ ব্ৰাহ্মণ। অসমৰ দৈৱজ্ঞ ব্ৰাহ্মণ বিশাল সৌৰধৰ্ম মহীৰুহৰ এটা শক্তিশালী ঠেঙুলি। আজিৰ জাতিভেদ আশাকৰোঁ এদিন লুপ্ত হব, তথাপিও কীৰ্ত্তনৰ ওৰেষা বৰ্ণনে মধুৰ উদাত্ত স্বৰে গাব—

"দৈৱজ্ঞ বিপ্ৰ প্ৰধান"।

গ্ৰন্থাৱলী :

১। R.M. Nath : Background of Assamese Culture.
(ক) A clue To The Indus Valley script
২। Dr. S.K. Bhuyan : Preface, Assam Buranji by Harkanta Barua Sadaramin
৩। ডঃ নেওগ সম্পাদিও গুৰু চৰিত
৪। হৰকান্ত বৰুৱা : আসাম বুৰঞ্জী
৫। ডঃ নেওগ সম্পাদিত শ্ৰীশ্ৰীবংশীগোপাল দেৱৰ চৰিত্ৰ
৬। কুমুদ চন্দ্ৰ বৰদলৈ সম্প্ৰাদিত হৰকান্ত বৰুৱা সদৰামীনৰ আত্মজীৱনী
৭। Vedic Age
৮। ডঃ প্ৰসন্ন কুমাৰ আচাৰ্য্য : চৈতন্য যুগেৰ পৰিস্থিতি ও ব্ৰাহ্মণ সম্প্ৰদায়
৯। S.N. Bhattaclarya : Hindu Castes And Sects
১০। Benjamin Walker ; Hindu World
১১। C. Chakrabarti : An Ethnic Interpretation of Pauranic Personages.
১২। D.D. Bhander kar ; Indian AntiqPary I9I1 P 10
১৩। The History And Culture of The Indian People Vol 11

সপ্তম ভাগ

(১৬)

সাহিত্যিক আৰু বুৰঞ্জীবিদ সকল (১)

সূৰ্য্যবিপ্ৰ সকলে সাহিত্য আৰু বুৰঞ্জীৰ যথাসাধ্য সেৱা কৰিছে। প্ৰাচীন সকলৰ অৱদানৰ বিষয়ে সবিশেষ জনা নেযায়। সকলো পুথিত আত্ম-পৰিচয় দিয়া নাই। ভিতৰুৱা সাক্ষ্যৰ পৰা বুজিব পাৰি কোন জন লেখক সূৰ্য্যবিপ্ৰ।

কালিকা পুৰণ—লেখক যে সূৰ্য্যবিপ্ৰ আছিল, পুৰাণখন পঢ়িলেই বুজা যায়। ইয়াত জ্যোতিষৰ ইমান কথা আছে যে জ্যোতিষীৰ বাহিৰে এইবিলাক আনে নেলেখেও আৰু বুজিও নেপায়। পুৰোহিতে জানিবলগীয়া বহুত কথা আছে কিন্তু যজ্ঞৰ বিধি নাই কিয়নো সূৰ্য্যবিপ্ৰই আদিতে সোমযাগ কৰিলেও, পিচলৈ গ্ৰহযজ্ঞৰ বাহিৰে অন্য যজ্ঞ ক্কাচিৎ কৰিছিল। এই পুৰাণৰ পূজাৰ প্ৰক্ৰিয়া তান্ত্ৰিক, আনকি বিষ্ণু পূজাৰো।

পীতাম্বৰ দ্বিজ—এওঁৰ উষা পৰিণয়বিখ্যাত। সম্পাদকে খগেন্দ্ৰবাহিনী, বড়াবড়ে, বিপ্ৰতুল্য আদিৰ অৰ্থ কি প্ৰশ্ন কৰিছে (১)। খগেন্দ্ৰবাহিনী = গৰুড়াৰূঢ়া সাৱিত্ৰী ; বড়াবড়ে = বাড়বাদ্ৰি, অগ্নিগড় ; বিপ্ৰতুল্য = মিত্ৰতুল্য, সূৰ্য্য বিপ্ৰ, মিত্ৰ।

মাধৱ কন্দলী

কন্দলী শব্দটোৰ অৰ্থ পতাকা। সূৰ্য্যৰ পতাকাখনৰ নাম ধৰ্ম, সেইকাৰণে সূৰ্য্যৰ সহস্ৰ নামৰ ভিতৰত এটা নাম ধৰ্ম কন্দলী। সত্যভামা = ভামা, দেৱদত্ত = দত্ত, মৃগহস্তিন্ = হস্তি। তেনেকৈয়ে ধৰ্ম কন্দলী = কন্দলী = সূৰ্য্য। মাধৱ কন্দলি বিপ্ৰ = মাধৱ সূৰ্য্যৰিপ্ৰ। মিত্ৰ, আদিত্য উপাধি এসময়ত বৰ জনপ্ৰিয় আছিল, যেনে, ঋগ্বেদ বা শাকল সংহিতা সম্পাদক দেৱমিত্ৰ, পুষ্যমিত্ৰ, বিক্ৰমাদিত্য, প্ৰতাপাদিত্য ইত্যাদি। তেজঃসম্পন্ন লোকক সূৰ্য্য বুলি সম্মানিত কৰা হয়, যথা "শ্ৰীশঙ্কৰ সূৰ্য্য"। সূৰ্য্যই আন্ধাৰ দূৰ কৰাৰ দৰে কন্দলীবিপ্ৰই ঘূৰি ফুৰি তৰ্ককৰি ভ্ৰান্তমত খণ্ডন কৰি শুদ্ধমতৰ পোহৰ বিলাইছিল। তাৰে পৰাই হল, "তৰ্কত কন্দলি"। কন্দলি, কন্দলী দুয়োটা বানান প্ৰচলিত।

"অপ্ৰমাদী" কৰি মাধৱ কন্দলী ৰজা মহামাণিক্যৰ সভা পণ্ডিত আছিল। তেওঁ যে সূৰ্য্যৰিপ্ৰ আছিল তেওঁৰ ৰামায়ণেই কয়। সূৰ্য্যৰিপ্ৰ সূৰ্য্যউপাসক আছিল যদিও প্ৰায় নৱম শতিকাৰ পৰা শিৱ, বিষ্ণু, ৰাম, দেৱী আদিক পূজা কৰিবলৈ ধৰে। কন্দলীয়ে "দুৰ্ব্বাদল শ্যাম, সৰ্ব্বগুণে অনুপম" ৰামক পূজা কৰিছিল। সূৰ্য্যই শ্যাম বৰণীয়া ৰাম। সূৰ্য্যৰ কান্তি, জ্যোতিষৰ কিৰনেৰে ৰামায়ণ পৰিপূৰ্ণ কৰিয়ে গ্ৰহ শব্দটো বহুবাৰ ব্যৱহাৰ কৰিছে বেলেগ বেলেগ অৰ্থত। প্ৰসন্ন লাল চৌধুৰীয়ে সম্পাদন কৰা ৰামায়ণৰ পৰা দুটামান উদাহৰণ তলত দিয়া হল।

গ্ৰহ—পৃ ১১৮, ১২০, ১৬৫, ১৬৬, ১৯৫ ইত্যাদি

শনৈশ্চৰ ক্ৰুৰ গ্ৰহৰ নামত
সৰ্ব্বস্ব সবে তেজয়।
আতি সামা চন্দ্ৰ গ্ৰহৰ নিমিত্তে
ফুলপাতো নেদিৱয়॥ পৃ ২১৪
বুধগ্ৰহ যেহেন পীড়িল ৰোহিণীক।
জ্যেষ্ঠাক মঙ্গলে যেন ৰাহুৱে শশীক॥ পৃ ৪১৯
ৰাহুৱে গ্ৰসিলে চন্দ্ৰ নক্ষত্ৰৰেৱতী। পৃ ১৭৪
ৰাহুৰ ভাৰ্য্যায় যেন ৰোহিণী ধাইল॥ পৃ ১৮৩

কৰিয়ে কৈছে—"মাধৱৰ লক্ষ্মী কিবা আদিত্যৰছায়া" পৃ ২০২। এই যোজনা অন্যত্ৰ বিৰল। সূৰ্য্যৰিপ্ৰৰ বাহিৰে সংজ্ঞা-ছায়া-মাৰ্ত্তণ্ডৰ কাহিনীৰ লগত অন্য কচিৎ পৰিচিত। কৰিয়ে অন্যত্ৰও এই যোজনা দিছে। পৃ ২০৮ দ্ৰষ্টব্য। কৰি সূৰ্য্যৰিপ্ৰ আছিল গুনেই লেখিছে—

মোৰ সিদ্ধি ভৈলসবে গুচিল দুৰ্গতি।
দশম এৰায়া একাদশ বৃহস্পতি॥ পৃ ১২১
জাজ্জল্য সমান দুই চক্ষু জ্বলে
মঙ্গল বুধৰ বৰ্ণ। পৃ ২৬৩

কৰিয়ে ৰাজযোগ, বিধৱা যোগৰ কথাও কৈছে—

সুলক্ষণী সীতাৰ বিধৱা নাহি যোগ। পৃ ৩২৩/নিষ্টৈনিষ্টে তোমাৰ উজ্জল ভৈসকুষ্টি। পৃ ৩২৫

এইখিনি গণকৰ গণকালি মাত্ৰ। সমগ্ৰ ভাৰতত এই খনেই প্ৰাচীনতম অনুবাদ, উচ্চপ্ৰশংসিত।

অনন্ত কন্দলী

ডঃ বাণীকান্ত কাকতিয়ে কয় "পুৰণি সাহিত্যত শঙ্কৰ দেৱ, মাধৱদেৱ, অনন্ত কন্দলি আৰু ৰাম সৰস্বতী এই কেইজনেই প্ৰথম থাপৰ কৱি" (২)। অনন্ত কন্দলী আৰু ৰাম সৰস্বতী সূৰ্য্যবিপ্ৰ।

বৌতাৰ দ্বিজবৰ সাগৰৰ দুই পুত্ৰ চন্দ্ৰ কন্দলী আৰু ৰত্ন কন্দলী। চন্দ্ৰকন্দলীৰ জীয়েক বনমালাক দিহিঙ্গা মধ্য গাৱঁৰ বাণী ঠাকুৰৰ পুত্ৰ ধ্বজ ঠাকুৰ বৌতালৈ উঠি আহি বিয়া কৰায়। এই দম্পতীৰ পুত্ৰ হৰিচৰণ অনন্ত কন্দলী নামে জনাজাত হয় (৩ পৃ ৪৯১)। সাগৰ কন্দলী হৰিহৰ আতাৰ চৰিত লেখক কৱিৰাজমিশ্ৰৰ পূৰ্বপুৰুষ আছিল। "সাগৰ কন্দলী আৰু খড়ি মিশ্ৰ নাম। কবি যে ভাৰতী আনো উপাধি উপাম॥ পাইলা হেন খ্যাতি মোৰ উপৰি পুৰুযে (৪)।

বৌতা নগৰ ধ্বংস হৈ যোৱাৰ পিচত ধ্বজ ঠাকুৰ হাজোলৈ উঠি আহে। হাজোৰ শিৱাই মণ্ডলে হৰিচৰণক চন্দ্ৰভাৰতী উপাধি দিয়ে (৩ পৃ ৪৯২)। তেওঁৰ কুমৰ হৰণ, সহস্ৰ নাম বৃত্তান্ত, শ্ৰীমদ্ভাগৱতৰ ভাঙ্গনি সমাদৃত। তেওঁ জ্যোতিষত পাৰ্গত আছিল (৫ পৃ ৪১)।

সাগৰ খৰি—জ্যোতিষত পাৰঙ্গত সূৰ্য্যবিপ্ৰক সাগৰ খড়িবা খৰি উপাধিৰে সন্মানিত কৰা হৈছিল। কোনোবা এগৰাকীয়ে কুৰ্ম্মাৱলী বধ, হৈম সুন্দৰী, অশ্বকৰ্ণ যুদ্ধ, অশ্ব নিদান আদি লেখিছে।

ৰাম সৰস্বতী

এই গৰাকী কৱিয়ে জীৱনৰ আগ ছোৱাত মহাৰাজ নৰনাৰায়ণৰ ৰাজসভা সুমণ্ডিত কৰে। নৰনাৰায়ণৰ মৃত্যুৰ পিচত কোচৰাজ্য দ্বিখণ্ড হয়। কৱিয়ে ৰঘুৰাইৰ, তেওঁৰ পিচত পৰীক্ষিত নাৰায়ণ আৰু শেষ জীৱনত বলী নাৰায়ণৰ ৰাজসভা অলংকৃত কৰে। ধৰ্ম্ম নাৰায়ণেই বলী নাৰয়ণ। দীনেশ্বৰ শৰ্ম্মাই কয়—"মঙ্গলদৈ মহকুমাৰ সৰাবাৰী মৌজাত বৰ্ত্তমান কতাহী বা কাতাহীৰ সৈতে প্ৰায় সংলগ্ন চমতীয়া নামৰ গাওঁ বৰ্ত্তমান। সেই চমতীয়া গাৱঁত ৰাম সৰস্বতীৰ জন্ম আছিল" (৬)। সাহিত্যৰত্ন হৰি নাৰায়ণ দত্ত বৰুৱা সম্পাদিত মহাভাৰতৰ অন্তৰ্গত মণিচন্দ্ৰ ঘোষ পৰ্ব্বত কৱিয়ে কৈছে—"শূদ্ৰকুলে জাত হুয়া শাস্ত্ৰক পঢ়লো।" এজন শূদ্ৰ কৱি ৰাম সৰস্বতী থকা অসম্ভৱ নহয় কিন্তু মণিচন্দ্ৰ ঘোষৰ কৱি ৰাম সৰস্বতী বিপ্ৰ আছিল কিয়নো কৱিয়ে নিজেই কৈছে, "পূৰ্ব্বত ৰচিলো পদ অতি অনুপাম......পাছে ঘোষ যাত্ৰা বন পৰ্ব্ব যাৰ নাম"। ডঃ নওগ সম্পাদিত গীত গোবিন্দৰ পাতনি দ্ৰষ্টব্য। প্ৰতিলিপিকাৰে ভুলতে "সূৰ্য্যকুলে"ৰ ঠাইত "শূদ্ৰ কুলে" লেখিছে। বঘাসুৰ বধ, কুলাচল বধ, জঙ্ঘাসুৰ বধ, অশ্বকৰ্ণ বধ, খটাসুৰ বধ, আদি বধ কাব্য ৰাম সৰস্বতীয়ে লেখিছে। মহাভাৰতৰ অধিকাংশ তেওঁ ভাঙ্গিছে, যজ্ঞপৰ্ব্ব, সিন্ধুযাত্ৰা পৰ্ব্ব আদি সৃষ্টি কৰিছে। তেওঁ যে সূৰ্য্যবিপ্ৰ আছিল তলৰ পদ কেইটাই প্ৰমাণ কৰে—

তাৰতে পূজোক সূৰ্য্যবিপ্ৰ আদিত্যক।
নাৰায়ণ সমে আসি আদিত্য প্ৰত্যেক। ২৫১৫

মহা বুদ্ধিমন্ত যে বিছুৰ যুৱৰাজ।
সূৰ্য্যৱিপ্ৰ সব আসি পাতিলা সমাজ॥
কালগ্ৰহ ৰূপ সূৰ্য্যৱিপ্ৰ নিৰন্তৰ।
আসম্বাক দিয়ো ধন ৰত্ন বহুতৰ॥ ২৬২১

সেইকালত সূৰ্যৱিপ্ৰ আৰু চন্দ্ৰৱিপ্ৰৰ মাজত যথেষ্ট সম্ভাৱ আছিল, তথাপিও লক্ষ্মীনাথ দ্বিজই নিন্দা কৰিছে "দৈৱজ্ঞ বৃত্তিক যিটো ধৰয় দুৰ্মতি" (শান্তি ১২:৪)।

নিজে সূৰ্য্যৱিপ্ৰ নোহোৱাহলে ৰাম সৰস্বতীয়ে, সূৰ্য্যৱিপ্ৰক লৈ সমাজ পতা আৰু সূৰ্য্যৱিপ্ৰক বহুত ধন ৰত্ন দিয়াৰ কথা নকলেহেঁতেন। এইজনা কৱিৰ শ্ৰীমন্ত শঙ্কৰ দেৱৰ প্ৰতি অশেষ ভক্তি আছিল—

শ্ৰীমন্ত্ৰ শঙ্কৰ আপুনি ঈশ্বৰ
নৰৰূপ জাত ভৈলা।
তাহাঙ্ক নসহি ব্ৰাহ্মণ সকলে
ৰাজা আগে খল দিলা॥ (কুলাচল বধ ১৮৪৪)।

কৱি নিজে হৰিহৰ বিপ্ৰৰ সেৱক আছিল। কৱিৰ ভীম চৰিত্ৰ অতি জনপ্ৰিয় জীৱনৰ খিয়লি বেলিকা গীত গোবিন্দ ভাঙ্গিছিল। এই পুথিত কৱিয়ে হৰিহৰৰ অধস্তন পুৰুষ মুকুন্দ দেৱক শ্ৰদ্ধা জনাইছে।

হৰিহৰ বিপ্ৰ—বাৰ ভূঞাৰ সভা পণ্ডিত ম'ৰাদলৈৰ বংশৰ হৰদত্তৰ পুত্ৰ আছিল হৰিবৰ, হৰিহৰ আৰু হৰিচৰণ। ৰজাই হৰিবৰৰ গণনা অব্যৰ্থ দেখি কেতিয়াবা শত্ৰুক ধৰাই দিব বুলি ভয় খালে আৰু চাওডাঙ্গক কাটিবলৈ হুকুম দিলে। ৰাতি তিনিও পলাল। হৰিবৰে মঙ্গলদৈৰ ব্যাঘ্ৰপিণ্ডা (বাঘৰ

বাৰী) ত নগৰ পাতিছিল। হৰিহৰে বভ্ৰুবাহনৰ যুদ্ধ আৰম্ভ কৰিছিল, শেহৰ অধ্যায় কেইটামান হৰিবৰে লেখি সম্পুৰ্ণ কৰে।

হৰিবৰ বিপ্ৰৰ- লৱ কুশৰ যুদ্ধ ডঃ নেওগৰ দ্বাৰা সুসম্পাদিত হৈ প্ৰকাশ পাইছে।

শ্ৰীশ্ৰী বংশী গোপাল দেৱ—ঘোষাৰত্ন, পৰধৰ্ম্ম নিৰূপণ, শঙ্খচূড় বধ, মহিষাসুৰ বধ লেখিছিল। ৰত্নাকৰ কন্দলী সম্পূৰ্ণ মদ্‌ভাগৱত পুৰাণ ভাঙ্গিছে। সম্বৎসৰ ভূঞা—হৰিহৰ আতাৰ বংশৰ, শিয়ালা গোসাঁই নামে প্ৰসিদ্ধ, স্মৃতি ৰত্নাকৰ লেখিছে।

অচ্যুতানন্দ সাগৰখৰি— কৱি সৰস্বতী উপাধি পাইছিল, ৰচিছে বালী সুগ্ৰীৱ, ব্যাসাশ্ৰম আদি।

সুৰ্য্যখৰি দৈৱজ্ঞ—আচল নাম বলদেৱ, তসমীয়াৰ কল্‌হণ দৰঙ্গ ৰাজবংশাবলী বিখ্যাত; অসমীয়া আৰু সংস্কৃত ভাষাত বহুত কিতাপ লেখিছিল, ৰাজমাৰ্ত্তণ্ডৰ ভাষা ৰচিছিল, সেই কালৰ সৰ্বশ্ৰেষ্ঠ সংস্কৃত পণ্ডিত আছিল। শ্ৰীধৰ কন্দলী মহাৰাজ নৰনাৰয়ণৰ ৰাজ জ্যোতিষী আছিল, ব্ৰহ্মগুপ্তৰ খণ্ডখাদ্যক ভাঙ্গিছে।

গোবিন্দ মিশ্ৰৰ—শ্ৰীমদ্ভাগৱতৰ ভাঙ্গনি শ্ৰীকৃষ্ণ গীতা পাণ্ডিত্য পূৰ্ণ, হৃদয়গ্ৰাহী। ইয়াত মুলত নথকা জ্যোতিষীক সংস্কৃতিৰ কথা বহুত আছে। ঘৰ আছিল কলাইগাৱঁৰ ডলাগণক বাৰীত।

গোপীনাথ দ্বিজ- ৰাম সৰস্বতীৰ পুত্ৰ, স্বৰ্গাৰোহণ পৰ্ব্ব আৰু দ্ৰোণ পৰ্ব্বৰ অধিকাংশ ভাঙ্গিছে।

দ্বিজ কলাপ চন্দ্ৰ—ৰাম সৰস্বতীৰ পুত্ৰ। ৰচনা, বাধা বিজয় কাব্য, ধ্ৰুৱ চৰিত ; ভাঙ্গে ভাগৱতৰ এঘাৰটা অধ্যায়। কণ্ঠভূষণ দৈৱজ্ঞ—গুৰু—চৰিত। বিদ্যাপঞ্চানন—কণ্ঠভূষণ দৈৱজ্ঞৰ— কনিষ্ঠ পুত্ৰ, লেখিছে "কুৰুক্ষেত্ৰৰ নৱম দিনৰ যুদ্ধৰ পৰা অম্বা চৰিত্ৰলৈকে," কৰ্ণ পৰ্ব্ব. পাতালী কাণ্ড ৰামায়ণ। কৱিৰাজ মিশ্ৰ—উপাধি কবিচন্দ্ৰ, শিয়ালা গোসাঁইৰ চৰিত আৰু হৰিহৰ আতাৰ চৰিত লেখিছে আৰু গদা পৰ্ব্ব ভাঙ্গিছে। দ্বিজ পৰশুৰাম – গুণমালা আৰু ধৰ্ম্ম পুৰাণ। শ্ৰীকান্ত সূৰ্য্যৱিপ্ৰ লঙ্কাকাণ্ড ভাঙ্গিছে। শিষ্ট ভট্টাচাৰ্য্য—শিশুপাল বধ ; "এওঁৰ ৰচনা যেনে সৰবৰহী তেনে অৰ্ব্বাচীন যেন লাগে।"

সুকবি নাৰায়ণ দেব

দৰঙ্গী ৰজাৰ ৰাজ কৰি আছিল, কৱিৰ ঘৰ আছিল মঙ্গলদৈৰ ব্যাসপাৰাত। পদ্মপুৰাণৰ অন্তৰ্গত বেহুলাৰ আখ্যান ভাঙ্গি সুমধুৰ সুৰে গাইছিল। "দুৰ্গাবৰতকৈও নাৰায়ণ দেৱৰ গীত সৰবৰহী আৰু ওজা পালিৰ অধিক প্ৰিয়।" 'সুকৱি নাৰায়ণ নিগদতি'ৰ পৰা তেওঁৰ পদ-গীত সমূহৰ নাম হয় "সুকনানি" আৰু পিচত সুকনান্নী, শুকনান্নী হয়। সুকবিৰ বেহুলাৰ সত্য, স্বৰ্গাৰোহণ খণ্ড, পৰীক্ষিৎ বধ মুদ্ৰিত হৈছে। বঙ্গালী সকলে সুকৱি বঙ্গালী আছিল বুলি দাবী কৰে আৰু কয় যে তেওঁ কায়স্থ আছিল। এই দাবীৰ ভিত্তি নাই। সুকৱিয়ে নিজেই কৈছে—"আমি ব্ৰাহ্মণ জাতি মুখ হন্তে উতপতি" (৭)। তেওঁৰ পদ্মাৱতীত জ্যোতিষিক সংস্কাৰ ব্যাপক ভাবে প্ৰকাশ পাইছে।

বিশ্বেশ্বৰ বৈদ্যাধিপ

দৰং ৰাজবংশাৱলীৰ শাৰীৰ আন এখন বিখ্যাত বুৰঞ্জী কাব্য বিশ্বেশ্বৰ বৈদ্যাধিপৰ বেলিমাৰৰ বুৰঞ্জী। "পদ্যত কল্পনাই সীমা পাৰ হৈ যায় কিন্তু আচৰিত কথা এজন অসমীয়া লেখকে পদ্যকে বাহন কৰি অতি কঠোৰ ভাবে ঐতিহাসিক সত্যৰক্ষা কৰিছে" (৮)। বিশ্বেশ্বৰৰ দেউতাক ভোলানাথ বৰ ভৰালী বৰুৱাও বুৰঞ্জীৱিদ আছিল।

হৰকান্ত বৰুৱা সদৰামীন

বহুত বুৰঞ্জী লেখিছিল, ঘৰ পোৰাত এখনৰ বাদে সকলো পুৰিল। ৰক্ষা পোৱাখন আসাম বুৰঞ্জী নাম দি ডঃ ভূঞাই সম্পাদন কৰিছে, DHAS প্ৰকাশ কৰিছে। এইখন উচ্চ থাপৰ বুৰঞ্জী।

মাধৱ চন্দ্ৰ বৰদলৈ

অক্লান্ত সাহিত্য সেৱক আছিল, প্ৰাচীন অসমীয়া সাহিত্য উদ্ধাৰ কৰাত আগভাগ লৈছিল। মাধৱ কন্দলিৰ ৰামায়ণ, পুৰুষোত্তম গজপতিৰ দীপিকা ছন্দ আদি সুসমপাদন কৰি প্ৰকাশ কৰিছিল। "মৌলিক কোনো গ্ৰন্থ নেলেখিলেও এই ৰামায়ণৰ বহুমূলীয়া পাতনি খনেই এওঁক অসমীয়া সাহিত্যত স্মৰণীয় কৰি ৰাখিব" (৯)। এই পাতনি খন কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া এম এ পাঠ্য ৰূপে নিৰ্ব্বাচিত হয়।

দ্বিজ কলাপ চন্দ্ৰ—ৰাম সৰস্বতীৰ পুত্ৰ। ৰচনা, ৰাধা বিজয় কাব্য, ধ্ৰুৱ চৰিত; ভাঙ্গে ভাগৱতৰ এঘাৰটা অধ্যায়। কণ্ঠভূষণ দৈৱজ্ঞ—গুৰু—চৰিত। বিদ্যাপঞ্চানন—কণ্ঠভূষণ দৈৱজ্ঞৰ— কনিষ্ঠ পুত্ৰ, লেখিছে "কুৰুক্ষেত্ৰৰ নৱম দিনৰ যুদ্ধৰ পৰা অম্বা চৰিত্ৰলৈকে," কৰ্ণ পৰ্ব্ব. পাতালী কাণ্ড ৰামায়ণ। কৱিৰাজ মিশ্ৰ—উপাধি কবিচন্দ্ৰ, শিয়ালা গোসাঁইৰ চৰিত আৰু হৰিহৰ আতাৰ চৰিত লেখিছে আৰু গদা পৰ্ব্ব ভাঙ্গিছে। দ্বিজ পৰশুৰাম – গুণমালা আৰু ধৰ্ম্ম পুৰাণ। শ্ৰীকান্ত সূৰ্য্যৱিপ্ৰ লঙ্কাকাণ্ড ভাঙ্গিছে। শিষ্ট ভট্টাচাৰ্য্য—শিশুপাল বধ; "এওঁৰ ৰচনা যেনে সৰবৰহী তেনে অৰ্ব্বাচীন যেন লাগে।"

সুকবি নাৰায়ণ দেব

দৰঙ্গী ৰজাৰ ৰাজ কৱি আছিল, কৱিৰ ঘৰ আছিল মঙ্গলদৈৰ ব্যাসপাৰাত। পদ্মপুৰাণৰ অন্তৰ্গত বেহুলাৰ আখ্যান ভাঙ্গি সুমধুৰ সুৰে গাইছিল। "দুৰ্গাবৰতকৈও নাৰায়ণ দেৱৰ গীত সৰবৰহী আৰু ওজা পালিৰ অধিক প্ৰিয়।" 'সুকৱি নাৰায়ণ নিগদতি'ৰ পৰা তেওঁৰ পদ-গীত সমূহৰ নাম হয় "সুকনানি" আৰু পিচত সুকনান্নী, শুকনান্নী হয়। সুকবিৰ বেহুলাৰ সত্য, স্বৰ্গাৰোহণ খণ্ড, পৰীক্ষিৎ বধ মুদ্ৰিত হৈছে। বঙ্গালী সকলে সুকৱি বঙ্গালী আছিল বুলি দাবী কৰে আৰু কয় যে তেওঁ কায়স্থ আছিল। এই দাবীৰ ভিত্তি নাই। সুকৱিয়ে নিজেই কৈছে—"আমি ব্ৰাহ্মণ জাতি মুখ হস্তে উতপতি" (৭)। তেওঁৰ পদ্মাৱতীত জ্যোতিষিক সংস্কাৰ ব্যাপক ভাবে প্ৰকাশ পাইছে।

বিশ্বেশ্বৰ বৈদ্যাধিপ

দৰং ৰাজবংশাৱলীৰ শাৰীৰ আন এখন বিখ্যাত বুৰঞ্জী কাব্য বিশ্বেশ্বৰ বৈদ্যাধিপৰ বেলিমাৰৰ বুৰঞ্জী। "পদ্যত কল্পনাই সীমা পাৰ হৈ যায় কিন্তু আচৰিত কথা এজন অসমীয়া লেখকে পদ্যকে বাহন কৰি অতি কঠোৰ ভাবে ঐতিহাসিক সত্যৰক্ষা কৰিছে" (৮)। বিশ্বেশ্বৰৰ দেউতাক ভোলানাথ বৰ ভৰালী বৰুৱাও বুৰঞ্জীৱিদ আছিল।

হৰকান্ত বৰুৱা সদৰামীন

বহুত বুৰঞ্জী লেখিছিল, ঘৰ পোৰাত এখনৰ বাহে সকলো পুৰিল। ৰক্ষা পোৱাখন আসাম বুৰঞ্জী নাম দি ডঃ ভূঞাই সম্পাদন কৰিছে, DHAS প্ৰকাশ কৰিছে। এই-খন উচ্চ খাপৰ বুৰঞ্জী।

মাধৱ চন্দ্ৰ বৰদলৈ

অক্লান্ত সাহিত্য সেৱক আছিল, প্ৰাচীন অসমীয়া সাহিত্য উদ্ধাৰ কৰাত আগভাগ লৈছিল। মাধৱ কন্দলিৰ ৰামায়ণ, পুৰুষোত্তম গজপতিৰ দীপিকা ছন্দ আদি সুসম্পাদন কৰি প্ৰকাশ কৰিছিল। "মৌলিক কোনো গ্ৰন্থ নেলে-খিলেও এই ৰামায়ণৰ বহুমূলীয়া পাতনি খনেই এওঁক অসমীয়া সাহিত্যত স্মৰণীয় কৰি ৰাখিব" (৯)। এই পাতনি খন কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া এম এ পাঠ্য ৰূপে নিৰ্ব্বাচিত হয়।

কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ

অসমৰ এইজনা মুকুট বিহীন ৰজাৰ অনীতা গেবিবল্দি, কৃষ্ণলীলা, গৃহলক্ষ্মী, কবিতা, তীৰ্থযাত্ৰী, হাতেম তাই, বিলাত যাত্ৰাৰ ডায়েৰী, দিল্লী এছেম্‌ব্লিৰ বক্তৃতা, শিৱসাগৰ ছাত্ৰ সন্মিলনৰ সভা পতিৰ ভাষণ প্ৰকাশিত হৈছে। তৰুণ কাঞ্চন, বিষাদ কাহিনী, দন্দুৰী দমন, প্ৰশান্ত আৰু ঈছপৰ সাধু প্ৰকাশিত হোৱা নাই।

দুৰ্গানাথ চাং কাকতি (১৮৭৯-১৯৫০)

ডিব্ৰুগড়ৰ বিশিষ্ট আইনজ্ঞ, অভিনেতা, নাট্যকাৰ, অসমীয়া সাহিত্য আৰু কৃষ্টিকলাৰ একনিষ্ঠ সেৱক। তেওঁৰ নাটক চন্দ্ৰহংসই সিদিনালৈকে নাটঘৰত অভিনীত হৈছিল। টাইমছ অব আসাম, অৰুণোদয় আদি কাকতত বহুত সময়োপযোগী প্ৰবন্ধ লেখিছিল। অসম এছছিয়েছ্যন মুকলি কৰিবলৈ তেওঁ লেখা "ভাৰত বৰ্ষৰ শীৰৰ মুকুট" গীতটিয়ে সকলোকে মুগ্ধ কৰিছিল। তেওঁ চিগাৰেট কোম্পানীয়ে পতা সৰ্বভাৰতীয় প্ৰতিযোগিতাত "Magnun" শব্দটোৰ আখৰেৰে "Man's ambition grows naturally upon man's success" বাক্যটো ৰচনা কৰি এহেজাৰ টকা পুৰস্কাৰ পাইছিল। কিছুদিন "আলোচনী" কাকতৰ সম্পাদনা; কৰিছিল। জৰ্জ স্কুলস্থাপন কৰোঁতা সকলৰ অন্যতম।

ৰজনী কান্ত বৰদলৈ (১৮৬৭-১৯৪০)

বৰদলৈ দেৱ "উপান্যাস সম্রাট" বুলিয়েই পূজিত। তেওঁক অসমৰ স্কট বুলিও কোৱা হয়। তেৱেঁই অসমীয়া উপান্যাসৰ ভেটি স্থাপন কৰিছে, কটকটীয়া কৰিছে আৰু যুগান্তৰ আনিছে।

তেওঁৰ প্ৰধান প্ৰধান উপন্যাসঃ—মিৰি জীয়ৰী, মনোমতী ৰঙ্গিলী, নিৰ্মল ভকত, ৰহদৈ লিগিৰী আৰু তাম্ৰেশ্বৰী মন্দিৰ। তেওঁৰ প্ৰত্যেকখন উপান্যাসতে অসমীয়া চৰিত্ৰৰ সৰলতা, ধৰ্মনিষ্ঠা, অমায়িকতা, আন্তৰিকতা, দেশ প্ৰেম পৰিষ্কাৰ কৈ ফুটি উঠিছে। তেওঁৰ নাৰীসকলৰ অন্তৰত আছে বিশেষকৈ পৱিত্ৰতা। তেওঁৰ মন আছিল উদাৰ সহানুভূতিশীল। সেই কাৰণে তেওঁৰ সাহিত্যৰ মাজেদি মানৱতাৰ প্ৰতি কোমল সহানুভূতিৰ সোঁত অহোৰহঃ বৈ আহিছে। বৰদলৈ দেৱৰ নিচিনা সত্যনিষ্ঠ মহামতি সাহিত্যিক বিৰল।

মাধৱ চন্দ্ৰ শৰ্ম্মা—আঠখন কিতাপ লেখিছে, প্ৰকাশিত, দেৱ মন্দিৰ, বীণাৰ তান, নৱযুগ, ভনীটিলৈ চেনেহ-চানেকী। কাশীনাথ শৰ্ম্মা সিদ্ধান্ত ৰত্ন—ব্ৰাহ্মণ সংহিতা। হৰিনাথ শৰ্ম্মা—ব্ৰাহ্মণ সাৰ। গোপীনাথ শৰ্ম্মা—দৈৱজ্ঞ ভাস্কৰ। আদ্যনাথ শৰ্ম্মা জ্যোতিষৰত্ন—জ্যোতিষ প্ৰদীপ, প্ৰাচীন, কামৰূপীয় ব্ৰাহ্মণৰ ইতিহাস আদি। বীৰেশ্বৰ বৰুৱা—বুঢ়াৰ বিয়া। হৰনাথ বৰুৱা—জীৱনী প্ৰবন্ধাদি লেখিছিল; মাধৱ চন্দ্ৰ বৰদলৈৰ জীৱনী থনে জীৱনী সংগ্ৰহত ঠাই পাইছে। ৰজনী কান্ত শৰ্ম্মা—বৈষ্ণৱ জীৱন। শৰৎ চন্দ্ৰ চাংকাকতি—সঙ্কট মোচন।

জগন্নাথ বৰদলৈ—ডিব্ৰুগড় সাহিত্য সভাৰ এজন প্ৰধান কৰ্মী আছিল। কেইবাখনো নাটক, ক্ৰুৰ, কৃষ্ণলীলা, কাদম্বৰী আদি লেখিছে। টঙ্কেশ্বৰ বৰুৱা—শঙ্কৰ তত্ত্ব। পবিত্ৰ প্ৰাণ চাংকাকতি—অসীমৰ বীণ, এগৰাকী সুগায়ক আছিল। শৰৎ কুমাৰী দেৱী—প্ৰবন্ধ, কৱিতা আদি লেখিছিল। এওঁৰ আলোচনীত প্ৰকাশিত "পাৰ্থিৱ আৰু অপাৰ্থিৱ জীৱন" নামৰ প্ৰবন্ধই আৰু কৱিতাৰাশিয়ে সকলোৰে অন্তৰত আধ্যাত্মিক আলোড়নৰ সৃষ্টি কৰিছিল। ভগীৰাম বৰুৱা—শকুন্তলা, অনুৱাদ।

গিৰীশচন্দ্ৰ বৰদলৈ—গান কৱিতা আদি লেখিছিল, এটি গান অতুল চন্দ্ৰ হাজৰিকা দেৱ সম্পাদিত "জাতীয় সঙ্গীত"ত প্ৰকাশিত হৈছে।

প্ৰাণেশ্বৰ শৰ্ম্মা—একনিষ্ঠ সাহিত্য সেৱক। "শৰ্ম্মাৰ সাহিত্যৰ ইমান অনুৰাগ আছিল যে সেই সময়ৰ আন আন আন সাহিত্য প্ৰিয় লোক সকলৰ দৰে নিজ হাতেৰেই কিতাপ পত্ৰ লেখি লৈ জ্ঞানৰ স্পৃহা পূৰ কৰিছিল।" শৰ্ম্মাৰ সাহিত্য-সঙ্গীত আদিৰ প্ৰদৰ্শনী এখন ১৯৫৫ চনত হৈছিল। অমৃত প্ৰিয়া দেৱী (১৮৮-১৯৫৫)—প্ৰাণেশ্বৰ শৰ্ম্মাৰ পৰিবাৰ। মহাত্মা গান্ধীৰ সংগঠন মূলক কাম কৰিছিল গান্ধীজীৰ জীৱন চৰিত ৰচনা কৰি গাইছিল, তেনেকৈয়ে নাম গুণ ৰচনা কৰি গাই সকলোকে তৃপ্তি দিছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ—বুদ্ধদেৱ, হজৰত মহম্মদ, গান্ধীজী, অনাসক্তি যোগ, তৰুণ ফুকন। ভুৱন চন্দ্ৰ গোস্বামী—তীৰ্থ মাহাত্ম্য, ভক্তি প্ৰভাৱলী।

যোগদা দেৱী বৰদলৈ—ঐকান্তিকতাৰে সাহিত্যৰ সেৱা কৰিছিল, ডিব্ৰুগড়ৰ পৰা কেইবাবাৰো প্ৰতিনিধি হিচাপে অসম সাহিত্য সভাত যোগ দিছিল, ডিব্ৰুগড়ৰ বাণী সম্মিলনীৰ সভানেত্ৰী আছিল, ডিব্ৰুগড় নাৰী মঙ্গল সমিতিৰ সম্পাদিকা আছিল, হৰিজনৰ মাজত শিক্ষা দিছিল, সমাজ সংস্কাৰৰ বাবে খাটিছিল, "বাতৰি" কাকতত সেই বিষয়ে তেজী প্ৰবন্ধ লেখিছিল, নাৰী মুক্তিৰ কাৰণে যত্ন কৰিছিল, ওজস্বিনী ভাষাৰে বক্তৃতা দি ৰাইজৰ মন মুহিছিল। সাহিত্যৰথী বেজবৰুৱাই লেখিছে—

কল্যাণীয়া শ্ৰীমতী যোগদা দেৱীয়ে যিটি বক্তৃতা অনৰ্গল দিলে, মই শুনি সচাঁকৈয়ে পুলকিত হৈ পৰিছিলোঁ আৰু মোৰ দেশৰ এজনা সম্ভ্ৰান্ত মহিলাৰ সেই বিষয়ত নৈপুণ্য দেখি নিজকে গৌৰৱান্বিত বোধ কৰিছিলো। (বেজবৰুৱা গ্ৰন্থাৱলী পৃ ১১৭)।

দ্ৰষ্টব্য—১। ডঃ সত্য নাথ শৰ্ম্মা : উষা পৰিণয়। ২। ডঃ কাকতি : পুৰণি অসমীয়া সাহিত্য। ৩। হৰি নাৰায়ণ দত্তবৰুৱা সম্পাদিত শ্ৰীমদ্ভাগৱত।৪। কৱিৰাজ মিশ্ৰ : হৰিহৰ আত চৰিত (অপ্ৰকাশিত)। ৫। লেখাৰ সম্পাদিত কথা গুৰু চৰিত। ৬। দীনেশ্বৰ শৰ্ম্মা : মঙ্গলদৈৰ বুৰঞ্জী। ৭। দৈব চন্দ্ৰ তালুকদাৰ সম্পাদিত শুকনান্নী ৮। ডঃ ভূঞা সম্পাদিত বেলিমাৰৰ বুৰঞ্জী ৯। ডিম্বেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ বুৰঞ্জী।

(১৭)

সাহিত্যিক আৰু বুৰঞ্জীৱিদ্ সকল (২)

শ্ৰীমতী নলিনীবালা দেৱী পদ্মশ্ৰী (১৮৯৮)

কৰ্ম্মবীৰ বৰদলৈৰ জ্যেষ্ঠা কন্যা, এই গৰাকী মহীয়সী স্বভাৱ কৱিৰ কৱিতাৰ সুৰভিয়ে অসমীয়া তথা ভাৰতীয় সাহিত্য সুৰস কৰিছে। এই গৰাকী কৱিয়ে জড় জগতৰ সিপাৰৰ অমুৰ্ত্ত চিন্ময়জনক স্পষ্টকৈ দেখা পাইছে আৰু অৰূপ চিন্ময়গৰাকীক মুৰ্তিমন্ত কৰি দাঙ্গি ধৰিছে। কৱি গৰাকীৰ প্ৰত্যিটো সুৰেই, সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, দেশ প্ৰেমৰ সুৰ, অলকানন্দাৰ সুৰ হৈছে অমৰৰ সুৰ, গাইছে অমৰৰ জয়গান। এতিয়ালৈকে প্ৰকাশ পাইছে—

সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগ দেৱতা জাগৃতি, বিশ্বদীপা, সৰ্দ্দাৰ বল্লভ ভাই পেটেল, স্মৃতি তীৰ্থ, অলকানন্দা, শান্তিপথ। সন্ধিয়াৰ সুৰৰ ইংৰাজী ভাঙ্গনিও ওলাইছে।

কৱি গৰাকী অসমৰ সকলো লৰা ছোৱালীৰ আইতা। "সদৌ অসম মইনা পাৰিজাত" সংগঠন কৰে; মইনাহঁতৰ কাৰণে শেব পূজা, পাৰিজাতৰ অভিষেক, প্ৰহলাদ আদি নাটিকা লেখি প্ৰকাশ কৰে। ১৯৫৪-৫৭ লৈ অসম ৰাজ্যিক

শিশু-মঙ্গল পৰিষদৰ সভাপতি আছিল। ১৯৪৭ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ আৰু ১৯৫৫ চনত অসম সাহিত্য সভাৰ সভাপতি হৈছিল।

১৯৫৬ চনত কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই কৱিগৰাকীক "কাৱ্য ভাৰতী" উপাধি দিয়ে। ১৯৫৭ চনত অসমৰ একমাত্ৰ প্ৰতিনিধি স্বৰূপে সদৌ ভাৰত কৱি সম্মিলনত যোগ দান কৰে আৰু এই বছৰতে কৱি গৰাকীক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে "পদ্মশ্ৰী" উপাধিৰে সন্মানিত কৰে। এইটো বিশেষ গৌৰৱৰ কথা যে ১৯৬৮ চনত অলকানন্দা নামৰ কৱিতাৰ কিতাপ খনিয়ে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ কিতাপ বুলি গৃহীত হৈ সাহিত্য একাদেমীৰ পৰা পুৰস্কাৰ লাভ কৰে। এই উপলক্ষে কৱি গৰাকীক গৌহাটী বিশ্ববিদ্যালয় সাহিত্য চৰা আৰু সংস্কৃত বিভাগে সম্বৰ্দ্ধনা জনায়।

হেম বৰুৱা

এগৰাকী মুখ্যতম ৰাজনীতিজ্ঞ নেতা। ১৯৪২ চনত গণ আন্দোলনত যোগ দি কাৰাবৰণ কৰে। ১৯৫৭ চনত লোক সভাৰ সদস্য নিৰ্বাচিত হয় আৰু ১৯৭০ চনলৈকে সদস্য হৈ থাকে। তেওঁৰ জ্ঞানৰ গভীৰতা, বাগ্মীতা, যুক্তি তৰ্কৰ তীক্ষ্ণতা, স্পষ্টবাদিতাই সকলোকে মুগ্ধ কৰে আৰু তেওঁ সকলোৰে শ্ৰদ্ধাবিশ্বাসভাজন হয়। পৃথিৱীৰ প্ৰধান প্ৰধান দেশ ভ্ৰমণ কৰিছে, সৰ্বত্ৰ বিপুল অভ্যৰ্থনা আৰু সমাদৰ পাইছে। সাহিত্যিক হিছাপে অসমীয়া সাহিত্যৰ এটি উজ্জ্বল ৰত্ন। তেওঁৰ প্ৰধান কিতাপ--

গণ বিপ্লৱত অসম, কিউপিদ আৰু ছাইকী, বালিচন্দা, এই গাওঁ এই গীত, মনময়ুৰী, আচুফুল, বহাগতে পাতি যাওঁ বিয়া, অসমীয়া সাহিত্য, লক্ষ্মীনাথ বেজবৰুৱা, সাগৰ দেখিছা, বঙ্গা কৰবীৰ ফুল, ইজৰাইল, মেকংনৈ দেখিলো, সাহিত্য আৰু সাহিত্য, আধুনিক সাহিত্য, স্মৃতিৰ পাপৰি। ইংৰাজী— August Revolution In Assam, Fairs And Festivals, Assanese Literature, The Red River And The Blue Hills.

বৰুৱাই ধুবুৰীত ৭,৮ আৰু ৯ এপ্ৰিল ১৯৭২ তাৰিখে বহা ৩৯ তম অসম সাহিত্য সভাৰ অধিবেশনৰ সভাপতিত্ব কৰে।

মুক্তি নাথ বৰদলৈ

অসমীয়া সাহিত্যৰ অন্য এটি উজ্জ্বল ৰত্ন। পূজ্যাস্পদ দেউতাক ৺ কীৰ্ত্তি নাথ বৰদলৈৰ লগত যুটীয়াকৈ লেখিছে— বাসন্তীৰ অভিষেক, লুইত কোৱঁৰ, সুৰবিজয়, মেযাৰালী।

নিজাকৈ লেখিছে, গীতিগ্ৰন্থ—গুঞ্জন, কুমকুম, ফুলচন্দন, আৰু আমি সীমান্তৰক্ষী; নাট—অৱলম্বন, শিশু গান্ধী, ভক্ত প্ৰহ্লাদ; সাধু—জোনাকী সাধু, অমাতৰ সাধু, তীৰ্থ যাত্ৰাৰ সাধু; কৱিতা—পাৰ্ব্বতী; অনান্য—সঙ্গীতৰ ধাৰা, মহা মহা চানেকিৰে, জনজাতীয় খেল ধেমালি, পুৰণিৰ পুৰণি কালত, আমাৰ ভাৰত, নেহৰু বাণী, সাইবাবাৰ কথা, দিব্যবাণী, ভগৱান সত্যসাই বাবা। বঙ্গালী ভাষাত—নেহৰু বাণী, পাৰ্ব্বতী। ইংৰাজী—Great Saints of India, Land of The Horn Bill And Myna, Our National Days, Our Festivals, Nehru's Message; Sai Lyrics, The Avatar Of Our Age ইয়াৰ উপৰিও অৰুণাচলৰ এঘাৰটা জন জাতীয় ভাষাত পাঠ্য পুথি লেখিছে। এইবিলাক অপ্ৰকাশিত হৈ আছে—অনাতাঁৰ নাট, নন্দন, আবু হাচান, ৰুক্মিণী আৰু জন্মাষ্টমী, স্মৃতি কথা, পৰ্ব্বতে পাষণ্ডে, সত্যসাই বাণী, সত্যসাই গাথা, Retrospect.

ৰমেশচন্দ্ৰ চাংকাকতি

চাংকাকতিয়ে ১৯৩৬ চনৰে পৰা সাহিত্য আৰু সাংবাদিকতাৰ সেৱা কৰিছে। Times of Assam, United Press of India, Associated Press of India, Amrit Bazar Patrika, Statesman, Forward, Liberty, National Herald, Hidustan Times, The Assam Review and Tea News, Indian Review, Socialist, অসমীয়া আদি বহু বাতৰি কাকত, বাতৰি প্ৰতিষ্ঠান, আলোচনী আদিত বাতৰি, প্ৰবন্ধ সমালোচনা আদি পৰিৱেশন কৰি আহিছে। অকল আসাম ট্ৰিবিউনত সহস্ৰাধিক বাতৰি পৰিৱেশন কৰিছে। জয়ন্তী, অসমীয়া আদিতো গল্প, প্ৰবন্ধ প্ৰকাশ পাইছিল। অসম বাতৰিত সাংবাদিক ভোগেশ্বৰ গগৈয়ে লেখা চাংকাকতিৰ চমু জীৱনী ওলাই গৈছে। চাংকাকতিয়ে সাতত্ৰিশ বছৰ কাল সাংবাদিকতাৰ সেৱা কৰিছে। ডিব্ৰুগড় জৰ্নেলিষ্ট এছছিয়েছনৰ সভাপতিৰ দায়িত্ব দক্ষতাৰে

পালন কৰিছে। লক্ষীমপুৰ জিলাৰ জৰ্নেলিষ্ট এছছিয়েছনে চাংকাকতিৰ ৬৭ বছৰ পূৰ্ণ হোৱাত মাৰ্ঘেৰিটাত অভিনন্দন জনায়। প্ৰকাশিত-নেতাজীৰ চমু জীৱনী, অসমৰ সূৰ্য্যবিপ্ৰৰ চমু ইতিহাস।

কুমুদ চন্দ্ৰ বৰদলৈ

গোটেই জীৱন শিক্ষকতাৰ লগতে সাহিত্য সেৱা কৰিছে। বৰদলৈদেৱৰ "সুস্থ সবল গাওঁখনি মোৰ" গ্ৰন্থখনে কেন্দ্ৰীয় চৰকাৰৰ পুৰস্কাৰ লাভ কৰিছে। অন্যান্য কিতাপ —বৰাগী, ভোলাবাপুৰ তিনি শিষ্য, পূজাৰ গল্প, সোণকণিৰ পৃথিৱীখন, দেশতকৈ মোমাই ডাঙৰ নহয়; বহু কষ্ট স্বীকাৰ কৰি হৰকান্ত বৰুৱা সদৰামীনৰ আত্মজীৱনীখন সম্পাদন কৰি প্ৰকাশ কৰিছে।

ডঃ নিৰ্ম্মল প্ৰভা বৰদলৈ পি এইচডি

সুগীতিকাৰ বৰদলৈৰ গানে বিপুল জনপ্ৰিয়তা লাভ কৰিছে। থলুৱা খেল ধেমালিৰ "চিন চিন চিলা বাগী চিল মিলা" কিতাপখনে ৰাষ্ট্ৰপতিৰ প্ৰথম পুৰস্কাৰ লাভ কৰিছে। "কৱিতাৰ প্ৰকৃতি" শীৰ্ষক থেচিচ (thesis) লেখি Ph.D পাইছে। সৰ্ব ভাৰতীয় লেখক সম্মিলনত এবাৰ ১৯৬০ চনত মাদ্ৰাজত আৰু দ্বিতীয়বাৰ ১৯৭১ চনত চিমলাত প্ৰতিনিধিত্ব কৰে অসম সাহিত্য সভা, সাহিত্য একাদেমী, সঙ্গীত নাটক একাডেমীআদি সৰ্ব ভাৰতীয় সাংস্কৃতিক অনুষ্ঠান বিলাকৰ লগত ঘনিষ্ঠ

ভাবে জড়িত। তেওঁৰ জনপ্ৰিয় কিতাপ সমূহ— উৰ্বশী, ভোগালী, বঙ্গালী, ৰঙা বন্ধু, পুতলা নাচ আদি নাটিকা, তীৰ্থ যাত্ৰী, বেউলা আদি অপেৰা, বিহাৰ্চেল, মানুহ, অসমৰ লোক সংস্কৃতি। খাছী ভাষাৰ ওপৰত মনোগ্ৰাফ লেখিছে।

অঃ হেমন্ত কুমাৰ শৰ্ম্মা— লেখিছে অসমীয়া সাহিত্যত দৃষ্টিপাত, অসমীয়া সাহিত্যৰ বেঙণি, কাবেৰীৰ পাৰে পাৰে, বীণাৰ ঝঙ্কাৰ। সম্পাদনা কৰিছে অসমৰ লোকগীত, সঞ্চয়ন, মাধৱদেৱৰ চোৰ ধৰা আৰু পিম্পৰা গুচোৱা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প, ৰজনী কান্ত বৰদলৈৰ প্ৰবন্ধমালা। যুটীয়া ভাবে সাহিত্য সমীক্ষা, চুটি গল্প আদি সংকলন কৰিছে।

নাৰায়ণ চন্দ্ৰ বেজবৰুৱা— কৱি, উপন্যাসিক, সুবক্তা। শক্তিশিঙা চৰকাৰে বাজেয়াপ্ত কৰিছে। শেষ দিগন্ত বিখ্যাত উপন্যাস। আটাইবোৰ কিতাপ প্ৰকাশিত হোৱা নাই।

পৱনাথ শৰ্ম্মা— লেখিছে ৰসাল চেঙ্গাতেল, পঞ্চৰঙ্গ, বিনোৱাজীৰ জীৱন কথা, ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ, আমাৰ ৰাষ্ট্ৰপতি।

নবীন চন্দ্ৰ বৰদলৈ— ডিব্ৰুগড়ৰ সঙ্গীত বিদ্যালয়ৰ প্ৰতিষ্ঠাতা (১৯৫৪), এই বিদ্যালয়ৰ আলোচনী পঞ্চশীল আৰু স্পন্দনৰ গুৰি ধৰিছে। লেখিছে মহাত্মাৰ বাণী, খহীদ তৰ্পণ, আহ্বান, সঁহাৰি আদি।

ৰমা বেজবৰুৱা— ৰেডিও নাট্যকাৰ, উপন্যাসিক। লেখিছে অধীৰ লগন, স্বপ্ন বৈজয়ন্তী আদি নতুন সুৰৰ উপন্যাস।

ত্ৰৈলোক্য নাথ শৰ্ম্মা— সুপৰিচিত লেখক। চয়নিকাৰ সম্পাদক আছিল, সদৌ অসম মইনা পাৰিজাতৰ সভাপতি, সদৌ অসম সাংবাদিক সন্থাৰ উপসভাপতি, যোৰহাট নাগৰিক সন্থাৰ সভাপতি, সভাপতি, ইন্দো-সভিয়েত কালচাৰেল এছছিয়েসান, শিবসাগৰ। লেখিছে বিবেকানন্দ, বিনোৱা আৰু ভূদান, গান্ধীবাদ, বিমলা চলিহাৰ জীৱন কাহিনী, আপোনাৰ লৰাই কি বিচাৰে।

অঃ প্ৰফুল্ল কুমাৰ বৰুৱা— উচ্চস্তৰৰ সাহিত্যিক। লেখিছে বুদ্ধ গয়া কিমান দূৰত, আশাৰ বালিচৰ, ডাৱৰ আৰু নাই, উপকূল, চাহিনি, নতুন দিগন্ত, আভা অমিতাভ, নাটক মন আৰু মঞ্চ, আমি বন্দী হলোঁ। সদৌ অসম নাট্য সন্মিলনীৰ সভাপতি।

কুমাৰ কিশোৰ— মনস্তাত্বিক বিশ্লেষণৰ জৰিয়তে নতুন অৱদান দিছে শিখাৰ কঁপনি, ছায়াপথ, কপিলী নীৰৱে কান্দে, শতাব্দীৰ স্বপ্ন, এমুঠি তৰাৰ জিলিমিলি, কিঙ্কিনীৰ কলঙ্ক আদি।

নৰেন্দ্ৰ দেৱ শাস্ত্ৰী— ব্যঙ্গ ৰচনাত অগ্ৰণী। জনপ্ৰিয়, বিদায়ৰ চকুলো, স্ফুলিঙ্গ, কটাক্ষ, বিদায়, বতুৱা ঘোৰাৰ দাঁত, মুক্তনাৰী, বাসৱদত্তা, ভগাবীণ আদি।

দ্বীপেন্দ্ৰ কুমাৰ শৰ্ম্মা— শিশু সাহিত্যিক সকলৰ এজন অগ্ৰণী। British Astrorcmical Societyৰ সভ্য। তেওঁৰ প্ৰধান কিতাপ বিজ্ঞানৰ বিস্ময় কাহিনী, অদৃশ্য জগতৰ অদ্ভুত দৃশ্য, জোনবাইৰ দেশলৈ অভিযান, মহাকাশচাৰী মানৱ, মৰণৰ পিছত, প্ৰাণামৃত, সফল উপায়, বিদ্ৰুত মহাসিন্ধু, দুৰন্ত আকাশত উৰন্ত অভিযান, উৰন্ত চাকিৰ দুৰন্ত বাতৰি, ভূতৰ ৰাজ্যত অদ্ভুত বাতৰি।

করুণাময় হৰিপদ দেৱ গোস্বামী— সমাজ সেৱক, জনজাতিৰ উন্নতিৰ কাৰণে অক্লান্ত পৰিশ্ৰম কৰিছে। লেখিছে প্ৰাচীন কোঁচৰ ইতিহাস, অনন্ত চিন্তা, অঞ্জলী, ব্ৰহ্মহিত সাধনী সভাৰ আচনি, সত্যপ্ৰাণ বাপুজী, ৰাজক্ৰীড়া, গুৰুদেৱ ধৰ্ম্ম প্ৰৱৰ্ত্তক, অঞ্জন, যুগাৱতাৰ।

ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈ— অসমীয়া সাহিত্যত নতুন অৱদান, চেতন আৰু অৱচেতন, যৌন জীৱন ; অনুবাদ, সমাজ সমীক্ষা, অনাচাৰ আৰু অপৰাধ।

যোগেন্দ্ৰ নাথ শৰ্ম্মা— সূৰুয উঠা দেশৰ পিনে কিতাপখনে শিশু সাহিত্য প্ৰতিযোগিতাত প্ৰথম বুলি স্বীকৃত হৈছে। অন্য জনপ্ৰিয় কিতাপ, সপোনৰ কুকভা, জল কুঁৱৰীৰ দেশত, এটি জোন জাক জাক তৰা।

প্ৰভাত চন্দ্ৰ শৰ্ম্মা— সুদক্ষ অভিনেতা, চিত্ৰ তাৰকা। লেখিছে ৰাজনটী, সীতা, আনাৰ কলি, উল্কা, দীপশিখা আদি।

দিনেশ্বৰ শৰ্ম্মা— মঙ্গলদৈৰ বুৰঞ্জী, এখন মূল্যৱান গ্ৰন্থ। গুৰুদত্ত ভাগৱতী— গুহক চণ্ডাল, নতুন প্ৰাণত বাজে প্ৰণয়ৰ সুৰ, সমাজ উন্নয়ন। অঃ ভৃগুমোহন গোস্বামী— আলোচনা। মনোজ কুমাৰ শৰ্ম্মা— পৰিণতি, বালিঘৰ, দেৱী। অমৰ বৰদলৈ— চিত্ৰ নাট্যকাৰ লেখিছে, কুন্তলা, লগ্ন। তপেশ্বৰ শৰ্ম্মা— হজৰত মহম্মদ। অনু বৰুৱা— জাপানী সাধু, দিল্লীৰ ভুথৰীয়া ছবি, সাগৰ দেখিলোঁ, সূৰ্য্যমুখী। কীৰ্ত্তি নাথ বৰদলৈ— লেনিন; অনুবাদ প্ৰথম ভাৰতীয় স্বাধীনতা যুদ্ধ। নগেন্দ্ৰ নাথ বৰুৱা— ডিমাছা ভাষা বিশেষজ্ঞ, লেখিছে ডিমাছা দেশৰ সাধু, ডিমাছা শিকো আহক। ৰমনী কান্ত শৰ্ম্মা— মৌৰ্য্য সাম্ৰাজ্য। নগেন্দ্ৰ নাথ শৰ্ম্মা— মূল শিল্প কটনা, টাকুৰীত সূতা কটা প্ৰণালী, প্ৰাৰ্থনা পাঠ। কৈলাশ চন্দ্ৰ শৰ্ম্মা— বিদ্ৰোহী নগাৰ হাতত। বাসুদেৱ শৰ্ম্মা বৰুৱা— শ্ৰীশানপাৰা দেৱালয়ৰ ইতিহাস। অখিল চন্দ্ৰ শৰ্ম্মা— অশ্ৰু অৰ্ঘ্য। কনক চন্দ্ৰ চাংকাকতি— কবিতা, গান আদি প্ৰকাশিত হোৱা নাই; এটি গান অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত জাতীয় সঙ্গীতত ঠাই পাইছে। শ্ৰীমতী ৰমা বাঈ দেৱী—সন্ধি। শ্ৰীমতী পূণ্য প্ৰভা দেৱী— চৰ্দ্দাৰ বল্লভ ভাই পেটেলৰ জীৱনী।

অঃ গোবিন্দ শৰ্ম্মাই— লেখিছে দূষিত সুবাস, কাচৰ দৰে হীৰাৰ দৰে, সম্পাদনা কৰিছে সত্যনাথ বৰাৰ

ৰচনাৱলী। ৰেডিও শিল্পী প্ৰতাপ শৰ্ম্মাৰ— প্ৰকাশিত অঙ্কুৰ, নিজৰাৰ কান্দন। শিৱ প্ৰসাদ চাংকাকতি— এঠেঙীয়া বগলী—

এই সকলেও সাহিত্যৰ সেৱা কৰিছে— নৱকান্ত বৰুৱা, মুকুট বৰদলৈ, ডঃ অতুল চন্দ্ৰ শৰ্ম্মা, অঃ শৰৎ চন্দ্ৰ শৰ্ম্মা, অঃ পুৰুষোত্তম ভট্টাচাৰ্য্য, শ্ৰীমতী হেমলতা চাংকাকতি, যোগেন্দ্ৰ নাথ বৰদলৈ।

বুদ্ধীন্দ্ৰ নাথ বৰদলৈয়ে— মৌলিক গৱেষণামূলক গ্ৰন্থ লেখিছে District Hand Book, Mikir And North Cachar Hills। অনন্ত কুমাৰ শৰ্ম্মা— অৰ্থনীতি।

ডঃ অখিল চন্দ্ৰ শৰ্ম্মা পি এইছ ডি— ৰসায়ন পৰিচয়, বায়ু মণ্ডল আৰু বিৰল গেছবোৰ আৰু ডঃ প্ৰসন্ন কুমাৰ শৰ্ম্মা পি এইছ ডিয়ে— সহজ কুকুৰা পালন আৰু পোহনীয়া জন্তুৰ বেমাৰ লেখি ছাত্ৰৰ প্ৰভৃত উপকাৰ কৰিছে।

(১৮) সঙ্গীত সাধনাত

সূৰ্য্য পূজাৰ প্ৰথম পুৱাত সূৰ্য্যক সামগানেৰে সোম ৰসেৰে আহুতি দি পূজা কৰা হৈছিল। সামগান গাওঁতা সকলক সামগাঃ, সাম গায়নাঃ বুলি কোৱা হৈছিল। প্ৰাগ্‌জ্যোতিষপুৰতো সাম গানেৰে সূৰ্য্য পূজা কৰা হৈছিল। সামগ সকলৰ খেল উঠি যোৱাত ব্যাস সকলে পূজাত

গান গাইছিল। অসমৰ বহু ঠাইত ব্যাস আছিল। কোচ ৰজা সকলৰ ব্যাস সকলৰ বিষয়ে মাত্র কিছু জনা যায়। সুকুমাৰ কলাপ্রিয় মহাৰজ নৰনাৰায়ণৰ ৰাজ সভাত বহুত সঙ্গীতজ্ঞ ব্যাস আছিল। দৰঙ্গী ৰজা সকলেও ব্যাস সকলৰ বিশেষ সমাদৰ কৰিছিল। ব্যাস সকলৰ যি সকল ৬৪ কলাত পাৰ্গত হৈছিল তেওঁলোকক ব্যাস কলানিধি উপাধি দিয়া হৈছিল, চমুকৈ ব্যাস কলাই। কামাখ্যা মন্দিৰৰ পূজাৰী আছিল ব্যাস কলাই, অৰ্থাৎ কলানিধি। মঙ্গলদৈৰ ব্যাস সকলে পুৰুষানুক্রমে সঙ্গীত চৰ্চ্চা কৰি আহিছে। আদিতে এওঁলোকে বৈদিক ৰাগ ৰাগিণী চৰ্চ্চা কৰিছিল, এই চৰ্চ্চা এতিয়াও লুপ্ত হোৱা নাই। আজিও এওঁলোকে দৰঙ্গী ৰজাৰ বংশধৰ সকলৰ দুৰ্গা পূজাত জাগৰ (উদ্‌বোধনী) গীত গায়। অন্য পূজাত মালচি গীত গায়। ব্যাসৰ ওজাই দুৰ্গা পূজাত হাতত এটি মুদ্রা লৈ স্তুতি আৰু উদ্‌বোধনী গীত গয়। এই মুদ্রা দেৱী বিগ্রহ স্বৰূপ। এই মুদ্রা অষ্ট ধাতুৰে তৈয়াৰী। দৰঙ্গী ৰজাই ব্যাস সকলক বহুত মাটি বাৰী দান কৰিছিল। ব্যাসসকলৰ বাসস্থান বুলিয়েই মঙ্গলদৈৰ এখন গাওঁৰ নাম ব্যাসপাৰা হৈছে। ব্যাসপাৰাই বহুত সঙ্গীতাচাৰ্য্যৰ জন্ম দিছে।

সৰ্ব্বানন্দ ব্যাস

বিশেষ প্রখ্যাত। দৰঙ্গী ৰজাই জেঠ মাহৰ প্রখৰ উত্তাপ

সহিব নোৱাৰি সৰ্ব্বানন্দক সুধিলে, "সঙ্গীতেৰে মোৰ গাটো শীতল কৰিব পাৰিব নে?" সৰ্ব্বানন্দই মেঘমল্লাৰ আৰম্ভ কৰিলে, লগে লগে বৰষুণ হল, ৰজাৰ শৰীৰ শীতল হল। ৰাগৰ শেষত বৰষুণ নোহোৱা হল। ৰজাই পৰম সন্তোষ পালে আৰু সৰ্ব্বানন্দক বহুত মাটি বাৰী দান কৰিল।

ব্যাস শব্দটোৰ অৰ্থ কি? ভবিষ্যৎ পুৰাণে কয়— "যি সকলে ব্ৰাহ্মণাদি সকলো বৰ্ণৰ মাজত গ্ৰন্থাৰ্থ বিশদ ভাৱে বুজাই দিয়ে তেওঁবিলাক ব্যাস, অন্য কওঁতা বক্তা মাত্র। যেনেকৈ পৃথিৱীত বেদৰ সমান নাই, তেনেকৈ পৃথিৱীত ব্যাসৰ সমান ব্ৰাহ্মণ নাই। এইটো বৈদিকী শ্ৰুতি যে ব্যাসৰ সমান শ্ৰেষ্ঠ কোনো নাই। সহস্ৰ বিপ্ৰৰ মাজত ব্যাসেই শ্ৰেষ্ঠ।" ব্যাসসকলে বৈদিক ৰাগ-ৰাগিণীৰ জৰিয়তে শাস্ত্ৰৰ গূঢ় অৰ্থ বুজাই দিছিল।

ৰয়বাহাদুৰ হৰ নাথ পৰ্ব্বতীয়া বৰুৱা— অসমীয়া সঙ্গীত প্ৰধানতঃ ভক্তি মূলক আছিল। পৰ্ব্বতীয়া বৰুৱাই ভক্তিমূলক নাম সঙ্গীত ৰচনা কৰাত বিশেষ উৎসাহ দিছিল। তেওঁৰ ঈশ্বৰত অচল অটল বিশ্বাস ৰাখিছিল। বহুত নাম পদ সংকলন কৰিছিল, এই বিলাক বৃন্দাৱনী নাম বুলি জনাজাত হৈছিল আৰু গোলাঘাটৰ কুমাৰ গাওঁ নামঘৰ আৰু যোৰহাটৰ কাকতি গাওঁৰ নাম ঘৰত গোৱা হৈছিল। শ্ৰদ্ধেয় ধৰ্ম্মেশ্বৰ শৰ্ম্মাই

জানিবলৈ দিছিল যে তেওঁ নিজেও ইমান হৃদয়গ্ৰাহীকৈ নাম পদ গাইছিল যে শ্ৰোতাসকল শুনি মুগ্ধ হৈছিল আৰু তেওঁৰ মনত পৰাৰ ভিতৰত এইটি গাই শুনাইছিল—

আজি কোন বনে যাবা
কোন বনে বজাবা বেণু
কোন বনে চৰাবা ধেনু॥

কীৰ্ত্তি নাথ বৰদলৈ (১৮৭৮-১৯৫২)

অসমীয়া সঙ্গীতক নৱজীৱন দিওঁতা সকলৰ অগ্ৰগণী বৰদলৈ দেৱে সুযোগ্য পুত্ৰ মুক্তিনাথ বৰদলৈৰ লগত যুটীয়াকৈ বাসন্তী অভিষেক, লুইত কোৱঁৰ, সুৰবিজয় আৰু মেঘৰালী এই চাৰিখন অভূতপুৰ্ব আৰু অতুলনীয় গীতি নাটিকা ৰচনা কৰি, বন গীত আৰু ন ন সুৰ সৃষ্টি কৰি অসমীয়া সঙ্গীত আকাশ "সঙ্গীৱিত" কৰি তোলে। হৰি নাৰায়ন দত্তবৰুৱা দেৱে কৈছে—"মৰ্ম্মে মৰ্ম্মে অসমৰ ঐতিহ্যৰ গৌৰৱ অনুভৱ কৰি কামৰূপীয় সঙ্গীত সম্পদৰ পুনৰুদ্ধাৰ আৰু প্ৰচাৰ কৰা দেশ প্ৰেমিক শিল্পী সকলৰ ভিতৰত তেখেত অগ্ৰগন্য আছিল। অসমৰ সঙ্গীতক ভাৰতীয় সঙ্গীতৰ লগত আসন দিয়াই আছিল বৰদলৈ দেৱৰ আজন্ম সাধনা"

দেহীৰাম পাটগিৰি, গোজৰ বৰদলৈ, উমাকান্ত মজিন্দাৰ বৰুৱা, দুৰ্ল্লভ চাংকাকতি গীত, পদ, নাম আদি গোৱাত বিখ্যাত আছিল।

যি কালত উজনি অসমৰ বুকুতেই অসমীয়া সঙ্গীতৰ স্থান নোহোৱা হৈছিল, সেই কালত এই সকল প্ৰাচ্যসঙ্গীত বিশাৰদে নিষ্ঠাৰে প্ৰাচ্যসঙ্গীত সাধনা কৰিছিল—গোপী নাথ বৰদলৈ, মুক্তাৰাম বৰদলৈ, বংশীধৰ মজিন্দাৰ বৰুৱা, বিশ্বনাথ শৰ্ম্মা, দীননাথ, শৰ্ম্মা দামোদৰ শৰ্ম্মা কাকতি হেমধৰ শৰ্ম্মা কাকতি, যুগল বৰদলৈ, চন্দ্ৰ চাং কাকতি, হৰকান্ত শৰ্ম্মা, প্ৰেমধৰ বৰুৱা, বিষ্ণু শৰ্ম্মা, জীৱেশ্বৰ চাংকাকতি, দোলেশ্বৰ চাং কাকতি। বিশেষকৈ পূৰ্ণানন্দ বেজবৰুৱা আৰু ৰত্নেশ্বৰ বৰুৱা অতি উচ্চস্তৰৰ সঙ্গীতজ্ঞ আছিল।

ডাঃ দেৱেন্দ্ৰ নাথ চাংকাকতি—আজীৱন সঙ্গীত সাধনা কৰি আহিছে; এতিয়া বুঢ়া কাললৈকে সেতাৰ বজাই, ভজন বৰগীত আদি গাই সকলোকে মুগ্ধ কৰিছে। ডাঃ চাং কাকতি দেৱে ১৯৩২ চনত সঙ্গীত উপক্ৰমণিকা ১ম খণ্ড আৰু ১৯৫৩ চনত ২য়া খণ্ড প্ৰকাশকৰে।

কেশৱ চন্দ্ৰ চাংকাকতি— অল ইন্দিয়া ৰেডিঅ'ৰ এগৰাকী সুদক্ষ বাদ্য বিশাৰদ, তবলাদাৰ। ডাঃ মহেশ্বৰ নেওগৰ লগত যুটীয়াকৈ দুখন অতি উচ্চাঙ্গৰ গৱেষণামুলক গ্ৰন্থ ৰচনা কৰিছে—(১) Rhythm in the vaishnava music of Assam. ১৯৬২ চনত মুদ্ৰিত, মাদ্ৰাছৰ ungloafor the music Academy vol I.xxx,III.

1962 Parts I—Iv 1926 পৃপৃ ২০৩—২০৬ত উচ্চ প্ৰশংসিত হৈছে। ২য়া খণ্ড যন্ত্ৰস্থ।

মুকুল বৰুৱা—১৯৪৮ চনৰে পৰা আকাশ বাণী চিলং গৌহাটী কেন্দ্ৰৰ যোগে অসমৰ থলুৱা আৰু পৰ্ব্বতীয়া সুৰৰ মূৰ্চ্ছনাৰে আৰু অসমীয়া সঙ্গীতত উচ্চাঙ্গ আৰু পাশ্চাত্য সুৰৰ সংমিশ্ৰণেৰে অসমীয়া প্ৰাণস্পৰ্শী কৰি তুলিছে। পাচঁ হেজাৰৰো অধিক গানৰ সুৰ দিছে, বহুত গীত ৰচনা কৰিছে। ১৯৬৩ চনত চীনা আক্ৰমণৰ সময়ত আকাশবাণীয়ে পতা প্ৰতিযোগিতাত ১৪ টা ভাষাৰ গানৰ ভিতৰৰ এওঁৰ গানে প্ৰথম স্থান অধিকাৰ কৰি গৌহাটী আকাশ-বাণী আৰু অসমৰ গৌৰব বঢ়ায়। তেওঁৰ Rhythm of life নামৰ উচ্চ স্তৰৰ প্ৰবন্ধই সমাদৰ পাইছে। তেওঁ গৌহাটী আকাশবাণীৰ বিশিষ্ট সঙ্গীত পৰিচালক।
আনুষ্ঠানিক ভাৱে সঙ্গীতৰ সাধনা কৰিছে, কামৰূপ সঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ সুদৰ বৰদলৈ আৰু শিৱসাগৰ সঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ অতুল চন্দ্ৰ শৰ্ম্মাই।

চাৰু বৰদলৈয়ে— উচ্চাঙ্গ শাস্ত্ৰীয় সঙ্গীত সাধনা কৰি লক্ষ্ণৌৰ ভাটখান্দে সঙ্গীত বিদ্যালয়ৰ পৰা নিপুণ Master of music) ডিগ্ৰী লাভ কৰিছে। হেমনাথ শৰ্ম্মা, গোপাল বৰদলৈয়ে প্ৰাচ্য সঙ্গীতৰ সেৱা কৰিছে।

সাবিত্ৰী বৰদলৈয়ে ১৯৩০ চনৰ পৰা অসমীয়া কণ্ঠ সঙ্গীত জনপ্ৰিয় কৰি তোলাত বিশেষ অংশ লৈছিল।

তেনেকৈয়ে ১৯৩০ চনত—১৯৪০ চনত ভিতৰৰ সূৰ্য্য বৰ-দলৈ আৰু তেওঁৰ পৰিবাৰ শ্ৰীমতী পূৰ্ণা প্ৰভা বৰদলৈয়ে অসমীয়া সঙ্গীত মুখৰিত কৰি তোলে।

নাৰায়ণ চন্দ্ৰ বেজবৰুৱা আৰু পুলিন চন্দ্ৰ চাং কাকতি বৰগীতৰ বিশেষজ্ঞ। মহানন্দ মজিন্দাৰ বৰুৱা, শান্তনা বৰুৱা, বীণা বৰদলৈ, মিহিৰ বৰদলৈ ৰেডিঅ' শিল্পী। উষাৰাণী বৰদলৈ উষাৰাণী দেৱী; প্ৰতিভা দেৱী, মৃণালিনী দেৱী, হেমাঙ্গিনী বৰদলৈ, তপন বৰদলৈ, সুৰেন বৰদলৈ প্ৰণৱ বৰদলৈ, সুগায়ক। গায়িকা ৰেণু বৰুৱা আৰু ৰঞ্জনা বৰদলৈ কথা ছবিত সুপৰিচিতা। সঞ্জীৱ বৰদলৈ এজন উঠি অহা শিল্পী।

ডাঃনিৰ্ম্মল প্ৰভা বৰদলৈ আৰু প্ৰশান্ত বৰদলৈয়ে ন ন গানৰ অৱদান দিছে।

উঠি অহা সকলৰ ভিতৰত শ্ৰীমতী বিভা বৰদলৈয়ে ১৯৭৩ চনত সদৌ অসম সঙ্গীত প্ৰতিযোগিতাত বেহেলাত প্ৰথম স্থান অধিকাৰ কৰে। একে প্ৰতিযোগিতাত "ক" শাখাত তবলাত দিলীপ চাং কাকতি আৰু দীপ্তি চাং কাকতি প্ৰথম হয়। এই প্ৰতিযোগিতাত নৃত্যত ছান্দা বৰদলৈ প্ৰথম হয়।

অসমীয়া ভাষাৰ যুঁজাৰু

মহেশ্বৰ বৰুৱা (১৮৪৩—১৯৩২)

বঙ্গালী বিষয়াসকলৰ ভুল বুজনিত বৃটিছ চৰকাৰে অসমৰ স্কুল বিলাকত বঙ্গালী ভাষা প্ৰচলন কৰে। বঙ্গালী ভাষাৰ পৰিৱৰ্ত্তে স্কুলত অসমীয়া ভাষা চলাবলৈ চৰকাৰক একে এষাৰ কথাৰে সন্মত কৰে মহেশ্বৰ বৰুৱাই। স্কুলত অসমীয়া চলোৱাৰ বিষয়ে শিক্ষা বিভাগৰ ডাইৰেক্টৰ ডঃ বুথ ডিব্ৰুগড়ৈল বাইজৰ মত লবলৈ আহিছিল। তেওঁ মহেশ্বৰ বৰুৱা শিক্ষকক সুধিলে— কিয় অসমীয়া ভাষা চলাব লাগে। বৰুৱাই সুধিলে— আপুনি কিমান ভাষা জানে? ডঃ বুথে মাতৃভাষা ইংৰাজীৰ উপৰিও ৫৬ধাটা ভাষা জানে বুলি কলে। বৰুৱাই পুনৰ সুধিলে— আপুনি কোন ভাষাৰ আশ্ৰয় লৈ মনৰ কথা ভাবে? ডঃ বুথ কিছুপৰ টলকা মাৰি ৰল, হঠাৎ আসনৰ পৰা উঠি নাচি নাচি কবলৈ ধৰিল—এৰা বৰুৱাদেউ, মই এতিয়া ভালকৈ বুজিছো অসমীয়াক অসমীয়া কিয় লাগে। ডঃ বুথে চিলং উভতি পায়েই অসমৰ সকলো স্কুলতে অসমীয়া ভাষা চলাবলৈ হুকুম দিলে।

মহেশ্বৰ বৰুৱা দেউতাক মোহন বৰুৱা সদৰামীনৰ নিচিনা সংস্কৃতজ্ঞ পণ্ডিত আছিল; লেটিন, গ্ৰীক, ইংৰাজী ভাষাত অভিধান লেখিছিল, দুৰ্ভাগ্যক্ৰমে এইখন কোনো-বাই চাবলৈ নিওঁতে হেৰাল। তেওঁ বহুকাল অসমীয়া বাতৰি কাকতৰ সম্পাদনা কৰিছিল।

স্বাধীনতাৰ যুদ্ধত—(১)

মালভোগ বৰুৱা

ডিব্ৰুগড়ৰ সুপ্ৰসিদ্ধ মুনসিফ কেশৰাম বৰুৱাৰ পুত্ৰ অসমীয়া চাহ খেতিয়কৰ অগ্ৰগণী, অশেষ পৰিশ্ৰম কৰি বৰজা ভেটা চাহ বাগান খোলে, লক্ষ্মীৰ কৃপালাভ কৰে আৰু সকলো ৰাজহুৱা অনুষ্ঠানৰ আগভাগ লয়। অসম এছছিয়েছ্যান শক্তিশালী কৰাত সহায় কৰিছিল, এই এছছিয়েছ্যানৰ ডিব্ৰুগড় অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হৈ অধিবেশন সাফল্যমণ্ডিত কৰি তুলিছিল, ৰাজনৈতিক আন্দোলনত সহায় কৰিছিল।

তেওঁক চৰকাৰে অনাৰেৰী মেজিষ্ট্ৰেট পাতিছিল। ৰজা সপ্তম এডৱাৰ্দৰ যেতিয়া দিল্লীত অভিষেক হয়, নিমন্ত্ৰীত হৈ অভিষেকৰ দৰবাৰলৈ গৈছিল। তেওঁ মুকলি-হাতে ৰাজহুৱা অনুষ্ঠানবোৰক সহায় কৰিছিল, ডিব্ৰুগড়ৰ আমোলাপট্টিৰ নাম ঘৰটো জুই লগাৰ পিচত টিনেৰে চোৱাই পকাকৈ সজাই দিছিল, দুখীয়াক উদাৰভাৱে দান কৰিছিল।

কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ

এই গৰাকী মহান নেতাই স্বাধীনতাৰ কাৰণে কিমান ত্যাগ কৰিছে, কিমান নিৰ্য্যাতন ভুগিছে সকলো-ৱেই জানে। নিজৰ ঘৰতেই প্ৰথম কংগ্ৰেছ অফিছ স্থাপন কৰি জীৱনৰ শেষ মূহুৰ্ত্তলৈকে স্বাধীনতাৰ সংগ্ৰাম চলাই যায়। অসম ব্যৱস্থাপক সভাত থকা কালত

অসমীয়া ভাষাৰ যুঁজাৰু

মহেশ্বৰ বৰুৱা (১৮৪৩—১৯৩২)

বঙ্গালী বিষয়াসকলৰ ভুল বুজনিত বৃটিছ চৰকাৰে অসমৰ স্কুল বিলাকত বঙ্গালী ভাষা প্ৰচলন কৰে। বঙ্গালী ভাষাৰ পৰিৱৰ্ত্তে স্কুলত অসমীয়া ভাষা চলাবলৈ চৰকাৰক একে এষাৰ কথাৰে সন্মত কৰে মহেশ্বৰ বৰুৱাই। স্কুলত অসমীয়া চলোৱাৰ বিষয়ে শিক্ষা বিভাগৰ ডাইৰেক্টৰ ডঃ বুথ ডিব্ৰুগড়ৈল ৰাইজৰ মত লবলৈ আহিছিল। তেওঁ মহেশ্বৰ বৰুৱা শিক্ষকক সুধিলে— কিয় অসমীয়া ভাষা চলাব লাগে। বৰুৱাই সুধিলে— আপুনি কিমান ভাষা জানে? ডঃ বুথে মাতৃভাষা ইংৰাজীৰ উপৰিও চৈধ্যটা ভাষা জানে বুলি কলে। বৰুৱাই পুনৰ সুধিলে— আপুনি কোন ভাষাৰ আশ্ৰয় লৈ মনৰ কথা ভাবে? ডঃ বুথ কিছুপৰ টলকা মাৰি ৰল, হঠাৎ আসনৰ পৰা উঠি নাচি নাচি কবলৈ ধৰিল—এৰা বৰুৱদেউ, মই এতিয়া ভালকৈ বুজিছো অসমীয়াক অসমীয়া কিয় লাগে। ডঃ বুথে চিলং উভতি পায়েই অসমৰ সকলো স্কুলতে অসমীয়া ভাষা চলাবলৈ হুকুম দিলে।

মহেশ্বৰ বৰুৱা দেউতাক মোহন বৰুৱা সদৰামীনৰ নিচিনা সংস্কৃতজ্ঞ পণ্ডিত আছিল; লেটিন, গ্ৰীক, ইংৰাজী ভাষাত অভিধান লেখিছিল, দুৰ্ভাগ্যক্ৰমে এইখন কোনো-বাই চাবলৈ নিওঁতে হেৰাল। তেওঁ বহুকাল অসমীয়া বাতৰি কাকতৰ সম্পাদনা কৰিছিল।

স্বাধীনতাৰ যুদ্ধত—(১)

মালভোগ বৰুৱা

ডিব্ৰুগড়ৰ সুপ্ৰসিদ্ধ মুনসিফ কেশৰাম বৰুৱাৰ পুত্ৰ অসমীয়া চাহ খেতিয়কৰ অগ্ৰগণী, অশেষ পৰিশ্ৰম কৰি ৰজা ভেটা চাহ বাগান খোলে, লক্ষ্মীৰ কৃপালাভ কৰে আৰু সকলো ৰাজহুৱা অনুষ্ঠানৰ আগভাগ লয়। অসম এছছিয়েছ্যন শক্তিশালী কৰাত সহায় কৰিছিল, এই এছছিয়েছ্যনৰ ডিব্ৰুগড় অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হৈ অধিবেশন সাফল্যমণ্ডিত কৰি তুলিছিল, ৰাজনৈতিক আন্দোলনত সহায় কৰিছিল।

তেওঁক চৰকাৰে অনাৰেৰী মেজিষ্ট্ৰেট পাতিছিল। ৰজা সপ্তম এডৱাৰ্দৰ যেতিয়া দিল্লীত অভিষেক হয়, নিমন্ত্ৰীত হৈ অভিষেকৰ দৰবাৰলৈ গৈছিল। তেওঁ মুকলি-হাতে ৰাজহুৱা অনুষ্ঠানবোৰক সহায় কৰিছিল, ডিব্ৰুগড়ৰ আমোলাপট্টিৰ নাম ঘৰটো জুই লগাৰ পিচত টিনেৰে চোৱাই পকাকৈ সজাই দিছিল, দুখীয়াক উদাৰভাৱে দান কৰিছিল।

কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ

এই গৰাকী মহান নেতাই স্বাধীনতাৰ কাৰণে কিমান ত্যাগ কৰিছে, কিমান নিৰ্য্যাতন ভুগিছে সকলো-ৱেই জানে। নিজৰ ঘৰতেই প্ৰথম কংগ্ৰেছ অফিছ স্থাপন কৰি জীৱনৰ শেষ মূহুৰ্ত্তলৈকে স্বাধীনতাৰ সংগ্ৰাম চলাই যায়। অসম ব্যাৱস্থাপক সভাত থকা কালত

দুবাৰ মন্ত্ৰীপদ যচা হয়, দুইবাৰেই বৰদলৈ দেৱে প্ৰত্যাখ্যান কৰে, ত্যাগৰ আদৰ্শৰ পৰা এখোজো পিচলৈ নগৈছিল। এই গৰাকী মহান নেতাক অসম তথা ভাৰতবৰ্ষই 'কৰ্ম্মবীৰ আৰু "অসমৰ মুকুট বিহীন ৰজা" বুলি শ্ৰদ্ধা জনাইছে। কৰ্ম্মবীৰৰ অকাল মৃত্যুত সকলোৱেই মৰ্মাহত হয় আৰু ৰাজকুমাৰী অমৃত কাউৰে কয়—

"বৰদলৈদেৱ অকল অসমৰ নাছিল। সমগ্ৰ হিন্দুস্থানৰ গৌৰৱৰ ধন আছিল। দেশৰ মঙ্গলৰ তেখেত ঈশ্বৰ প্ৰেৰিত দূত আছিল। তেখেত অকল অসমৰেই নহয়, সমগ্ৰ ভাৰতৰ মান্য আছিল। দেশৰ কাৰণে যুঁজ কৰাৰ পিচত ভগৱানে তেখেতক নিজ কোলালৈ জিৰণিৰ অৰ্থে মাতি নিলে। পৃথিৱীত এনে সমাজৰ সাহাৰ্য্যাৰ্থে যি সকল লোকৰ আৱশ্যক, ঈশ্বৰো তেনে লোকৰ প্ৰতি আগ্ৰহ। হিন্দুস্থানৰ মুক্তিৰ অৰ্থে আমাৰ কাৰ্য্য আৰু ত্যাগৰ প্ৰতি বৰদলৈজাৰ আত্মাই নজৰ ৰাখিব"।

প্ৰসন্ন কুমাৰ বৰুৱা (১৮৮৬-১৯৫৮)

এই গৰাকী সিংহপুৰুষ আৰু কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ একেলগে ১৯১৯ চনত বিলাতলৈ যায় আৰু অসমক নতুন শাসন ভুক্ত কৰি ১৯২১ চনত এখন বেলেগ

অসম প্ৰদেশ গঠন কৰাত সমৰ্থ হয়। বৰুৱাদেৱে বিলাতৰ অভিজ্ঞতা The Assam Delegation to the Joint Parliamentary Committee Presided By Lord Selbourne 1919 An Unrecorded Chapter In the Political Evolution of Assam (The Missing Link) নামৰ ১৯৫৫ চনত প্ৰকাশিত কিতাপত সুন্দৰ কৈ বৰ্ণনা কৰিছে। ১৯২০ চনত বৰুৱাদেৱে তেজপুৰত বহা অসম এছছিয়েচনৰ অধিবেশনৰ পৌৰোহিত্য কৰিছিল। ১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধী ডিব্ৰুগড়ত প্ৰথম পদাৰ্পণ কৰে আৰু বৰুৱাদেৱৰ আতিথ্য গ্ৰহণ কৰে। ১৯৩২ চনত মহাত্মাজী দ্বিতীয়বাৰ ডিব্ৰুগড়লৈ আহোতে বৰুৱাৰ ঘৰতেই আলহি উঠেহি।

বৰুৱা ১৯১৬ চনৰ পৰা ১৯৫৫ চনলৈ ডিব্ৰুগড় মিউনিচিপ্যালিটিৰ সদস্য আৰু ১৯৩২ৰ পৰা ১৯৩৪ চনত লৈ, পুনৰ ১৯৩৮ৰ পৰা ১৯৪৪ চনলৈ মিউনিচিপ্যালিটিৰ সভাপতি হৈ থাকে, এই কালছোৱাত ডিব্ৰুগড়ৰ বহুত উন্নতি হয়। ১৯২১ চনত বৰুৱাৰ যত্নতে ডিব্ৰুগড়ত টাউন কংগ্ৰেছ স্থাপন কৰা হয় আৰু বৰুৱা প্ৰথম সভাপতি হয়। ১৯৩৯ চনত গোপীনাথ বৰদলৈ মন্ত্ৰীসভা গঠন কৰাত বৰুৱাদেৱে সহায় কৰে, ইয়াৰ পিচত স্বাস্থ্য পৰিযোৱাত ৰাজনীতিৰ পৰা অৱসৰ লয়। বৰুৱাদেৱৰ ৰাজনৈতিক জীৱনৰ বৰঙণি যুগমীয়া হৈ থাকিব।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ

অসমৰ আন এগৰাকী সিংহপুৰুষ গোপীনাথ বৰদলৈয়ে অসমক গ্ৰুপিঙৰ গৰাহৰ পৰা ৰক্ষা কৰিল, নকৈ অসম গঢ়িল, অসমত বিশ্ববিদ্যালয়, হাইকৰ্ট, কৃষি কলেজ, মেডিকেল কলেজ, ভেটেৰিনাৰী কলেজ, আয়ুৰ্বেদ কলেজ, আদি স্থাপন কৰাত আগ ভাগ লৈছিল। লোকপ্ৰিয়ৰ অকাল মৃত্যু দেশৰ অপূৰণীয় ক্ষতি, শঙ্কৰচ উইকলীয়ে কয়—

"তেখেতৰ মৃত্যুৱে অসমক এজন অপ্ৰতিদ্বন্দী নেতাৰ পৰা বঞ্চিত কৰিলে। বৰদলৈয়ে অসমীয়া জাতিৰ জীৱন আৰু চিন্তাধাৰাৰ মাজত এনেদৰে নিজৰ অস্তিত্ব বিলাই দিছিল যে, তেখেতেই অসম আৰু অসমেই তেখেতৰ দৰে হৈছিল....বৰদলৈ দেৱৰ কংগ্ৰেছ নেতৃত্বই ১৯৭৩ চনৰ পৰা মৃত্যুৰ দিনলৈকে অসমক ৰক্ষা কৰি গল।

....অসমৰ যাৱতীয় সমস্যাবোৰৰ তেখেতে যোগ্যতাৰে সন্মুখীন হৈছিল আৰু তাৰ কাৰণে যি যোগ্যতা আৰু সাহস লাগে তেখেতৰ আছিল। ....নৱগঠিত যুক্ত ৰাষ্ট্ৰৰ এজন অগ্ৰগণী নেতা আছিল আৰু তেখেতৰ স্মৃতি মাৰ্ব্বল পাথৰৰ প্ৰতিমূৰ্ত্তিৰ দৰে যুগমীয়া হৈ থাকিব"।

শম্ভুনাথ গোস্বামী—আল্লিবাৰী সত্ৰৰ সত্ৰাধিকাৰ আছিল। ১৯২১ চনত অসহযোগ আন্দোলনত জপিয়াই পৰে আৰু সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

নৱকুমাৰ বৰুৱা— (১৮৮৬—১৯৬৪)—১৯২১ চনৰ অসহ যোগ আন্দোলনত নামি তিনি বাৰে ন মাহ জেইল খাইছিল।

দেৱকুমাৰ বৰুৱায়ো— ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি জেইল খায়।

জগন্নাথ বৰদলৈ—১৯২১ চনৰ অসহযোগ আন্দোলত যোগ দি সংগঠন মূলক কামত লাগে, হৰিজন বস্তিত স্কুল পাতি নিজে শিক্ষা দিয়ে, অস্পৃশ্যতা দূৰ কৰাত আপ্ৰাণ চেষ্টা কৰে।

ডাঃ শশীধৰ মজিন্দাৰ বৰুৱা— খ্যাত নামা খেলুৱৈ। পশু চিকিৎসকৰ কাম ইস্তফা দিয়ে, ১৯২১ চনত অসহযোগ যোগ আন্দোলনত নামে, ফাটেক খায়।

গুণ নাথ শৰ্ম্মা—বিশিষ্ট ব্যৱসায়ী আছিল, ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। জেইল খায়।

লোকেশ্বৰ চাংকাকতি—১৯২১ চনত অসহযোগ আন্দোলনত এৰো জেইল খায়।

আনন্দ ৰাম বৰদলৈ— চাকৰি এৰি ১৯২১ চনৰ অসহযোগ আন্দোলনত নামে; খাদি জনপ্ৰিয় কৰে। নানা খেলত সোণৰ পদক পাইছিল। বিখ্যাত হোমিওপ্যাথিক চিকিৎসক আছিল।

শ্ৰীমতী ধৰ্ম্মদা দেৱী—১৯২১ চনৰ অসহযোগ আন্দোলনত নামি মহিলা সংগঠন কৰে। জীৱন ধৰ্ম্ম কাম কৰি কটাইছে; অশ্বক্ৰান্ত আৰু নৱগ্ৰহত ধৰমশালা সাজি দিছে।

দণ্ডেশ্বৰ শৰ্ম্মা— ১৯২১ চনত অসহযোগ আন্দোলনৰ এজন আগৰণুৱা।

পদ্মকান্ত ভাগৱতী— এগৰাকী সাধক আছিল। ১৯২১ চনৰ পৰা ১৯৫২ চনলৈ ৰাজনৈতিক কৰ্মী ৰূপে নীৰৱে দেশৰ সেৱা কৰিছে।

ভুৱন চন্দ্ৰ গোস্বামী—(১৮৭৪—১৯৬৪)—ভৱদেৱ সত্ৰৰ অধিকাৰ আছিল। ১৯৩০ চনৰ আন্দোলন আৰু ১৯৪২ ৰ গণ আন্দোলনত মঙ্গলদৈ এলেকাৰ নেতৃত্ব কৰিছিল।

গিৰীশচন্দ্ৰ শৰ্ম্মা জ্যোতিস্তীৰ্থ সামুদ্ৰিক ৰত্ন—জ্যোতিষী পণ্ডিত, ১৯২১ চনৰ আন্দোলনত ফাটেক খায়।

সুৰেন্দ্ৰ প্ৰসাদ বৰুৱা—স্কুলত পঢ়ি থাকোঁতেই ১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়ে, জেইল খায়, মৃত্যুয়ে সম্ভৱনা পূৰ্ণ জীৱন এটি শেষ কৰে।

কমলা কান্ত বৰদলৈ—পুলিচৰ দাৰোগা আছিল। ১৯২১ চনত চাকৰি এৰি অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনত গণ আন্দোলনত যোগদি ছমাহ জেইল খায়।

নিত্যানন্দ বৰদলৈ—১৯০৪—১৯৭৩)—১৯২১ চনৰ অসহযোগ আন্দোলনত জাপদি পৰি এবছৰ কাৰাবাস খাটে, নীৰৱে দেশৰ সেৱা কৰি থাকে। চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু দুশ টকীয়া পেমস্যান্ এটি লাভ কৰি ত্যাগৰ স্বীকৃতি পাইছে।

[২১]

স্বাধীনতাৰ যুদ্ধত - ২

দীনেশ্বৰ শৰ্ম্মা

একনিষ্ঠ দেশসেৱক, ১৯২০-২১, ১৯৩০ আৰু ১৯৪২ চনত জেল খাইছে। ১৯৪৬ চনত মঙ্গলদৈৰ প্ৰতিৰক্ষা সমিতিৰ সভাপতি, ১৯৪৯ চনত মঙ্গলদৈ জিলা কংগ্ৰেছৰ সভাপতি। অসম চৰকাৰে ৰাজনৈতিক পেন্সন দি ত্যাগৰ স্বীকৃতি দিছে। স্বাধীনতা ৰূপালী জয়ন্তীত ১১০০ মুক্তি যুঁজাৰুৰ ভিতৰত গণতন্ত্ৰ দিনত (২৬ জানুৱাৰী ১৯৭৩) প্ৰধান মন্ত্ৰীৰ পৰা তাম্ৰপত্ৰ পাইছে, এইটো অতি গৌৰৱৰ কথা।

পবিন্দ্ৰ নাথ শৰ্ম্মা

১৯২৯ চনত বি এ চতুৰ্থ বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোতে কংগ্ৰেছৰ লাহোৰ অধিবেশনত অসমৰ এজন প্ৰতিনিধিৰূপে যোগ দান কৰে ; ফলতঃ কলেজৰ পৰা খেদা খায়, বৃত্তিও হেৰুৱায়। ১৯৩২ চনত আইন ভঙ্গ আন্দোলনত যোগ দিয়ে, নলবাৰী থানাৰ আগত পিকেটিং কৰোতে পুলিচে গ্ৰেপ্তাৰ কৰে। ১৯৪১ চনত গান্ধীজীৰ আহ্বান ক্ৰমে ব্যক্তিগত সত্যাগ্ৰহ কৰে, ব্যাপক ভাৱে গাওঁ অঞ্চল পৰিভ্ৰমণ কৰি ৰাইজক উদ্বুদ্ধ কৰে। ১৯৪২ চনত গণ আন্দোনত জপিয়াই পৰে, ১৪ মাহ কাৰাবৰণ ভোগ কৰে। ১৯৪৩ চনত চৰকাৰে এৰি দি অন্তৰীণ কৰি ৰাখে।

১৯৪৪—১৯৬২ চনলৈ লোকেল বৰ্ডৰ সদস্য হৈ ৰাইজৰ কাম কৰে। ১৯৬২ চনত কংগ্ৰেছৰ পৰা অসম

বিধান সভালৈ যায়। এতিয়াও ঐকান্তিকতাৰ বাইজৰ সেৱা কৰি আছে।

সৰ্ব্বেশ্বৰ বৰদলৈ

১৯৩০ চনত স্কুলত পঢ়ি থাকোতেই আইন ভঙ্গ আন্দোলনত লাগে। ডিচিয়ে ১৪ দিন কাৰবাসত ৰাখি দেউতাকক মতাই আনি আন্দোলন এৰি দিবলৈ বুজাবলৈ কলে; দেউতাকে বহুত বুজালে, সফল নহল। তেতিয়াৰ পৰা স্বাধীনতাৰ কাৰণে আত্মনিয়োগ কৰিছিল। স্বাধীনতাৰ পিচত বনুৱাৰ উন্নতিৰ কাৰণে খাটিছে, অসমৰ INTUC শখাৰ গুৰি ধৰিছে।

১৯৫৭—৬২ অসম বিধান সভাৰ সভ্য। বৰ্ত্তমান অসম সমবায় চেনি কলৰ সভাপতি। এজন সক্তিশালী শ্ৰম নেতা, ১৯৭২ মে মাহত জেনেভাত বহা আন্তৰ্জাতিক শ্ৰম সম্মিলনত ভাৰতৰ প্ৰতিনিধি হিছাপে যোগ দান কৰে।

ৰত্নেশ্বৰ শৰ্ম্মা—মঙ্গলদৈৰ স্বাধীনতাৰ যুদ্ধৰ এগৰাকী আগৰণুৱা। ১৯২১,১৯৩০ আৰু ১৯৪২ চনত কাৰা বৰণ কৰে। কেইবা বাৰো মঙ্গলদৈ জিলা কংগ্ৰেছৰ সভাপতি হৈছিল। এগৰাকী শাস্ত্ৰজ্ঞ পণ্ডিত।

টঙ্কেশ্বৰ শৰ্ম্মা—প্ৰথম শ্ৰেণীৰ স্বাধীনতাৰ যুঁজাৰু। তিনিবাৰ জেল খাইছে। জিলা কংগ্ৰেছৰ সভাপতি হৈছিল।

হৰেন্দ্ৰ নাথ শৰ্ম্মা—ছাত্ৰাৱস্থাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি ১৯৩০ চনত শিৱশাগৰত প্ৰথম সত্যাগ্ৰহ

কৰে, ৪।৭।৩০ তাৰিখে গেপ্তাৰ কৰি তিনিমাহ জেইল দিয়া হয়। ১৯৪২ ৰ গণ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

দেৱেন্দ্ৰ নাথ বেজবৰুৱা—১৯৩১-৩২ চনত গ্ৰেপ্তাৰ কৰা হয় কিন্তু এৰি দিয়া হয়।১৯৩৯ চনত সত্যাগ্ৰহ কৰে। ১৯৪২ চনত গোপনে কাম কৰোঁতে ধৰা পৰে, ৯ মাহ ফাটেক খায়। এই চনতে চিকিউৰিতি বন্দী কৰি লৈ যাওঁতে পলায়; চৰকাৰে ধৰি দিব পাৰিলে ১০,০০০, পুৰস্কাৰ ঘোষণা কৰে; ১৯৪৭ লৈকে গোপনে কাম কৰে। তাম্ৰপত্ৰ দি ত্যাগৰ স্বীকৃতি দিয়া হৈছে।

হেমন্ত কুমাৰ বৰদলৈ—১৯৩০ চনত আইন ভঙ্গ আন্দোলনত যোগ দিয়ে; ৬ মাহ ফাটেক খায়।

সুন্দৰ মোহন বৰদলৈ—১৯৩০ চনত আইন ভঙ্গ আন্দোলনত নামে আৰু জেইল খায়।

খগেন্দ্ৰ নাথ শৰ্ম্মা—১৯২১ চনত অসহযোগ আন্দোলনত নামি তিনিমাহ ফাটেক খায়।

ললিত চন্দ্ৰ বৰদলৈ—দহ বছৰ বয়সৰ পৰাই সত্যাগ্ৰহত নামে। ১৯৪২ চমত গণ আন্দোলনত সক্ৰিয় ভাৱে কাম কৰি দেৰ বছৰ জেল খায়, ১৯৪৮ চনত ৬ মাহ, আৰু ১৯৬৬ চনত ৪ মাহ ফাটেক খায়।

ডিম্বেশ্বৰ শৰ্ম্মা—১৯৪২ গণ আন্দোলনত কাম কৰি ৪ মাহ জেল খায়।

তোষেশ্বৰ শৰ্ম্মা—১৯৪২ ৰ গণ আন্দোলনত জোৰে কাম কৰে। আঢ়ৈ বছৰ জেল খায়।

to be corrected

ফটিক চন্দ্ৰ বৰুৱা—১৯৪২ ৰ আন্দোলনত যোগ দি জেইল খায়।

দণ্ডেশ্বৰ কাকতি—এৱোঁ ৪২ ৰ গণ আন্দোলনত কাম কৰি জেল খায়।

নীল কান্ত বৰুৱা— ১৯২১ চনৰ অসহযোগ আন্দোলনত ৬ মাহ ফাটেক খায়।

হংস নাথ শৰ্ম্মা— ১৯২১ ৰ সহযোগ আন্দোলনত তিনি মাহ জেইল খায়।

যাদৱ চন্দ্ৰ চাং কাকতি— ৪২ ৰ গণ আন্দোলনত যোগ দি ৬ মাহ জেইল খায়, তাম্ৰ পত্ৰ প্ৰদান কৰি ত্যাগৰ স্বীকৃতি দিয়া হৈছে।

প্ৰফুল্ল কুমাৰ বৰুৱা— এওঁ ৪২ ৰ গণ আন্দোলনত সক্ৰিয় ভাবে নামে, ফাটেক খায় আৰু তাম্ৰ পত্ৰ লাভ কৰিছে।

শ্ৰীমতি ৰত্ন বালা দেৱী— ১৯৪২ ৰ গণ আন্দোলনত বহু নিৰ্য্যাতন আৰু কাৰা বৰণ ভোগ কৰে।

কুশেশ্বৰ শৰ্ম্মা— ১৯৪২ ৰ গণ আন্দোলনত কাম কৰি জেইল খায়।

জিতেন্দ্ৰ নাথ শৰ্ম্মা— ১৯৪২ ৰ গণ আন্দোলনত যোগ দি জেইল খায়।

যোগেন্দ্ৰ নাথ শৰ্ম্মা— স্বাধীনতাৰ যুদ্ধত ৬ মাহ ফাটেক খায়।

বিনন্দ চন্দ্ৰ বৰুৱা— ১৯৪২ চনত মৰাণ স্কুলৰ প্ৰধান শিক্ষকৰ চাকৰি এৰি গণ আন্দোলনত নামে। তেনে-

কৈয়ে কমলেশ্বৰ শৰ্ম্মা, শশী নাথ বৰদলৈ, হৰেশ্বৰ শৰ্ম্মা, ভোলানাথ বৰদলৈ য়ে গোপনে ৪২ ৰ গণ আন্দোলনত খাটিছিল।

গণেশচন্দ্ৰ বৰদলৈ, তপেশ্বৰ শৰ্ম্মা, ৰজত চন্দ্ৰ শৰ্ম্মাই ১৯২১ চনৰ অসহ যোগ আন্দোলনত সক্ৰিয় ভাৱে কাম কৰিছিল। শান্তিৰাম বৰদলৈ স্বাধীনতাৰ বাবে নিৰ্য্যাতন ভুগিছে।

ভুজেন্দ্ৰ চন্দ্ৰ বৰদলৈ— ৪২ ৰ গণ আন্দোলনত বিশেষকৈ খাটিছিল, ২টা বছৰ নিৰাপত্তা বন্দীৰ জীৱন কটাইছিল।

শ্ৰীমতী প্ৰেমদা দেৱী— সুৰেন্দ্ৰ নাথ বৰুৱাৰ মাতৃ, বহুত নিৰ্য্যাতন ভুগিছে। চৰকাৰে এটি ৰাজনৈতিক পেনছন দি ত্যাগৰ স্বীকৃতি দিছে।

শ্ৰীমতী হিমেশ্বৰী দেৱী— ১৯৪২ ৰ গণ আন্দোলনত গোপনে কাম কৰি বহুত দুৰ্ভোগ ভুগিছে, ১৯৫৮ চনৰ পৰা চৰকাৰৰ ৰাজনৈতিক পেনছন লাভ কৰি স্বীকৃতি পাইছে।

[২২]

(২২) সংৱাদ সেৱাত

ৰাধা নাথ চাংকাকতি (১৮৫৬-১৯২০) অসমৰ সংৱাদ জগতৰ পিতা। সদৌ অসমৰ সাংৱাদিক সমাজে ১৯৭১ নৱেম্বৰ ২০ তাৰিখে এই জনা পুৰুষৰ জন্ম শত বাৰ্ষিকী পালন কৰে।

চাংকাকতিয়ে ডিব্ৰুগড়ৰ নিচিনা চুক এটাত ইংৰাজী বাতৰি কাকত উলিয়াবলৈ ১৮৮১ চনতে ভাবিছিল, আৰু এটা ছপাশাল অনায়, ছপাশালখন এটা খেৰি ঘৰত স্থাপন কৰিছিল, কোনোবা দুৰ্বৃত্তই জুই লগাই পুৰি নষ্ট কৰে। তেওঁ হতাশ নহল। তেওঁ ১৮৯৩ চনত ৰয়েল অপিয়াম কমিচনাৰ আগত সাক্ষ্য দিবলৈ কলিকতালৈ গৈছিল, তেতিয়া এটা ছপাশাল কিনে। ১৮৯৫ চনৰ জানুৱাৰী ৫ তাৰিখে, শনিবাৰে অসমৰ সৰ্ব প্ৰথম সাদিনীয়া বাতৰি কাগজ Times of Assam প্ৰকাশ কৰে। ৰজাঘৰ, চাহ বাগিচাৰ মালিক সকল আৰু সদৌ ৰাইজে কাগজ খনক বিপুল অভিনন্দন আৰু আদৰণি জনায়। তেওঁ নিজেই আছিল কাগজ খনৰ সম্পাদক আৰু পৰিচালক। কাগজ খন অতি জনপ্ৰিয় আছিল। ইয়াৰ বহু গ্ৰাহক ইংৰাজ আছিল আৰু বহু সংখ্যা বিলাতলৈ গৈছিল; বহুত বিজ্ঞাপন বিলাতৰ পৰা আহিছিল। ১৯১০ চনত উলহ মালহৰ মাজত ৰূপালী জয়ন্তী পতা হয়।

১৯২৩ মাৰ্চ ৭ তাৰিখে চাংকাকতি স্বৰ্গী হয়। তাৰ পিচৰ পৰাই কাগজ খনৰ অৱস্থা বেয়ালৈ আহে, তথা-

পিও ১৯৪৭ চনলৈকে ওলাই আছিল। ৺জীৱন ৰাম ফুকনে অশেষ চেষ্টা কৰি ১৯৪৮ আগষ্ট ১৫ তাৰিখে পুনৰ তিনিদিনীয়া কৰি প্ৰকাশ কৰে কিন্তু ১৯৪৯ চনৰ আগষ্টৰ ১৫ তাৰিখে পুনৰ চিৰকালৰ বাবে লুপ্ত হয়।

চাংকাকতি অকল সাংৱাদিকেই নহয়, ডিব্ৰুগড়ৰ প্ৰাণ স্বৰূপ আছিল। চৰকাৰে তেওঁৰ কথা এৰাব নোৱাৰি ডিব্ৰুগড় পৌৰ সভাৰ বেচৰকাৰী সভাপতি পদ মঞ্জুৰ কৰে। চাং কাকতিয়েই ১৯১৫ চনৰ ফেব্ৰুৱাৰী ১৫ তাৰিখে সৰ্ব প্ৰথম নিৰ্বাচিত সভাপতি হয়। তেৱেঁই ডিব্ৰুগড়ত প্ৰথম বালিকা বিদ্যালয় স্থাপন কৰে, নিজৰ পৰিবাৰৰ সোণৰ খাৰু বন্ধক দি টকা ধাৰলৈ লৈ শিক্ষকৰ দৰমহা দিছিল। এইখন স্কুল আজি কালি উচ্চতৰ বালিকা স্কুল।

চাং কাকতিয়ে ৰাজনৈতিক জীৱনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৮৮৫ ডিচেম্বৰ ২৮ তাৰিখে চনত জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন বহে। এই অধিবেশনত চাংকাকতি অসময় একমাত্ৰ প্ৰতিনিধি হৈ যোগ দান কৰে, আৰু ১৮৮৬ চনত কলিকতাত বহা অধিবেশনতো তেৱেঁই অসমৰ একমাত্ৰ প্ৰতিনিধি হৈ উপস্থিত থাকে। তেওঁ Imperial Tobacco Coy ৰ Imperial শব্দটোৰ প্ৰত্যেকটো আখৰেৰে India May Possess Equal Rights In All Legislatures বাক্য ৰচনা কৰি প্ৰতিযোগিতাত দুশ টকা লাভ কৰে।

ৰজাঘৰতো চাং কাকতিৰ সমাদৰ আছিল। তেওঁ বিশেষ ভাৱে আমন্ত্ৰিত হৈ ১৯১২ চতন দিল্লীত ৰহা

পঞ্চম জৰ্জৰ অভিষেক উৎসৱত যোগ দিয়ে। এই জন্ম ক্ষণ জন্ম পুৰুষ ডিব্ৰুগড়ৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক জীৱনৰ প্ৰাণস্বৰূপ আছিল, "ডিব্ৰুগড়ৰ মুকুট বিহীন সম্ৰাট" আছিল।

ডাঃ কনক চন্দ্ৰ শৰ্ম্মা—পশুধনৰ কল্যাণ উন্নতি কল্পে "পশু পালন" আলোচনীখন ৪০ বছৰৰো অধিক কাল অকলে প্ৰবন্ধ পাতি গোটাই নিজেও লেখি প্ৰকাশ কৰিছিল।

হেৰম্ব চন্দ্ৰ বৰদলৈ—ডিব্ৰুগড়ৰ পৰা পযেকীয়া কাকত ডিব্ৰুগড় বাৰ্ত্তা নিজে সম্পাদনা কৰি প্ৰকাশ কৰিছে।

শৰৎ চন্দ্ৰ বৰকাকতি. পবনাথ শৰ্ম্মা, ত্ৰৈলোক্য নাথ শৰ্ম্মা, নৱীন চন্দ্ৰ বৰলৈ, ভবেশ চন্দ্ৰ চাংকাকতি আদিয়েও সংবাদ সেৱা কৰি আহিছে।

(২৩) স্বাধীন বাটেদি

এদ্‌ভকেটসকল

গৌহাটী ॥ সুৰেশচন্দ্ৰ বৰদলৈ, পবিন্দ্ৰ নাথ শৰ্ম্মা; কনকেশ্বৰ শৰ্ম্মা, গণেশচন্দ্ৰ বৰদলৈ তৰুণ চন্দ্ৰ শৰ্ম্মা; দেৱেন্দ্ৰ নাথ বৰদলৈ; উপেন্দ্ৰ নাথ শৰ্ম্মা; চপল কুমাৰ বৰুৱা; বীৰেন্দ্ৰ নাথ শৰ্ম্মা।

মঙ্গলদৈ ॥ তপেশ্বৰ শৰ্ম্মা; মুক্তিনাথ গোস্বামী; চন্দ্ৰ কান্ত বৰুৱা।

যোৰহাট ॥ যাদৱ চন্দ্ৰ বৰদলৈ, প্ৰফুল্ল বৰদলৈ; লক্ষ্মী বৰদলৈ; দুৰ্যোধন বৰদলৈ; ভুবন চন্দ্ৰ বৰদলৈ

ডিব্ৰুগড় ॥ ৰমেশচন্দ্ৰ চাংকাকতি, বিনন্দ চন্দ্ৰ বৰুৱা, নকুল চন্দ্ৰ বৰদলৈ, ভুবন চন্দ্ৰ বৰদলৈ, তৰুণ চন্দ্ৰ শৰ্ম্মা।

চিকিৎসকসকল

কামৰূপ ॥ ডাঃ নলিনী কান্ত শৰ্ম্মা এম বি—অসমৰ এগৰাকী নিৰ্ভৰ যোগ্যতম ডাক্তৰ, অসম শাখা আই এ এম চেক্ৰেটাৰী ১৯৪৮—৫০, লোকপ্ৰিয় বৰদলৈ টি বি হস্পিতাল চেক্ৰেটাৰী ১৯৫৭—৬০, অসম কংগ্ৰেছ সেৱা সমিতিৰ চেক্ৰেটাৰী ১৯৫৮ৰ পৰা।

ডাঃ শৰৎ ভাগৱতী এম বি বি এছ—উত্তৰ কামৰূপৰ নাম জাদা ডাক্তৰ।

ডাঃ প্ৰবীৰ বৰদলৈ ডিটিচিডি (ৱেলস), ডিপিৱেন, ডিটি এন্দ এইছ (লিভাৰপুল)—নিউ ফাৰ্মাচী, বৰদলৈ ক্লিনিক খুলিছে।

ডাঃ সুমতি চাংকাকতি এম আৰ চি ও জি, এফ আৰ চি ও জি—স্ত্ৰীৰোগ বিশেষজ্ঞ।

শিৱসাগৰ ॥ ডাঃ চাৰু চন্দ্ৰ বৰুৱা—ৰিখ্যাত দেন্‌টিষ্ট।

ডাঃ জগন্নাথ বৰুৱা—অতি জনপ্ৰিয়, ফাৰ্মাচী খুলিছে।

ডাঃ ভৱনাথ শৰ্ম্মা, ডাঃ চন্দ্ৰ কান্ত শৰ্ম্মা অভিজ্ঞ, ডাক্তৰ ডাঃ কোকিল বৰুৱা এম ডি আৰু ডাঃ দীন নাথ শৰ্ম্মা এম বি বি এছ উদীয়মান।

ডিব্ৰুগড় ॥ ডাঃ শৈলেন্দ্ৰ কুমাৰ বৰুৱা—আমেৰিকাত উচ্চ শিক্ষিত, বৰুৱা ফাৰ্মাচী খুলিছে।

ডাঃ মহানন্দ হাতিকাকতি এম বি—সুপৰিচিত,

তিনিচুকীয়া পৌৰ সভাৰ সভাপতি আছিল, বৰ্ত্তমান সদস্য।

ডাঃ ডম্বৰুধৰ বৰুৱা, ডাঃ তুঙ্গনাথ বৰদলৈ অভিজ্ঞ ডাক্তৰ।

দৰং ॥ ডাঃ ললিত চন্দ্ৰ বৰদলৈ— মঙ্গলদৈৰ অভিজ্ঞ জনপ্ৰিয় ডাক্তৰ।

হোমিও প্যাথিক ডাক্তৰসকল ॥ বৰদলৈ—শুকদেৱ, ডাঃ পতিৰাম। বৰুৱা ডাঃ আধান, ডাঃ বসন্ত। শৰ্ম্মা ডাঃ উদয়, ডাঃ সত্য নাথ।

ডাঃ বৈকুণ্ঠ নাথ বৰদলৈ এগৰাকী হোমিও প্যাথিক ধন্বন্তৰি আছিল।

কবিৰাজ সকল ॥ ভট্টাচাৰ্য্য ৰুদ্ৰনাথ। শৰ্ম্মা— অৱনী কান্ত; উমেশ, হংসনাথ।

২৪ চাহ শিল্পী সকল

অসমীয়াৰ মাজত মালভোগ বৰুৱাই বিশেষ স্থান অধিকাৰ কৰিছিল। তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ উপযুক্ত পুত্ৰ প্ৰসন্ন কুমাৰ বৰুৱা, নৱ কুমাৰ, বসন্ত কুমাৰ বৰুৱা, দেৱ কুমাৰ বৰুৱা আৰু ৰোহিণী কুমাৰ বৰুৱাই বাগানৰ কাম পৰিচালনা কৰিছিল। মালভোগ বৰুৱাৰ বাগান মালভোগ বৰুৱা ইষ্টেটস নামে জনা জাত। পৰিচালক বৰ্ত্ত আছে বৰুৱা— নৃপেন্দ্ৰ কুমাৰ, ৰবীন্দ্ৰ কুমাৰ, জিতেন্দ্ৰ কুমাৰ, তৰুণ কুমাৰ, তপন কুমাৰ, নিতেন্দ্ৰ কুমাৰ, নীৰেন্দ্ৰ কুমাৰ আৰু যতীন্দ্ৰ কুমাৰ। শ্ৰীমতী ৰত্না বৰুৱা এগৰাকী বিশিষ্টা উপদেষ্টা। মধুটিং আৰু কঠাল গুৰি বাগানেই প্ৰধান।

শৈলজানন্দ বৰুৱা—নামদাং চাহ বাগান খুলিছে আৰু পৰিচালনা কৰিছে।

চিদানন্দ বেজবৰুৱা—কুঁৱৰীতল চাহ বাগান স্থাপন কৰিছে, পৰিচালক নিজপুত্ৰ নীৰাদনন্দ বেজবৰুৱা।

২৫ কথাছবি

মনোমতী ॥ ২য় অসমীয়া কথাছবি, ৰোহিণী বৰুৱাৰ অৱদান। বৰুৱাই এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা এম এছ ছি ডিগ্ৰী লৈ উভতি আহি ব্যৱসায়ত নামে, সক্ৰিয় ভাৱে সমাজ সেৱা কৰে, সহধৰ্মিণী শ্ৰীৰত্না বৰুৱাও এগৰাকী সমাজ সেৱিকা।

ডাক্তৰ বেজবৰুৱা ॥ নৃপেন্দ্ৰ কুমাৰ, ৰবীন্দ্ৰ কুমাৰ আদিয়ে ৰংঘৰ চিনে প্ৰদাকৃস্যন নাম দি কথাছবি অনুষ্ঠান স্থাপন কৰে, প্ৰথম অৱদান ডাক্তৰ বেজবৰুৱাই ১৯৭০ চনত ৰাইজৰ আগত দেখা দিয়ে আৰু বিপুল জনপ্ৰিয়তা লাভ কৰে। এই কথা-ছবিয়ে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পায় আৰু সুকৃতী সঞ্চালক ব্ৰজেন্দ্ৰ বৰুৱাই এটি মেদেল লাভ কৰে।

কথা ছবি গৃহ

মাল ভোগ বৰুৱা ইষ্টেটসৰ কৰ্ত্ত পক্ষই ৰংঘৰ ডিব্ৰুগড় আৰু ৰংঘৰ তিনিচুকীয়া স্থাপন কৰিছে।

খগেন্দ্ৰ নাথ চংকাকতিয়ে উত্তৰ লক্ষীমপুৰত বিশ্ব চিনেমা খুলিছে।

২৬ শিল্পী সকল

সুৰেন্দ্ৰ নাথ বৰদলৈ, নাৰায়ণ চন্দ্ৰ বেজবৰুৱা, মাণিক

চন্দ্ৰ হাতিকাকতি তিনিও গৰাকীয়ে চিত্ৰ শিল্পৰ সাধনা কৰিছে।

অঃ প্ৰফুল্ল কুমাৰ বৰদলৈ— কথা ছবি ৰশ্মি ৰেখা পৰিচালনা কৰিছে, সঙ্গীত সংলাপ দিছে।

সঞ্জীৱ বৰদলৈ— নাটিকা লেখক, কথা ছবিৰ অভিনেতা, সৰ্ব ভাৰতীয় খ্যাতি সম্পন্ন শিশু সাংস্কৃতিক অনুষ্ঠান "মৌচাক" প্ৰতিষ্ঠা কৰিছে।

ৰঞ্জনা বৰদলৈ— নৃত্যশিল্পী, কথা ছবিৰ অভিনেত্ৰী, অসমৰ বাহিৰতো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কৃতিত্ব আৰ্জন কৰিছে। ডিব্ৰুগড় সঙ্গীত বিদ্যালয়ৰ শিক্ষয়িত্ৰী।

উঠি অহা শিল্পীসকল— কিৰণ বৰুৱা, শ্ৰীমতী কণিকা দেৱী।

২৭ ৰাইজৰ সেৱাত

এই সকলে ৰাইজৰ সেৱা, সমাজৰ সেৱা কৰি আহিছে। শ্ৰীমতী সুৰ বালা বৰদলৈ ধৰ্ম কৰ্ম, নানা অনুষ্ঠানৰ লগত জড়িতা। নৃপেন্দ্ৰ কুমাৰ বৰুৱা, ডিব্ৰুগড়ৰ জনপ্ৰিয় নাগৰিক, পৌৰ সভাৰ সদস্য, উপসভাপতিও আছিল। ৰবীন্দ্ৰ কুমাৰ বৰুৱা সমাজ প্ৰিয়। বিনন্দ চন্দ্ৰ বৰুৱা— অধিবক্তা, অইন কলেজৰ অধ্যাপক আলোচনা চক্ৰ, সাহিত্য সভাৰ কাম কৰিছে, ১৯৬২ চনত নাগৰিক সঙ্ঘ স্থাপন কৰে, তেতিয়াৰ পৰাই সম্পাদক। দোলেশ্বৰ বেজবৰুৱা— নাজিৰা পৌৰ সভাৰ সভাপতি। টঙ্কেশ্বৰ বৰুৱা— ৰাজনৈতিক নেতা, ভগৱতী

প্ৰসাদ বৰুৱা আৰু নতুন হাইস্কুলৰ প্ৰতিষ্ঠাতা, সোণাৰী কলেজ আৰু পশু চিকিৎসালয় পতাত গুৰি ধৰিছে। নগেন্দ্ৰ নাথ চাংকাকতি বিশিষ্ট খেলুৱৈ। খগেন্দ্ৰ নাথ শৰ্ম্মা— মঙ্গলদৈ মহকুমাৰ পৰা গৌহাটী বিশ্ববিদ্যালয়লৈ সৰ্বোচ্চ দান দুই হাজাৰ টকা দিয়ে। গিৰিধৰ শৰ্ম্মা মৌজাদাৰ। দেৱেন্দ্ৰ নাথ বৰদলৈ শ্ৰম নেতা। বাছালাল বৰদলৈ খেলুৱৈ, মঞ্চাভিনেতা দিগবৈৰ ৰাজহুৱা জীৱনৰ প্ৰাণ-স্বৰূপ। শ্ৰীমতী সৰলা দেৱী, বীৰেন্দ্ৰ নাথ বৰদলৈ, ডাঃ পতিৰাম বৰদলৈ, ডিম্বেশ্বৰ বৰদলৈ; সতীশচন্দ্ৰ বৰুৱা ডিব্ৰুগড়ৰ সতীশ পালোৱান। ফণি নাথ শৰ্ম্মা— ৪২ৰ গণ আন্দোলনত পৰোক্ষ ভাৱে খাটিছো আনন্দ মোহন শৰ্ম্মা— প্ৰাক্তন সহকাৰী সঞ্চালক খেলুৱৈ।

সমৰ বৰদলৈ— দেহ প্ৰতি যোগিতাত 'মিঃ জব্বলপুৰ" উপাধি পাইছে, এল ইন্দিয়া বদি বিল্‌দাৰ্স এছ ছিয়েছনৰ উপ সভাপতি।

২৮ ব্যৱসায়।

যি দুই গৰাকীয়ে চেষ্টা কৰিছে তেওঁ লোকৰ নাম তলত দিয়া হল।

ডিব্ৰুগড় জিলা॥ বৰদলৈ যোগেন্দ্ৰ নাথ। বৰুৱা-দীন, টঙ্কেশ্বৰ। শৰ্ম্মা— অমৃত, তৰুণ, তোলেন্দ নাথ।

লক্ষীমপুৰ ॥ বৰদলৈ— উমানন্দ, ডিম্বেশ্বৰ। শৰ্ম্মা বৰুৱা লক্ষ্মী নাথ।

দৰং ॥ বৰুৱা দিলীপ। শৰ্ম্মা— অনন্ত, দামোদৰ, দীনেশ্বৰ, ভবানী, মহেন্দ্ৰ নাথ।

কামৰূপ ॥ বৰদলৈ—জ্যোতিনাথ, পৰেশচন্দ্ৰ, ভুবন চন্দ্ৰ। শৰ্ম্মা— ত্ৰৈলোক্য নাথ, বিবেকা নন্দ, যজ্ঞেশ্বৰ। শ্ৰীমতী– বাসন্তী দেৱী, ব্ৰজবালী দেৱী। হাতীকাকতি —প্ৰদীপ চন্দ্ৰ, মাখন চন্দ্ৰ। চাংকাকতি—প্ৰমোদ চন্দ্ৰ, বিপুল ; বৰুৱা উপেন্দ্ৰ নাথ।

শিৱসাগৰ ॥ বৰদলৈ—দুলাল, জিতেন্দ্ৰ নাথ, জ্যোতি প্ৰসাদ, ৰামেন্দ্ৰ নাথ। বেজবৰুৱা—দোলেশ্বৰ, নিত্যানন্দ, মুক্তি। শৰ্ম্মা ঘনকান্ত, হাতীকাকতি মুকুট।

২৯ ছপাশাল

খগেন্দ্ৰ নাথ শৰ্ম্মা—লক্ষ্মী প্ৰিন্টিং, হংসনাথ শৰ্ম্মা —ঢেকিয়াজুলি প্ৰেছ, ৰত্নেশ্বৰ বৰুৱা—সৰোজিনী প্ৰেছ, ত্ৰৈলোক্য নাথ শৰ্ম্মা—জয়ন্তী প্ৰেছ স্থাপন কৰিছে। ৺ধৰ্মেশ্বৰ বৰদলৈয়ে ইষ্টাৰ্ন প্ৰিন্টাৰ্স পাতিছিল, নিজ পুত্ৰ প্ৰদীপ বৰদলৈয়ে পৰিচালনা কৰি আছে।

৩০ জ্যোতিষীসকল

চাংকাকতি প্ৰভাত চন্দ্ৰ, দলৈ— প্ৰিয় নাথ, হৰি নাথ, বৰদলৈ— মোহন চন্দ্ৰ, যাদৱ চন্দ্ৰ, ধৰণীধৰ, ভট্টাচাৰ্য্য— পুৰুষোত্তম, মহেন্দ্ৰ, ৰঞ্জিত, শৰ্মা— গোলোক, দুৰ্গানাথ, পদ্মিনী নাথ, ভুবন চন্দ্ৰ (ভোমোৰা), সিদ্ধেশ্বৰ, সূৰ্য্যকান্ত, শাস্ত্ৰী— অক্ষয়, তিলক, দণ্ডিৰাম, নবীন, নৰেশ্বৰ, ভাগৱতী— অৰুণ, মদন চন্দ্ৰ।

প্ৰাণনাথ বৰদলৈ, গজেন্দ্ৰ নাথ শৰ্মা, সৰবজ্ঞান পণ্ডিত, সত্যনাথ শৰ্মা, গীৰিশচন্দ্ৰ শৰ্মা, আদ্যনাথ ভট্টাচাৰ্য্য, আদিত্য নাথ শৰ্ম্মা, ধৰণী বৰদলৈ, ধৰণী শৰ্মা, গজেন্দ্ৰ নাথ শৰ্ম্মা, জনপ্ৰিয় জ্যোতিষী আছিল।

দ্বিতীয় গ্ৰন্থ

আমি শ্ৰদ্ধাৰে সোঁৱৰোঁ

আহোম ৰাজত্বৰ শেষলৈকে দৈৱজ্ঞ ব্ৰাহ্মণ সকলে আহোম স্বৰ্গদেউ সকলক সৰ্ব্বতোভাৱে সেৱা কৰিছিল। ৰজা কন্দৰ্পেশ্বৰ সিংহৰ মাক আৰু ৰাণীৰ ঘৰ গোৱাহাটী গোপীকান্ত বৰুৱাই নকৈ ঘৰ সজাই দিছিল ; ৰজা কন্দৰ্পেশ্বৰ সিংহৰ শ্ৰাদ্ধৰ কাৰণে হৰকান্ত বৰুৱা সদৰামীনে লাগি-ভাগি ৩০০০ টকা চৰকাৰৰ দ্বাৰা মঞ্জুৰ কৰায় আৰু ৰাণীক সদুপদেশ দি শ্ৰাদ্ধ সম্পাদন কৰায়। গোপীকান্ত ৰজা পুৰন্দৰ সিংহৰ মজিন্দাৰ বৰুৱা আছিল। বৃটিছৰ দিনত বহিৰাগতই ভাৰতীয়ই পাব পৰা চাকৰিত সন্ধি নেৰাখি সোমাইছিল। অসমীয়াৰ ভাগ্যত আছিল উচ্চতম পদ সদৰামীন আৰু সৰু-সুৰা কেৰাণী মহৰীৰ কাম। অসমীয়াৰ ভিতৰত বোধকৰো গোৱালপাৰাত ৰাধাকান্ত মজিন্দাৰ বৰুৱা প্ৰথম সদৰামীন হৈছিল। প্ৰায় একে সময়তে এই কেইগৰাকী দৈৱজ্ঞ ব্ৰাহ্মণ আন চাৰিখন জিলাত সদৰামীন হৈছিল।

দেৱবৰ বৰদলৈ— গোৱাহাটীৰ আলা সদৰমীন ; সোমদত্ত— নগাঁৱৰ সদৰামীন ; জগন্নাথ বৰদলৈ তেজপুৰৰ, মোহন বৰুৱা— ডিব্ৰুগড়ৰ ; সদৰামীন ; হৰকান্ত বৰুৱা— এগৰাকী ফাৰ্চি, উৰ্দু আৰু সংস্কৃতজ্ঞ পণ্ডিত আছিল ; হৰকান্ত বৰুৱা— গোৱাহাটীৰ, বিখ্যাত বুৰঞ্জীবিদ ; আৰু গোলাঘাটত ৰায়বাহাদুৰ হৰনাথ পৰ্ব্বতীয়া বৰুৱা— এগৰাকী সিংহ পুৰুষ আছিল, চিপাহী বিদ্ৰোহ দমন কৰি অসম ৰক্ষা কৰিছিল, ই-এ-চি, নগাঁও আৰু শিৱসাগৰ জিলাৰ ডেপুটী কলেক্টৰ।

দুৰ্ভাগ্যক্ৰমে এওঁলোকৰ পিছত দৈৱজ্ঞ ব্ৰাহ্মণে দৃঢ় ঠাই ৰাখিব নোৱাৰিলে ; প্ৰধান প্ৰধান কেইগৰাকীমান কৃতী পুৰুষৰ নাম ইয়াত উল্লেখ কৰা হ'ল। ই-এ-চি ॥ মাধৱ চন্দ্ৰ বৰদলৈ, মহকুমাধিপতি ;